DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 17th July, 2009.

The House met at 8.30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ ইংৰাজী ১৬-০৭-২০০৯ তাৰিখে অসম বিধান সভাৰ দিনটোৰ কার্য্যসূচীৰ সমাপ্তিৰ পিছত অধ্যক্ষৰ সভাকক্ষত অসম বিধান সভাৰ এখন সর্বদলীয় নেতাৰ বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত সদনৰ প্রশ্নোত্তৰ ঘণ্টাত নির্দ্ধাৰিত কুৰিটা প্রশ্নৰ বিপৰীতে অতি কম সংখ্যক প্রশ্নহে নিষ্পত্তি কৰিব পৰাৰ পৰিপ্রেক্ষিতত উদ্ভৱ হোৱা অসুবিধাসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত আলোচনা মর্মে কেইটামান সিদ্ধান্ত গ্রহণ কৰা হয়।

সিদ্ধান্তসমূহ হ'ল ঃ

১। এতিয়াৰ পৰা মূল প্রশ্নকর্তাই দুটাকৈ পৰিপূৰক প্রশ্ন কৰিব পাৰিব আৰু দুয়োটা পৰিপূৰক প্রশ্নৰ বাবে প্রশ্নকর্তাই সময় পাব প্রতিটো প্রশ্নৰ বাবে এক মিনিটকৈ, মুঠতে দুই মিনিট।

২। মাননীয় মন্ত্রীয়ে মূল প্রশ্নকর্তাৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰদানৰ বাবে সময় পাব মুঠ আঢ়ৈ মিনিট।

৩। মূল প্রশ্নৰ সৈতে সঙ্গতি থকা পৰিপূৰক প্রশ্ন উত্থাপনৰ বাবে অন্য দুজন মাননীয় সদস্য বা সদস্যাই সুবিধা পাব। যিয়ে প্রথমে অধ্যক্ষৰ দৃষ্টি আকর্ষণ কৰিব তেখেতক প্রশ্ন উত্থাপন কৰিবলৈ সুযোগ দিয়া হ'ব। প্রতিটো পৰিপূৰক প্রশ্নৰ বাবে মাননীয় সদস্য বা সদস্যাই পাব ১ মিনিটকৈ।

৪। দুয়োজন মাননীয় সদস্য বা সদস্যাৰ পৰিপূৰক প্রশ্নৰ উত্তৰদানৰ বাবে মাননীয় মন্ত্রীয়ে সময় পাব মুঠ আঢ়ৈ মিনিট।

পৰিপূৰক প্রশ্নৰ উত্থাপন কৰাৰ আগতে কোনো ধৰণৰ বিশ্লেষণমূলক ভাষণ দিব নোৱাৰিব। মূল প্রশ্নকর্তাৰ প্রশ্নৰ সৈতে সংগতি ৰাখি পোনপটীয়াকৈ নির্দ্ধাৰিত সময়ৰ ভিতৰত পৰিপূৰক প্রশ্ন উত্থাপন কৰিব লাগিব।

আশা কৰো সর্বদলীয় সভাৰ এই সর্বসন্মত সিদ্ধান্তসমূহত সদনৰ সন্মতি আছে আৰু এই সিদ্ধান্তসমূহ আজিৰ প্রশ্নকালৰ পৰাই কার্যকৰী হ'ব।

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 181, Hon'ble Member, Shri Keshab Mahanta.

বিষয় ঃ হস্তী আৰু মানৱৰ সংঘাত।

শ্রী কেশৱ মহন্তই সুধিছে ঃ

*১৮১। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান সময়ত ৰাজ্যখনত হস্তী আৰু মানৱৰ সংঘাতৰ যি সমস্যা হৈছে ইয়াৰ উপশম ঘটাবৰ বাবে চৰকাৰে কেনেধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে?

(খ) ৰাজ্যখনত ২০০১ চনৰ পৰা বর্তমানলৈকে কিমান লোক হাতীৰ আক্রমণত মৃত্যু হৈছে? (জিলা ভিত্তিত বিতং তথ্য দাঙি ধৰিব)

(গ) এই সকলৰ ভিতৰত কিমানজনক কিমান পৰিমাণৰ চৰকাৰী সাহার্য্য আগবঢ়োৱা হৈছে আৰু কিমান সংখ্যক লোকক সাহার্য্য আগৱঢ়াবলৈ বাকী আছে?

(ঘ) কলিয়াবৰ বিধান সভা সমষ্টিৰ ২০০১ চনৰ পৰা বর্তমানলৈকে হাতীৰ আক্রমণত মৃত্যুৱৰণ কৰা আৰু আঘাতপ্রাপ্ত ব্যক্তিৰ নাম

প্রতিটো বছৰ ভিত্তিত উল্লেখ কৰিবনে? (যদি ক্ষতিগ্রস্ত সকলক সাহার্য্য আগবঢ়াইছে সেই তথ্য ও ব্যক্তিৰ নামৰ বিপৰীতে সন্নিবিষ্ট কৰিব)

(ঙ) কলিয়াবৰ বিধান সভা সমষ্টিৰ ভিতৰত ২০০১ চনৰ পৰা বর্তমানলৈকে কিমান শষ্য নষ্ট কৰিছে আৰু কিমান ব্যক্তিৰ ঘৰ-সম্পত্তি ধ্বংস কৰিছে? (বছৰ ভিত্তিত নামসহ উল্লেখ কৰিব লগতে যদি সাহার্য্য আগবঢ়াইছে সাহার্য্যৰ পৰিমাণ সন্নিবিষ্ট কৰিব)

(চ) মানুহৰ জীৱন আৰু সম্পত্তি নিৰাপত্তাৰ বাবে পৰম্পৰাগত ব্যৱস্থাৰ, উপৰিও কি কি নতুন ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হাতীৰ উপদ্রৱ নিয়ন্ত্রণৰ বাবে চৰকাৰে নিম্ন লিখিত ব্যৱস্থাসমূহ গ্রহণ কৰিছে—

১। বনৰীয়া হাতী নিয়ন্ত্রণৰ বাবে নিয়ন্ত্রণ বাহিনী, নিয়ন্ত্রণ কক্ষ খোলা হৈছে। আৰু এই কক্ষ ২৪ ঘণ্টাই কর্মৰত অৱস্থাত থাকে।

২। বনৰীয়া হাতী নিয়ন্ত্রণৰ বাবে কোনো কোনো ঠাইত Electrical Fencing ৰ ব্যৱস্থা কৰা হৈছে।

৩। কুনকী হাতী ব্যৱহাৰ কৰি বনৰীয়া হাতীৰ নিয়ন্ত্রণৰ ব্যৱস্থা কৰা হৈছে।

৪। গাঁও আৰু চাহ বাগান এলেকাসমূহত গাঁওবুঢ়া, চর্দাৰ আদি অন্যান্য ব্যক্তিসমূহক লৈ বনৰীয়া হাতী নিয়ন্ত্রণ গোট গঠন

কৰা হৈছে। আৰু বিভাগৰ লগত যৌথভাৱে হাতী খেদাৰ ব্যৱস্থা কৰা হৈছে।

৫। বনবিভাগৰ তৰফৰ পৰা নিয়ন্ত্রণ গোটসমূহক আৱণ্টন সাপেক্ষে চার্চ লাইট আদি যোগান ধৰা হৈছে।

ওপৰোক্ত হ্রস্বম্যাদী ব্যৱস্থা সমূহৰ ওপৰিও দীর্ঘ ম্যাদী ব্যৱস্থা হিচাপে হাতীৰ আবাস ভূমিসমূহত হাতীয়ে ভাল পোৱা গছ গছনি লগাই আৰু পুখুৰী আদি খান্দি পানীৰ ব্যৱস্থা কৰা হৈছে যাতে খাদ্যৰ অভাবত হাতী বনাঞ্চলৰ বাহিৰত ওলাই আহিবলগীয়া নহয়। তাৰোপৰি পৰিস্থিতি চম্ভালিবৰ বাবে আন্তঃগাঠনিৰো উন্নত কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) ২০০১ চনৰ পৰা এতিয়ালৈকে পোৱা তথ্য অনুসৰি ৰাজ্যখনত হাতীৰ আক্রমণত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৫২ জন। জিলাভিত্তিত বিতং তথ্য তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-I)

(গ) এই সকলৰ ভিতৰত ৪০৫ জনক চৰকাৰী সাহার্য্য আগবঢ়োৱা হৈছে। সাহার্য্যৰ পৰিমাণ আৰু সর্বমুঠ চৰকাৰী এককালীন সাহার্য্য তথ্য তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল। ৪৭ জন লোকক সাহার্য্য দিবলৈ বাকী আছে আৰু ইয়াৰ বাবে চৰকাৰী বিহীত ব্যৱস্থা লোৱা হৈছে। (See Annexure-II)

(ঘ) কলিয়াবৰ বিধান সভা সমষ্টিত ২০০১ চনৰ পৰা বর্তমানলৈকে হাতীৰ আক্রমণত মৃত্যু বৰণ কৰা আৰু আঘাতপ্রাপ্ত ব্যক্তিৰ বছৰ

ভিত্তিত নামৰ তালিকা আৰু সাহার্য্যৰ পৰিমাণ ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-III)

(ঙ) কলিয়াবৰ বিধান সভা সমষ্টিৰ ভিতৰত ২০০১ চনৰ পৰা বর্তমানলৈকে কিমান শস্য নষ্ট কৰিছে আৰু কিমান ব্যক্তিৰ ঘৰ সম্পত্তি ধ্বংস কৰিছে তাৰ বিশদ (এতিয়ালৈকে পোৱা তথ্য অনুসৰি) ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-IV)

(চ) মানুহৰ জীৱ আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে পৰম্পৰাগত ব্যৱস্থাসমূহ লোৱাৰ ওপৰিও গুৰুত্বপূর্ণ ঠাইসমূহত বৈদ্যুতিক তাঁৰৰ বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

***শ্রী কেশৰ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে হাতীৰ উপদ্রৱৰ লগতে আমাৰ কলিয়াবৰ সমষ্টিত বাঘ আৰু গড়ৱো উপদ্রৱ হৈছে। এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰা হৈছে? মাননীয় অধ্যক্ষ মহোদয়, তাত তেখেতৰ বিভাগৰ ফালৰ পৰা ৰনৰক্ষী বা অন্যান্য বন কর্মীৰ ফালৰ পৰা কি ব্যৱস্থা গ্রহণ কৰিব এই বিষয়ে মই জানিব বিচাৰিছো।

***শ্রী বকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতীৰ সমস্যাটো এটা আমাৰ ডাঙৰ সমস্যা। এই সমস্যাটো নতুনকৈ হোৱা সমস্যা নহয়। হাতীৰ খাদ্য আৰু বাসস্থানৰ অভাৱ হোৱাৰ কাৰণে ই মানুহৰ মাজত সোমাই পৰিছে আৰু সিহঁতৰ প্রকোপ বাঢ়িছে। মাননীয় অধ্যক্ষ মহোদয়, হাতী আৰু মানুহৰ সংঘাট, আৰু

*** Speech not corrected**

হাতীৰ উপদ্ৰৱৰ কাৰণে আমি বিভিন্ন বিভাগৰ লগত যোগাযোগ কৰিছো। এই ক্ষেত্ৰত আমি নতুন দিল্লীৰ লগতে, বিভিন্ন এন জি ওৰ লগতো যোগাযোগ কৰিছো। মাননীয় সদস্য গৰাকীয়ে কলিয়াবৰৰ হাতী, বাঘ আৰু গড়ৰ উপদ্ৰবৰ কথা কৈছে। আমি আগতে কেন্দ্ৰৰ ওচৰত যাব লাগিছিল, সেয়েহে সাহায্য দিয়াত অলপ অসুবিধা হৈছিল। এতিয়া আমাৰ অসম চৰকাৰে ৫০ লাখ টকা দিছে তাৰ পৰা আমি ৪০ হাজাৰ ৪০ হাজাৰ এজন মানুহক দিয়া হয়। ২০০১ চনৰ পৰা খেতি পথাৰ নষ্ট কৰিলেও সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত আমি ডব্লিউ ডব্লিউ এফকো কৈছো। হাতী যাতে খেতি পথাৰত সোমাব নোৱাৰে তাৰ কাৰণে ঘাঁহনিৰ ওপৰত ভূত জলকীয়াৰ গুৰি চটিওৱাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে বৰষুণ হ'লে এইটো কামত নাহে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য কেশৰ মহন্ত ডাঙৰীয়াই তেখেতৰ সমষ্টিত নাই পোৱা বুলি কৈছে। ডি চিৰ পৰা জানিলে বা লিষ্ট পালে আমি দিম।

*শ্ৰী কেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো স্থায়ীভাৱে হ'ব লাগে। কলিয়াবৰৰ চাহ বাগান বা অন্যান্য অঞ্চলক লৈ যিখন লিষ্ট কৰা হৈছে এইখন লিষ্টত খুব কম নাম আহিছে। এটা সময়ত হাতীয়ে উপদ্ৰব কৰিলে এছ ডি ওই লগে লগে ৫০০ টকা বা এহেজাৰ টকা দিছিল। এতিয়াও ঘৰবাৰী ভাঙিলে যাতে তেওঁলোকে অন্য ঠাইত গৈ থাকিব নালাগে নিজে সোনকালে ঘৰটো বান্ধি থাকিব পাৰে তাৰ কাৰণে ৫০০ বা এহেজাৰ টকা

* Speech not corrected

দি দিলে পিছত সেইটো মিলাই দিলে ভাল হ'ব।

***শ্রী ৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটো নতুনকৈ হোৱা সমস্যা নহয়। এইটো বহুদিনীয়া সমস্যা। গতিকে আমি বিপদত পৰা মানুহখিনিৰ কাৰণে খুব চেষ্টা কৰিছো। ডি চিৰ পৰা প্ৰপোজেল পালে আমি ৪০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছো। তাৰোপৰি আমাৰ মাননীয় সদস্য কেশৰ মহন্ত ডাঙৰীয়াই যিটো কথা কৈছে সেইটো ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে ঘৰ ভাঙিলেও আমি আমাৰ নিয়ম অনুযায়ী টকা দিয়াৰ ব্যৱস্থা কৰিছো। আপোনালোকৰ চৰকাৰৰ দিনত ২০ হাজাৰ টকা দিয়া হৈছিল। কিন্তু আমি সেইটো বঢ়াই ৪০ হাজাৰ টকা কৰিলো। আগতে খেতি-বাতি নষ্ট কৰিলে যিখিনি দিছিল এতিয়া আমি তাতকৈ বেছি দিছো। এই বিষয়টো আমি গুৰুতৰ সহকাৰে লৈছো। তেখেতে যিটো কথা কৈছে সেইটো কৰাৰ কাৰণে আন্তৰিকতাৰে চেষ্টা কৰিম।

***শ্রী ৰণজিৎ দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতীয়ে মানুহ মাৰিলে ৪০ হাজাৰ টকা দিয়ে বুলি আৰু ঘৰ ভাঙিলে নিয়ম অনুযায়ী পইচা দিয়ে বুলি কৈছে। মোৰ সমষ্টিত ৪০ হাজাৰ টকা পাইছে। কিন্তু ঘৰ ভঙাৰ বাবদ এপইচাও কোনেও পোৱা নাই। তেজপুৰ আৰু গহপুৰ সংমণ্ডলত হাতীয়ে বহুতো মানুহৰ ঘৰ ভাঙিছে। সেই মানুহখিনিক কোনো ধৰণৰ আৰ্থিক সাহায্য দিয়া হোৱা নাই। যিবিলাক মানুহৰ খাদ্য শস্য নষ্ট কৰিছে তেওঁলোককো দিয়া নাই। এইক্ষেত্ৰত শোণিতপুৰত কোনেও পইচা পোৱা নাই।

*শ্রী ৰকিবুল হুছেইন (বন ইত্যাদি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আগৰ বিধান সভাত প্রশ্ন উত্থাপন কৰাৰ পিছত তেওঁলোক সন্তুষ্ট হোৱা দেখা গৈছে। আগতে যিবিলাকৰ মৃত্যু হৈছিল তেওঁলোকৰ পৰিয়ালে টকা পোৱা বুলি কৈছে। কিন্তু ঘৰ-দুৱাৰ বা খাদ্য শস্য নষ্ট কৰাৰ বাবদ পোৱা নাই বুলি কৈছে। আপুনি তালিকা দিলে মই ডি চি আৰু বন বিষয়াৰ লগত আলোচনা কৰি ব্যৱস্থা ল'ম।

*ডাঃ আদিত্য লাংথাছা ঃ ছাৰ, দক্ষিণ নগাঁৱত হাতী আৰু মানুহৰ সংঘাত হৈছে। বোমা বিস্ফোৰণ বা উগ্রপন্থীৰ আক্রমণত মৃত্যু হ'লে ৩ লাখ টকাকৈ দিয়ে। কিন্তু হাতীৰ আক্রমণত মৃত্যু হোৱাজনক মাত্র ৪০ হাজাৰ টকাহে দিয়ে। এই টকাতো পর্যাপ্ত নহয়। গতিকে এই টকাতো বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে।

*শ্রী ৰকিবুল হুছেইন (বন ইত্যাদি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনত ৩ হাজাৰ টকা দিয়া হৈছিল। তাৰ পিছত ২০ হাজাৰ টকা দিয়া হ'ল। এতিয়া আমি ৪০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছো। এই বিষয়টো আমি আন্তৰিকতাৰে লৈছো আৰু আমি প্রায় ১ লাখ মান টকা দিয়াৰ কথা চিন্তা কৰিছো। আমি লিষ্ট বিলাক দিয়াৰ পিছতো টকা আহোতে পলম হয়। সেই কাৰণে ৰাজ্য চৰকাৰৰ ফালৰ পৰা ফাণ্ড দিয়াৰ কথা কৈছিল। এতিয়া আৱন্তণীতে ৫০ লাখ টকা দিয়া হৈছে। আমাৰ চৰকাৰে ৪০ হাজাৰ টকাটো পর্যায় ক্রমে বঢ়াবলৈ চেষ্টা কৰিব।

*** Speech not corrected**

Mr. Speaker : Now, Starred Question No. 182, Hon'ble Member, Shri Parimal Suklayabidya.

Sub : Guideline of PHC.

Shri Parimal Suklabaidya asked :

***182. Will the Minister of Health & Family Welfare Deptt. be pleased to state :**

(a) What is the Govt. guideline about the formation of PHC. new PHC and Hospital management committee?

(b) Whether the management committee of PHC and new PHC has been formed under Dholai constituency?

(c) If so, mention the name of Chairman & Members of the different PHC & New PHC under Dholai constituency and by whom they are selected of elected?

(d) Whether any M.C. meeting held during last 3 (three) years in Dholai Block PHC?

(e) If so, please furnish the resolution taken by the M.C. from time to time?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) replied

(a) The basic criteria for formation of P.H.C. M.P.H.C. etc and also as per Indian Public Health Standards (IPHS) for formation of PHC. MPHC there should be 30,000 rural population in the plains or 20,000 population in hilly, tribal and desert areas. Moreover, there should not be any health institution in that locality within 5 km of radius.

As regards formation of Hospital Management Society, there shall be Hospital Management Society to be registered under Societies of Registration Act XXI of 1860 in all the Govt. run Hospitals/Health Institutions.

The Society shall have Governing Body for all Hospitals as well as Executive Committee upto Sub-Divisional level Civil Hospital.

There is provision of one-tier Management Society for CHC down to SD/MPHC.

MP/Minister of the Dist./In-charge of the District shall be the Chairman of the

Management Society of 16 Members Body of the Management Society of Medical College Hospital.

Minister of the District In-Charge of the District shall be the chairman of 14 Members body of Dist. Civil Hospital.

Minister of the Sub-Division/MLA to be nominated by the Govt. shall be the Chairman of the Society Sub-Divisional Civil Hospital of 11-Members Body.

The local MLA is the Chairman of the CHC/ FRU of 10-Members Body.

The Circle Officer of the area of the Committee BPHC is the Chairman of a BPHC of 5-Members only.

A Social-worker/Educationist/Medical Practitioner (not in Govt. service) of Social reputation as Chairman of PHC (other than BPHC) MPHC, SHC, SD of 7 Members Body.

(b) Yes.

(c) The Selection of the Chairman and members of the Hospital Management Committees of

different PHCs and MPHCs under Dholai Constituency have been constituted as per standing Govt. guidelines. The names of Chairman and member of different Hospital Management Committees are placed on the table of the House (Annexure-I). (See Annexure-V)

(d) Yes.

(e) Minutes of different M.C. Meeting held from time to time are placed on the table of the House at (Annexure-II). (See Annexure-VI)

* **Sri Parimal Suklaboidya :** মাননীয় অধ্যক্ষ, মন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে সেইটো আমি ভাল পাইছো। MP/Minister of the Dist/In-charge of the District shall be the Chairman of the Management Society of 16 members Body of the Management. Minister of the District/In-charge of the District shall be the Chairman of 14 Members Body of Dist. Civil Hospital.

Minister of the Subdivision/MLA to be nominated by the Govt Shall be the Chairman of the society Subdivisional civil Hospital of 11 Members Body.

The local MLA is the Chairman of the CHC/

---

* Speech not corrected

FRU of 10 Members Body. The Circle officer of the area of the committee BPHC is the chairman of a BPHC of 5 Members only.

মই মেনেজিং কমিটিৰ চেয়াৰমেন আছিলো। কিন্তু হঠাৎ দেখা গ'ল ছচিয়েল ওৰ্ৱাকাৰ, এড্‌কেচনিষ্ট, মেডিকেল প্রেক্টিশ্যনাৰে পি এইচ চিৰ চেয়াৰমেন হ'ব পাৰে।

তেওঁলোকে চেয়াৰমেন হ'ব পাৰে তাত মোৰ আপত্তি নাই। ইয়াত সোনাই পি এইচ চিৰ কথাটো ২০০৫ ৰ পৰাই দিয়া আছে। যদিও ধলাই পি এইচ চিত কিন্তু ১২/৪/২০০৮ৰ পৰাহে আৰম্ভ কৰা হৈছে বুলি কৈছে। ধলাই পি এইচ চিৰ মেনেজিং কমিটিৰ মিটিং নহয়। তাত মেনেজিং কমিটিৰ মিটিং কেতিয়া হৈছে মন্ত্রী মহোদয়ে জনাবনে কি? এই যিখন কমিটি আছে এই কমিটিখনৰ ঠাইত এখন ভালকৈ নতুন কমিটি বনাবনেকি?

***ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিধায়কসকলৰ কামৰ দায়িত্বৰ প্রতি লক্ষ্য ৰাখি তেওঁলোকক চি এইচ চিৰ মেনেজিং কমিটিৰ চেয়াৰমেন হিচাবে ৰাখি যি বিলাক সৰু সুৰা হস্পিতাল আছে, যিবিলাকত সঘনাই সিদ্ধান্তৰ প্রয়োজন হয় আৰু চেয়াৰমেনৰ চহী লাগে তাত আমি সমাজকর্মী, শিক্ষাবিদ আৰু মেডিকেল প্রেক্টিশ্যনাৰক মেনেজিং কমিটিৰ চেয়াৰমেন কৰিবলৈ দিয়া হৈছে। কাৰণ বিধায়কজনে এদিনতে গোটেই সমষ্টিৰ হস্পিতাল বিলাকত যাব নোৱাৰিব। হস্পিতাল বিলাকলৈ যাওতে বহুত দিন লাগিব। চেয়াৰমেন আমি নিযুক্তি

* Speech not corrected

নিদিও, ইয়াৰ দায়িত্ব জিলা উপায়ুক্তক দিয়া হৈছে। তেওঁলোকে ভালদৰে চাই নিযুক্তি দিয়ে। ধলাই পি এইচ চিৰ মেনেজিং কমিটিৰ চেয়াৰমেনজন যদি স্থানীয় লোকক দিয়া হোৱা নাই, বাহিৰৰ লোকক দিয়া হৈছে। তেতিয়া হ'লে মই এই বিষয়ে জিলা উপায়ুক্তক অৱগত কৰিম।

*শ্রী পৰিমল শুক্লবৈদ্য ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে চি এইচ চিত স্থানীয় বিধায়কক মেনেজিং কমিটিৰ চেয়াৰমেন কৰাৰ কথা কৈছে। মই কিন্তু তেতিয়া কোনো হস্পিতালত চেয়াৰমেন হৈ থকা নাই। মই এইখিনিতে জননী সুৰক্ষা যোজনাৰ কথা ক'ব বিচাৰিছো। এই আঁচনিত আচলতে ডেলিভাৰি হোৱাৰ পিছতহে ধন আদায় দিয়াৰ নিয়ম আছে। কিন্তু ধলাই পি এইচ চিত ৩০/১০/২০০৬ চনত ডেলিভাৰি হৈছে। কিন্তু পইচাটো দিছে ১৫/১০/২০০৬ তাৰিখে, ঠিক সেই দৰে ২৪/১০/২০০৬ত ডেলিভাৰি হৈছে পইচাটো দিছে ১৫/১০/২০০৬ তাৰিখে। কৰাপচন চূৰান্ত পর্যায়ত হৈছে। ধলাই পি এইচ চিৰ বিষয়ে ১০/১৫ বাৰ বাতৰি কাকতত প্রকাশ পাইছে। আমাৰ মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ে স্বাস্থ্যৰ উন্নতিৰ ক্ষেত্রত যথেষ্ট পদক্ষেপ লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, কৰাপচন চূড়ান্ত পর্যায় পাইছেগৈ। চাৰ, আপোনাৰ জৰিয়তে এটা তদন্ত হোৱাটো বিচাৰিছো। ধলাই পি এইচ চিৰ কথা বাতৰি কাকতত লিখি থাকে।

*** Speech not corrected**

*ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে এখন লিষ্ট দিয়ক মই একচন ল'ম।

Mr. Speaker : Now, Starred Question No. 183, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ খোৱা পানীৰ আঁচনি।

শ্রী আব্দুল আজিজে সুধিছে ঃ

*১৮৩। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ সকলো বাসিন্দাৰ বাবে বিশুদ্ধ খোৱাপানী যোগান ধৰা হৈছেনে?

(খ) যদি হোৱা নাই, ইয়াৰ কাৰণসমূহ কি কি?

(গ) ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ চনত গুৱাহাটী চহৰৰ বাসিন্দাৰ বাবে বিশুদ্ধ খোৱাপানী যোগানৰ বাবে কি কি আঁচনি লোৱা হৈছে? (আঁচনিসমূহৰ তথ্য বিতংভাৱে সদনত দাখিল কৰিব)

(ঘ) এই আঁচনিসমূহৰ বাবে উক্ত বছৰ কেইটিত কিমান টকা ধার্য্য কৰা হৈছিল? (আঁচনিৰ বিপৰীতে ধার্য্য কৰা টকাৰ সংখ্যা সদনত দাখিল কৰিব)

(ঙ) গুৱাহাটী চহৰৰ কোন কোন প্রধান এলেকা এতিয়াও খোৱাপানী যোগান আঁচনিৰ পৰা বঞ্চিত হৈ আছে? (এলেকাসমূহৰ নাম

সদনৰ মেজত দাখিল কৰিব)

(চ) উক্ত এলেকাবোৰত কেতিয়াৰ পৰা খোৱাপানী যোগান ধৰা হ'ব?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰীৰ সকলো বাসিন্দাৰ বাবে বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ ব্যৱস্থা এতিয়াও হোৱা নাই।

(খ) গুৱাহাটীৰ সকলো অঞ্চললৈ পানী যোগান ধৰাৰ কাৰণে পানী পৰিশোধ কেন্দ্ৰ আৰু পাইপ লাইন বহুৱাৰ কাৰণে যথেষ্ট পুঁজিৰ দৰকাৰ। পুঁজিৰ অভাৱৰ কাৰণে গোটেই অঞ্চল সামৰি বৃহৎ পৰিশোধন কেন্দ্ৰ এতিয়াও স্থাপন কৰিব পৰা হোৱা নাই। বর্তমান অৱশ্যে এই সমস্যা সমাধানৰ কাৰণে বৃহত্তৰ গুৱাহাটীৰ সকলো অঞ্চল সামৰি লৈ চৰকাৰে ৪ টা নতুন প্ৰকল্পৰ পৰিকল্পনা তৈয়াৰ কৰি পুঁজিৰ ব্যৱস্থা কৰি থকা হৈছে।

(গ) ২০০৫-২০০৯ চনৰ ভিতৰত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে গুৱাহাটী পৌৰ নিগমে হাতত লোৱা আঁচনিৰ সবিশেষ—

(১) গুৱাহাটী পৌৰ নিগমৰ অধীনৰ পাণবজাৰ আৰু সাতপুখুৰী পৰিশোধন কেন্দ্ৰৰ উন্নয়নৰ বাবে ৭ কোটি টকাৰ প্ৰকল্প।

(২) গুৱাহাটী পৌৰ নিগমৰ অধীনৰ কামাখ্যা পানী যোগান আঁচনিৰ পাইপ লাইন সম্প্ৰসাৰণৰ বাবে ৯৩.৭৭ লাখ টকাৰ আঁচনি।

(৩) সাতপুখুৰী পানী যোগান কেন্দ্ৰৰ জলাধাৰৰ ওপৰৰ আশ্চাদন

নির্মাণৰ বাবে ১৬.১৭ লাখ টকাৰ আঁচনি।

(৪) কামাখ্যা পানী যোগান কেন্দ্ৰৰ উন্নয়নৰ বাবে ৬৫ লাখ টকাৰ আঁচনি।

(৫) গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা ২৩ টা কুঁৱা নির্মাণ।

(ঘ) উক্ত আঁচনিসমূহৰ বাবে তলত উল্লেখ কৰা ধৰণে টকা ধার্য্য কৰা হৈছিল।

১ নং কামৰ বাবে ২০০৫-০৬ চনত ৫.০০ কোটি টকা
২০০৬-০৭ চনত ০.৯০ কোটি টকা
২০০৭-০৮ চনত ১.০০ কোটি টকা
মুঠ = ৬.৯০ কোটি টকা

২ নং কামৰ বাবে ২০০৫-০৬ চনত ৯৩.৭৭ লাখ টকা

৩ নং কামৰ বাবে ২০০৭-০৮ চনত ১৬.১৭ লাখ টকা

৪ নং কামৰ বাবে ২০০৮-০৯ চনত ৬৫ লাখ টকা

৫ নং কামৰ বাবে ২০০৮-০৯ চনত ১০.৮১ লাখ টকা

(ঙ) গুৱাহাটী মহানগৰীৰ নিম্নলিখিত এলেকাসমূহত এতিয়াও গুৱাহাটী পৌৰ নিগমে পানী যোগান ধৰিব পৰা নাই। এই এলেকাসমূহ হ'ল— খাৰঘূলি অঞ্চলৰ অংশ বিশেষ, জ্যোতি নগৰ, বামুনী মৈদাম অংশ, নুনমাটি, নাৰেংগী, গীতানগৰ অঞ্চল, খানাপাৰা, পাঞ্জাবাৰী, বেলতলা, হাতীগাঁও, শ্রীমন্তপুৰ, ৰূপনগৰ, বিৰুবাৰী এলেকা, ভাস্কৰ নগৰ,

ওদালবাক্রা এলেকা, গড়চুক এলেকা, নীলাচলপুৰ, মালিগাঁৱৰ অংশবিশেষ বড়ীপাৰা, সদিলাপুৰ, গাড়ীগাঁও অঞ্চল ইত্যাদি।

(চ) বৃহত্তৰ গুৱাহাটীৰ বাবে প্ৰস্তাৱিত ৪ টা বৃহৎ প্ৰকল্প ৰূপায়নৰ যোগেদি পৰ্য্যায়ক্ৰমে অহা ৩-৪ বছৰৰ ভিতৰত উক্ত এলেকাবোৰত খোৱাপানী যোগান ধৰা হ'ব।

*শ্ৰী আব্দুল আজিজ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বৰ দুখৰ বিষয়। মাননীয় মন্ত্ৰী মহোদয়ে কওক যে তেওঁ ব্যৱস্থা ল'ব। তেতিয়া মই বেলেগ চাপ্লিমেণ্ট নিদিওঁ।

*ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আমাক গাঁওমুখী হ'বৰ কাৰণে নিৰ্দেশ দিছে। মই প্ৰতিশ্ৰুতি দিছো যে যদি ব্ৰহ্মপুত্ৰ নুশুকাই গুৱাহাটীত মানুহে ২৪ ঘণ্টা পানী পাব।

*শ্ৰী ৰমেন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত ৬/৮ মাহ আগতে এই অৱস্থাৰ সৃষ্টি হৈছে। এই কামটো কৰ পৰা আৰম্ভ কৰিব।

*ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখনৰ কাৰণে ২৮০ কোটি টকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা আহিছে। এতিয়া আমি এই প্ৰজেক্টৰ কাম হাতত লৈছো। অহা মাহত এইটো সম্পূৰ্ণ কৰা হ'ব। কিন্তু মই কাম বন্ধ কৰিলোঁ। কাৰণ এগৰাকী সাংসদে কৈছে যে এইটো মালিগাঁৱত কেনেকৈ হ'ব?

*শ্ৰী ৰমেন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কোনোবা সাংসদে কথা এটা ক'লেই

কামটো বন্ধ কৰিব।

***ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ ভাৰতীয় গণতন্ত্র মানিবই লাগিব। গতিকে এগৰাকী সাংসদে কৈছে যেতিয়া মানিবই লাগিব। আপোনালোকে তেওঁৰ পৰা লিখাই লৈ আহক। ২৪ ঘণ্টাৰ ভিতৰত কাম আৰম্ভ কৰিম।

***শ্রীগিৰীন্দ্র কুমাৰ ৰৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কুৱা খান্দিবলৈ গৈ ইয়াত মানুহ মৰিছে। তেওঁ এগৰাকী সাংসদৰ কথা মানি চলাব।

(গণ্ডগোল, বহু কেইজনে একেলগে কয়, একো বুজা নাযায়)।

***শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিতো অসম বিধানসভাত আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল। গুৱাহাটী পৌৰ নিগমে ইয়াক এপ্রুভ কৰা আছিল। গতিকে এখন নির্বাচিত বডীক এইটো উত্থাপন কৰাৰ পিছত আকৌ এজন এম পিক ডাঙৰ কৰি হাউচক সৰু কৰি কেনেকৈ মন্ত্রী মহোদয়ে এই কথা ক'ব পাৰে?

***ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদায়, এম পিক মই মানিব লাগিব, তেখেতে অনুমতি নিদিলে কামটো কৰাৰ সাহস মোৰ নাই। মাননীয় সদস্য ৰমেন কলিতা ডাঙৰীয়াই যদি এতিয়া ফোন এটা কৰিও অনুমতি আনি দিয়ে মই অহা ২৪ ঘণ্টাৰ ভিতৰতে কাম আৰম্ভ কৰি দিম।

(হুলস্থুল, বহু সদস্যই একেলগে ক'বলৈ আৰম্ভ কৰে)।

শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যি উত্তৰ দিছে

যে এম পি মহোদয়ে বাতৰি কাকতত এটা বাতৰি দিয়া কাৰণে তেখেতে কামটো কৰা নাই এইটো কেনেকুৱা কথা? কাৰণ এই সন্দৰ্ভত মাননীয় সদস্য ৰমেন্দ্ৰ কলিতাই বিধান সভাত প্ৰশ্ন আছিল সেই প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল এইটো কৰা হ'ব বুলি। আজি গুৱাহাটীৰ যি অৱস্থা পানীৰ কাৰণে কুঁৱা খান্দিবলৈ যাওঁতে মানুহ মৰিছে। সিদিনা অলপতে পুলিচেও সেই মানুহ তলৰ পৰা উলিয়াব নোৱাৰিলে পিছত গৈ পাৱ্লিকেহে চেষ্টা কৰি মানুহ উলিয়াইছে। সেয়ে আজি মন্ত্ৰী মহোদয়ে এতিয়া যি উত্তৰ দিছে তাত আমি সন্তুষ্ট নহয়। আমাক মন্ত্ৰী মহোদয়ে কামটো কৰিব নে নকৰে স্পষ্টকৈ ক'ব লাগে।

***ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ প্ৰশ্নৰ উত্তৰত মই কৈছো যে এই আঁচনিটো জে এন ইউ আৰ এম আঁচনিৰ পৰা পোৱা। মই এই আঁচনিৰ পৰা পোৱা টকাৰ ওপৰত গৈ ৰমেন্দ্ৰ নাৰায়ণ কলিতাক মই বেছি ভাল পাওঁ কাৰণে আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি ৬০ কোটি টকা দিছোঁ য'ত আচলতে এই আঁচনিৰ বাবে ৰাজ্য চৰকাৰে দিব লাগে ২৮ কোটি টকা। মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ অনুমোদন লৈ এইখিনি নিজাকৈ কৰি দিছোঁ। কাৰণ পশ্চিম গুৱাহাটী অঞ্চলত পানী নাই, খোৱা পানীৰ অভাৱ। নহ'লে কোন মন্ত্ৰীয়ে নিজৰ সমষ্টিত পানী নিদি বিৰোধী দলৰ সমষ্টিত পানী যোগান আগতে দিয়ে? আজি এইবিলাক কাৰণতে মোক আমাৰ মাননীয় মন্ত্ৰী অকণ বৰা ডাঙৰীয়াই

*** Speech not corrected**

নামাতে বেয়া পাইছে আৰু কেপ্টেইন ৰবীন বৰদলৈ ডাঙৰীয়াইও মোক বেয়া পাইছে, কৈছে তুমি ৰমেনৰ সমষ্টিত পানী দিছা অথচ আমাৰ সমষ্টি বিলাকত একো দিয়া নাই। মোৰ বিৰুদ্ধে মুখ্যমন্ত্রী মহোদয়ক গৈও কৈছেগৈ। মুঠতে তেওঁলোকে মোক বেয়া পাইছে। যি কি নহওক তাৰ পিছত কওঁ মই কাম নকৰা নহয় কৰিবলৈ লৈছিলোঁ, নিবিদা আহ্বান কৰিছিলোঁ, মাটি অধিগ্রহণ কৰিছিলোঁ, এইবিলাক গোটেই কৰি থৈছোঁ যাতে প্রয়োজন হ'লে ২৪ ঘণ্টাৰ ভিতৰতে মই কাম আৰম্ভ কৰিব পাৰিম। গেমন্‌ছ কোম্পানীৰ মানুহ বহি আছে কাম আৰম্ভ কৰিবলৈ বাট চাই আছে। যিহেতু এইটো জে এন ইউ আৰ এমৰ অধীনৰ আঁচনি। গতিকে এইটোত মই এম পিক অৱজ্ঞা কৰাৰ সাহস নাই। কাৰণ কেন্দ্রীয় চৰকাৰৰ অধীনৰ আঁচনি। তাৰ কাৰণে যদি আপোনালোকে মোক প্রিভিলেজতো পেলায় মই মানি লম। কিন্তু যেতিয়ালৈকে এম পিয়ে অনুমতি নিদিয়ে কামটো আৰম্ভ কৰাৰ সাহস মোৰ নাই। আপোনালোকে যদি এটা ফোন কৰিও অনুমতি অনাই দিয়ে মই ২৪ ঘণ্টাৰ ভিতৰত কাম আৰম্ভ কৰিম।

(সদনত বিৰাট হুলস্থুল, সকলো অগপ সদস্যই একেলগে উঠি ক'বলৈ আৰম্ভ কৰে, একো শুনা নাযায়।

অগপ সদস্যসকল মাননীয় অধ্যক্ষৰ টেবুলৰ ওচৰলৈ উঠি যায়)।

(সকলোৱে একেলগে চিঞৰি চিঞৰি ক'বলৈ আৰম্ভ কৰে, একো বুজা নাযায়।)

ভইচ ঃ হাউছৰ মর্য্যদা হ্রাস কৰিছে। হাউছক সৰু কৰি এম পি এজনক ডাঙৰ বা উচ্চ কৰিছে।)

সদস্যসকলে 'আমি ধিক্কাৰ দিছো, ধিক্কাৰ দিছো' বুলি সদনৰ পৰা বাহিৰলৈ ওলাই যায়, সদন ত্যাগ কৰে)।

Mr. Speaker : Now, Starred Question No. 184, Hon'ble Member, Captain Rabin Bordoloi.

Sub : Supply of Potable Water.

Captain Robin Bordoloi asked :

***184. Will the Minister of Guwahati Development Department be pleased to state :**

Is there any immediate step or measure taken by the Govt. to cater to the needs of potable water to the denizens of the Guwahati City? (Give details in the table of the House)

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :

The Government of Assam has taken some short term immediate steps to cater the needs of potable water to the citizens of Guwahati

City.

The short term steps taken by the Government are as follow :-

(1) During last few years the Government approved the Scheme of augmentation of existing Panbazar and Satpokholi Water Supply Scheme submitted by Guwahati Municipal Corporation at an estimated amount of Rs. 7.00 Crores. The Guwahati Municipal Corporation has executed the Scheme and utilized Rs. 6.9 Crores.

(2) The Guwahati Municipal Corporation has implemented the Scheme of extension of Water Pipe line of Kamakhya Water Supply Scheme at an estimated cost of Rs. 93.77 Lakhs.

(3) The Guwahati Municipal Corporation also implemented the Scheme of Improvement of Kamakhya Water Supply Scheme with an estimated cost of Rs. 65.00 Lakhs.

(4) The Guwahati Metropolitan Development

Authority also constructed 23 Nos of ring tube-wells in different parts of Guwahati City under the Annual Plan by an estimated amount of Rs. 10.81 Lakhs.

The Govt. has taken following long term measures to cater the needs of Potable Water to the Citizens of Guwahati :-

The State Government has prepared the Detail Project Reports of Water Supply for implementation as follows :-

1) South Guwahati West Water Supply Scheme = 107 MLD.
2) South Guwahati Central Water Supply Scheme. = 192 MLD.
3) South Guwahati East Water Supply Scheme = 88 MLD.
4) North Guwahati Water Supply Scheme = 35 MLD.

Out of the above mentioned Water Supply Project, the South Guwahati West Water Supply Project was sanctioned for Rs. 280.94 Crores and Government has released already Rs. 63.21 Crores for execution of the Scheme. The Work of the Project has been awarded to

M/S Gammon India Ltd. through a National Competitive bidding process. M/S Gammon India Ltd. has already started the work. As per the contract the work will be completed within 30 months.

The South Guwahati Central, South Guwahati East and North Guwahati Water Supply Project have been proposed for funding by Japan International Co-operation Agency (JICA) and Asian Development Bank (ADB). The initial process has already been completed. The agreement with Union Government and Japan International Co-operation Agency has already been signed and work is in progress. It is hoped that the projects will be started soon.

*কেপ্টেইন ৰবীন ৰৱদলৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে উত্তৰ দিছে যদিও সেই উত্তৰত মই সন্তুষ্ট নহয়। ইয়াত কৈছে চাউথ গুৱাহাটী ওৱেষ্ট ওৱাটাৰ চাপ্লাই স্কীম-১০৭ এম এল ডি, ২নংত চাউথ গুৱাহাটী চেন্ট্রেল ওৱাটাৰ চাপ্লাই-১৯২ এম এল ডি, ৩ নংত চাউথ গুৱাহাটী ইষ্ট ওৱাটাৰ চাপ্লাই স্কীম-৮৮ এম এল, ডি, ৪ নংত নৰ্থ গুৱাহাটী ওৱাটাৰ চাপ্লাই স্কীম-৩৫ এম এল ডি; মুঠ ৪২২ এম এল ডি। এতিয়া মই মন্ত্রী

মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই পৰিমাণৰ পানীৰে গুৱাহাটীৰ কিমান মানুহক পানীৰ সকাহ দিব? কাৰণ গুৱাহাটীত প্ৰায় ১৫ লাখ মানুহ আছে। দৈনিক এই ১৫ লাখ মানুহক পানীৰ যোগান দিব লাগে। এই পানী যোগানৰ ক্ষেত্ৰত তিনিজন মন্ত্ৰী আছে তাৰে এজন হ'ল ৰিহন দৈমাৰী, পি এইচ চি/দ্বিতীয়তে, হ'ল পৃথিৱী মাঝি, ওৱাটাৰ ৰিচ'ৰ্চ মন্ত্ৰী আৰু তৃতীয়তে, আমাৰ হিমন্ত বিশ্ব শৰ্মা। এই তিনিজন মন্ত্ৰী আছে যদিও সেইখিনি পূৰণ কৰিব পৰা নাই। সেই কাৰণে মই ভাবোঁ যে এখন জলব'ৰ্ড গঠন হ'ব লাগে। তেতিয়া কমিউনিকেশ্যনটো ভাল হ'ব। আজি ওৱেষ্ট গুৱাহাটীৰ কাৰণে ২৮৮ কোটি টকা দিয়াৰ কাৰণে মই ভাল পাইছোঁ। জে এন আৰ ইউৰ জৰিয়তে এই আঁচনি বিলাক আমাক দিছে। গতিকে এই বিলাক আঁচনি হাতত লোৱাত আমি ভাল পাইছোঁ? মাত্ৰ মই জানিব বিচাৰিছোঁ। যে দিছপুৰ সমষ্টি আৰু ইষ্ট গুৱাহাটী সমষ্টিত কেতিয়াকৈ এই পানী যোগান আঁচনিবোৰ আৰম্ভ কৰা হ'ব?

***ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কেপ্টেইন ৰবীন বৰদলৈ ডাঙৰীয়াৰ প্ৰশ্ন উত্তৰত ক'ব বিচাৰিছো যে ২০২৫ চনৰ এই সময় ছোৱাৰ ভিতৰত পানী যোগান আঁচনিয়ে গোটেই গুৱাহাটীৰ মানুহক সামৰি ল'ব। ২০২৫ চনৰ ভিতৰত গুৱাহাটীৰ সকলো মানুহেই ২৪ ঘণ্টাই পানী পাব। পশ্চিম গুৱাহাটীৰ কাম আৰম্ভ কৰা অৱস্থাত আছে। ২০১০ চনৰ ডিচেম্বৰ মাহত শেষ কৰাৰ লক্ষ্য লৈছো। বাকী দুটা আঁচনি

* Speech not corrected

নিবিদা দিয়াৰ পিছত ২০১১-২০১২ চনত কৰিব পৰা হ'ব। অহা তিনি বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ পানী যদি নুশুকাই তেতিয়া হ'লে ২৪ ঘণ্টাই পানী পাব। ইতিমধ্যে গুৱাহাটী জিলা ব'ৰ্ড গঠন কৰা হৈছে। বৰ্তমান এই কেইদিনৰ পৰিৱেশ খৰাং হোৱা কাৰণে এই কেইদিনত পানীৰ কাৰণে যথেষ্ঠ অসুবিধা হৈছে। সেই কাৰণে মাইনৰ ষ্টপ গেপ এৰেঞ্জমেণ্ট হিচাপে জি ডি ডিৰ পৰা ৫ কোটি টকা দিব বিচৰা হৈছে। পূৰ গুৱাহাটী আৰু দিছপুৰৰ কাৰণে। অন্য এৰিয়াত দিব বিচৰা নাই, কাৰণ ২০১০ চনৰ ভিতৰত আঁচনি সম্পূৰ্ণ হ'ব। সেই কাৰণে সেই দুটা সমষ্টি ষ্টপ গেপ এৰেঞ্জমেণ্ট হিচাপে ৫ কোটি টকা দিয়াৰ কাৰণে প্ৰস্তাৱ ৰখা হৈছে। আঁচনি তৈয়াৰ হ'লে কাম আৰম্ভ কৰিব পাৰিম।

***শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পানীৰ সমস্যাটো গোটেই গুৱাহাটীতে আছে। এগৰাকী মাননীয় সাংসদে কোনোবা এটা আঁচনিত আপত্তি কৰিলে সেই আঁচনিটো স্থগিত হৈ থাকিব নেকি? অসমৰ ১৪ গৰাকী সাংসদ আছে তেওঁলোকৰ প্ৰত্যেকে যদি আপত্তি কৰে তেতিয়াহ'লে প্ৰত্যেকটো আঁচনিয়েই বন্ধ হৈ থাকিব নেকি? আনহাতে, মাননীয়া সদস্যা গৰাকীয়ে লিখিত অভিযোগ দিছে নেকি? ৩-৪ বছৰৰ ভিতৰত ৰূপায়ন কৰিবলগীয়া আঁচনিখন যদি কোনো সাংসদে বাধা দিয়ে তেতিয়াহ'লে কেনেকৈ কাম কৰিব। মই মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো লিখিত অভিযোগ দিছে নেকি।

*** Speech not corrected**

*ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্রশ্ন হৈছে যে আজি কেইদিনমান আগতে মাননীয়া সাংসদগৰাকীয়ে বাতৰি কাকতত বিবৃতি দিছে গুৱাহাটীৰ কাৰণে তেখেতে ৭০০ কোটি টকা দিছে বাস্তাৰ কাৰণে। আমি কৈছো যে ক'ত ক'ত ৰাস্তা দিছে তেখেতে তালিকা দিয়ক। তেতিয়া তেখেতে কৈছে যে ডকুমেণ্ট অনাৰ কাৰণে মানুহ লগাইছে। এতিয়া কথা হ'ল সাংসদ গৰাকীয়ে এটা চিগনেল দিব লাগে। মাননীয় সদস্য, শ্রীৰমেন্দ্র নাৰায়ণ কলিতাৰ সাংসদ গৰাকীৰ লগত বাইদেউৰ নিচিনা সম্বন্ধ। গতিকে শ্রীকলিতা ডাঙৰীয়াই এটা ফোন কৰি দিলেই কামটো হৈ যায়। সাংসদ গৰাকীয়ে হয়তো ভাবিছিল যে মালিগাঁও মোৰ সমষ্টি জালুকবাৰীৰ অন্তর্গত। সেই কাৰণে হয়তো আপত্তি কৰিছিল। কিন্তু মালিগাঁও অঞ্চলটো পশ্চিম গুৱাহাটী সমষ্টিত এই সমষ্টিটো শ্রীৰমেন্দ্র নাৰায়ণ কলিতাৰ সমষ্টি। তেখেতে এটা ফোন কৰি দিলেই হৈ যায়। তেখেতেসকলে কৈছে যে আমি বিৰোধী দলৰ সাংসদসকলক সন্মান নকৰো। সেই কাৰণে বিজেপিৰ সদস্য সকলেও আজি সদন ত্যাগ কৰিছে। কিয় ওৱাক আউট কৰিছে, বিজেপিৰ সাংসদক সন্মান কৰা কাৰণে আমাক মাৰিব নেকি? অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পানীৰ সমস্যাটো আন স্বার্থৰ উৰ্ধ্বত। আমি মাননীয় সাংসদ গৰাকীক ১০ দিন সন্মান কৰি চাইছো। এইটো এটা ৰেকর্ড থাকি যাওঁক যে আমি বিৰোধী দলৰ সাংসদক সন্মান কৰিব বিচাৰিছো। হাউছত ৰেকর্ড হওঁক যে ড° হিমন্ত বিশ্ব শর্মা আৰু কংগ্রেছৰ মন্ত্রীসকলে বিৰোধী দলৰ

* Speech not corrected

সাংসদ/ সদস্যক সন্মান কৰা কাৰণে হাউছৰ পৰা ওৱাক আউট কৰিছে। বিৰোধী দলৰ সদস্য সকলে যদি সন্মান কৰিব নালাগে বুলি কয় তেতিয়াহ'লে কালিৰ পৰা নকৰো। এই বিষয়ত আমি ১০-১৫ দিন সন্মান কৰিছো। আমি অনির্দিষ্ট কালৰ বাবে সন্মান কৰিম বুলি কোৱা নাই।

Hon'ble Speaker : Shri Sirajuddin Ajmal.

Shri Sirajuddin Ajmal : Respected Speaker Sir. I am sure the water supply schemes will benefit the people of Guwahati. However. I would like to suggest that while planning portable water schemes. Minister may like to study the systems in Mumbai and London as to how they have done it. If the schemes are to be completed within 3-4 years. I am sure the Congress is confident that they will come back to power next time. Otherwise, the Minister may face difficulties in implementing these projects.

*ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জাপান ইণ্টাৰ নেশ্যনেল কো-অপাৰেটিভ এজেন্সিয়ে গুৱাহাটীত পানী যোগান আঁচনিৰ কাৰণে টকা দিয়াৰ কাৰণে প্রস্তাৱ দিছে। Japanese experts are doing the planning and I am

---

*** Speech not corrected**

sure the Projects will be Completed in time.

অধ্যক্ষ মহোদয়, মই গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী হৈ থাকোৱেই বা নাথাকোৱেই অহা ৩-৪ বছৰৰ ভিতৰত গুৱাহাটীৰ মানুহে ২৪ ঘণ্টাই পানী পাব।

Mr. Speaker : Now, Starred Question No. 185, Hon'ble Member, Shri Kamalsing Narzary

বিষয় ঃ জনসংখ্যা অনুপাতে প্রাথমিক স্বাস্থ্য কেন্দ্র।

শ্রী কমলসিং নার্জাৰীয়ে সুধিছে ঃ

*১৮৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জনসংখ্যাৰ অনুপাতে একোখনকৈ প্রাথমিক স্বাস্থ্য কেন্দ্রত কিমান সংখ্যক জনসংখ্যা থাকিব লাগে সেই বিষয়ে চৰকাৰৰ কোনো নির্দেশনা আছেনে?

(খ) যদি আছে, বর্তমান অসমৰ বিভিন্ন জিলাত জনসংখ্যাৰ অনুপাতে থকা প্রাথমিক স্বাস্থ্য কেন্দ্রৰ সংখ্যা কিমান? (জিলা ভিত্তিত প্রাথমিক স্বাস্থ্য কেন্দ্রৰ নাম আৰু ইয়াৰ অধীনত থকা জনসংখ্যা সংলগ্ন কৰিব)

(গ) চাহ বাগিচা সংখ্যালঘু অধ্যুষিত চৰ-চাপৰি আৰু জনজাতীয় এলেকাত স্বাস্থ্য সজাগতা বৃদ্ধিৰ বাবে অধিক পৰিমাণে ৩০ খন বিছনাযুক্ত চিকিৎসালয়, প্রাথমিক স্বাস্থ্য কেন্দ্র আৰু উপ-স্বাস্থ্য কেন্দ্র স্থাপনৰ কথা ৰাজ্য চৰকাৰে বিবেচনা কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰৰ norms অনুসৰি ভৈয়াম এলেকাত প্রতি ৩০,০০০ (ত্রিশ হাজাৰ) জনসংখ্যাৰ বাবে আৰু জনজাতি/পার্বত্য এলেকাৰ বাবে প্রতি ২০,০০০ (বিশ হাজাৰ) জনসংখ্যাৰ বাবে একোখনকৈ প্রাথমিক স্বাস্থ্য কেন্দ্র থাকিব লাগে।

(খ) জিলা ভিত্তিক প্রাথমিক স্বাস্থ্য কেন্দ্রৰ সংখ্যা আৰু জনসংখ্যা Annexure-I ত দাখিল কৰা হ'ল। জিলা ভিত্তিক প্রামথিক স্বাস্থ্য কেন্দ্রৰ নামৰ তালিকা Annexure-II ত দেখুৱাই সদনৰ মেজত দিয়া হৈছে। (See Annexure-VII)

(গ) প্রয়োজনীয় পুঁজি আৱণ্টন আৰু আৱশ্যকীয় পদ মঞ্জুৰীৰৰ ওপৰত নির্ভৰশীল।

*শ্রীকমল সিং নার্জাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী গৰাকীয়ে উত্তৰ ঠিকমতেই দিছে। এই স্থানতে মই ২টামান পৰিপূৰক প্রশ্ন সুধিব খুজিছো। আমাৰ কোকৰাঝাৰত এখনো চিভিল হাস্পতাল নাই। বিজনীত ২০ বছৰ হ'ল তান্ত পি এইচ চি নাই। বঙাইগাঁও ২৫ কিলোমিটাৰ, বৰপেটা ২০ কিলোমিটাৰ দূৰত্ব হয়। গতিকে আমাৰ বিজনীত উন্নত চিকিৎসাৰ কাৰণে বিজনীত মহকুমা চিভিল হস্পিতাল এখন স্থাপন কৰিবলৈ মই মাননীয় মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনালো। লগতে বিষ্ণুপুৰ অঞ্চলতো এখন চিকিৎসা কেন্দ্র দিব লাগে। পানবাৰীত ৩০ খন বিছনাযুক্ত

---

* Speech not corrected

এখন হস্পিতাল আছে, তাত এজন ডাঃ কাম কৰি আছে বেতন নোহোৱাকৈ।

***ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অহা কালি বিধান সভাত মডেল হস্পিতেল স্কীম চাৰকুলেট কৰিব আৰু পানবাৰীত হস্পিতেল আছেনে নাই চাব। মহকুমাত ফিফটি বেডেড হস্পিতেল পাব। মাননীয় সদস্য গৰাকীয়ে স্কীম পাইছে, তাৰ লিষ্টখন দিলে ভাল হয়। কালিলৈ আপোনালোকে স্কীমখন পাব আৰু চাব পাৰিব। মাননীয় সদস্য কমল সিং নার্জাৰীয়ে কৈছে যে পানবাৰীত এজন ডাক্তৰে কাম কৰি আছে, ক'ৰবাত আয়ুৰ্বেদিক ডাক্তৰেও কাম কৰি আছে। বহু কষ্ট কৰি আমি দিছো। এতিয়া এজনকৈ দিয়া হৈছে। পিছত দিম। এতিয়াই ঘোষণা নকৰো। বেছি দিয়াৰ কাৰণে চেষ্টা কৰিছো।

***শ্রীকমল সিং নার্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উলুবাৰী এছ এইচ চিত ডাক্তৰ নাই। চিৰাং জিলাতো ডাক্তৰ নাই। ডাঃ বদলি কৰাৰ কাৰণে খালি হৈ আছে। তাত দিয়াৰ কাৰণে অনুৰোধ জনালোঁ।

***ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিৰাং জিলাত পি, এইছ, ইত ডাক্তৰ নোহোৱাৰ কথা আমি জানো এই সংক্রান্তত তিনি চাৰি দিনৰ আগতে বিভাগৰ বিষয়ালৈ চিঠি পঠিয়াইছিল। ১৭ খন হস্পিতেলত ডাক্তৰ নোহোৱাকৈ চলি আছে। আমি তাত ডাক্তৰ দিয়াৰ কাৰণে চেষ্টা কৰিম। আমি তালিকা দিলে ব্যৱস্থা ল'ব পাৰিম।

*** Speech not corrected**

***ডাঃ আদিত্য লাংথাচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনসংখ্যা অনুপাতে চিৰাং, কাকি তিনিচুকীয়া, কাৰ্বি আংলং, ওদালগুৰি।

***ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নতশিৰে চিন্তা কৰিছো। আমি নৰমছৰ ওচৰলৈ যাব পৰা নাই। আমাৰ তিনিখন নতুন মেডিকেল কলেজৰ জৰিয়তে ডাক্তৰ সৃষ্টি কৰিব লাগিব। সেইটো কষ্ট হ'ব। আমি বহুতকে স্বাস্থ্য দিব পৰা নাই। যোৱা বছৰ ৫০ খন পি, এইচ চি কৰিছো। এই বছৰতো বাজেটত আছে। প্রতি বছৰে ৫০ খনকৈ কৰিলে ৰাইজৰ সুবিধা হ'ব।

***শ্রীমহিবুল হক ঃ** অধ্যক্ষ মহোদয়, আমাৰ গৌৰীপুৰ সমষ্টিত ভাৰত বাংলাদেশ সীমান্ত আটাইতকৈ পিচপৰি আছে। তাত চি এইচ চি আৰু পি এইচ চি দিয়াৰ কাৰণে দাবি কৰিছো।

***ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এই বছৰৰ পিছত আমি কার্যসূচী লোৱা নাই। ১০০ খন হস্পিতেল কৰিব লাগিলে ১০০০ জন ডাক্তৰৰ প্রয়োজন হ'ব। সৰু হস্পিতেলৰ ব্যৱস্থা কৰা নাই। অহা ২ বছৰৰ ভিতৰত সমষ্টিয়ে সমষ্টিয়ে ভাল হস্পিতেল হওক। মই এতিয়া কমিট নকৰো। কিন্তু ৫০ খন হস্পিতেল পি এইছ চি ষ্টেনডাৰডত দিম।

বিষয় ঃ চাকৰি চৰকাৰীকৰণ।

শ্রী লিয়াকত আলী খানে সুধিছে ঃ

***১৮৬।** মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বন বিভাগত Casual Worker হিচাপে কাম কৰা অর্হতাপূর্ণ

*** Speech not corrected**

কর্মীসকলৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছে নে?

(খ) কিমানজনৰ চাকৰি এতিয়ালৈকে চৰকাৰীকৰণ কৰা হৈছে আৰু কিমানজনৰ চৰকাৰীকৰণ কৰিবলৈ বাকী আছে?

(গ) উক্ত বাকী থকা সকলৰো চাকৰি চৰকাৰীকৰণ কৰা হ'বনে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বন বিভাগত কেজুৱেল শ্রমিক হিচাপে কাম কৰা ২১৮ জন লোকক অর্হতা ভিত্তিত বাছনি কৰি অন্যান্য নিয়মীয়া চাকৰিত নিযুক্তি দিয়া হৈছে। ইয়াৰ উপৰি মুঠ ১৫১৪ জন কেজুৱেল কর্মীক নির্দ্ধাৰিত নিৰিখত মজুৰি দিয়া হৈছে।

(খ) বনবিভাগত কেজুৱেল শ্রমিক হিচাবে কাম কৰা ২১৮ জন লোকক অর্হতা ভিত্তিত বাছনি কৰি অন্যান্য নিয়মীয়া চাকৰিত নিযুক্তি দিয়া হৈছে আৰু ১৫১৪ জন কেজুৱেল কর্মীক নির্দ্ধাৰিত নিৰিখত মজুৰি দিয়া হৈছে।

বর্তমান বন বিভাগত অর্হতাপূর্ণ কেজুৱেল কর্মীক নির্দ্ধাৰিত নিৰিখত মজুৰি দিয়াৰ বাবে কোনো ধৰণৰ দাবী আহিলে উপযুক্ত ব্যৱস্থা লোৱা হ'ব।

(গ) বর্তমান বিচৰাধীন অৱস্থাত নাই।

*শ্রীলিয়াকত আলী খান ঃ অধ্যক্ষ মহোদয়, ১৯৯৩ চনত যিবিলাক কেজুৱেল লেবাৰে কাম কৰি আছিল, তেওঁলোকৰ বাকী থকাখিনিক এতিয়া দিবনে নাই। মোৰ সমষ্টিৰে আয়ুব খান নামৰ এজন লোকে ১৯৯৩ চনৰ পৰা কৰি আছিল। তেওঁক এতিয়ালৈকে

নিয়মীয়াকৰণ কৰা হোৱা নাই। এতিয়া মাননীয় মন্ত্রীয়ে এচুৱেন্স দিব নেকি যে তেওঁৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'ব। ১৫১৪ জনক ইতিমধ্যে নিয়োগ কৰা বুলি কৈছে। গতিকে মোৰ মানুহজনৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'বনে নাই?

***শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ এই ক্ষেত্রত মাননীয় সদস্যজনক ধন্যবাদ জনাইছো। নিয়োগৰ ক্ষেত্রত আমি ক'ব পাৰো যে মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত আগৰ চৰকাৰৰ দিনতেই ৩২ হাজাৰ মাষ্টাৰ ৰোল কর্মচাৰীক ফিক্স পেত দিছে। বিত্ত বিভাগৰ লগত মুখ্য মন্ত্রীয়ে কথা পতাৰ পিছত ১/৪/১৯৯৩ পৰা কাম কৰা বিলাকক আমি ফিক্স পে' হিচাবে দিছো। এই কথাত সেই সময়ত সকলোৱে আদৰণি জনাইছিল। এতিয়া ৩০০০ হাজাৰ টকালৈ বঢ়াই দিছে।

Mr. Speaker : (Starred Question No. 187 to 200 could not be taken up for disposal as the Question Hour was over. However, the said Questions deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ ডাক্তৰৰ সংখ্যা।

শ্রী ভূপেন কুমাৰ বৰাই সুধিছে ঃ

*১৮৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধলপুৰ Block-PHC আৰু বিহপুৰীয়া PHC ত সর্বমুঠ কিমানজন ডাক্তৰ থাকিব লাগে?

*** Speech not corrected**

(খ) বর্তমান উক্ত হস্পিতাল দুখনত কোন কোন বিভাগত কোন কোন ডাক্তৰে কাম কৰি আছে?

(গ) Medicine বিভাগৰ এগৰাকী চিকিৎসকে (Doctor Surajeet Boruah) বিনা বেতনে Dhalpur Hospital ত খাতি থকা বিষয়টো স্থানীয় বিধায়কে কেইবাবাৰো লিখিতভাৱে জনোৱাৰ পাছত চৰকাৰে এই সম্পর্কত কি ব্যৱস্থা গ্ৰহণ কৰিলে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অনুমোদিত পদৰ বিপৰীতে থাকিব লগা চিকিৎসকৰ সংখ্যা -

ধলপুৰ Block PHC/CHC : SDM & HO = 1

Sr. M & HO = 2

Mo (Ayur) = 1

বিহপুৰীয়া PHC/CHC : SDM & HO = 1

Sr. M & HO = 2

Mo (Ayur) = 1

ইতিমধ্যে বিহপুৰীয়া PHC খন CHC লৈ উন্নিত কৰা হৈছে।

(খ) উক্ত চিকিৎসালয় দুখনত কর্মৰত চিকিৎসকৰ নাম তলত উল্লেখ কৰা হ'ল—

ধলপুৰ Block PHC/CHC :

SDM & HO = নাই।

Dy. Supdt = ডাঃ উদয়ন বৰদলৈ

Sr. M & HO = ডাঃ খনীন্দ্র বড়ো

M & HO-1 = ডাঃ সুৰজিৎ বৰুৱা

(বিহপুৰীয়া CHC ৰ পদৰ বিপৰীতে)।

MO (Ayur) = ডাঃ নৱজিৎ তালুকদাৰ

বিহপুৰীয়া PHC/CHC :

Dy. Supdt = নাই।

Sr. M & HO = ডাঃ এ কে ডেউৰী ভড়ালী

Do = ডাঃ ললিত কুমাৰ বৰুৱা

MO (Ayur) = ডাঃ এ কে গোস্বামী

ডাঃ কল্পনা গোস্বামী Sr. M&HO বিহপুৰীয়া CHC পদৰ বিপৰীতে বঙালমৰাত কাম কৰি আছে।

(গ) ধলপুৰ Block PHC ৰ Medicine বিভাগৰ বা অন্য বিভাগৰ কোনো চিকিৎসকে দৰমহা নোপোৱাকৈ খাটি থকা নাই। এই সন্দর্ভত জনোৱা যায় যে ডাঃ সুৰজিৎ বৰুৱা নামৰ এগৰাকী চিকিৎসক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ Medicine বিভাগত ২০০৪ চনৰ ১৯ জুন তাৰিখে স্নাতকোত্তৰ (P.G. Course) অধ্যয়নৰ বাবে যায়। অধ্যয়নৰ অন্তত উভটি অহাৰ পাছত তেওঁক লখিমপুৰ জিলাৰ সোনাইচাপৰি

প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ২০০৭ চনত নিযুক্তি দিয়া হয়। কিন্তু তেওঁৰ অনুৰোধ মৰ্মে উক্ত আদেশ সলনিক্ৰমে কামৰূপ জিলাৰ বেজেৰা CHC ত ২০০৭ চনৰ আগষ্ট মাহত নিযুক্তি দিয়া হয়। কিন্তু তেওঁ উক্ত আদেশৰ বিপৰীতে কৰ্তব্যত যোগদানৰ বাবে দুই মাহৰ সময় বিছাৰি ইং ২৪-৮-২০০৭ তাৰিখে এখন আবেদন দাখিল কৰে। কিন্তু দুই মাহৰ সলনি তেওঁ ৯ (ন) মাহৰ পাছত ৪-৬-২০০৮ ইং তাৰিখে ধলপুৰ CHC ত নিযুক্তি দিব লাগে বুলি CHC ত নিযুক্তি দিব লাগে বুলি আন এখন আবেদন দাখিল কৰে। উক্ত আবেদনৰ পৰা দেখা যায় তেওঁ ২০০৭ত অনুষ্ঠিত Medicine বিভাগৰ স্নাতকোত্তৰ (P.G. Course) পৰীক্ষাত তেওঁ উত্তীৰ্ণ হ'ব পৰা নাছিল। ইতিমধ্যে বিহপুৰীয়া সমষ্টিৰ মাননীয় বিধায়ক মহোদয়ৰ ইং ১৭-৭-২০০৮ তাৰিখৰ লিখিত অনুৰোধ মৰ্মে পূৰ্বৰ আদেশ ৰদ কৰি ডাঃ বৰুৱাক বিভাগে ১৮-৭-২০০৮ তাৰিখৰ নিৰ্দেশ যোগে লখিমপুৰ জিলাৰ ধলপুৰ CHC ত নিযুক্তি দি তেওঁক বিহপুৰীয়া CHC পদৰ বিপৰীতে দৰমহা দিবলৈ নিৰ্দেশযোগে কোৱা হয়।

সেই মৰ্মে ডাঃ বৰুৱাই ইং ১-৮-২০০৮ ইং তাৰিখে ধলপুৰ CHCত যোগদান কৰে আৰু ২০০৮ চনৰ আগষ্ট মাহৰ পৰা যোৱা ২০০৯ চনৰ মে' মাহলৈকে দৰমহা পোৱা বুলি লিখিতভাৱে লখিমপুৰ জিলাৰ যুটীয়া সঞ্চালকৰ জৰিয়তে চৰকাৰক অৱগত কৰিছে।

ইতিমধ্যে অন্যান্য পদৰ লগতে ডাঃ বৰুৱাই কাম কৰি থকা পদৰ বাবে প্ৰয়োজনীয় retention দিয়া হৈছে। বাজেট অনুমোদন সাপেক্ষে এনেধৰণৰ চিকিৎসকসকলে জুন মাহৰ পৰা দৰমহা

নিয়মীয়াকৈ পাব। এইটো এটা নিয়মীয়া প্রক্রিয়া।

উল্লেখ কৰা প্রয়োজন যে ডাঃ বৰুৱাই ইং ২০০৭ চনৰ জুন মাহৰ পৰা ২০০৮ চনৰ জুলাই মাহলৈকে মুঠ ৪০৯ দিন কর্তব্যত অকৃত্বশীলভাৱে অনুপস্থিত আছিল। ইয়াৰ বাবে তেওঁ সময় মতে বা আগতীয়াকৈ চৰকাৰক অৱগত কৰা নাছিল। অৱশ্যে ২০০৮ চনৰ ১৯ চেপ্টেম্বৰ তাৰিখে উক্ত ৪০৯ দিন অনুপস্থিতৰ সময়চোৱাৰ বাবে ছুটী মঞ্জুৰ কৰিবলৈ এখন আবেদন পত্র জমা দিয়াত বিষয়টোৰ ওপৰত বিভাগে কার্য ব্যৱস্থা লয়। যিহেতু প্রয়োজনীয় আর্জিত ছুটী তেওঁৰ জমাৰ হিচাবত নাই, সেয়েহে মহাগাণনিকৰ কার্যালয়ৰ পৰা প্রতিবেদন লৈ বিত্ত বিভাগৰ লগত যোগাযোগ কৰাৰ প্রয়োজন হৈছে।

প্রকৃত ঘটনা হ'ল ২০০৭ চনৰ জুন মাহৰ পৰা ২০০৮ চনৰ ৩১ জুলাই লৈকে মুঠ ৪০৯ দিন ডাঃ সুৰজিৎ বৰুৱাই অকৃত্বশীলভাৱে কর্তব্যৰ পৰা আতৰি থকাত উক্ত সময় চোৱাৰ বাবে দৰমহা পোৱা নাই। এয়া তেওঁৰ নিজস্ব ত্রুটিৰ বাবে (fault of his own) হ'বলৈ পালে। সেই মর্মে বিভাগে নিয়মমতে ডাঃ বৰুৱাৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা ল'ব লাগে; কিন্তু চৰকাৰে তাকে নকৰি তেওঁ পাব পৰা ধৰণৰ ছুটী মঞ্জুৰিৰ ব্যৱস্থাহে লৈছে।

Sub : Tourism Policy.

Shri Uddhab Barman asked :

***188. Will the Minister of Tourism be pleased to state :**

(a) Whether the State Govt. has framed state

Tourism Policy to attract both the domestic and the foreign tourists to the State?

(b) If so, give details of components of the policy?

(c) What are the guidelines prepared to implement the policy?

(d) Give the total number of the tourists-domestic and foreign seperately during last two years?

(e) What is the amount of revenue earned during last two years from these tourists?

Shri Rockybul Hussain (Minister, Tourism) replied :

(a) Yes, framed.

(b) (i) The strategy of development- General stretegy will be one of planned, focused and prioritized development, A benchmark survey of all the Tourism potentials and steps for development of the Infrastructural facilities, Enactment of a Heritage preservation Act in Assam for Identification and preservation of heritage properties those are not maintained by any agency, development of public private partnership the Tourism Sector.

(ii) Product Development-Product Development will include sustainability consideration, comprehensive development, Internationally accepted road signage, properly designed souvenir shops, on site orientation facility, development of wildlife Tourism, Adventure Tourism, Religious Tourism, Rural Tourism, Medical Tourism, Creation of one Theme Park– Mini Assam, etc.

(iii) Infrastructure Development– It will include the specification of Tourism Zone, easy access to Tourism destinations, development of Guwahati as a major National and International Air hub with the help of Govt. of India, etc.

(iv) Incentives– It will include the reimbursement of value Added Tax and Luxury Tax; State capital investment subsidy, subsidy on drawal of powerline, etc.

(v) Regulation of quality, safety and security etc. for the tourists.

(vi) Human Resource Development– It will include setting up of Educational Institute like Hotel Management, Food Oraft Institute, Tourism and Travel Management, Tourism related personnels Training Institute, etc.

(vii) Marketing and Promotion– Creating a Brand :- It will Indlude creation of Internctive website, organisation Festival of Assam Production of publicity materials, participation in local, National and International publicity campain, etc.

(c) The Guidelines/Rules on Assam Tourism Policy are being prepared.

(d) Total number of tourist arrival in Assam during last two years are as follows :-

Year	Demestic tourist arrival	Foreign tourist arrival	Total
2007-2008	34,89,814	13,799	35,03,613
2008-2009	36, 98, 706	14,533	37,13,239

(e) But the following revenue collections are only of the Tourist Lodges maintained by this Directorate of Tourism, Assam and by Assam

Tourism Development Corpn. Ltd. The amount earned by private entreprenurs is not available.

2007-2008 –Rs. 94,99,820/-

2007-2009 –Rs. 1,03,91,516/-

বিষয় ঃ Mini P.H.C. ৰ সংখ্যা।

শ্রী পদ্ম হাজৰিকাই সুধিছে ঃ

*১৮৯। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান অসমত কিমানখন Mini P.H.C. আছে?

(খ) উক্ত P.H.C.বোৰত কিমান সংখ্যক চিকিৎসক নিয়োগ কৰা হৈছে? (বিতং তথ্যসহ তালিকা সদনৰ মেজত দাখিল কৰিব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্তমান ৩৮২ খন Mini P.H.C.আছে।

(খ) উক্ত Mini P.H.C.সমূহত ৫৪১ জন চিকিৎসক নিয়োজিত হৈ আছে। (বিতং তথ্য (See Annexure-I) ত দেখুৱাই সদনৰ মেজত দিয়া হৈছে)

Sub : Expenditure on information & Public Relations.

Sri Mission Ranjan Das asked :

***190. Will the Minister of Information & Public Relations be pleased to state :**

(a) What are different methods like Govt. Newspapers/Private Newspapers, FLS, Heardings advertising through medias etc. are adopted by the Govt. for information and Public Relations-Please give the details of Govt. newspapers with total circulations and expenditure and expenditures on advertisement through Private Newspapers including name and circulations of papers and expenditures on other methods adopted from 2001-2002 to 2008-2009? (year wise and item wise details please be given)

(b) What is the total arrear liability of the Govt. on above expenditure? (please give the details itemwise and yearwise liabilities from 2001-2002 to 2008-2009).

Shri Rockybul Hussain (Minister, Information & Public Relations) replied :

(a) The different methods followed are as follows :-

(ii) In Govt. Newspaper advertisement is published free of cost, hence no hard and fast methods.

(ii) Advertisement in Private Newspapers are

given as per the Govt. Advertisement policy.

(iii) Through F.L.S., Air regional news and other important Govt's announcements are given for informing. educating and onlightening the mass people.

(iv) Hearding advertising are not done through media as Heardings are itself a Media of information.

(v) Names and circulations of private Newspapers including expenditures incurred against publication of advertisements are furnished in the list at Annexure 'A' and 'B'. (See Annexure-IX)

(vi) Details of expenditure etc. in respect of Govt. Newspapers, 'FLS' Hearing etc. are furnished at Annexures 'C' 'D' and 'E'.

(See Annexure-X)

(b) Arrear Liabilities from 2001-02 to 2008-09 against private Newspapers are furnished in the list at Annexure 'F' (See Annexure-XI)

বিষয় ঃ বিষাক্ত সুৰা।

শ্রী অনুপ ফুকনে সুধিছে ঃ

*১৯১। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২১/৪/২০০৯ তাৰিখে টিংখঙত বিষাক্ত সুৰাপানত মৃত্যু হোৱা আৰু চিকিৎসাধীন হোৱা লোকসকলৰ প্রকৃত সংখ্যা কিমান আৰু তেওঁলোকৰ নাম তালিকা সদনৰ মেজত দাখিল কৰিবনে?

(খ) ব্যক্তিগত সংবাদ প্রতিষ্ঠান নিউজ লাইভৰ ফালৰ পৰা প্রচাৰ চলোৱা অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত চিকিৎসাধীন শ্রীৰাজেশ খাৰিয়া নামৰ যুৱকজনৰ মৃত্যু হোৱা বাতৰিৰ প্রতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(গ) যদি হৈছে, উক্ত ঘটনা সত্যনে, যদি সত্য নহয়, চৰকাৰে ইয়াৰ ওপৰত কি ব্যৱস্থা ল'লে?

(ঘ) উক্ত বিষাক্ত সুৰাজনিত ঘটনাটো তদন্ত কৰা হৈছিল নে?

(ঙ) যদি হৈছিল, উক্ত তদন্তৰ প্রতিবেদন সদনৰ মেজত দাখিল কৰিবনে?

(চ) টিংখং বিধান সভা সমষ্টিৰ স্বাস্থ্য ক্ষেত্রৰ সামগ্রীক উন্নতিৰ বাবে '১০৮' জৰুৰীকালীন সেৱা' ৰাজগড়, টিংখং আৰু লেঙেৰীত শীঘ্রে আৰম্ভ কৰা চিকিৎসালয়সমূহত চিকিৎসক/চিকিৎসা কর্মীৰ নিযুক্তিকে ধৰি বহুকেইটা গুৰুত্বপূর্ণ সমস্যা সমাধানৰ বাবে মাননীয়

স্বাস্থ্য মন্ত্রীক প্রশ্নকর্তাৰ ফালৰ পৰা দিয়া আবেদনৰ সন্দর্ভত কি ব্যৱস্থা লোৱা হৈছে? (বিতংভাৱে জনাব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২১/৪/২০০৯ তাৰিখে টিংখঙত বিষাক্ত সুৰাপানত মৃত্যু হোৱা আৰু চিকিৎসাধীন হোৱা লোকসকলৰ নামৰ তালিকা তলত উল্লেখ কৰা হ'ল।

LINE LISTING OF DEATH CASES

Sl. NO.	Name	Sex	Age
1	2	3	4
1.	Sukur Majhi	M	58
2.	Jika Kharia	M	25
3.	Tulshi Kharia	M	20
4.	Lakhi Ram Bhumis	M	35
5.	Mantu Bhumis	M	17
6.	Bishnu Satraj	M	35
7.	Bullet Bhumis	M	35
8.	Satu Kharia	F	50
9.	Lakhan Bhumis	M	14

LINE LISTING OF LYING CASES UNDER TREATMENT AT AMCH

Sl. No.	Name	Sex	Age
1	2	3	4
1.	Rajesh Bhumis	M	18
2.	Rajesh Kharia	M	25
3.	Gasia Manki	M	32
4.	Gobin Thapa	M	18
5.	Soma Surin	M	16
6.	Pradip Kharia	F	25
7.	Basanti Kharia	M	31
8.	Lalit Kharia	M	35
9.	Lakhiram Mura	M	28

(খ) এই বিষয়ে কোনেও চৰকাৰৰ দৃষ্টি গোচৰ কৰা নাই।
(গ)

(ঘ) স্বাস্থ্য বিভাগ কেৱল মাত্র ৰোগীৰ চিকিৎসাৰ লগতহে জড়িত। ঘটনাৰ তদন্ত স্বাস্থ্য বিভাগৰ আওতাত নপৰে।

(ঙ)
(চ) (১) টিংখং ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্র Labour Roomৰ

Construction সম্পূর্ণ হৈছে আৰু বর্তমান ব্যৱহাৰ হৈ আছে।

(২) ৬ (ছয়)খন বিছনাযুক্ত Maternity Ward ৰ কাম P.W.D. (Buld) বিভাগে আৰম্ভ কৰিবলৈ লৈছে।

(৩) ২০০৯-২০১০ চনত Stabilization Unit (Sick New Born Care Unit) স্থাপন কৰিবলৈ Proposal দিয়া হৈছে।

(৪) লেঙেৰী ক্ষুদ্র প্রাইমাৰী স্বাস্থ্য কেন্দ্রত এটা Doctors Quarter আৰু ২ টা নার্চৰ Quarter NRHM ৰ ফালৰ পৰা বনোৱা হ'ল আৰু বর্তমান ব্যৱহৃত হৈ আছে। Labour Room টো চলিত মাহৰ ভিতৰত আৰম্ভ কৰা হ'ব। Electrification ৰ কাম বাকী আছে। চিকিৎসালয়খনৰ পুৰণা OPD Building ৰ ঠাইত নতুন বিল্ডিং ১০ খন বিচনাযুক্ত Indoor Ward, Laboratory ৰ নির্মাণৰ বাবে ৮০ (আশী) লাখ টকাৰ Plan & Estimate, P.W.D. (Bldg) ৰ ফালৰ পৰা বিচৰা হৈছে।

Sub : Guwahati Municipal Corporation

Dr. Alaka Sarma asked :

***192. Will the Minister of Guwahati Development Department be pleased to state :**

(a) The 74th amendment to Constitution, which came into force w.e.f. 1-6-93, vide S.O. 346 (E) vests territorial area to Municipality/Corporation,

under 243 (P) and under 243 (w) gives the power and responsibility to Municipality. Whether Guwahati Municipal Corporation in Assam is given powers to discharge powers vested in the twelfth schedule?

(b) Whether establishment of "JAL Board" Impinges on the right of the Guwahati Municipal Corporation listed as point 5, under twelfth schedule, article 243 W namely "Water Supply for domestic, industrial and commercial purpose"?

(c) Is it a fact that four clauses under Guwahati Municipal Corporation Act, 1971, are still in force? The Assam Urban Water Supply and Sewerage Board Act, 1985 is still in force?

(d) Is it not contradiction that even after passing of 74th amendment, the act passed by Govt. of Assam dealing with same subjects is not repealed?

(e) If so, by which date action will be taken? If not, what is the justification?

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Deapartment) replied :

(a) Yes, Guwahati Municipal Corporation has been given powers to discharge functions vested in the twelfth schedule as follows :

Twelfth Schedule :

(Article 243-W)

1. Urban Planning including town planning :- Partly along with Guwahati Metropolitan Development Authority.
2. Regulation of land use and construction of building :- Jointly with Guwahti Metropolitan Development Authority.
3. Planning for economic and social development :- Fully, for upliftment of urban poor.
4. Roads and Bridges :- Jointly with Public Works Department.
5. Water supply for domestic industrial and commercial purposes :- Primarily vested with Guwahati Municipal Corporation, Assam Urban Water Supply and Sewerage Board and Public Health Engineering Deptt. Deptt. are covering a small part.

6. Public health, sanitation conservancy and Solid Waste Management :- Fully-

7. Fire Service :- Not yet.

8. Urban Forestry, protection of environment and promotion of ecological aspects :- Not yet.

9. Safeguarding the interest of weaker section of society, including handicapped and mentally retarded :- Partly, in addition to social welfare Department.

10. Slum improvement and upgradation :- Fully.

11. Urban poverty alleviation:- Fully,

12. Provision of urban amenities and facilities such as park, garden, play grounds :- Jointly with Guwahati Metropolitan Development Authority.

13. Promotion of Cultural, educational and aesthetic aspects :-Partly with Cultural and Education Department.

14. Burials and burial grounds, cremations and cremation grounds :– Fully.

15. Cattle pounds, prevention of cruelty to animals :– Fully.

16. Vital statistics including registration of birth and deaths :– Jointly with Health Department.

17. Public amenities including street lighting, parking lots, bus-stops, public convenience :– Some are fully, some are along with Assam State Transport Corporation.

18. Regulation of slaughter houses and tanneries :– Fully.

(b) Establishment of the "The Guwahati Metropolitan Drinking Water and Sewerage Board" (Jal Board) does not impinge up on the right of the Guwahati Municipal Corporation as listed in point 5 of 12 schedule as the Mayor of the Guwahati Municipal Corporation shall be the Vice-Chairman and Commissioner, Guwahati Municipal Corporation shall be the ex-officio Director of "the Guwahati Metropolitan Drinking Water and Sewerage Board". The Board shall be responsible for supply of drinking water in

the Guwahati Metropolitan Area including Guwahati Municipal Corporation Area.

(c) For the Question "Is it a fact that four clauses under Guwahati Municipal Corporation Act, 1971', are still in force?" there is no answer. However, if by four clauses it is meant 'Section 4 of Guwahati Municipal corporation Act, 1971', then, answer is :– Yes, it is in force as amended.

The Assam Urban Water Supply and Sewerage Board Act, 1985 is still in force as per provision of section 64 of "The Guwahati Drinking Water and Sewerage Board Act, 2009".

(d) The Guwahati Metropolitan Drinking Water and Sewerage Board Act, 2009 is not in countravention of the 74th Constitutional Amendment. In fact the Act proposes to bring all schemes of Drinking Water Supply within Guwahati Municipal Corporation Area, under an accountability platform with Guwahati Municipal Corporation, since Mayor of Guwahati Municipal Corporation shall be the Vice Chairman and Commissioner Guwahati Municipal Corporation

shall be the exofficio Director of the Board.

The Board shall be responsible for supply of water within Guwahati Metropolitan Area which includes areas outside Guwahati Municipal Corporation area where Guwahati Municipal Corporation has no jurisdiction.

(e) Does not arise.

বিষয় ঃ **NRHM** ৰ অধীনত পুঁজি।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

*১৯৩। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NRHM ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ বৰ্তমানলৈকে কিমান পুঁজি মোকলাই দিছে?

(খ) ইয়াৰে কি কি শিতানৰ বিপৰীতে বৰ্তমানলৈকে কিমান পুঁজি ব্যয় কৰা হ'ল? (জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(গ) ৰাজ্যখনত বৰ্তমানলৈকে কিমানজন AIDS আক্ৰান্ত ৰোগী আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(ঘ) যোৱা পাঁচ বছৰত ৰাজ্যখনত কিমানজন AIDS আক্ৰান্ত ৰোগীৰ মৃত্যু হ'ল? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(ঙ) AIDS নিয়ন্ত্রণৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি কি ব্যৱস্থা কৰিছে আৰু ইয়াৰ বাবে যোৱা পাঁচ বছৰত কিমান পুঁজি ব্যয় কৰা হ'ল? (বছৰ অনুযায়ী পৃথকে পৃথকে তথ্য দাখিল কৰিব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) NRHM ৰ অধীনত কেন্দ্রীয় চৰকাৰে ৰাজ্যখনলৈ বৰ্তমানে মোকলাই দিয়া পুঁজিৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

২০০৫-০৬ বৰ্ষত-	৮৭৯২.২৪ লাখ টকা
২০০৬-০৭ বৰ্ষত-	২০০৮০.৮৬ লাখ টকা
২০০৭-০৮ বৰ্ষত-	৫৭১৪৭.৪১ লাখ টকা
২০০৮-০৯ বৰ্ষত-	৫২৭৩৬.০০ লাখ টকা
সৰ্বমুঠ -	**১৩৮৭৫৬.৫১ লাখ টকা**

(খ) পুঁজি অনুযায়ী ব্যয়ৰ জিলা ভিত্তিত তালিকা Annexure-I ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XII)

(গ) বৰ্তমানে ৰাজ্যখনত ৮৮৩ জন এইড্‌চ (AIDS) আক্রান্ত ৰোগী আছে। জিলাভিত্তিক তথ্য Annexure-II ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XIII)

(ঘ) যোৱা পাঁচ বছৰত ৰাজ্যখনত ১১৪ জন এইড্‌চ আক্রান্ত ৰোগীৰ মৃত্যু হৈছে। জিলা ভিত্তিক তথ্য Annexure-III ত সংলগ্ন কৰি

সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XIV)

(ঙ) এইড্‌চ (AIDS) নিয়ন্ত্রণৰ বাবে চৰকাৰে ৰাষ্ট্রীয় এইড্‌চ নিয়ন্ত্রণ সংগঠন (NACO)য়ে প্রস্তুত কৰা আঁচনিসমূহ অসম ৰাজ্যিক এইড্‌চ নিয়ন্ত্রণ সমিতিৰ দ্বাৰা ৰূপায়ণ কৰি থকা হৈছে। এই সম্পর্কীয় বিশদ বিৱৰণ Annexure-IV ত উল্লেখ কৰা হৈছে আৰু ইয়াৰ বাবে যোৱা পাঁচ বছৰত ব্যয় কৰা পুঁজিৰ হিচাব Annexure-Vত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XV)

Sub : Establishment of Medical College.

Shri Thaneswar Basumatary asked :

***194. Will the Minister of Health & Family Welfare be pleased to state :**

(a) Whether the Government is aware regarding the announcement made by the Chief Minister in the manmoth gethering of Chirang BPF conference to establish one Medical College at Kokrajhar?

(b) If so, what steps have been taken to that effect?

(c) If not, when the Govt. of Assam would take steps to materialise the above declaration?

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare, Assam) replied :

(a) Hon'ble Chief Minister has stated that the establishment of a Medical College at Kokrajhar will be considered in due course of time.

(b) Establishment of Medical College depends on the availability of required Faculty as per MCI norms. As of now, we are assessing to find

& Out how much new College can be started with the available man power in the State. Once this assessment is over, State Government will take

(c) holistic view in the matter :

বিষয় ঃ গতিত চিকিৎসালয় স্থাপন।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

*১৯৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিৰ অন্তর্গত বি টি এ ডি এলেকাৰ অতি জনবহুল আৰু মেলেৰীয়া ৰোগৰ বাবে অধ্যুষিত অঞ্চলত ক্ষুদ্র প্রাথমিক চিকিৎসা কেন্দ্র স্থাপনৰ দীর্ঘ দিনীয়া সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেতিয়া হ'লে ইং ২০০০ চনতে চৰকাৰীভাৱে উক্ত অঞ্চলত ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰাৰ পিছতো আজিলৈকে বাস্তৱায়িক নোহোৱাৰ কাৰণ কি, জনাবনে?

(গ) যদি এই ক্ষেত্ৰত চিকিৎসালয়খন স্থাপনৰ কিবা পৰ্যায় আগবাঢ়িছে সেইটো অনুগ্ৰহ কৰি জনাবনে?

(ঘ) যদি আগবঢ়া নাই, তেতিয়াহ'লে ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত বি টি এ ডি এলেকাৰ উন্নয়নৰ স্বাৰ্থত চৰকাৰৰ এইবাৰৰ বাজেটৰ জৰিয়তে গাতিত এখন ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰ স্থাপন কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এই সম্বন্ধে চৰকাৰ অৱগত নহয়।

(খ) আধাৰ শিলা স্থাপনৰ বিষয়ে চৰকাৰ অৱগত নহয়।

(গ) প্ৰাপ্ত তথ্য মতে কোকৰাঝাৰৰ অতিৰিক্ত স্বাস্থ্য সঞ্চালকে Feasibility report লৈ B.T.C কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা বুলি জনা গৈছে।

(ঘ) চৰকাৰৰ হাতত বৰ্তমানলৈ তেনে কোনো প্ৰস্তাৱ নাই।

বিষয় ঃ পৰ্যটন কেন্দ্ৰ।

শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ

*১৯৬। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্রু-ছৈখোৱা অভয়াৰণ্যখন পর্যটন কেন্দ্র হিচাপে গঢ় দিয়াৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(খ) ইয়াৰ বাবে কিমান পুঁজি আৱণ্টন দিয়া হৈছে?

(গ) যদি পুঁজি আৱণ্টন দিয়া নাই তেন্তে উক্ত অভয়াৰণ্যখন পর্য্যটন কেন্দ্র হিচাপে গঢ় দিয়াৰ বাবে কি পৰিকল্পনা কৰিছে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রু-ছৈখোৱা ৰাষ্ট্রীয় উদ্যানখন পর্য্যটন কেন্দ্র হিচাপে গঢ় দিয়াৰ বাবে দুটা এলেকা পর্য্যটন মণ্ডল হিচাপে চিনাক্ত কৰিছে। ইয়াৰ এটা অঞ্চল গুইজান বনাঞ্চলৰ দধিয়াৰ পৰা স্কুল গড়ালৈ প্রায় ১৫ বর্গ কিঃ মিঃ আৰু আনটো অঞ্চল ছৈখোৱা বনাঞ্চলৰ কলিয়াৰ পৰা চুৰখে চাপৰি ১০ বর্গ কিঃ মিঃ এলেকা সামৰি লৈছে। পর্য্যটকৰ সুবিধাৰ বাবে বর্তমানলৈকে ডিব্রু-ছৈখোৱাৰ অজুখাটত এটা ইক' টুৰিজিম কেন্দ্র নির্মাণ আৰু ২০ জন স্থানীয় যুৱকক পর্য্যটক সহায়ক হিচাপে প্রশিক্ষণ দিয়া হৈছে।

(খ) কেন্দ্রীয় চৰকাৰৰ জৈৰ মণ্ডল আঁচনিৰ পৰা পর্যটক সহায়ক শিবিৰ আয়োজন কৰাৰ বাবে ২০০৩-০৪ চনত টকা ৫০,০০০/- (পঞ্চাশ হাজাৰ) আৰু 'ই'ক টুৰিজিম' কেন্দ্র নির্মাণৰ কাৰণে ২০০৮-০৯ চনত টকা ৩,০০,০০০/- (তিনি লাখ) আৱণ্টন দিয়া হৈছিল।

(গ) ডিব্রু-ছৈখোৱা ৰাষ্ট্রীয় উদ্যানক পর্য্যটন কেন্দ্র হিচাবে গঢ় দিবলৈ এই বছৰ (২০০৯-১০) কেন্দ্রীয় চৰকাৰৰ জৈৰ মণ্ডল আঁচনিত এটা

'ইণ্টাৰপ্ৰিটেচন আৰু এডুকেচন' কেন্দ্ৰ, দুটা পৰ্যটক তথ্য কেন্দ্ৰ, এখন যন্ত্ৰ চালিত নাওঁ নিৰ্মাণ, দুটা 'ইক টুৰিজিম' কেন্দ্ৰ নিৰ্মাণৰ বাবে আঁচনি যুগুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ কৃত্ৰিম বানপানী।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

*১৯৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰৰ কুমাৰপাৰা, ওদালবাক্ৰা, ধীৰেনপাৰা আৰু গাড়ীগাঁও আদি অঞ্চলসমূহত হোৱা কৃত্ৰিম বানপানীৰ ফলত জনসাধাৰণে জীয়াতু ভুগি থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) গুৱাহাটীৰ যান-জঁটে গুৱাহাটীবাসী ৰাইজক অতিষ্ঠ কৰি তোলা বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, তেনেহ'লে যান-জঁটৰ সমস্যাটো সমাধানৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা বা পৰিকল্পনা হাতত লৈছে?

(ঙ) গুৱাহাটীৰ নতুন মাষ্টাৰ প্লেনখন বৰ্তমান কি পৰ্যায়ত আছে আৰু কেতিয়াকৈ নতুন মাষ্টাৰ প্লেনখন আনুষ্ঠানিকভাৱে ঘোষণা কৰিব?

ড° হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰ কুমাৰপাৰা ওদালবাক্ৰা, ধীৰেনপাৰা আৰু

গাড়ীগাঁও আদি অঞ্চলসমূহত কৃত্রিম বানপানীৰ ফলত জীয়াতু ভূগি থকা সম্পর্কে চৰকাৰ অৱগত।

(খ) ১। ৰাজ্য চৰকাৰে কুমাৰপাৰা, ওদালবাক্রা, ধীৰেণপাৰা আৰু গাড়ীগাঁও অঞ্চলৰ লগতে গুৱাহাটীত থকা অন্য ঠাইসমূহৰ নদী, গড়কাপ্তানী আৰু পৌৰ নিগমৰ নলা-নর্দমা চাফা কৰাৰ কাৰণে ৬ কোটি টকাৰ এখন আঁচনি হাতত লৈছে। উক্ত আঁচনিৰ যোগেদি জলসম্পদ বিভাগ, গড়কাপ্তানি বিভাগ আৰু গুৱাহাটী পৌৰ নিগমৰ জৰিয়তে বাহিনী, ভৰলু আৰু মৰা ভৰলু নদী সহ সকলোবোৰ নলা-নর্দমা চাফা কৰি থকা হৈছে।

কুমাৰপাৰা অঞ্চলত ব্রহ্মপুত্রৰ জলপৃষ্ঠ বাঢ়িলে নলাৰে পানী ওলাই যাব নোৱাৰা হ'লে পাম্পৰ সহায়ত পানী নিষ্কাষণ কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ব।

২। ওদালবাক্রা অঞ্চলত সোনাই ঘূলি পাহাৰ আৰু নৰকাসুৰ পাহাৰৰ পৰা বৈ অহা পানীখিনি ওলাই যোৱাৰ বাবে সাৱিত্রী ভৰালী স্কুলৰ পিছ ফালেদি এটা কেঁচা নলা খান্দি পৰিষ্কাৰ কৰা হৈছে।

৩। ধীৰেনপাৰা অঞ্চলত ফটাশিল পাহাৰৰ পৰা বৈ অহা পানী ওলাই যোৱাৰ বাবে ৰঘুনাথ পথৰ ওচৰত এটা ভিতৰুৱা ডাঙৰ নলাৰ চাফাই কাম পৌৰনিগমৰ দ্বাৰা কৰি থকা হৈছে।

৪। ওদালবাক্রা অঞ্চলৰ শ্রীকান্ত দত্ত পথৰ নলা নির্মাণৰ কাম গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষৰ দ্বাৰা কৰি থকা হৈছে।

'ইণ্টাৰপ্ৰিটেচন আৰু এডুকেচন' কেন্দ্ৰ, দুটা পৰ্যটক তথ্য কেন্দ্ৰ, এখন যন্ত্ৰ চালিত নাওঁ নিৰ্মাণ, দুটা 'ইক টুৰিজিম' কেন্দ্ৰ নিৰ্মাণৰ বাবে আঁচনি যুগুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ কৃত্ৰিম বানপানী।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

*১৯৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰৰ কুমাৰপাৰা, ওদালবাক্ৰা, ধীৰেনপাৰা আৰু গাড়ীগাঁও আদি অঞ্চলসমূহত হোৱা কৃত্ৰিম বানপানীৰ ফলত জনসাধাৰণে জীয়াতু ভুগি থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) গুৱাহাটীৰ যান-জঁটে গুৱাহাটীবাসী ৰাইজক অতিষ্ঠ কৰি তোলা বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, তেনেহ'লে যান-জঁটৰ সমস্যাটো সমাধানৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা বা পৰিকল্পনা হাতত লৈছে?

(ঙ) গুৱাহাটীৰ নতুন মাষ্টাৰ প্লেনখন বৰ্তমান কি পৰ্যায়ত আছে আৰু কেতিয়াকৈ নতুন মাষ্টাৰ প্লেনখন আনুষ্ঠানিকভাৱে ঘোষণা কৰিব?

ড° হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰ কুমাৰপাৰা ওদালবাক্ৰা, ধীৰেনপাৰা আৰু

গাড়ীগাঁও আদি অঞ্চলসমূহত কৃত্রিম বানপানীৰ ফলত জীয়াতু ভূগি থকা সম্পর্কে চৰকাৰ অৱগত।

(খ) ১। ৰাজ্য চৰকাৰে কুমাৰপাৰা, ওদালবাক্রা, ধীৰেণপাৰা আৰু গাড়ীগাঁও অঞ্চলৰ লগতে গুৱাহাটীত থকা অন্য ঠাইসমূহৰ নদী, গড়কাপ্তানী আৰু পৌৰ নিগমৰ নলা-নর্দমা চাফা কৰাৰ কাৰণে ৬ কোটি টকাৰ এখন আঁচনি হাতত লৈছে। উক্ত আঁচনিৰ যোগেদি জলসম্পদ বিভাগ, গড়কাপ্তানি বিভাগ আৰু গুৱাহাটী পৌৰ নিগমৰ জৰিয়তে বাহিনী, ভৰলু আৰু মৰা ভৰলু নদী সহ সকলোবোৰ নলা-নর্দমা চাফা কৰি থকা হৈছে।

কুমাৰপাৰা অঞ্চলত ব্রহ্মপুত্রৰ জলপৃষ্ঠ বাঢ়িলে নলাৰে পানী ওলাই যাব নোৱাৰা হ'লে পাম্পৰ সহায়ত পানী নিষ্কাষণ কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ব।

২। ওদালবাক্রা অঞ্চলত সোনাই ঘূলি পাহাৰ আৰু নৰকাসুৰ পাহাৰৰ পৰা বৈ অহা পানীখিনি ওলাই যোৱাৰ বাবে সাৱিত্রী ভৰালী স্কুলৰ পিছ ফালেদি এটা কেঁচা নলা খান্দি পৰিষ্কাৰ কৰা হৈছে।

৩। ধীৰেনপাৰা অঞ্চলত ফটাশিল পাহাৰৰ পৰা বৈ অহা পানী ওলাই যোৱাৰ বাবে ৰঘুনাথ পথৰ ওচৰত এটা ভিতৰুৱা ডাঙৰ নলাৰ চাফাই কাম পৌৰনিগমৰ দ্বাৰা কৰি থকা হৈছে।

৪। ওদালবাক্রা অঞ্চলৰ শ্রীকান্ত দত্ত পথৰ নলা নির্মাণৰ কাম গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষৰ দ্বাৰা কৰি থকা হৈছে।

৫। কুমাৰপাৰা, ওদালবাক্রা, ধীৰেনপাৰা আৰু গাড়ীগাঁও অঞ্চলৰ ৰাইজে কৃত্রিম বানপানীৰ ফলত ভোগা কষ্টৰ বাবে ২০০৯-২০১০ চনত বার্ষিক পৰিকল্পনা শিতানত গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষৰ দ্বাৰা নলা নির্মাণৰ কাম ধার্য্য কৰা হৈছে।

৬। গাড়ীগাঁও মাজাৰ চৰীফ পথৰ নলাৰ কাম গড়াকাপ্তানী বিভাগৰ দ্বাৰা সম্পূর্ণ কৰা হৈছে।

৭। সর্বতোপৰি গুৱাহাটী উন্নয়ন বিভাগে জৱহৰলাল নেহৰু নেচনেল আৰবান ৰিনিউৱেল মিছনৰ অধীনত গুৱাহাটী নলা-নর্দমা উন্নীত কৰণৰ এখন আঁচনি (৭৫৪.৫৪ কোটি টকা) প্রস্তুত কৰা হৈছে। উক্ত আঁচনি অনুমোদনৰ বাবে কেন্দ্রীয় চৰকাৰক পর্য্যায়ক্রমে দাখিল কৰা হৈছে। উক্ত আঁচনিত ওপৰোক্ত অঞ্চলসমূহো সামৰি লোৱা হৈছে।

(গ) (ঘ) গুৱাহাটীৰ যান-জঁটৰ সমস্যাটোৰ বিষয়ে চৰকাৰ অৱগত। এই সমস্যাটো সমাধানৰ বাবে তলত দিয়া ধৰণে ব্যৱস্থা লোৱা হৈছে—

১। ৰাজ্য চৰকাৰে গুৱাহাটীৰ বাবে এখন Comprehensive Mobility Plan প্রস্তুত কৰি উলিয়াইছে।

২। ৰাজ্য চৰকাৰে ইতিমধ্যে কেইবাখনো উৰণীয়া সেতু নির্মাণ কৰিছে।

৩। পাণবজাৰ আৰু পল্টনবজাৰৰ মাজত পুৰণা উৰণীয়া সেতুৰ কাষেৰে আকৌ এখন উৰণীয়া সেতু নির্মাণৰ বাবে ধন আৱণ্টন

দিছে।

৪। ভৰলুমুখত এখন উৰণীয়া সেতু নির্মাণৰ বাবে ৰাজ্য চৰকাৰে আঁচনি হাততে লৈছে।

৫। পল্টন বজাৰত অসম ৰাজ্যিক পৰিবহণ নিগমৰ মাটিত উক্ত নিগমৰ দ্বাৰা বহু খলপীয়া পকী গাড়ী ৰখা অট্টালিকা সাজিবৰ বাবে ধন আৱণ্টন দিয়াৰ সিদ্ধান্ত লৈছে।

৬। পাণ বজাৰৰ নেহৰু পার্কৰ কাষত মাটিৰ তলত গাড়ী ৰখা আস্থান নির্মাণৰ কাম গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষৰ দ্বাৰা কৰি থকা হৈছে।

ইয়াৰোপৰি, যান-জঁট সমস্যাটো সমাধানৰ ক্ষেত্রত গড়কাপ্তানী বিভাগৰ দ্বাৰা বিভিন্ন পথৰ বহলকৰণ, নতুন পথ নির্মাণ আদিৰ কাম হাততে লোৱা হৈছে।

(ঙ) গুৱাহাটীৰ নতুন মাষ্টাৰ প্লেনখন যোৱা ইংৰাজী ৩০-৫-২০০৯ তাৰিখে কেবিনেটত অনুমোদন হয় আৰু যোৱা ৯-৭-২০০৯ তাৰিখৰ The Assam Gazette extra ordinery সংস্কৰণত প্রকাশিত হয়। মাষ্টাৰ প্লেনৰ প্রতিলিপি সদনৰ মেজত দিয়া হৈছে।

Sub : Private builders of Flat under GMDA.

Dr. Aditya Langthasa asked :

***198. Will the Minister of Guwahati Development Department be pleased to state :**

(a) How many builders of flat are there under

GMDA.?

(b) Who is the regulating authority of Govt. for those builders?

(c) Is there any categorization of those builders? If so, give details of name, category and addresses of those builders?

(d) What are the norms requirement of land and other guidelines framed by the Govt. for construction of private flat?

(e) Is there any govt. regulation on the fixation and modification of price of those flats in terms of rate/sq. feet?

(f) What are the minimum essential amenities that should be provided by the builders to the buyers?

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :

(a) There are no builders of flats directly under GMDA, However, builders obtain permission for construction of building both from GMDA & GMC.

(b) As per provisions of Building Bye-Law, GMDA and GMC are the regulating authorities and

they are under the administrative control of Guwahati Development Department.

(c) There is no categorization of those buiders in Guwahati City.

(d) Land and other requirements for construction of a private flat are as follows :

Height of building	Minimum plot size	Minimum front set back	Minimum rear set back	Minimum side set back	Road Width	Coverage	Floor Area Ratio (FAR)
Apartment Upto 12 m.	3K	4.5 m	3.6 m	2.4 m	6.6 m	40%	175
Apartment above 12 m.	4K	6 m	3.6 m	2.4 m	8.0 m	40%	200

Master Plan and Zoning Regulation for greater Guwahati, Building bye-laws for GMDA and GMC are the proper guidelines (Where FAR, coverage, width of roads and drains including size of the plot etc. are crearly described) for construction of private flat in Guwahati.

(e) There is no regulation on the fixation and modification of price of these flats in terms of rate/Sq.ft. However, it depends on the

purchaser.

(f) The minimum essential amenities that should be provided by the builder to the buyers are : Kitchen, bed room, drawing room, toilet, water supply, sanitation, parking and fire fighting provision etc. (Which are normally required for a Residential Building). However other details depend on the agreement made in between the builders and buyers.

বিষয় ঃ প্রদূষণ সৃষ্টি।

শ্রী অনন্ত ডেকাই সুধিছে ঃ

১৯৯। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া মৰানজানত 'শেঠী এণ্ড শিৱ শক্তি কোক ইণ্ড্রাষ্টি: নামৰ প্রতিষ্ঠানটোৱে এটি কোক উদ্যোগ স্থাপন কৰিবলৈ কৰা প্রয়াস সম্পর্কে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, আবাসী অঞ্চলটোত মানুহ, জীৱ-জন্তু আৰু খেতি পথাৰৰ ক্ষেত্রত নির্মীয়মান উদ্যোগটোৱে কৰিব পৰা ভয়াবহ প্রদূষণ সৃষ্টিৰ সম্ভাৱনীয়তা সম্পর্কে চৰকাৰে মূল্যায়ন কৰিছে নে?

(গ) যদি কৰিছে, উদ্যোগটো লোকালয়ৰ পৰা স্থানান্তৰৰ ব্যৱস্থা কৰিবনে? পঞ্চায়তৰ আপত্তি সম্পর্কে অৱগতনে?

(ঘ) মৰানজানা পঞ্চায়তৰ নকুছি গাঁৱত লক্ষীনাৰায়ণ আৰু পেকেজিং ইণ্ড্ৰাষ্ট্ৰিটোৱে শব্দ প্ৰদূষণ সৃষ্টি কৰা সম্পৰ্কে চৰকাৰ অৱগতনে?

(ঙ) নকুছি গাঁওতে শিল ভঙা ইণ্ড্ৰাষ্ট্ৰিয়ে সৃষ্টি কৰা শব্দ আৰু ধূলি প্ৰদূষণ সম্পৰ্কে চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, চৰকাৰে প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) মূল্যায়ন কৰা হৈছে।

(গ) উদ্যোগটো লোকালয়ৰ পৰা স্থানান্তৰৰ ব্যৱস্থা কৰা হোৱা নাই। অৱশ্যে, উদ্যোগটোৰ উৎপাদন আৰম্ভ হোৱাৰ পিছত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে বান্ধি দিয়া চৰ্তাৱলী ভংগ কৰিলে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পঞ্চায়তৰ আপত্তি সম্পৰ্কে অৱগত নহয়।

(ঘ) অৱগত নহয়। কাৰণ, মৰানজানা পঞ্চায়তৰ নকুছি গাঁৱৰ লক্ষীনাৰায়ণ আৰু পেকেজ ইণ্ড্ৰাষ্ট্ৰিটোৰ পৰা শব্দ প্ৰদূষণ সৃষ্টি হোৱা নাই।

(ঙ) হয়, অৱগত।

(চ) বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ১৯৮১ৰ নিয়মাৱলী ভংগ কৰি বিধি বহিৰ্ভূতভাৱে স্থাপন কৰা শইকীয়া শিলভঙা উদ্যোগটো বন্ধ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিষয় ঃ জননী সুৰক্ষা যোজনা।

শ্রী ৰছুল হকে সুধিছে ঃ

*২০০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জননী সুৰক্ষা যোজনাৰ অধীনত এতিয়ালৈকে অসমত কিমান গৰাকী মাতৃ আৰু আয়া উপকৃত হৈছে? (বিতং তালিকা দাখিল কৰিব)

(খ) ধুবুৰী সমষ্টিত মুঠ কিমান গৰাকী মাতৃ আৰু আয়া এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে? (পঞ্চায়ত ভিত্তিত বিতং তালিকা দাখিল কৰিব)

(গ) জননী সুৰক্ষা যোজনাৰ অধীনত নিয়োগ কৰা আয়া বিলাকক কি পদ্ধতিৰে বাছনি কৰা হয়?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত জননী সুৰক্ষা যোজনাৰ আঁচনিৰ যোগে উপকৃত হোৱা মাতৃৰ সংখ্যাৰ তালিকা প্রপত্র 'ক'ত সংলগ্ন কৰা হ'ল। NRHM ৰ তৰফৰ পৰা 'আয়া' উপকৃত কৰা কোনো আঁচনি নাই।

(খ) ধুবুৰী সমষ্টিত মুঠ ১২১৭৭ (বাৰ হাজাৰ এশ সাতসত্তৰ) গৰাকী মাতৃ আৰু ১৪১২ (চৈধ্যশ বাৰ) গৰাকী আশা কর্মী ২০০৬ চনৰ পৰা ২০০৯ চনলৈ জননী সুৰক্ষা যোজনা আঁচনিৰ যোগে উপকৃত হৈছে। উল্লেখযোগ্য যে এই ক্ষেত্রত পঞ্চায়ত ভিত্তিত খতিয়ান ৰখা

নহয়; চিকিৎসালয় ভিত্তিতহে অগ্রগতিৰ খতিয়ান ৰখাৰ ব্যৱস্থা আছে।

(গ) জননী সুৰক্ষা যোজনা আঁচনিৰ অধীনত কোনো 'আয়া' নিযুক্তি কৰা নহয়।

UNSTARRED

QUESTIONS AND ANSWERS

Sub : Judicial Court.

Shri Maheswar Boro asked :

423. Will the Minister of Law (Judicial) be pleased to state :

(a) Is the Government aware of the fact that there is no Judicial Court within BTC area except in Kokrajhar and Udalguri Districts and transferred cases from Non-BTC to BTC areas have been still pending and client suffer a lot due to the non-existence of Judicial Court and Judicial Proceedings within BTC area?

(b) If so, what step is being adopted by the Government to set up a Chief Judicial Magistrate's Court and Sub-Divisional Judicial Magistrate's Courts at district Head-quaters and Sub-divisional head quarters in BTC?

(c) What is the latest progress in this regard for the well-being of the people of B.T.C. areas?

Shri Pranab Gogoi (Minister, Law Judicial) replied :

(a) Yes, there is no Judicial Court Building in Baksa and Chirang District in BTC area except in Kokrajhar and Udalguri District.

(b) There is a proposal of Judicial Court Building including Chief Judicial Magistrate's Court at Kajalgaon at Chirang District for wihich 12 (twelve) bighas of land has already been allotted by the BTC authority. A proposal for construction of Judicial Court Building at Katligaon, Masalpur in Baksa District for which 7(seven) bighas of land has recently allotted. The Government has already sanctioned the creation of 158 (one hundred fifty eight) posts for the establishment of District & Sessions Judge Courts and Chief Judicial Magistrate Courts in the three newly created districts namely Udalguri, Chirang and Baksa.

Sub-Divisional Magistrate's Court at Bijni in Chirang District is functioning.

(c) The Government has already reqested the concerned Deputy Commissioners for accommodation/requistion of suitable house/ Building for accommodation/requistion of suitable house/Building for accommodation of the two courts of each i.e. the Courts of District & Sessions Judge and Chief judicial Magistrate at Chirang, Baska and Udalguri District Head Quarters Immediately and also requested the Chief Engineer, P.W.D. (Building), Assam for submission of Plan & Estimates for providing of infrastructure including court building, residential house for the Judical Officers in the newly created districts of Udalguri, Chirang and Baksa. The Government will take necessary action immediately on receipt of the plan & estimate being prepared by the P.W.D.

বিষয় ঃ বনাঞ্চল অবৈধ দখল।

শ্রী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৪২৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বনাঞ্চলসমূহ অবৈধ বেদখলৰ পৰা মুক্ত কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

(খ) অসম চৰকাৰে বিভিন্ন বনাঞ্চলত পুনৰ সংস্থাপন দিয়া বান বিধ্বস্ত লোকসকলক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে?

(গ) সামাজিক বনানীকৰণৰ কার্যসূচী চৰকাৰে কোন কোন জিলাত ৰূপায়ন কৰিছে? (বিতংভাৱে জনাব)

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বনাঞ্চল বেদখল মুক্ত কৰাৰ কাৰণে অসম বন আইন (Assam Forest Regulation) ইং ১৮৯১ আৰু উক্ত আইনৰ অন্তর্গত উচ্ছেদ নীতি (Eviction Rule) মতে ব্যৱস্থা লোৱা হৈ আছে। অনুসূচীত জনজাতি আৰু পৌৰানিক বন্যবাসী (অধিকাৰ চিনাক্তকৰণ) ইং ২০০৬ আইন মতে যিসকলে ইং ২৩-১২-০৫ৰ আগতে বনভূমি বেদখল কৰিছে তেওঁলোকৰ বৈধতা পৰীক্ষাৰ পিছত উক্ত আইন মতে বিহীত ব্যৱস্থা লোৱা হ'ব। ইং ২৩-১২-০৫ তাৰিখৰ পিছত হোৱা বেদখল উপৰোক্ত আইনৰ আধাৰত বনবিভাগে বিহীত ব্যৱস্থা লৈ উচ্ছেদ কৰি থকা হৈছে।

(খ) অসম চৰকাৰে বনাঞ্চলত পুনৰ সংস্থাপন ও বান-বিধ্বস্ত লোকসকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা বন সংৰক্ষণ আইন, ইং ১৯৮০ (Forest Conservation Act) অনুসাৰে কৰিব নোৱাৰে।

(গ) সামাজিক বনানীকৰণৰ কার্যসূচী অসম চৰকাৰৰ অন্তর্গত (১) সামাজিক বনানীকৰণ (সাধাৰণ), (২) জনজাতি উপ-আঁচনি (TSP), (৩) অনুসূচীত জাতি, উপ-আঁচনি (SCCP) আৰু (৪) মুখ্য মন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ জৰিয়তে তলত উল্লেখ

কৰা জিলাসমূহত বনানীকৰণ আঁচনি গ্ৰহণ কৰা হয়।

জিলাসমূহৰ নাম ঃ

(১) কামৰূপ, (২) গোলাগাট, (৩) যোৰহাট, (৪) লক্ষীমপুৰ, (৫) ধেমাজি, (৬) ডিব্ৰুগড়, (৭) তিনিচুকীয়া, (৮) শিৱসাগৰ, (৯) শোণিতপুৰ, (১০) কাছাৰ, (১১) হাইলাকান্দি, (১২) নলবাৰী, (১৩) দৰং, (১৪) নগাঁও, (১৫) মৰিগাঁও, (১৬) বৰপেটা, (১৭) বঙ্গাইগাঁও, (১৮) কৰিমগঞ্জ, (১৯) ধুবুৰী আৰু (২০) কোকৰাঝাৰ।

বিষয় ঃ গঁড়ৰ সংখ্যা।

শ্ৰী গুণীন্দ্ৰ নাথ দাসে সুধিছে ঃ

৪২৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অভয়াৰণ্যকেইখনত বৰ্তমান গঁড়ৰ সংখ্যা কিমান?

(খ) যোৱা ৬ (ছয়) টা মাহত চোৰাং চিকাৰীৰ হাতত কিমান সংখ্যক গঁড় নিধন হৈছে?

(গ) অভয়াৰণ্যত গঁড় আৰু আন জন্তুবোৰক চোৰাং চিকাৰীৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ গঁড়ৰ পিয়ল মতে গঁড়ৰ সংখ্যা তলত দিয়া হ'ল।

(১) কাজিৰঙা ২০৪৮ টা

(২) ওৰাং ৬৪ টা

(৩) পবিতৰা ৮৪ টা

(৪) মানাহ ৫ টা

মুঠ - ২২০১ টা

(খ) যোৱা ৬ (ছয়) টা মাহত চোৰাং চিকাৰীৰ হাতত মুঠ ৮ টা গঁড় নিধন হৈছে।

(গ) অভয়াৰণ্যত গঁড় আৰু আন জন্তুবোৰক ৰক্ষা কৰিবলৈ লোৱা ব্যৱস্থা সমূহ তলত দিয়া হ'ল।

(১) বন্যপ্রাণী (সুৰক্ষা) আইন ১৯৭২ বনৰ সংশোধন ঘটাই বন্যপ্রাণী (সুৰক্ষা) (সংশোধনী) আইন, ২০০৯ ৰ যোগেদি চোৰাং চিকাৰীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ বাবে বিধান সভাৰ চলিত অধিৱেশনতে প্রস্তাৱ ৰখা হৈছে। ই এক যুগান্তকাৰী পদক্ষেপ হ'ব।

(২) অসমৰ বন্যপ্রাণী শাখাৰ সহায়ৰ বাবে এটা বিশেষ বন সুৰক্ষা বাহিনী (AFPE) গঠন কৰি থকা হৈছে।

(৩) বন্যপ্রাণী সংৰক্ষিত এলেকাৰ আগশাৰীৰ বনকর্মীৰ খালী হৈ থকা পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(৪) বন্যপ্রাণীৰ সুৰক্ষাৰ বাবে পহৰা আৰু তহলদাৰী ব্যৱস্থা কটকটীয়া কৰা হৈছে।

(৫) বন্যপ্রাণী সংৰক্ষিত এলেকাৰ দাঁতিকাষৰীয়া ৰাইজৰ মাজত বন্যপ্রাণী সংৰক্ষণৰ সজাগতা বৃদ্ধিৰ চেষ্টা কৰা হৈছে।

(৬) বর্তমানে থকা বনশিবিৰ সমূহৰ মান উন্নত কৰাৰ উপৰিও

গঁড়ৰ বসতি প্ৰধান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ইতিমধ্যে থকা ১৩০ টা বন সুৰক্ষা শিবিৰৰ উপৰি ১৬ টা নতুন সুৰক্ষা শিবিৰ নিৰ্মাণ কৰা হৈছে।

(৭) যোগাযোগ ব্যৱস্থা উন্নত কৰা হৈছে।

(৮) পুঁজি সাপেক্ষে নতুন মৰণাস্ত্ৰ ক্ৰয় আৰু অতিৰিক্ত গৃহৰক্ষী বাহিনী নিয়োগ কৰা হৈছে। এই সমূহৰ ভিতৰত তলত দিয়া ধৰণে নতুন সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে—

কাজিৰঙা — ৩০ জন বন সুৰক্ষা কৰ্মী।

১৭০ জন গৃহৰক্ষী বাহিনীৰ লোক।

ওৰাং — ১২ জন বন সুৰক্ষা কৰ্মী

৪৮ জন বন গৃহৰক্ষী বাহিনীৰ লোক।

মানাহ — ১৪ জন বন সুৰক্ষা কৰ্মী

৫০ জন গৃহৰক্ষী বাহিনীৰ লোক।

ইয়াৰ ওপৰিও কাজিৰঙাৰ গঁড় সংৰক্ষণৰ বাবে তলত লোৱা ব্যৱস্থা সমূহে সুফল দিছে

(১) ওচৰৰ গাঁওবাসীৰ, চাহ বাগান, হোটেল মালিক আৰু ধাবাৰ গৰাকীৰ লগত সহযোগিতাৰে চোৰাংচিকাৰীৰ সন্ধান।

(২) অসম আৰক্ষীৰ পৰা পোৱা ২০০ টা ৩০৩ ৰাইফল।

(৩) চাৰিজন নতুন বন সংপালক কাজিৰঙাত নিযুক্তি।

(৪) এটা নতুন ৰেঞ্জ (উত্তৰ ৰেঞ্জ) বিশ্বনাথ ঘাটত।

বিষয় ঃ স্পাৰ প্ৰকল্প আঁচনি।

শ্ৰী জীতেন গগৈয়ে সুধিছে ঃ

৪২৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনত হৈ থকা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধ কৰিবলৈ চৰকাৰে যি স্পাৰ প্ৰকল্প আঁচনি গ্ৰহণ কৰিছিল আজি পৰ্যন্ত সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ কি?

(খ) উক্ত প্ৰকল্পৰ কাম কিমান সম্পূৰ্ণ কৰা হ'ল আৰু কিমান বাকী আছে, তাৰ সম্পূৰ্ণ তথ্য জনাবনে?

(গ) ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া বসতিপূৰ্ণ অঞ্চলসমূহত শস্য আৰু পোহনীয়া জীৱ-জন্তু আদি অনিষ্ট হোৱা লোকসকলৰ ক্ষতিপূৰণৰ বাবে মূল্য ধাৰ্য্য কৰিছে নেকি? যদি কৰিছে, কিমান দিনৰ ভিতৰত উক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ওপৰোক্ত প্ৰকল্প আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱ জলসম্পদ বিভাগৰ পৰা প্ৰস্তুত কৰা হৈছে। উক্ত প্ৰস্তাৱ পৰৱৰ্তী ৰাজ্যিক বন্যপ্ৰাণী পৰিষদত অনুমোদনৰ বাবে উপস্থাপন কৰ হ'ব।

(খ) স্পাৰ প্ৰকল্প আঁচনিৰ কাম বৰ্তমানলৈকে আৰম্ভ হোৱা নাই।

(গ) অসম চৰকাৰৰ নিৰ্দেশাৱলী স্মাৰক নং-FRP-52/2007/IS-A dt.15-3-08 জৰিয়তে ক্ষতিপূৰণৰ উপযুক্ত অনুমোদন হোৱাৰ

ললে লগে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলৰ লোকসকলৰ ২০০৭ চনলৈকে হোৱা দুটা বছৰত ক্ষতিপূৰণৰ ধন আদায় দিয়া হৈছে আৰু যোৱা দুটা বছৰত ক্ষতিপূৰণ দিয়া ধনৰ পৰিমাণ এনে ধৰণৰ—

বিত্তীয় বর্ষ	ক্ষতিগ্রস্ত পৰিয়াল	ধনৰ পৰিমাণ
২০০৭-০৮	৪২১ টা	৮.২১ লাখ
২০০৮-০৯	৫৬১ টা	১০.৫৯৯ লাখ

বিষয় ঃ উন্নয়নৰ আঁচনি।

শ্ৰী বলিন চেতিয়াই সুধিছে ঃ

৪২৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্রু-ছৈখোৱা অভয়াৰণ্যখনৰ উন্নয়নৰ বাবে কিবা আঁচনি লোৱা হৈছেনে?

(খ) যদি লোৱা হৈছে, উক্ত অভয়াৰণ্যখনৰ উন্নয়নৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে? যদি লোৱা নাই, কেতিয়া ল'ব?

(গ) উক্ত অভয়াৰণ্যখনৰ ৰক্ষণাবেক্ষণৰ বাবে কি ব্যৱস্থা লোৱা হ'ব?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ঃ হয়, ডিব্রু-ছৈখোৱা অভয়াৰণ্যখনৰ উন্নয়নৰ বাবে কিবা আঁচনি লোৱা হৈছে।

(খ) ঃ ডিব্রু-ছৈখোৱা উদ্যানৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ মুখ্য

বন্যপ্রাণী ৰক্ষকে ২০০২ চনৰ ৩১ অক্টোবৰত এখন ৫ বছৰৰ বাবে এখন পৰিচালনা বিধি ২০০৩-২০০৪ চনৰ পৰা ২০০৭-২০০৮ চনলৈ অনুমোদন কৰিছিল। উক্ত পৰিচালনা বিধি অনুসৰি ২০০৭-২০০৮ বৰ্ষত কেন্দ্রীয় চৰকাৰৰ ডিব্রু-ছৈখোৱা উদ্যানৰ উন্নয়ন আঁচনিৰ পৰা অনুমোদিত ৯,১৫,০০০.০০ টকা বিভিন্ন উন্নয়নমূলক কামত ব্যয় কৰা হয়।

২০০৮-২০০৯ চনৰ দ্বাদশ বিত্তীয় আয়োগৰ অনুদান ২০,১০,০০০.০০ টকা ৰাষ্ট্রীয় উদ্যানৰ বিভিন্ন উন্নয়নমূলক কামত খৰছ কৰা হয়।

উপৰোক্ত ব্যয় সম্পৰ্কীয় সবিশেষ তথ্য তলত দাখিল কৰা হ'ল।

২০০৭-২০০৮	ব্যয়ৰ পৰিমাণ
১। বন্যপ্রাণী আক্রান্ত বন্যপ্রাণী উদ্ধাৰ কাৰ্যত ব্যয় কৰা হয়	১০০০০০.০০ টকা
২। বন-ঘৰচীয়া ঘোঁৰা হলৌ পিয়ল কৰা কাৰ্যত ব্যয় কৰা হয়	১০০০০০.০০ টকা
৩। বন্যপ্রাণীৰ বসতিস্থল উন্নীতকৰণৰ বাবদ	১০০০০.০০ টকা
৪। কলনিত এটা বনশিবিৰ নিৰ্মাণৰ কাম কৰা হয়	৪০০০০০.০০ টকা
৫। তিনিটা কাৰ্যালয়ত ইনভাৰটাৰ স্থাপন কৰা হয়	২০০০০০.০০ টকা
৬। যন্ত্র-চালিত নাৱৰ মেৰামতিৰ বাবদ খৰচ	২৫০০০.০০ টকা
২০০৮-২০০৯	
১। দৰ্শন চূড়াৰ সৈতে শিবিৰ নিৰ্মাণত	৫০০০০০.০০ টকা
২। পৰিদৰ্শন ভৱনৰ মেৰামতি ও শ্রীবৃদ্ধিৰ খৰছ	৫০০০০০.০০ টকা

৩। দুটা বনশিবিৰৰ শ্ৰীবৃদ্ধিৰ খৰছ ৬০০০০০.০০ টকা

৪। ডিব্রু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে মজুৰিত ৪৬০০০০.০০ টকা

৫। গাড়ীৰ ইন্ধন আৰু মেৰামতি ৩০০০০.০০ টকা

তাৰোপৰি ডিব্রু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া ৰাইজৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ জৈৱ মণ্ডল আঁচনিৰ পৰা ২০০৩-২০০৪ চনৰ পৰা ২০০৮-২০০৯ চনলৈ আবণ্টন কৰা পুঁজি আৰু কামৰ বিৱৰণ তলত দাখিল কৰা হ'ল।

বছৰ	কাম	ব্যয়	পৰিমাণ
২০০৩-০৪	পশু কিৎসা শিবিৰ	১০০০০০	১০ টা
	চিকিৎসা শিবিৰ	৫০০০০	৫ টা
	সমূহীয়া মীন পালন	১০০০০০	১ টা
	গ্ৰাম্য যুৱকক ফৰেষ্ট গাইডৰ বাবে দিয়া প্ৰশিক্ষণ	৫০০০	২ টা
	দলং মেৰামতি	১০০০০০	৩ খন
	ওখ ভেটি নিৰ্মাণ	৭০০০০০	২ টা
২০০৪-০৫	পশু চিকিৎসা শিবিৰ	২০০০০০	২০ টা
	চাইকেল মেৰামতিৰ বাবে সঁজুলি বিতৰণ	১০০০০০	২০ টা
	সমূহীয়া মীন পালন পুখুৰী	৬০০০০০	৩ টা
	যন্ত্ৰ চালিত নাও নিৰ্মাণ	৩০০০০০	১ টা
	ক্ষেত্ৰ কৰ্মীৰ বাবে কৰ্মশালা	২০০০০	২ টা

	নলী নাদ	২০০০০০	৪০ টা
	পশু চিকিৎসা শিবিৰ	২০০০০০	২০ টা
	চিকিৎসা শিবিৰ	১০০০০০	১০ টা
	কেচা ৰাস্তা নির্মাণ (কালভার্ট)	২০০০০০	১ কি.মি.
	সমূহীয়া প্রেক্ষাগৃহ নির্মাণ	৩০০০০০	১ টা
২০০৫-০৬	যন্ত্র চালিত নাও নির্মাণ	৫০০০০০	১ টা
	চিলাই মেচিন	২০০০০০	৫০ টা
	খেলৰ সামগ্রী	৫০০০০	৩০ টা
	পহৰাৰ বাবে হাত নাও নির্মাণ	১৫০০০০	১০ টা
	অপতৃণ নির্মূলকৰণ	১৫০০০০	২০ হেক্টৰ
	ওখ ভেটি নির্মাণ	৭০০০০০	২ টা
	লেপটপ, এল চি ডি প্রজেক্টাৰ আৰু প্রচাৰৰ বাবে হাতপুথি, পোষ্টাৰ আদি	২০০০০০	
	বৃত্তিমূলক শিক্ষা-চিলাই আৰু	১০০০০০	২৪ জন
	এমব্রয়'ডাৰি প্রশিক্ষণ, কম্পিউটাৰ,		৪ জন
	গাড়ী চলোৱা প্রশিক্ষণ		৮ জন
	নলী নাদ	৯০০০০	১২ জন
	ৰাস্তা মেৰামতি	১২০০০০	৬ কি.মি.
	চিলাই মেচিন বিতৰণ	২০০০০০	৪০ টা
	চাইকেল, ৰিক্সা বিতৰণ	১০০০০০	৮ টা

২০০৭-০৮	খেলৰ সামগ্ৰী বিতৰণ	৫০০০	৪০ টা
	গাখীৰৰ পৰা ক্ৰীম উলিওৱা যন্ত্ৰ	১০০০০০	১০ টা
	সৌৰশক্তি	১০০০০০	৫ টা
	অপতৃণ নিৰ্মূলকৰণ	৩০০০০০	৪০ হেক্টৰ
	প্ৰচাৰৰ বাবে কেমেৰা ক্ৰয় আৰু হাতপুথি, পোষ্টাৰ আদি	১১৯৬০০	
	কাম হৈ যোৱা বিল/নলা বন্ধা	১০০০০	২ হাজাৰ ঘন মি.
	গাঁওবাসী ৰাইজৰ জীৱিকা অৰ্জনৰ বাবে বিভিন্ন ধৰণৰ কৰ্মশালা	৮০০০	৪ টা
	ক্ষেত্ৰ কৰ্মী আৰু গাঁওবাসী ৰাইজক অন্যান বন্যপ্ৰাণী সংৰক্ষিত এলেকালৈ শিক্ষামূলক ভ্ৰমণ	১০০০০	২০ জন
	নলী নাদ	৬০০০	৮ টা
	পশু চিকিৎসা শিবিৰ	২৫০০০০	২০ টা
	চিকিৎসা শিবিৰ	১২৫০০০	১০ টা
২০০৮-২০০৯	সমূহীয়া মীন পালন পুখুৰী	৪০০০০০	২ টা
	পুথিভঁৰাল নিৰ্মাণ	৩০০০০০	১ টা
	হাত নাও নিৰ্মাণ	১৭৫০০০	১০ খন
	সৌৰশক্তি	১০০০০০	৫ টা
	সামাজিক আৰু অৰ্থনৈতিক জৰীপ	২০০০০০	৩ খন

	নিৰীক্ষণ আৰু মূল্যায়ণৰ বাবে	১০০০০০	
	ইক'-টুৰিজিম	৩০০০০০	১ টা
	প্ৰকৃতি সংৰক্ষণৰ বাবে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণ	৩০০০০০	৪০ টা
	প্ৰকৃতি সংৰক্ষণৰ বিষয়ে প্ৰচাৰ সামগ্ৰী	১০০০০	

(গ) ঃ উক্ত পৰিচালনা বিধিৰ নিৰ্দ্ধাৰিত ম্যাদ শেষ হোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি বৰ্তমান পুনৰ সংশোধিত পৰিচালনা বিধি প্ৰস্তুত কৰি থকা হৈছে। যোৱা ২০০৮-০৯ বৰ্ষৰ বাবে ধাৰ্য কৰা কেন্দ্ৰীয় চৰকাৰৰ আৱণ্টিত পুঁজি ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত ব্যৱহাৰ নোহোৱাৰ বাবে ভাৰত চৰকাৰে উক্ত ধনৰাশি ২০০৯-১০ বৰ্ষত বিভিন্ন কাৰ্যসূচীৰ বাবে পুনৰ অনুমোদন জনাইছে।

বিষয় ঃ গঁড় হত্যা।

শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৪২৮। **মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত ৰাজ্যখনত সৰ্বমুঠ কিমানটা গঁড় হত্যা কৰা হ'ল? (বছৰ ভিত্তিত তালিকা দিব)

(খ) কিমানজন গঁড় হত্যাকাৰী অৰ্থাৎ চোৰাং চিকাৰী গ্ৰেপ্তাৰ হ'ল?

(গ) গঁড় হত্যা বন্ধ কৰাৰ বাবে চৰকাৰৰ তৰফৰ পৰা বিশেষ ব্যৱস্থা

লোৱা হৈছে নেকি?

(ঘ) যদিহে বিশেষ ব্যৱস্থা লোৱা হৈছে, সবিশেষ জনাব?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চোৰাং চিকাৰীয়ে হত্যা কৰা গঁড়ৰ তথ্য তলত দিয়া হ'ল—

বছৰ	মৃত্যু হোৱা গঁড় সংখ্যা
২০০৫-০৬	৯ টা
২০০৬-০৭	১০ টা
২০০৭-০৮	২২ টা
২০০৮-০৯	৮ টা

(খ) চোৰাং চিকাৰী গ্রেপ্তাৰৰ তালিকা তলত উল্লেখ কৰা হ'ল—

বছৰ	চোৰাং চিকাৰীৰ সংখ্যা
২০০৫	৫০ জন
২০০৬	৫৭ জন
২০০৭	৩৫ জন
২০০৮	৩৮ জন

(গ আৰু ঘ) হয়, গঁড় হত্যা বন্ধ কৰাৰ বাবে বিশেষ ব্যৱস্থা কিছুমান লোৱা হৈছে।

অসমৰ ৰাষ্ট্রীয় উদ্যান আৰু অভয়াৰণ্যসমূহত চোৰাং চিকাৰীৰ দ্বাৰা

গঁড় হত্যা বন্ধ কৰাৰ বাবে তলত দিয়া ব্যৱস্থাসমূহ হাতত লোৱা হৈছে—

১। অসমৰ বন্যপ্রাণী শাখাৰ সহায়ৰ বাবে এটা বিশেষ বনসুৰক্ষা বাহিনী (AFPF) গঠন কৰি থকা হৈছে।

২। বন্যপ্রাণী সংৰক্ষিত এলেকাৰ আগশাৰীৰ বনকর্মীৰ খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

৩। বন্যপ্রাণীৰ সুৰক্ষাৰ বাবে পহৰা আৰু তহলদাৰী ব্যৱস্থা কটকটীয়া কৰা হৈছে।

৪। বন্যপ্রাণী সংৰক্ষিত এলেকাৰ দাঁতিকাষৰীয়া ৰাইজৰ মাজত বন্যপ্রাণী সংৰক্ষণৰ সজাগতা বৃদ্ধিৰ চেষ্টা কৰা হৈছে।

৫। বর্তমানে থকা বনশিবিৰ সমূহৰ মান উন্নত কৰাৰ উপৰিও গঁড়ৰ বসতি প্রধান কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ ইতিমধ্যে থকা ১৩০টা বন সুৰক্ষা শিবিৰৰ উপৰিও ১৬ টা নতুন সুৰক্ষা শিবিৰ নির্মাণ কৰা হৈছে।

৬। যোগাযোগ ব্যৱস্থা উন্নত কৰা হৈছে।

৭। পুঁজি সাপেক্ষে নতুন মৰাণাস্ত্র ক্রয় আৰু অতিৰিক্ত গৃহ ৰক্ষী বাহিনী নিয়োগ কৰা হৈছে। এই সমূহৰ ভিতৰত তলত দিয়া ধৰণে নতুন সুৰক্ষা কর্মী নিয়োগ কৰা হৈছে—

কাজিৰঙা ৩০ জন বন সুৰক্ষা কর্মী।

১৭০ জন গৃহৰক্ষী বাহিনীৰ লোক।

ওৰাং ১২ জন বন সুৰক্ষা কর্মী

৪৮ জন গৃহৰক্ষী বাহিনীৰ লোক।

মানস ১৪ জন বন সুৰক্ষা কর্মী

৫০ জন গৃহৰক্ষী বাহিনীৰ লোক।

ইয়াৰ উপৰিও কাজিৰঙাৰ গঁড় সংৰক্ষণৰ বাবে তলত লোৱা ব্যৱস্থা সমূহে সুফল দিছে—

১) ওচৰৰ গাঁওবাসীৰ, চাহ বাগান, হোটেল মালিক আৰু ধাবাৰ গৰাকীৰ লগত সহযোগিতাৰে চোৰাংচিকাৰীৰ সন্ধান।

২) অসম আৰক্ষীৰ পৰা পোৱা ২০০ টা. ৩০৩ ৰাইফল।

৩) চাৰিজন নতুন বন সংপালক কাজিৰঙাত নিযুক্তি।

৪) এটা নতুন ৰেঞ্জ (উত্তৰ ৰেঞ্জ) বিশ্বনাথ ঘাটত।

Sub : Various Welfare Schemes.

Shri Kartik Sena Sinha asked :

429. Will the Minister of Health and Family Welfare be pleased to state :

(a) Give details of on going welfare schemes under Health Department as well as NRHM?

(b) Whether Janani Suraksha Scheme is

continuing?

(Please give details of beneficiaries covered under J.S.S. during 2007-08 to 2008-09 of Assam)

(c) Whether the Government will submit details of 'Majani' and 'Mamoni' Schemes guidelines and its target to implement?

(d) Whether all sections are elligible or any categorical section only?

(e) What is the reason to continue family planning welfare schemes?

(Give details)

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) replied :

(a) Some of the important on going Welfare Schemes Under Health & Family Welfare Deptt. as well as NRHM, Assam are :

- National Vector Borne Diseases Control Programme is for control of Malaria. Filaria and Japanese Encephalitis.
- Revised National TB Control Programme

- National Blindness Control Programme.
- National Iodine Deficiency Disorder Control Programme.
- National Leprosy Eradication Programme.
- National Tobacco Control Programme.
- AYUSH.
- National Cancer Control Programme.
- National Mental Health Programme.
- Control of Drugs under drugs Controller.
- Prevention of Food Adulteration.
- Central of Drugs Ware House under Addl. Director of Health Services for purchase and distribution of Drugs and Surgical items.
- Registration of Birth & Death.
- Nursing services under the Joint Director of Health Services (Nursing) and the Assam. Nurses Mid-Wives Health Visitors Council.
- Supply of Pacemaker and Heart Valves free of Cost to the economically weaker patients and Implantation there of in Medical College

and Hospital.

- Free Medicine for Cancer Patients and Kidney Patients Coronary Artery By Pass Grafting Operation (CAGB) free of cost to the poor patients at GMCH.
- Free treatment of newborns at the Neonatal Intensive Care Unit (NICU).
- Diagnostic facility and treatment provided at nominal rate all Hospitals and free of cost to BPL.
- Infrastructure development of Health Institution and residential facilities for Doctors & Staffs.
- Provision of Ambulance to Health Institutions.
- Rural Family Welfare Centre (Main Centre)
- Family Welfare Sub-Centre.
- Post Partum Centre.
- Maternity Centre.
- Universal Immunization Programme (UIP)

- ANM Training Centre.
- LHV Training Centre.
- Health & F.W. Training Centre
- Urban Family & Welfare Centre
- Establishment of Five Regional Diagnostic Centre
- Two New ART Centres were established at Assam Medical College. Dibrugarh and Silchar Medical College in Addition to Guwahati Medical College, Guwahati.
- 37 new stand alone Integrated Counseling and Testing Centres (ICTCs) and 23 facilities integrated ICTCs were established during last three years. At present 106 ICTCs are functioning in Assam.
- Six nos. of Mobile Emergency Care Ambulances fitted with Advanced Life Support System have been provided to the Medical College Hospitals of Assam.
- A Dual C.T. Scanner has already been installed at GMCH, Guwahati.

- A Cath Lab has also been installed at the GMCH, Guwahati and sophisticated investigations like Cornary– Angiography for heart diseases are regularly being performed.

Under NRHM

- For maternal Health Janani Suraksha Yojana (JSY), Mamoni Scheme, ASHA Scheme in every Village and constitution of Village Health and Sanitation Commitee (VHSC)
- Child Health establishment of Sick Newborn Care Unit (SNCU) and stabilization Unit. Health and Nutrition Day in each village Monthly.
- Family Welfare– No Scalpal Vesectomy (NSV) and Laparoscopic Sterilization.
- For uncovered area Mobile Medical Unit (MMU), Boat Clinic, PPP with TE Hospitals and Charitable Hospitals. For Girl Child "Majoni" Scheme.
- For referral transport 108 Emergency service Launched in every district.

- Infrastructure development of Various Health Institution and residential facilities for Doctors & Staffs.
- Supply of free Medicine to the Patients.
- Provision of Ambulance to Health Instritutions
- Evening OPD
- Public Private Partnership with 139 Tea Garden Hospitals.
- Establishment of 45 Urban Health Centre to Provide Primary health Care Services to the Urban Slum of the Districts.
- Nutritional Food for each Pregnant Woman (Momoni)

Details placed on the table of the House vide Annexure-I (Contains 8 Pages) (See Annexure-XVII)

(b) Yes, details furnished vide Annexure– II and placed on the table of the House. (See Annexure-XVII)

(c) Yes, for 'Majoni' at Annexure–III and See

Annexure-XIX for 'Mamoni' at Annexure-IV and placed on the table of the House.

(d) **For Mamoni Scheme :** The pregnant woman will be entitled to receive the cash assistance only if she belongs to that village; meaning it should be her husband's village.

For Majoni Scheme : Families conforming to the Govt. Policy of Two Children only will be eligible.

- If both the First and Second issues are girls, both girls will be eligible.
- If one is a girl and another a boy, only the girl will be eligible.
- The birth will have to be registered.

(e) **Reason to continue Family Planning Schemes :**

Total Fertility Rate of Assam	:	2.7 (Sources SRS'07)
Unmet need for Family Planning	:	(Sources DLHS-3, 2006-07)
Total unmet need	:	26.1%
For Spacing	:	6.9%

For Limiting : 19.2%

From the above report it is clear that if we cannot bring down the TFR to 2.1 there will be no population stabilization in Assam. As a result the population will go on increasing.

Further to reduce the rate of Infant Mortality, Maternal Mortality, the improvement of the Mother & Children, Immunization to eradicate Six killer diseases continuation of the on going Family Welfare Programme is necessary in the State.

বিষয় ঃ উষ্ণতা বৃদ্ধি।

শ্রী সুশীল দত্তই সুধিছে ঃ

৪৩০। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রাকৃতিক পৰিৱেশৰ পৰিৱর্তন আৰু উষ্ণতা বৃদ্ধি হোৱাৰ মূল কাৰণ কি কি?

(খ) অস্বাভাৱিকভাৱে জনসংখ্যা বৃদ্ধি আৰু বনাঞ্চল ধ্বংস কার্যৰ বাবে প্রাকৃতিক উষ্ণতাৰ মূল কাৰণ নেকি?

(গ) যদি হয়, তেতিয়াহ'লে উক্ত কাৰণসমূহ প্রতিৰোধ কৰি প্রাকৃতিক ভাৰসাম্য ও বনাঞ্চল ৰক্ষাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) সমগ্র অসমত কিমান পৰিমাণৰ বনাঞ্চল আছে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাকৃতিক পৰিৱেশৰ পৰিৱর্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে নিম্ন লিখিত কাৰণসমূহ প্রধানকৈ উল্লেখ কৰিব পাৰি।

১। বৈদ্যুতিক আহিলাৰ বর্দ্ধিত ব্যৱহাৰ।

২। বর্দ্ধিত উদ্যোগীকৰণ।

৩। আধুনিক কৃষি ব্যৱস্থাৰ প্রয়োগ।

৪। বর্দ্ধিত যান বাহন।

৫। পৰিৱর্তিত ভূমি ব্যৱহাৰ (Land Use)

৬। এঙাৰ গেছ (কার্বনডাই অক্সাইড) নির্গমন বৃদ্ধি ইত্যাদি।

(খ) জনসংখ্যা বৃদ্ধি আৰু বন সংকোচনেই প্রাকৃতিক পৰিৱেশ বিনষ্ট কৰা আৰু ধৰিত্রীৰ উষ্ণতা/গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ নহয়।

(গ) যদিও প্রাকৃতিক পৰিৱেশৰ পৰিৱর্তন আৰু ধৰিত্রীৰ উষ্ণতা বৃদ্ধিৰ বাবে জনসংখ্যা বৃদ্ধি আৰু বন সংকোচনেই মূল কাৰণ নহয়, তথাপিও চৰকাৰে বন সংবর্দ্ধন আৰু বন সংৰক্ষণৰ বাবে বিভিন্ন আঁচনি গ্রহণ কৰিছে। যেনে Integrated Forest Protection, Scheme, 12th Finance Commission, Revolving Fund, Compnsatory Afforestration. Rehabiliation Degreded Forest Artifical Regeneration Scheme under Forest Development Agency. Scheme under Bamboo Mission অসম বিকাশ যোজনা ইত্যাদি।

ৰাইজৰ সজাগতা বৃদ্ধি আৰু সহযোগীতাৰ বাবে মুখ্য মন্ত্রীৰ

সেউজ ধৰা আঁচনি, বন মহোৎসৱ, বিশ্ব পৰিৱেশ দিৱস, ধৰিত্ৰী দিৱস ইত্যাদি কাৰ্যকৰী কৰি ৰাইজৰ মাজত গছপুলি বিতৰণৰ দ্বাৰাই অসমৰ বৃক্ষাবৰণ (Tree Cover) বৃদ্ধি কৰি প্ৰাকৃতিক পৰিৱেশৰ পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধি ৰোধ কৰাৰ বাবে চেষ্টা কৰি থকা হৈছে। বিগত ৩ বছৰত ৪০,৯৭৮ হেক্টৰ মাটিত ৬.৫ কোটি গছ পুলি ৰোপন কৰা হৈছে।

(ঘ) অসমত প্ৰায় ২৭,৬৪৫ বৰ্গ কিঃ মিঃ বনাঞ্চল আছে।

বিষয় ঃ ছপাশাল আধুনিকৰণ।

মোঃ মহিবুল হকে সুধিছে ঃ

৪৩১। **মাননীয় ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০৬-২০০৭ বছৰত অসম বিধান সভাৰ Departmentally Related Standing Committee য়ে চৰকাৰী ছপাশাল আধুনিকীকৰণ কৰাৰ বাবে ১০ কোটি টকাৰ Recommendation দিয়াৰ সম্পৰ্কত চৰকাৰ অৱগতনে? যদি অৱগত, চৰকাৰে এতিয়ালৈকে কি কি ব্যৱস্থা হাতত লৈছে?

(খ) যোৱা ৩টা বিত্তীয় বছৰত কিমান মূল্যৰ কেলেণ্ডাৰ, ডাইৰী, ফোন ডাইৰী, Engagement আদি Printing কৰা হৈছিল?

(গ) এই বিভাগে উক্ত ৩ বছৰত কিমান Revenue সংগ্ৰহ কৰিছে আৰু কি ধৰণে কৰিছে?

(ঘ) এই বিভাগে কোন কোন বিভাগত আৰু কিমান টকা পাবলগীয়া আছে?

(ঙ) ২০০৮-২০০৯ বিত্তীয় বছৰত এই বিভাগৰ কিমান টকা আছিল আৰু কি কি শিতানত খৰচ কৰা হৈছে?

শ্রীৰকিবুল হুছেইন (মুদ্রণ আৰু লেখন সামগ্রী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত। যোৱা বিত্তীয় বছৰত চৰকাৰী ছপাশাল আধুনিকীকৰণৰ বাবে প্রয়োজনীয় প্রস্তাৱ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছিল। যোৱা ৬-৭-২০০৯ তাৰিখে অনুষ্ঠিত Departmentally Related Standing Committee ৰ বৈঠকৰ পিছত পৰিকল্পনা আৰু উন্নয়ন বিভাগে ২০০৯-১০ বিত্তীয় বর্ষৰ নির্দিষ্ট সময় সীমাৰ ভিতৰত কার্যকৰি কৰিব পৰাকৈ আৰু তাৰ বাবে আৱশ্যকীয় ধনৰ উল্লেখ কৰি প্রস্তাৱ দাখিল কৰিব দিছে। সেইমর্মে নতুন প্রস্তাৱ দিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

(খ) যোৱা ৩টা বিত্তীয় বছৰত বহুৰঙী কেলেণ্ডাৰ আৰু ডিলাক্স ডায়েৰী বেচৰকাৰী ছপাশালত ছপা কৰাৰ বাবে হোৱা খৰচ এনে ধৰণৰ—

২০০৬-২০০৭	-	২০,৭৩,৬৬০ টকা
২০০৭-২০০৮	-	১৬,০৬,৮০০ টকা
২০০৮-২০০৯	-	১৫,৪৪,৪০০ টকা

সাধাৰণ ডায়েৰী, এপতীয়া কেলেণ্ডাৰ চৰকাৰী ছপাশালত

ছপা কৰা হয়। গতিকে ছপা মূল্য দিবলগীয়া নহয়। উক্ত সময়ছোৱাত এই বিভাগে কোনো ফোন ডায়েৰী ছপা কৰা নাই।

(গ) এই বিভাগে যোৱা তিনিটা বিত্তীয় বছৰত বিভিন্ন শিতানত সংগ্রহ কৰা ৰাজহৰ তালিকা পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল। (See Annexure-XX)

(ঘ) এই বিভাগে তলত উল্লেখ কৰা বিভিন্ন বিভাগসমূহৰ পৰা পাবলগীয়া টকাৰ হিচাব দেখুওৱা হ'ল।

১। নির্বাচন বিভাগ, দিশপুৰ - গেজেট ছপা কৰাৰ বাবদ— ৭০,৪০০.০০ টকা

২। অর্থনীতি ও পৰিসংখ্যা সঞ্চালকালয় -প্র-পত্র ছপা কৰাৰ বাবদ— ১,৫৩,০২৮.০০ টকা

৩। অর্থনীতি ও পৰিসংখ্যা সঞ্চালকালয়- ৫ ম অর্থনৈতিক পিয়ল প্র-পত্র ছপা কৰাৰ বাবদ— ৯৬,২৯২.০০ টকা

৪। পৰিকল্পনা ও উন্নয়ন বিভাগ, দিশপুৰ- মুখ্য মন্ত্রীৰ জীৱনজ্যোতি বীমা আঁচনিৰ প্র-পত্র ছপাৰ বাবদ— ৫০,০২৭.০০ টকা

৫। পৰিবহন নিগম, অসম-প্র-পত্র ছপা কৰাৰ বাবদ— ১,৮৫,৪৮৯.০০ টকা

মুঠ ঃ ৫,৫৫,২৩৬.০০ টকা

(ঙ) ২০০৮-২০০৯ বিত্তীয় বছৰত এই বিভাগত তলত দেখুওৱা ধৰণে বাজেট ব্যৱস্থাপনা আছিল আৰু বিভিন্ন শিতানত এই টকাৰ খৰছ দেখুওৱা হৈছে।

শিতান	বাজেট ব্যৱস্থাপনা	খৰচ
০০১ নির্দেশ ও প্রশাসন-	১,৬২,৩৪,০০০.০০	১,৪২,৬৮,৭৪৯.০০
১০১ ক্রয় ও যোগান-	২,২৯,৬৭,০০০.০০	২,২৩,৭৯,৫৯৫.০০
১০৩ চৰকাৰী ছপাশাল-	৬,৭৩,১৯,০০০.০০	৬,৩৫,১০,৬৪৬.০০
১০৪ অন্য উৎসৰ পৰা প্রকাশন ব্যয়—	৫,০০,০০,০০০.০০	১৬,৫৬,১১৩.০০
১০৫ চৰকাৰী প্রকাশন—	৫০,৫০,০০০.০০	১৫,৪৪,৪০০.০০
৮০০ অন্যান্য খৰচ—	নাই	নাই
মুঠ—	১৬,১৫,৭০,০০০.০০	১০,৩৩,৫৯,৫০৩.০০

বিষয় ঃ পঞ্জীয়নভুক্ত অনুষ্ঠানৰ সংখ্যা।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৪৩২। মাননীয় হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) হস্ততাঁত বস্ত্র আৰু ৰেচন বিভাগৰ নিজস্বভাৱে তাঁতশাল আৰু ইয়াৰ লগত জড়িত সামগ্রীসমূহ প্রস্তুত কৰা ফেক্টৰী বা উদ্যোগকেইটা আছে!

(এইবোৰ কোন কোন ঠাইত আছে বিতংভাৱে জনাব)

(খ) উক্ত ফেক্টৰীবোৰে কি কি সামগ্ৰী প্ৰস্তুত কৰে?

(গ) ৰাজ্যখনত হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ উন্নয়নৰ অৰ্থে বৰ্তমান কি কি আঁচনি কাৰ্যকৰী হৈ আছে আৰু নতুনকৈ কি কি আঁচনি লৈছে?

শ্ৰীপ্ৰণৱ গগৈ (বস্ত্ৰ-শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হস্ততাঁত বস্ত্ৰ বিভাগৰ নিজস্বভাৱে তাঁতশাল আৰু ইয়াৰ লগত জড়িত সামগ্ৰী প্ৰস্তুত কৰা কোনো ফেক্টৰী বা উদ্যোগ নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) হস্ততাঁত বস্ত্ৰ বিভাগৰ অন্তৰ্গত কোনো পঞ্জীয়নভুক্ত প্ৰতিষ্ঠান নাই।

(ঘ) হস্ততাঁত আৰু বস্ত্ৰ উন্নয়নৰ অৰ্থে বৰ্তমান কাৰ্যকৰী হৈ থকা আৰু নতুনকৈ গ্ৰহণ কৰা আঁচনিসমূহ তলত দেখুওৱা হ'ল—

১। ৰাজ্য চৰকাৰৰ আঁচনিসমূহ—

(ক) হস্ততাঁত বস্ত্ৰ উন্নয়ন আঁচনি।

(খ) হস্ততাঁত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ আঁচনি।

(গ) জিলা উন্নয়ন আঁচনিৰ অধীনত বিনামূলীয়া উৰা মাকোঁ আৰু তাঁতশাল বিতৰণ আঁচনি

(ঘ) প্ৰচাৰ আৰু বিজ্ঞাপন আঁচনি।

(ঙ) হস্ততাঁত বস্ত্ৰ শিল্পৰ চানেকী আৰু গৱেষণা আঁচনি।

২। কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত গ্ৰহণ কৰা আঁচনিসমূহ—

(ক) সংহত হস্ততাঁত উন্নয়ন আঁচনি।

(খ) মহাত্মা গান্ধী বুনকৰ বীমা আঁচনি।

(গ) হস্ততাঁত সামগ্রী বিক্রীৰ ওপৰত ১০% ৰেহাই আঁচনি।

(ঘ) হাতেবোৱা কাপোৰৰ ওপৰত ৰাজ্য আৰু জিলা পর্যায়ৰ প্রদর্শনী আৰু মেলা আঁচনি।

(ঙ) স্বাস্থ্য বীমা আঁচনি।

ৰাজ্য চৰকাৰৰ দ্বাৰা নতুনকৈ ৰূপায়িত আঁচনি হ'ল— মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনাৰ অধীনত দুখীয়া শিপিনীলৈ বিনামূলীয়া সূতা বিতৰণ আৰু দৰিদ্র সীমাৰেখাৰ তলত বাস কৰা লোকলৈ কম্বল বিতৰণৰ আঁচনি ৰাজ্যখনত চলি আছে।

বিষয় ঃ তথ্য জনাৰ অধিকাৰ আইনৰ প্রয়োগ।

শ্রীদ্রুপদ বৰগোহাঁইয়ে সুধিছে ঃ

৪৩৩। **মাননীয় তথ্য আৰু জনসম্পর্ক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) বর্তমানে এই বিভাগটো সকলোবোৰ পদত (Post) বিষয়া আৰু কর্মচাৰী নিয়োজিত হৈ আছেনে?

(খ) যদি নাই, সেই পদবীবোৰ কেতিয়া পূৰণ কৰা হ'ব?

(গ) শিৱসাগৰ জিলাত প্রতিমাহে গড় হিচাপে কিমানখন তথ্য জনাৰ আবেদন আছে? সেই আবেদনবোৰ কিমান দিনৰ ভিতৰত নিষ্পত্তি কৰা হয়? তথ্য জনাৰ আইনৰ ভিত্তিত সময় ৰাখিব পৰা হৈছেনে?

(ঘ) তথ্য জনাৰ বাবে দিয়া আবেদন কেতিয়াবা গ্ৰহণ কৰা হোৱা নাই নেকি? যদি গ্ৰহণ কৰা নাই, কিয় কৰা নাই আৰু তেনেকুৱা কিমান উদাহৰণ এই চলিত বছৰত শিৱসাগৰ জিলাত আছে?

শ্ৰীৰকিবুল হুছেইন (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হোৱা নাই।

(খ) সকলো নিয়মাৱলী মানি পৰ্যায়ক্ৰমে পূৰণ কৰা হ'ব।

(গ) অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ অধীনত শিৱসাগৰ জিলা আৰু জনসংযোগ কাৰ্যালয়, চৰাইদেউ (সোণাৰি) আৰু নাজিৰা মহকুমা তথ্য আৰু জনসংযোগ কাৰ্যালয়ত এতিয়ালৈকে কোনো তথ্য জনাৰ আবেদন পোৱা নাই।

(ঘ) প্ৰযোজ্য নহয়।

বিষয় ঃ পৰ্যটনৰ স্থলী হিচাবে লাম্পী (Lumpi)।

শ্ৰীজ্যোতি প্ৰসাদ দাসে সুধিছে ঃ

৪৩৪। **মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত পৰ্যটকক আকৰ্ষণ কৰিব পৰা লাম্পী নামেৰে ঠাই এখনৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) গুৱাহাটীৰ পৰা প্ৰায় ১০০ কিঃ মিঃ দূৰত্বত অৱস্থিত উক্ত ঠাইখনক

পর্যটনস্থলী হিচাপে গঢ়ি তুলিবলৈ চৰকাৰে ব্যৱস্থা ল'ব নেকি?

শ্রীৰকিবুল হুছেইন (পর্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) গুৱাহাটীৰ পৰা ১০০ কিঃ মিঃ আঁতৰত অৱস্থিত লাম্পী নামৰ ঠাইখনক পর্যটন স্থলী হিচাবে গঢ়ি তোলাৰ বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব।

বিষয় ঃ হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগৰ মঞ্জুৰী ধন।

শ্রীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৪৩৫। **মাননীয় হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগে কেন্দ্রীয় চৰকাৰৰ পৰা ২০০৮-০৯ আৰু ২০০৯-২০১০ চনত কিমান ধন পাইছে?

(খ) উক্ত ধনৰ আধাৰত অসমত জিলা ভিত্তিত কি কি আঁচনি লোৱা হৈছে?

(ধন আৰু আঁচনিৰ নাম, চন উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) কৰিমগঞ্জ জিলাত উক্ত ধনৰ আধাৰত কি কি আঁচনি গ্রহণ কৰা হৈছে?

(আঁচনিৰ নাম, ধনৰ পৰিমাণ উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) ৰাতাবাৰী বিধানসভা সমষ্টিৰ (তপঃ) অন্তর্গত ২০০৮ আৰু ২০০৯ চনত কি কি আঁচনি মঞ্জুৰী হৈছে? (হিতাধিকাৰীৰ নাম/ধনৰ পৰিমাণ/SHG ইত্যাদিৰ নাম/ধনৰ পৰিমাণৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঙ) ৰাতাবাৰী সমষ্টিৰ (তপঃ) অন্তর্গত ২০০৮-২০০৯ আৰু ২০০৯-২০১০ চনত হস্ততাঁত শিপিনীসকলক ICICI বেংকৰ পৰা কিমান সাহার্য্য দিয়া হৈছে?

(শিপিনী বিলাকৰ নাম আৰু সাহার্য্যৰ পৰিমাণৰ তালিকা দিব)

শ্রীপ্রণৱ গগৈ (হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগে কেন্দ্রীয় চৰকাৰৰ পৰা ২০০৮-২০০৯ আৰু ২০০৯-২০১০ বর্ষত পোৱা ধনৰ পৰিমাণ উল্লেখ কৰা হ'ল।

	২০০৮-০৯	২০০৯-২০১০
ৰেচম সঞ্চালকালয়	২,৯৪,১৫,০০০/-	———
হস্ততাঁত বস্ত্র সঞ্চালকালয়	৯,৫২,০৬৫/-	৬,২৫,০০০/-
মুঠ	৩,০৩,৬৭,০৬৫/-	৬,২৫,০০০/-

(খ) উক্ত ধনৰ আধাৰত অসমত জিলাভিত্তিত লোৱা আঁচনিসমূহৰ নাম, ধনৰ পৰিমাণ আৰু বর্ষ উল্লেখ কৰি প্রপত্র-'ক' (ৰেচম) আৰু প্রপত্র 'খ'ত (হস্ততাঁত বস্ত্র) দেখুওৱা হ'ল। (See Annexure-XXI)

(গ) কৰিমগঞ্জ জিলাত উক্ত ধনৰ আধাৰত হস্ততাঁত বস্ত্র সঞ্চালকালয়ৰ অধীনত গ্রহণ কৰা আঁচনি আৰু ধনৰ পৰিমাণ তলত দেখুওৱা হ'ল।

আঁচনিৰ নাম	ধনৰ পৰিমাণ
১। দীন দয়াল হাথকর্ঘা প্রোৎসাহন যোজনা	৪.২২ লাখ
২। হস্ততাঁত সামগ্রীৰ বিক্রীৰ ওপৰত ১০% ৰেহাই পৰিশোধিত আঁচনি	৪১.২৯ লাখ

কৰিমগঞ্জ জিলাত ৰেচম সঞ্চালকালয়ৰ অধীনত ২০০৮-০৯ বর্ষত কোনো আঁচনি লোৱা হোৱা নাই।

(ঘ) ৰাতাবাৰী বিধানসভা সমষ্টিৰ (তপঃ) অন্তর্গত ২০০৮ আৰু ২০০৯ চনত কোনো আঁচনি মঞ্জুৰী কৰা হোৱা নাই।

(ঙ) ICICI বেংকৰ পৰা হস্ততাঁত শিপিনী সকলক কোনো সাহার্য্য দিয়া হোৱা নাই।

Sub : Identity Cards.

Dr. Motiur Rahman Mandal asked :

436. Will the Minister of Handloom, Textiles & Scriculture be pleased to state :

(a) Whether the Govt. is aware that about 9000

(Nine thousand) Weavers are living in 21 Mancacher LAC?

(b) If so, (i) are they trained? (ii) Whether identity cards have been given to them.

(c) Will the Govt. take step to give any special package as most of then belong to S.T. People. (Hajong)?

Sri Pranab Gogoi (Minister, Handloom Textiles & Sericulture) replied :

(a) Yes, but axact number will be known after completion of the on going Handloom Census by the Govt. of India.

(b) (i) All are not trained.

(ii) No Identity card has been given to them.

(c) Govt. will extend assistance to the S.T. People (Hajong) as per existing Govt. Policy.

বিষয় ঃ পঞ্চতাৰকা হোটেল, পর্যটকৰ সংখ্যা।

শ্রীপ্রবীন গগৈয়ে সুধিছে ঃ

৪৩৭। মাননীয় পর্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত পঞ্চতাৰকাযুক্ত হোটেল আছে নে? যদি আছে, ক'ত ক'ত

আছে আৰু এই হোটেলৰ নামবোৰ কি কি?

(খ) পঞ্চ তাৰকা হোটেলৰ বাবে মাটি অসম চৰকাৰে আৱণ্টন দিছে নেকি? যদি মাটি আৱণ্টন দিছে, কেইখন হোটেলৰ বাবে ক'ত ক'ত কিমান পৰিমাণৰ মাটি আৱণ্টন দিছে?

(গ) পঞ্চ তাৰকা হোটেলৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰী থলুৱাভাৱে নিযুক্তিৰ ক্ষেত্ৰত মাটি আৱণ্টনৰ সময়ত হোটেল কৰ্তৃপক্ষৰ লগত চৰকাৰে চুক্তি কৰিছে নেকি?

(মাটি আৱণ্টনৰ নিযুক্তিৰ চৰ্তসমূহ সদনৰ মেজত দাখিল কৰিব)

(ঘ) মুঠ মাটিৰ বিনিময়ত কিমান টকা প্ৰিমিয়াম আদায় লোৱা হৈছে?

(পৃথকে পৃথকে দেখুৱাব)।

(ঙ) পঞ্চ তাৰকা হোটেলৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(চ) ২০০১ চনৰ পৰা বৰ্তমানলৈ কিমান দেশী আৰু বিদেশী পৰ্যটক অসমলৈ আহিল?

(পৃথকে পৃথকে বৰ্ষ অনুসৰি সংখ্যা দিব)

(ছ) ২০০১ ৰ পৰা বৰ্ষ অনুসৰি দেশী-বিদেশী পৰ্যটকৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ পৃথকে পৃথকে দিবনে?

শ্ৰীৰকিবুল হুছেইন (পৰ্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত এতিয়ালৈকে পঞ্চ তাৰকাযুক্ত হোটেল নাই।

(খ) পঞ্চ তাৰকাযুক্ত হোটেল স্থাপনৰ তথ্য মতে অসম চৰকাৰৰ পৰ্যটন

বিভাগ আৰু Guwahati Metropolitan Development Authority ৰ দ্বাৰা সুকীয়াকৈ মাটিৰ আৱণ্টন/পট্টা দিয়া হৈছে। সেই মর্মে পর্যটন বিভাগৰ দ্বাৰা গুৱাহাটীৰ খানাপাৰাত ১৫ বিঘা মাটিৰ আৰু Guwahati Metropolitan Development Authority ৰ দ্বাৰা গুৱাহাটীৰ গোটা নগৰত ২৭ বিঘা মাটি আৱণ্টন দিয়া হৈছে।

(গ) এই চুক্তিসমূহ সম্পাদন কৰোতে পোন পটীয়াকৈ এনে নিযুক্তিৰ কথা উল্লেখ নাই যদিও স্থানীয় সকলো নিয়মনীতিৰ বাধ্য বাধকতা পালনৰ উল্লেখ আছে। এই সন্দর্ভত উল্লেখ কৰিব পাৰি যে হোটেলসমূহত নিয়োগ পাবলৈ অর্হতা আহৰণ কৰাৰ অর্থে পর্যটন বিভাগে মানৱ সম্পদ বিকাশ কার্যসূচীৰ জৰিয়তে Institute of Hotel Management and Catering Techonology, Guwahati ত যোৱা দুটা বছৰ ক্রমে ইং ২০০৭-০৮ আৰু ইং ২০০৮-০৯ চনত ক্রমে ১৩ জন আৰু ১৭ জন ছাত্র-ছাত্রী শিক্ষা গ্রহণৰ বাবে প্রেৰণ কৰিছে। তেওঁলোকৰ প্রত্যেককে বছেৰেকীয়া বৃত্তি হিচাপে ৭.২০০ টকা আৰু Book grant হিচাবে বছৰি ৬০০ টকাকৈ দিয়া হয়। ইয়াৰ উপৰি এটা Food Craft Institute নগাঁৱত নতুনকৈ স্থাপন কৰা হৈছে আৰু ইয়াতো হোটেলৰ নিয়োগ চাহিদাৰ বাবে উপযুক্ত পাঠ্যক্রম ৰখা হৈছে আৰু স্থানীয় নিবনুৱাসকলক হোটেলত নিয়োগ পাবলৈ উপযুক্ততকৈ গঢ়ি তুলিবলৈ আঁচনি লোৱা হৈছে।

(ঘ) পর্যটন বিভাগৰ যোগেদি স্থাপন কৰিব লগা পঞ্চতাৰকাযুক্ত

হোটেলখনৰ বাবে প্ৰথমে ১ (এক) কোটি টকা Security Money হিচাবে পোৱা গৈছে।

(ঙ) পঞ্চ তাৰকা হোটেলৰ প্ৰাৰম্ভিক কাম ইতিমধ্যে আৰম্ভ হৈছে।

(চ) ২০০১ চনৰ পৰা বৰ্তমানলৈ অসমলৈ অহা দেশী আৰু বিদেশী পৰ্যটকৰ সংখ্যা তলত দিয়া হ'ল—

বছৰ	দেশী	বিদেশী
২০০১	১০,১০,৬৫	৬,১৭১ জন
২০০২	১৯,৫৩,৯১৫	৬,৪০৯ জন
২০০৩	২১,৫৩,৬৭৫	৬,৬১৩ জন
২০০৪	২২,৮৬,৬৩৯	৭,২৮৫ জন
২০০৫	২৪,৬৭,৬৫৬	১৯,৭৮২ জন
২০০৬	৩২,৬৮,৬৫৭	১১,১৫১ জন
২০০৭	৩৪,৩৮,৪৮৪	১৩,১০৫ জন
২০০৮	৩৬,১৭,৩০৬	১৪,৪২৬ জন
২০০৯	২৪,৮৫,৬৬০	৯,০১৫ জন
(জুনলৈকে)		

(ছ) ২০০১ চনৰ বৰ্ষ অনুসৰি দেশী-বিদেশী পৰ্যটকৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ তলত দিয়া হ'ল।

২০০১-২০০২	৩৮,৮৮,৮৪১.০০ টকা
২০০২-২০০৩	৪১,০৩,০৫১.০০ টকা
২০০৩-২০০৪	৬০,৪৪,৬৪২.০০ টকা

২০০৪-২০০৫	৬৯,০২,৪৪৩.০০ টকা
২০০৫-২০০৬	৮৭,১১,১৮৫.০০ টকা
২০০৬-২০০৭	৮১,২৯,৬৫১.০০ টকা
২০০৭-২০০৮	৯৪,৯৯,৮২০.০০ টকা
২০০৮-২০০৯	১০৩,৯১,৫১৬.০০ টকা

বিষয় ঃ ৩০ খন বিছনাযুক্ত চিকিৎসালয়।

শ্রীগুনেশ্বৰ দাসে সুধিছে ঃ

৪৩৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও, মৰিগাঁও আৰু কার্বিআংলং জিলাৰ সীমামূৰীয়া ঠাই আমচৈত এখন মাত্র Mini PHC থকাৰ কথা চৰকাৰৰ অৱগতনে? এই সর্ববৃহৎ ৩৫ কিঃ মিঃ এলেকাত এখন মাত্র মিনি P.H.C ৰে ৰাইজৰ স্বাস্থ্য ৰক্ষা কৰিব পৰা যে নাযায়, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত তিনিওখন জিলাৰ ৰোগীয়ে চিকিৎসা লোৱা এই মিনি P.H.C. খন ৩০ খন বিছনাযুক্ত চিকিৎসায়লৈ উন্নীত কৰণৰ বাবে চৰকাৰে সোনকালে ব্যৱস্থা ল'বনে?

(গ) যদি লয়, কিমান দিনৰ ভিতৰত ল'ব?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও, মৰিগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া ঠাই আমচৈত এখন ৰাজ্যিক চিকিৎসালয় আছে। বৰ্তমান উক্ত ৰাজ্যিক চিকিৎসালয়খনে ৰাইজক স্বাস্থ্য সেৱা আগবঢ়াই আছে।

(খ) বৰ্তমান কোনো পৰিকল্পনা নাই।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ প্ৰজেক্ট পেকেজ আঁচনি।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৪৩৯। **মাননীয় হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ প্ৰজেক্ট পেকেজ আঁচনি, দীনদয়াল হাথকৰ্ঘা প্ৰোৎসাহন যোজনা আৰু ৰাষ্ট্ৰীয় শ্ৰমবিকাশ যোজনা আদিৰ অধীনত ডিব্ৰুগড় জিলাৰ দুলীয়াজান সমষ্টিৰ কিমান গৰাকী শিপিনীলৈ বিভিন্ন সুবিধা প্ৰদান কৰা হ'ল? (২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে' লৈ শিপিনীসকলৰ নামসমূহৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) দুলীয়াজান সমষ্টিত কিমান গৰাকী শিপিনীক তাঁতশালৰ চালি ঘৰ নিৰ্মাণ কৰি দিয়া হ'ল? (শিপিনীসকলৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) এটা চালি ঘৰ নিৰ্মাণ কৰোতে কিমান টকা খৰচ হয়।

শ্ৰীপ্ৰণৰ গগৈ (হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈ ডিব্ৰুগড় জিলাৰ দুলীয়াজান সমষ্টিৰ কোনো শিপিনীক সুবিধা প্ৰদান কৰিব পৰা হোৱা নাই। গতিকে শিপিনীৰ তালিকা দাখিল কৰিব পৰা নহ'ল।

(খ) ২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈ দুলীয়াজান সমষ্টিত শিপিনীৰ তাঁতশালৰ চালি ঘৰ নিৰ্মাণ কৰি দিব পৰা হোৱা নাই। গতিকে শিপিনীৰ তালিকা দাখিল কৰিব পৰা নহ'ল।

(গ) ২০০৪-২০০৫ চনলৈকে এটা চালিঘৰ নিৰ্মাণ কৰোতে মুঠ ৯০০০.০০ টকা খৰচ হৈছিল।

বিষয় ঃ চিকিৎসালয় চৰকাৰীকৰণ।

শ্ৰীমতী জোন জোনালী বৰুৱাই সুধিছে ঃ

৪৪০। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) মৰিগাঁও সমষ্টিৰ অন্তৰ্গত মিকিৰভেটাত 'শিমলুগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰটো (অপ্ৰাদেশীকৃত) থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, উক্ত চিকিৎসালয়খন চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) যদি চৰকাৰীকৰণ কৰে, কেতিয়া এই চিকিৎসালয়খন চৰকাৰী কৰিব?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মিকিৰ ভেটাৰ শিমলুগুৰীৰ সামূহিক স্বাস্থ্য কেন্দ্র নির্মাণ ১৯৯৫ চনতে অনুমোদন হৈছিল। সেইমতে, চিকিৎসা গৃহৰ কাম ২০০১ চনলৈকে ৫৫ শতাংশ সম্পূর্ণ হয়। কর্মচাৰীৰ বাসগৃহৰ কাম বাকী নাই। Boundary Wall ৰ কাম ২০০৩ চনত সম্পূর্ণ হৈছে। কোনো পদ মঞ্জুৰী হোৱা নাই যদিও মৰিগাঁও জিলাৰ যুটীয়া সঞ্চালকৰ ফালৰ পৰা—

ফার্মাচিষ্ট	-	১ জন
লেব'ৰেটাৰী টেকনিচিয়ান	-	১ জন
এ এন এম	-	২ গৰাকী
চতুর্থ শ্রেণীৰ কর্মী	-	১ জন

অন্য ঠাইৰ পৰা আনি বহিঃ বিভাগত কাম চলাই আছে।

(খ) প্রয়োজনীয় পুজিৰ আৱণ্টন হ'লে নির্মাণৰ কাম সম্পূর্ণ কৰিব পৰা আৰু যাব। বিত্ত বিভাগৰ অনুমোদন ক্রমে প্রয়োজনীয় পদ সৃষ্টি কৰিব

(গ) পাৰিলেহে চিকিৎসালয়খন কার্যক্রম কৰিব পৰা যাব।

বিষয় ঃ ডাক্তৰৰ সংখ্যা।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

৪৪১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত থকা চিকিৎসা মহাবিদ্যালয় কেইখনৰ বছৰি লাভ বা লোকচানৰ স্থিতি কি বেলেগে বেলেগে সৰ্বমুঠ জমা খৰচ হিচাপ জনাবনে?

(খ) চিকিৎসা মহাবিদ্যালয় কেইখনৰ লগতে বিশেষকৈ জিলা স্বাস্থ্য কেন্দ্ৰসমূহৰ দুখীয়া ৰোগীক বিনামূলীয়া চিকিৎসা বা দৰৰ পাতি যোগানৰ ব্যৱস্থা কেনেকুৱা, দুখীয়া ৰোগীসকলক চিকিৎসকসকলে উপেক্ষা কৰা দেখা যায়, চৰকাৰে এই ক্ষেত্ৰত এক তদন্ত কৰি সোনকালে উচিত ব্যৱস্থা ল'বনে?

(গ) ৰঙাপাৰা সমষ্টিৰ অন্তৰ্গত PHC কেইখনত বৰ্তমান কেইজন আৰু কি কি বিভাগৰ ডাক্তৰ আছে? খালী হৈ থকা বিভাগবোৰৰ চিকিৎসক, নাৰ্ছ, ফাৰ্মাচিষ্টৰ চাহিদা কিমান সেইবোৰ সোনকালে পূৰণ কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জনস্বাস্থ্য সেৱা প্ৰদানৰ বাবে স্থাপিত হোৱা চিকিৎসা মহাবিদ্যালয় তথা অন্যান্য চৰকাৰী চিকিৎসালয় পৰিচালনাৰ ক্ষেত্ৰত লাভ লোকচানৰ কথা প্ৰযোজ্য নহয়। কিয়নো এনে প্ৰতিষ্ঠান ব্যৱসায়িক অৰ্থত প্ৰতিষ্ঠিত কৰা হোৱা নাই। তথাপি বিগত চাৰিবছৰৰ অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ত বিভিন্ন সেৱা প্ৰদান কৰি সংগৃহীত মাছুলৰ পৰিমাণ আৰু খৰচৰ খতিয়ান তলত উল্লেখ কৰা হ'ল—

Name of the Institute	Year	Collection of User Fee	Expenditure	Excess of Income over expenditure
AMC, Dibrugarh	2005 - 2006	16,585,046.00	12,200,148.00	4,384,898.00
	2006 - 2007	19,766,270.00	17,464,936.00	2,301,334.00
	2007 - 2008	28,854,769.00	22,683,858.00	6,170,911.00
	2008 - 2009	42,295,803.00	43,122,983.00	(-) 827,180.00
GMC, Guwahati	2005 - 2006	32,135,073.00	30,255,070.00	1,880,003.00
	2006 - 2007	37,742,965.00	37,571,188.00	171,777.00
	2007 - 2008	49,058,073.00	48,932,902.00	125,171.00
	2008 - 2009	76,030,703.00	73,730,944.00	2,299,759.00
SMC, Silchar	2005 - 2006	11,762,474.00	11,721,646.00	40,828.00
	2006 - 2007	13,716,283.00	9,454,000.00	4,262,283.00
	2007 - 2008	18,213,485.00	14,145,000.00	4,068,485.00
	2008 - 2009	24,439,131.00	19,711,674.00	4,727,457.00

(খ) সকলো প্রকাৰৰ ৰোগীৰ বাবে চৰকাৰী চিকিৎসালয়সমূহত বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হয় আৰু ঔষধপাতি বিনামূলীয়াকৈ যোগান ধৰা হয়। তদুপৰি জিলা অসামৰিক চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে ৰাতিপুৱা ৮ বজাৰ পৰা ১.৩০লৈ আৰু আবেলি ৫ বজাৰ পৰা ৮ বজালৈ বহিঃ বিভাগত এনেধৰণৰ চিকিৎসা সেৱা আগবঢ়োৱা হয়। চিকিৎসা সেৱা আৰু ঔষধ আদি বিনামূলীয়াকৈ দিয়াৰ উপৰিও পৰীক্ষাগাৰত বিনামূলীয়াকৈ পৰীক্ষাৰো সুবিধা দিয়া হয়।

অন্তঃবিভাগৰ ৰুগী সকললৈও একেধৰণ সেৱা উপলব্ধ কৰা হয়। এম্বুলেন্স সেৱাওঁ বিনামূলীয়া।

দুখীয়া ৰুগীক চিকিৎসকসকলে উপেক্ষা কৰা অভিযোগ সময়ে সময়ে পোৱা যায়। প্ৰতিটো অভিযোগৰ তদন্ত চৰকাৰে কৰিবলৈ প্ৰচেষ্টা কৰে আৰু ব্যৱস্থাও গ্ৰহণ কৰা হয়।

(গ) ৰঙাপাৰা সমষ্টিত ২ (দুই) খন PHC আছে। এখন বালিপাৰাত আৰু আনখন ৰঙাপাৰাত অৱস্থিত।

বালিপাৰাত PHCত এজন ঔষধ বিশেষজ্ঞ, এছ পি এম ২ (দুই) জন এম বি বি এছ (সাধাৰণ) আৰু এজন চিকিৎসা বিষয়া (আয়ুৰ্বেদিক) চিকিৎসক আছে। ৰঙাপাৰা PHC তিনিজন এম বি বি এছ (সাধাৰণ), এজন চিকিৎসা বিষয়া (আয়ুৰ্বেদিক) আছে।

উল্লেখিত PHC দুখনত বৰ্তমান কোনো ধৰণৰ ডাক্তৰ, ফাৰ্মাচিষ্ট আৰু নাৰ্চৰ পদ খালী হৈ থকা নাই।

বিষয় ঃ F.D. আঁচনি।

শ্রীমাজেন্দ্র নার্জাৰীয়ে সুধিছে ঃ

৪৪২। **মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কোকৰাঝাৰ জিলাৰ কচুগাঁও আৰু হল্টুগাঁও বন সংমণ্ডলৰ অধীনৰ অঞ্চলত ২০০৭-০৮ আৰু ২০০৮-০৯ত F.D. আঁচনিৰ যোগেদি কি কি আঁচনি লোৱা হৈছিল? আৰু আঁচনিৰ বিপৰীতে কিমান টকা ধার্য কৰা হৈছিল?

(বন সংমণ্ডল ভিত্তিত তালিকা দিব)

(খ) উক্ত আঁচনিবোৰ ৰূপায়ণার্থে আঁচনিৰ বিপৰীতে কিমান টকা মোকলাই দিয়া হ'ল?

(গ) আঁচনিবোৰ ইতিমধ্যে সম্পূর্ণৰূপে ৰূপায়ণ হ'লনে?

(ঘ) যদি হোৱা নাই, কি কি আঁচনি ৰূপায়ণ কৰিবলৈ বাকী আছে?

(ঙ) আঁচনিবোৰ ৰূপায়ণৰ সময়সীমা আছেনে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নিম্নোক্ত বিষয়ৰ আঁচনিসমূহ BTAD কর্তৃপক্ষই সম্পাদন কৰে আৰু উক্ত কর্তৃপক্ষৰ পৰা পোৱা প্রতিবেদন মতে এই বিষয়ৰ উত্তৰটি তলত দিয়া হৈছে—

২০০৭-০৮ আৰু ২০০৮-০৯ত কচুগাঁও আৰু হণ্টু গাঁও বন সংমণ্ডলৰ অধীনৰ FDযোগেদি লোৱা আঁচনিবোৰ আৰু তাৰ বিপৰীতে ধার্যকৰা টকাৰ বিৱৰণ ইয়াৰ লগত সংলগ্ন কৰা হ'ল। সন্নিবিষ্ট তালিকাখনত সংমণ্ডলৰ ভিত্তিত দিয়া হ'ল। (See Annexure-XXII)

(খ) ২০০৭-০৮ আৰু ২০০৮-০৯ত ধার্য কৰা টকাৰ বিপৰীতে যথাক্রমে ৯৮৮.১৯ লাখ টকা আৰু ৬৮৮.৯৪ লাখ টকা মোকলাই দিয়া হৈছে।

(গ) হোৱা নাই।

(ঘ) ৰাস্তা উন্নতিকৰণ, কালভার্ট বনোৱা, এল পি স্কুলৰ মেৰামতিৰ কাম চলি আছে।

(ঙ) পৰিকল্পিত বছৰৰ ভিতৰত আঁচনিবোৰ ৰূপায়ণ কৰা হয় যদিও কামৰ প্রতি টকা মোকোলাই দিয়াৰ ওপৰত নির্ভৰ কৰে।

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৪৩। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত বর্তমান কি কি কেটেগৰীৰ কিমানটা পদ কিমান দিন ধৰি খালী হৈ আছে? এই পদবোৰ কেতিয়া পূৰণ কৰা হ'ব?

(খ) তিনিওখন চিকিৎসা মহাবিদ্যালয়ে ২০০১ চনৰ পৰা বর্তমানলৈ কিমান ৰোগীক চিকিৎসা সেৱা আগবঢ়ালে আৰু এই সেৱাৰ বাবদ তিনিওখন চিকিৎসা মহাবিদ্যালয়ে কিমান ৰাজহ সংগ্রহ কৰিলে?

(প্রতিখন চিকিৎসা মহাবিদ্যালয়ৰ বিপৰীতে বিত্তীয় বর্ষ অনুযায়ী বিতং তথ্য দিব।)

(গ) ২০০১ চনৰ পৰা বর্তমানলৈ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ নামত কি কি, কিমান পৰিমাণৰ ঔষধ কোন কোন প্রতিষ্ঠানৰ পৰা ক্রয় কৰা হৈছে?

(ঘ) ২০০১ চনৰ পৰা বর্তমানলৈ ঔষধ ক্রয়ৰ নামত কিমান টকা প্রতিখন চিকিৎসা মহাবিদ্যালয়ে ব্যয় কৰিছে?

(পৃথকে পৃথকে বিত্তীয় বর্ষ অনুযায়ী তথ্য দিব)

(ঙ) বর্তমান তিনিওখন চিকিৎসা মহাবিদ্যালয়ত ৰোগীক কি কি ঔষধ বিনামূলীয়াকৈ দিয়া হয়?

(চ) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয়,

শিলচৰ চিকিৎসা মহাবিদ্যালয়ত প্ৰতিজন ৰোগী ভৰ্তিৰ বাবে কিমান টকা পঞ্জীয়ন মাছুল লোৱা হয়?

(২০০১ চনৰ পৰা বৰ্তমানলৈ কি কি হাৰত মাছুল লোৱা হৈছে তাৰ তথ্য সদনৰ মেজত দাখিল কৰিব)

(ছ) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ত এজন ৰোগীক বিনামূলীয়াভাৱে কি কি পৰীক্ষা-নিৰীক্ষা কৰা হয় আৰু আন কি কি পৰীক্ষা-নিৰীক্ষা (Test) কৰিলে ৰোগীৰ পৰা মাছুল সংগ্ৰহ কৰা হয়? বিনামূলীয়া ভাৱে নকৰা প্ৰতিটো পৰীক্ষা-নিৰীক্ষাত চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই কিমান টকাকৈ মাছুল ৰোগীৰ পৰা লয়?

(প্ৰতিটো পৰীক্ষাৰ বিপৰীতে মাছুলৰ নিৰিখ পৃথকে পৃথকে জনাব?)

(জ) এই মাছুল কেতিয়াৰ পৰা কিয় আদায় কৰি থকা হৈছে?

(প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ৰ বিপৰীতে পৃথকে পৃথকে তথ্য সদনত দাখিল কৰিব)

(ঝ) অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে ২০০১ চনৰ পৰা বৰ্তমানলৈ কিমান টকা খৰচ কৰা হৈছে? উন্নয়নমূলক কামবোৰ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানক কৰিবলৈ দিয়া হৈছে?

(পৃথকে পৃথকে বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু

শিলচৰ চিকিৎসা মহাবিদ্যালয়ত বৰ্তমান বিভিন্ন কেটেগৰীত খালী হৈ থকা পদৰ সংখ্যা তলত দিয়া হ'ল।

	Gazetted	Non-Gazetted	
		Grade-III	Grade-IV
GMC →	৭৬ টা	১৪ টা	২২ টা
AMC →	৮৯ টা	৪০ টা	৫০ টা
SMC →	৬২ টা	২৯ টা	৬০ টা
মুঠ →	২২৭ টা	৮৩ টা	১৩২ টা

উক্ত খালী থকা ২২৭ টা পদৰ ১৮৪ টা অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক ও ৰেজিষ্টাৰ পর্যায়ৰ পদৰ কলেজ ভিত্তিত তথ্য তলত দিয়া হ'ল। বাকী ৪৩ টা পদ Non Medical বিষয়াৰ।

Name of Post	AMC	GMC	SMC	Total
1. Professor	4	3	2	9
2. Associate Professor	12	9	7	28
3. Assistant Professor	19	19	12	50
4. Registrar/ Demonstrator	34	36	27	97
Total :	**69**	**67**	**48**	**184**

উপৰোক্ত পদসমূহ কিমান দিন ধৰি খালী হৈ আছে তাৰ তালিকা Annexure-A, B & C ত সংলগ্ন কৰা হ'ল। (See Annexure-XXII (A)

উল্লেখ্য যে ৯৭ টা Registrar / Demonstrator পদ, অসম লোকসেৱা আয়োগে বাছনি কৰি দিয়া প্ৰাৰ্থী তালিকাৰ পৰা ইতিমধ্যে নিযুক্তি দিয়া হৈছে। তদুপৰি খালী হৈ থকা অধ্যাপক, সহযোগী অধ্যাপক আৰু সহকাৰী অধ্যাপকৰ পদসমূহত বিধিগতভাৱে পদোন্নতিৰ ব্যৱস্থা অব্যাহত আছে।

ওপৰত উল্লেখিত তিনিওখন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ Grade-III ৰ ৮৩ টা পদৰ ভিতৰত ১৬ টা আৰু Grade-IV ৰ ১৩২ টা পদৰ ভিতৰত ৬৮ টা পদ পূৰণৰ বাবে বিত্ত বিভাগৰ অনুমোদন ইতিমধ্যে পোৱা হৈছে আৰু এই কেইটি পদ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে। বাকী কেইটি পদ পূৰণৰ বাবে বিত্ত বিভাগৰ অনুমোদন ইতিমধ্যে পোৱা হৈছে আৰু এই কেইটি পদ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে। বাকী কেইটি পদ পূৰণৰ বাবে বিত্ত বিভাগৰ অনুমোদন প্ৰাপ্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC) ত চিকিৎসা সেৱা আগবঢ়োৱা ৰোগীৰ সংখ্যা আৰু তাৰ বাবদ সংগ্ৰহ হোৱা ৰাজহৰ তালিকা Annexure-A-I ত সংলগ্ন কৰা হ'ল। (See Annexure-XXII (B))

(গ) ২০০১ চনৰ পৰা বৰ্তমানলৈ তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC) ত ক্ৰয় কৰা ঔষধৰ পৰিমাণ আৰু যোগান ধৰা প্ৰতিষ্ঠানৰ তালিকা Annexure-D,E,Fত সংলগ্ন

কৰা হ'ল। (See Annexure-XXII (C))

(ঘ) ২০০১ চনৰ পৰা বৰ্তমানলৈ ঔষধ ক্ৰয় কৰাৰ নামত প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ে ব্যয় কৰা ধনৰ পৰিমাণ বিত্তীয় বৰ্ষ অনুযায়ী Annexure-B-I & B-IIত সংলগ্ন কৰা হ'ল। (See Annexure-XXII (D))

(ঙ) বৰ্তমান তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC)ত ৰোগীক বিনামূলীয়াকৈ দিয়া ঔষধৰ তালিকা Annexure-G, H & Iত সংলগ্ন কৰা হ'ল।

(চ) তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC) ত পঞ্জীয়নৰ বাবে ১৯৯৪ চনৰ জুন মাহৰ পৰা ২০০৩ চনৰ জুন মাহলৈকে ৰোগীয়ে প্ৰতি ২/- (দুই) টকাকৈ লোৱা হৈছিল। ২০০৩ চনৰ জুন মাহৰ পৰা এই পৰিমাণ ৫/- (পাঁচ) টকাকৈ বৃদ্ধি কৰা হৈছে। বৰ্তমান General Ward ত থকাৰ বাবদ দিনে প্ৰতি টকাকৈ ৫/- (পাঁচ) মাচুল লোৱা হয়।

Paying Cabin ৰ মাচুলৰ হাৰ তলত দিয়া হ'ল—

১। Rs. 100/- — ২০০১ চনৰ পৰা

২। Rs. 200/- — ২০০৩ চনৰ পৰা

৩। Rs. 300/- — ২০০৩ চনৰ পৰা (Non AC-Cabin) ৰ বাবে

৪। Rs. 500/- — ২০০৩ চনৰ পৰা (Non AC-Cabin) ৰ বাবে

৬। Rs. 600/- (GMC) — ২০০৩ চনৰ পৰা (AC-Cabin) ৰ বাবে

(ছ) তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC) ত তলত দিয়া পৰীক্ষাসমূহ সকলো ৰোগীক বিনামূলীয়াকৈ কৰা হয়। অৱশ্যে BPL ৰোগীৰ ক্ষেত্রত MRI আৰু C.T. Scanৰ বাদে বাকী সকলোবোৰ পৰীক্ষা বিনামূলীয়াকৈ কৰা হয়।

১। HIV-Elisa / Rapid Test etc.

২। Australia Antigen.

৩। Urethral Smear for AFB.

৪। VDRL Test.

৫। Sputum Conc. method for AFB.

৬। HIV-CD-4 Count.

৭। Mantoux (Tuberculin) Test.

৮। Malaria.

৯। Leprosy Test.

১০। 'C' Reactive Protein.

বিনামূলীয়াভাৱে নকৰা পৰীক্ষাসমূহৰ নাম আৰু প্ৰতিটো পৰীক্ষাৰ বিপৰীতে চৰকাৰে ধাৰ্যকৰা মাছুলৰ পৰিমাণ নিৰিখ Annexure-J & K ত সংলগ্ন কৰা হ'ল।

আকস্মিক দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, মব্ ভায়লেঞ্চ, উগ্ৰপন্থীৰ দ্বাৰা আক্ৰমণ, ইলেক্চনৰ ডিউটি, গভৰ্ণমেণ্ট VIP ডিউটিৰ ক্ষেত্ৰত ৰোগীসকলক বিনামূলীয়াকৈ পৰীক্ষা-নিৰীক্ষা ও চিকিৎসা কৰা হয়।

(জ) এই মাছুল তিনিওখন চিকিৎসা মহাবিদ্যালয় (GMC, AMC & SMC)ত ২০০১ চনৰ পৰা ৰোগীৰ চিকিৎসাৰ সুব্যৱস্থা আৰু হস্পিতাল পৰিচালনাৰ বাবে আদায় কৰা হৈ আছে। চৰকাৰৰ নিৰ্দেশ (Natification) Annexure-J & Kত সংলগ্ন কৰা হৈছে। (See Annexure-XXII-F)

(ঝ) তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়ন (Infrastructure Development) আৰু সা-সৰাঞ্জাম (Equipments & Furniture) বাবদ সৰ্বমুঠ ৪৪১২৮.১৯ (চাৰিশ একচল্লিশ কোটি আঠাইশ লাখ ঊনৈশ হাজাৰ) টকা অনুমোদন কৰা হৈছে। উক্ত অনুমোদিত ধনৰ বিপৰীতে এতিয়ালৈকে মুঠ ৩০৭০৯.২৯ (তিনিশ সাত কোটি ন লাখ ঊণত্ৰিশ হাজাৰ) টকা মোকলাই দিয়া হৈছে।

আন্তঃগাঁঠনি উন্নয়নৰ কাম মূলত গড়কাপ্তানি (গৃহ) বিভাগৰ জৰিয়তে কৰি থকা হৈছে। উন্নয়নমূলক কামৰ খতিয়ান আৰু ঠিকাদাৰ

/ প্রতিষ্ঠানৰ নাম সন্নিবিষ্ট গড়কাপ্তানি (গৃহ) বিভাগৰ মুখ্য অভিযন্তাৰ পৰা পোৱা প্রতিবেদন Annexure– 'O' ত দেখুওৱা হৈছে।

সা-সৰঞ্জাম (Equipments & Furniture) ক্রয় কৰা প্রতিষ্ঠান/ যোগনীয়াৰৰ তথ্য চিকিৎসা মহাবিদ্যালয়কেইখনৰ অধ্যক্ষই দাখিল কৰা তালিকা Annexure– 'M' আৰু 'N'ত দেখুওৱা হৈছে।

Sub : HAEMOPHILIAC Patients.

Dr. Alaka Sarma asked :

444. Will the Minister of Health and Family Welfare be pleased to state :

(a) How many HAEMOPHILIAC Patients are there in Assam as on 31-3-2009?

(b) Whether Government of Assam has conducted any survey to identify people affected by HAEMOPHILIA?

(c) Do we have trained personnels to treat patients affected by HAEMOPHILIA?

(d) What is the Government guidelines to treat poor patients affected by HAEMOPHILIA?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare) Replied :

(a) 225 Number of HAEMOPHILIA patients have

been treated upto 31-02-09 in 3 (three) Medical Colleges of Assam. (GMCH=215, AMCH=7, SMCH=3).

(b) Yet to be conducted.

(c) The specialist of Medicine and Paediatrics are competent to treat HAEMOPHILIA cases and the treatment have been given at 3(three) Medical College of Assam. However, GMCH has a Super Speciality Department of Hematology for treatment of such patients. The treatment of HAEMOPHILIA cases is a team effort comprising of specialist like Orthopedics, Psysiotherapy and Dentistry. All the 3 (three) Medical Colleges have such treatment facilities.

(d) All the 3 (three) Medical College of Assam have facilities to treat HAEMOPHILIA cases as per conventional method. People below Poverty line get free services of treatment.

Sub : Rehabilitation of Harijons.

Captain Robin Bordoloi asked :

445. Will the Minister of Guwahati Development Department be pleased to state :

(a) Whether the Government is aware of the fact that the future of the Harijons after retirement particularly in the case of Basfor Community of Bihar still uncertain?

(b) If so, what step has been taken by the Government for rehabilitaiton of the Harijons who are the most backward and poor community of the state?

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :

(a) State Government has no information about the fact of the future of Harijans after retirement particularly in case of Basfor Community of Bihar still uncertain.

However, the furture of retired Harijans of Basfor Community living in Guwahati is not uncertain. The Guwahati Municipal Corporation has started payment of retirement benefit to the Horijon employees.

(b) (i) A few appointments have been made on Compessionate Ground to the family member of retired Harijon. employees of Guwahati

Municipal Corporation.

(ii) Provisions of housing accomodation for retired Horijons of Guwahati have been planned in the Basic Services to the Urban Poor (BSUP) Project, which is currently under construction.

বিষয় ঃ নতুন আঁচনি।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৪৪৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮-২০০৯ চনৰ ১ মে'লৈকে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে নতুন কি কি আঁচনি হাতত লৈছে?

(খ) অসমত '১০৮' নামৰ স্বাস্থ্য সেৱা গাড়ী কিমানখন আছে আৰু ক'ত ক'ত আছে?

(গ) '১০৮' নামৰ স্বাস্থ্য সেৱা গাড়ীৰ বাবদ বছৰি কিমান টকা খৰচ কৰা হয়?

(ঘ) ২০০৮ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈ স্বাস্থ্য বিভাগত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা কিমান টকা আৱণ্টন পাইছে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-০৯ চনৰ ১ মে' লৈকে স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগে

লোৱা আঁচনিসমূহ ঃ

1) ৫টা Regional Diagnostic Centre স্থাপন।

2) চিকিৎসকসকলক উদগনি দিবলৈ পদমর্যদা অনুসৰি ৩০০০ টকা/৪০০০ টকা/ ৫০০০ টকাকৈ দিয়া হৈছে।

3) ৬১৩ খন এম্বুলেঞ্চৰ উপৰিও ৬ খন অত্যাধুনিক Critical Care Ambulance ৰ ব্যৱস্থা কৰা হৈছে। অধিকন্তু আৰু ২৯ খন Ambulance ইতিমধ্যে ৰাইজৰ সেৱাৰ বাবে আহি পাইছে।

4) ২৪ টা আধুনিক মৰণোত্তৰ পৰীক্ষাগৃহ নির্মাণ / মেৰামতিৰ ব্যৱস্থা কৰা হৈছে।

5) দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ৰোগীলৈ বিনামূলীয়াকৈ Pace Maker আৰু Heart Valve ৰ যোগান ধৰা হৈছে।

6) কেঞ্চাৰ ৰেমাৰীৰ বাবে বিনামূলীয়াকৈ অতিমূল্যৰ দৰৱৰ যোগান ধৰা হৈছে।

7) যোৰহাট অসামৰিক চিকিৎসালয়ত MRI Machine স্থাপনৰ ব্যৱস্থা কৰা হৈছে।

8) ৫ খন জিলা অসামৰিক চিকিৎসালয়, ১০ খন মহকুমা পর্যায়ৰ চিকিৎসালয়, ২০ খন CHC আৰু ৭২ খন PHC স্থাপন কৰা হৈছে।

9) Evening OPD

10) 108 Mrityunjoy Emergency Response Services.

11) Public Private Partnership with 139 Tea Garden Hospitals.

12) Establishment of 45 Urban Health Centre to provide Primary health Care Services to the Urban Slum of the Districts.

13) Nutritional Food for each Pregnant Woman (Mamoni)

14) Social Assistance for New Born Girl Child (Majani)

15) New Assam State AIDS Policy was announced on 1st December.

16) Two New ART Centres were established at Assam Medical College, Dibrugarh and Silchar Medical College in addition to Guwahati Medical College, Guwahati.

17) Five New ART Centre were established at Golaghat, Nagaon, Sonitpur, Bongaigaon and CRPF Composite Hospital.

18) Two new CD4 testing machines were installed, a ART Centre, AMCH Dibrugarh and SMCH Silchar in Addition to GMCH Guwahati.

19) One new Drop in Centre, Golaghat District Network of Positive People was established at Golaghat.

20) 37 new stand alone Integrated Counseling and Testing Centres (ICTCs) and 23 facilities integrated ICTCs were established during last three years. At present 106 ICTCs are functioning in Assam.

21) Three MRI machines in three existing Medical College Hospitals of Assam during 2007-08 have been installed and are functioning properly.

22) Process for procurement of a PET CT Scan machine with Medical Cyclotron for Gauhati Medical College Hospital, Guwahati has been initiated. For this purpose Govt. has also allotted fund of Rs. 3000.00 lakhs under ACA.

23) Process has been initiated for establishing three new Nursing Colleges at AMC, Dibrugarh, SMC, Silchar and Mahendra Mohan Choudhury Hospital, Guwahati under Public Private Partnership mode.

24) M. Ch. Course in Plastic Surgery, Paediatric Surgery, Cardiothoracic Surgery, Neuro Surgery and DM Course in Cardiology, Neurolgoy, Endocrinology in GMC, Guwahati and M.Sc. Nursing Course in RNC, Guwahati have been started.

25) Three new Institutes of Paramedical Sciences, Assam have been established at Guwahati, Dibrugarh and Silchar and the courses have already started.

26) Six nos. of Mobile Emergency Care Ambulances fitted with Advanced Life Support System have been provided to the Medical College Hospitals of Assam.

27) Action has already been taken for implantaiton of free Pacemakers to the patients in three Medical Colleges. More

than 526 numbers of Pacemakers have already been implanted in the three Medical Colleges of Assam. Since during this current financial year 2008-09 the Govt. has already provided an amount of Rs. 100.00 lakhs (Rupees one crore) only for continuation of free Pacemaker implantation scheme.

28) The functioning of Srimanta Sankaradeva University of health Sciences has been started with the joining of the Registrar and the Vice Chancellor has also been appointed.

29) A Dual C.T. Scanner has already been installed at GMCH, Guwahati.

30) A Cath Lab has also been installed at the GMCH, Guwahati and sophisticated investigations like Coronary– Angio Graphy for heart diseases are regularly being performed.

31) New Intensive Therapy Unit (ITU) in the Dept. of Medicine, Peadiatric ICU (PICU),

ICCU, and ICU in Neurosurgery Dept. have been set up at the GMCH, Guwahati.

32) The construction works of the new Medical Colleges at Jorhat, Tezpur and Barpeta have been formally started from June 2008 respectively.

33) An amount of Rs. 60.00 crores (Rs. 20.00 crores to each of Tezpur Medical College, Barpeta Medical College and Jorhat Medical College) has been released. Construction works are going on.

34) ICU in SMCH, Silchar and AMCH, Dibrugarh have started functioning smoothly.

35) Post-Graduate courses in four new disciplines of Radiodiagnosis, Orthopedics, Pathology and Anesthesiology in SMC, Silchar have been started.

36) The Govt. of India has also approved the increase of seat capacity of B.Sc. Nursing Course in Regional College of Nursing, Guwahati from 30 to 60.

37) New Well Equipped Modern Emergency Unit at GMC, Guwahati has already started functioning.

38) Open Heart and Bypass Surgery operations have been started in Cardiothoracic Department of GMCH, Guwahati.

39) Enactment of Assam Rural health Regulatory Authority Act, 2004.

40) Establishment of Medical Institute, Jorhat and starting of DMRHC Course in 2005 for creating Rural Health Practitioners to facilitate Health Care Delivery System in Rural Areas. First batch of DMRHC Course has passed out.

41) A new Bone Densitometry Machine has been installed at GMCH, Guwahati and it starts functioning. The cost of the machine is Rs. 45.00 Lakhs.

(খ) অসমত '108-EMRI' গাড়ী ২৭ খন জিলাত ১৪৬ খন কার্যক্ষম হৈ আছে। জিলা ভিত্তিক বিতং তালিকা Annexure-I ত সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) '108-EMRI' সেৱাত এতিয়ালৈ মুঠ ৫০.৩০ কোটি টকা খৰছ হৈছে।

(ঘ) ২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈ স্বাস্থ্য বিভাগত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা আৱণ্টন পোৱা ধনৰ পৰিমাণ এনেধৰণৰ—

Sector	Amount
1. NRHM	Rs. 1299.64 Crores
2. DHS	Rs. 84.19 Crores
3. DHS (FW)	Rs. 105.91 Crores
4. AIDS Control Society	Rs. 55.91 Crores

বিষয় ঃ প্রজেক্ট পেকেজ আৰু দীন দয়াল হাথকর্ঘা প্রোৎসাহন যোজনাৰ দ্বিতীয় কিস্তিৰ ধন সম্পর্কত।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৪৪৭। **মাননীয় হস্ততাঁত বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কেন্দ্রীয় চৰকাৰৰ পৰা সর্বমুঠ কিমান প্রজেক্ট পেকেজ আৰু দীনদয়াল হাথকর্ঘা প্রোৎসাহন যোজনা আঁচনিৰ অনুমোদন হৈছিল?

(খ) উক্ত আঁচনি দুটাৰ দ্বিতীয় কিস্তিৰ ধন প্রাথমিক বোৱা-কটা সমবায় সমিতিসমূহক মুকলি কৰি দিয়া হ'ল নে নাই? সর্বমুঠ কিমানখন মঞ্জুৰী পোৱা প্রাথমিক বোৱা কটা সমবায় সমিতিয়ে উক্ত দ্বিতীয়

কিস্তিৰ ধন লাভ কৰিবলৈ সক্ষম হৈছে?

(বোৱা-কটা সমবায় সমিতিক দিয়া পুঁজিসহ সমিতিৰ নামৰ তালিকা এখন সদনৰ মেজত দাখিল কৰিব)।

(গ) বর্তমান উক্ত আঁচনি দুখন কেন্দ্রীয় চৰকাৰে বন্ধ কৰা নাইনে? যদি বন্ধ কৰিছে, তেনেহ'লে মঞ্জুৰী পোৱা সকলো প্রাথমিক বোৱা-কটা সমবায় সমিতিসমূহে উক্ত দ্বিতীয় কিস্তিৰ পুঁজি লাভ কৰিবলৈ সক্ষম হ'বনে নাই?

(ঘ) মহাত্মা গান্ধী বুনকৰ বীমা আঁচনিটো অসমত কোন চনৰ পৰা ৰূপায়ণ কৰা হৈছে আৰু এতিয়ালৈকে সর্বমুঠ কিমান টকা ব্যয় কৰা হৈছে আৰু কি প্রক্রিয়াৰ মাধ্যমেৰে উক্ত আঁচনিটো ৰূপায়ণ কৰি থকা হৈছে জনাবনে?

শ্রীপ্রণৱ গগৈ (হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) (১) প্রজেক্ট পেকেজ আঁচনি— ৩৬০ টা

(২) দীন দয়াল হাথকর্ঘা প্রোৎসাহন যোজনা — ৪০১ টা

(খ) উক্ত আঁচনি দুখনৰ দ্বিতীয় কিস্তিৰ ধন প্রাথমিক বোৱা-কটা সমবায় সমিতিসমূহক মুকলি কৰি দিয়া হৈছে। প্রজেক্ট পেকেজ আঁচনিৰ অধীনত আর্টফেডকে ধৰি সর্বমুঠ ১২৭ খন আৰু দীনদয়াল হাথকর্ঘা প্রোৎসাহন যোজনাত সর্বমুঠ ১০৬ খন সমবায় সমিতিয়ে দ্বিতীয় কিস্তিৰ ধন লাভ কৰিবলৈ সক্ষম হৈছে। বোৱাকটা সমবায় সমিতিক দিয়া পুঁজিসহ সমিতিৰ নামৰ তালিকা প্র-পত্র 'ক' আৰু

'খ'ত দেখুওৱা হ'ল। (See Annexure-XXIII)

(গ) বর্তমান উক্ত আঁচনি দুখন কেন্দ্রীয় চৰকাৰে বন্ধ কৰিছে। সেয়ে মঞ্জুৰীপ্রাপ্ত সকলো প্রাথমিক বোৱা কটা সমবায় সমিতিয়ে দ্বিতীয় কিস্তিৰ পুঁজি পোৱাৰ আশা ক্ষীণ।

(ঘ) মহাত্মা গান্ধী বুনকৰ বীমা যোজনা আঁচনিখন ভাৰত চৰকাৰে Õü÷î Â২০০৫-০৬ চনৰ পৰা ৰূপায়ন আৰম্ভ কৰিছে।

ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্রশিল্প আৰু জীৱন বীমা নিগমৰ সহযোগত এই আঁচনি ৰূপায়ন কৰা হৈছে। এই আঁচনিৰ অধীনত প্রতি গৰাকী শিপিনীৰ মুঠ জীৱন বীমা প্রিমিয়ামৰ ৩৩০.০০ টকাৰ ভিতৰত ভাৰত চৰকাৰে ১৫০.০০ টকাকৈ, জীৱন বীমা নিগমে ১০০.০০ টকা আৰু শিপিনী এগৰাকীয়ে ৮০.০০ টকা দিব লাগে। অসম চৰকাৰে এই আঁচনিৰ বাবে কোনো ধন ব্যয় কৰিব নালাগে।

বিষয় ঃ পানী যোগান।

শ্রীউদ্ধব বর্মনে সুধিছে ঃ

৪৪৮। **মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী-মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) বৃহত্তৰ গুৱাহাটীত প্রতিদিনে গুৱাহাটীবাসী ৰাইজৰ খোৱাপানী আৰু বিভিন্ন অনুষ্ঠান প্রতিষ্ঠানৰ বাবে কিমান পানীৰ প্রয়োজন?

(খ) পৌৰ নিগম, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু নগৰ পানী যোগান পৰিষদৰ প্রতিটো বিভাগৰ জৰিয়তে কিমান পানীৰ যোগান ধৰি

অহা হৈছে?

(গ) পানী যোগানৰ এই ঘাটি পুৰনৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) কেতিয়ালৈ এই ব্যৱস্থাবোৰ কার্যকৰী হ'ব?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৃহত্তৰ গুৱাহাটীত প্রতিদিনে মুঠ ২৪৩ মিলিয়ন লিটাৰ পানীৰ প্রয়োজন হয়।

(খ) প্রতিদিনে যোগান ধৰি থকা পানীৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

গুৱাহাটী পৌৰ নিগম — ৪২.২৫ মিলিয়ন লিটাৰ।

জনস্বাস্থ্য কাৰিকৰী বিভাগ — ২৩.৬৫ মিলিয়ন লিটাৰ।

নগৰ পানী যোগান পৰিষদ — ৭.৫০ মিলিয়ন লিটাৰ।

সর্বমুঠ — ৭৩.৪০ মিলিয়ন লিটাৰ।

(গ) পানী যোগানৰ উক্ত ঘাটি পূৰণৰ বাবে চাৰিখন পানী যোগান আঁচনিৰ কাম হাতত লোৱা হৈছে।

১। দক্ষিণ গুৱাহাটী পশ্চিম অঞ্চল পানী যোগান আঁচনি।

২। দক্ষিণ গুৱাহাটী কেন্দ্রীয় অঞ্চল পানী যোগান আঁচনি।

৩। দক্ষিণ গুৱাহাটী পূৱ অঞ্চল পানী যোগান আঁচনি।

৪। উত্তৰ গুৱাহাটী পানী যোগান আঁচনি।

(ঘ) উক্ত আঁচনিসমূহ ৰূপায়নৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে কেন্দ্রীয় চৰকাৰৰ (JNNURM)ৰ অন্তর্গত

দক্ষিণ গুৱাহাটী পশ্চিম অঞ্চল পানী যোগান আঁচনিৰ কাম ৰূপায়নৰ বাবে গেমন (Gammon) ইন্দিয়া লিমিটেডক দায়িত্ব অর্পন কৰা হৈছে। অন্য তিনিখন আঁচনি জে আই চি এ (JICA) আৰু এ ডি বি (ADB)ৰ অর্থ সাহার্য্যত সম্পন্ন কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্রহণ কৰা হৈছে।

বৃহত্তৰ গুৱাহাটীৰ খোৱাপানী যোগানৰ বাবে উক্ত প্রকল্প চাৰিটা অহা ৩-৪ বছৰৰ ভিতৰত কার্যকৰী হ'ব।

বিষয় ঃ তালাচী চকী।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৪৪৯। **মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ৰাষ্ট্রীয় ঘাই পথত বন বিভাগৰ কিমানটা তালাচী চকী আছে? আৰু এই চকী সমূহ ক'ত ক'ত আছে?

(খ) এই চেক গেটসমূহ ৰাষ্ট্রীয় ঘাই পথৰ কেন্দ্রীয় মন্ত্রণালয়ৰ দ্বাৰা অনুমোদিত হয়নে?

(গ) যদি নহয়, তেনেহ'লে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিব?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্রীয় ঘাই পথত বন বিভাগৰ মুঠ ১৪ টা তালাচী চকী (Check gate) আছে। উক্ত চকীসমূহ হ'ল—

স্থান	জিলা	তালাচী চকীৰ সংখ্যা
(ক) কাকপথাৰ	তিনিচুকীয়া	২
(খ) পেঙ্গেৰী	তিনিচুকীয়া	
খানাপাৰা	কামৰূপ মহানগৰ	১
উপৰহালী	কামৰূপ	১
দুমুনী চকী	দৰং	১
শ্রীৰামপুৰ	কোকৰাঝাৰ	১
ছাগলীয়া	ধুবুৰী	১
উত্তৰ শালমাৰা	বঙাইগাঁও	১
ৰাখালডুবি	বঙাইগাঁও	১
লাইলাপুৰ	কাছাৰ	১
(সীমান্ত অঞ্চল)		
বলেশ্বৰ	কাছাৰ	১
কালাইন	কাছাৰ	১
চুৰাইবাৰী	কৰিমগঞ্জ	১
ৰামনাথপুৰ	হাইলাকান্দি	১
অসম চৰকাৰে গঠন কৰি দিয়া		১৪ নং

(খ) বনবিভাগে কেন্দ্রীয় চৰকাৰৰ অনুমোদনৰ কাৰণে যোগাযোগ কৰিছে আৰু বর্তমানলৈ অনুমোদনৰ অপেক্ষা কৰি আছে।

(গ) বনবিভাগে পৰীক্ষা চকীসমূহ বনজ সম্পদ, বনাবৰণ আৰু ৰাইজৰ স্বার্থত বর্তমান কার্য্যক্ষম কৰি ৰাখিব।

Sub : Rainfall in Assam.

Dr. Aditya Langthasa asked :

450. Will the Minister of Environment and Forest be pleased to state :

(a) What was the annual average rainfall in Assam during the last ten years?

(Give details of annual average rainfall of each year)

(b) How many rain shade areas are there in Assam?

(Give the names of these areas)

Shri Rockybul Hussain (Minister, Environment and Forest) replied :

(a) The annual average rainfall in Assam during last ten years (from 1999 to 2008) was as below :

1999	2670.4 mm
2000	2275.5 mm
2001	1967.5 mm
2002	2138.9 mm
2003	2268.4 mm
2004	2704.3 mm

2005	2269.9 mm
2006	1750.2 mm
2007	2076.3 mm
2008	2048.1 mm

(b) There is no such specific information available with Agriculture Department. However, as informed by IMD, Borjhar there are three areas (Rain Shade areas) in the State, where amount of annual rainfall received in much lesser than other areas. These areas are :-

(a) Lanka-Lumding area of Nagaon District.

(b) Sarupathar area of Golaghat District.

(c) Hamren and Diphu area of Karbi Anglong District.

Sub : NIC of Block Office

Sri Mission Ranjan Das asked:

451. Will the Minister of Information Technology be pleased to state :

(a) Is it fact that the Government has withdrawn the internet facility from the National Information Centres (NICs) in all Block

Development Offices in the state and due to this strong public resentment has been created throughout the state?

(b) If so, whether the Government will reconsider the matter and restore the facility in the interest of the students?

Dr. Himanta Biswa Sarma (Minister of Information Technology) replied :

(a) There are no NIC offices in BDOs'. offices.

(b) Does not arise.

বিষয় ঃ উপ-স্বাস্থ্যকেন্দ্র স্থাপন।

শ্রীগুনেশ্বৰ দাসে সুধিছে ঃ

৪৫২। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ২০০৭-২০০৮ আৰু ২০০৮-২০০৯ বৰ্ষত অসমৰ বিভিন্ন সমষ্টিত কিমানটা উপ-স্বাস্থ্য কেন্দ্র নির্মাণৰ বাবে কিমান টকা আৱণ্টন দিয়া হ'ল?

(খ) ইতিমধ্যে কিমানটা Sub-Centre নির্মাণ কার্য সম্পূর্ণ হৈ উঠিল আৰু এতিয়াও কিমানটা Sub-Centre অসম্পূর্ণ অৱস্থাত আছে?

(বিতং তথ্য সদনত জনাব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৭-০৮ আৰু ২০০৮-২০০৯ বর্ষৰ ভিতৰত অসমৰ বিভিন্ন সমষ্টিত মুঠ ৭০৬ টা উপ-স্বাস্থ্য কেন্দ্রৰ গৃহ নির্মাণৰ বাবদ মুঠ ৫২.৯৫ কোটি (বাৱন্ন কোটি পঞ্চানব্বে লাখ) টকা আৱণ্টন দিয়া হয়।

(খ) ইং ৩১ মে, ২০০৯ লৈকে সর্বমুঠ ৭০৬ টা উপ-স্বাস্থ্য কেন্দ্রৰ বিপৰীতে ৫৫ টাৰ নির্মাণ কার্য শেষ হৈছে আৰু ৬৫১ (ছয়শ একাৱন্ন)টা অসম্পূর্ণ অৱস্থাত আছে। বিতং তথ্য Annexure-A সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ ভাড়া ঘৰত থকা স্বাস্থ্য উপ-কেন্দ্রৰ সংখ্যা।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

৪৫৩। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত কিমান সংখ্যক স্বাস্থ্য উপ-কেন্দ্র আৰু তাৰে কিমান ভাড়া ঘৰত আছে?

(খ) ৮৩ নং ধিং বিধান সভা সমষ্টিত নতুনকৈ স্বাস্থ্য উপ-কেন্দ্র স্থাপনৰ ব্যৱস্থা লোৱা হৈছে নেকি?

(গ) যদি লৈছে, কোন কোন ঠাইত?

(বিতং তথ্য সহকাৰে জনাব)

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত স্বাস্থ্য সঞ্চালক (পৰিয়াল কল্যাণ)ৰ ৪৫৯২ টা আৰু স্বাস্থ্য সেৱা সঞ্চালকৰ অধীনত ৩৫২ টা মুঠ ৪৯৪৪ টা কার্যক্ষম (Functional) স্বাস্থ্য উপকেন্দ্র আছে।

ইয়াৰে ২৬৭৬ টা স্বাস্থ্য উপকেন্দ্র ভাড়াঘৰত চলি আছে।

(খ) লোৱা হোৱা নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ পৰিৱেশ বিনষ্ট।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

৪৫৪। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাৰি শাৰীযুক্ত ৰাষ্ট্রীয় ঘাইপথ নির্মাণৰ বাবে ৰাষ্ট্রীয় ঘাই পথৰ দুয়ো কাষে থকা গছবোৰ কটাৰ ফলত পৰিৱেশ বিনষ্ট হোৱা বুলি চৰকাৰে ভাবেনে?

(খ) যদি ভাৱে, তেন্তে পুনৰ পূর্বৰ পৰিৱেশ ঘুৰাই অনাৰ বাবে কিবা বাস্তব ব্যৱস্থা চৰকাৰে লৈছেনে?

(গ) যদি লৈছে, কি ব্যৱস্থা লৈছে?

(ঘ) ৰাষ্ট্রীয় ঘাই পথৰ দুয়োকাষে থকা এই মূল্যবান গছবোৰ কাটি ইয়াৰ

পৰা চৰকাৰে কিমান ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হ'ল?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চাৰি শাৰী যুক্ত ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণৰ বাবে ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োকাষে থকা গছবোৰ কটাৰ ফলত আংশিকভাৱে পৰিৱেশ বিনষ্ট হোৱা বুলি অনুমান কৰা হৈছে যদিও এখন দেশৰ পথ যাতায়তৰ সামগ্ৰিক উন্নতিৰ কাৰণে উক্ত কাৰ্য অপৰিহাৰ্য।

(খ) পূৰ্বৰ পৰিৱেশ ঘূৰাই অনাৰ বাবে উক্ত চাৰি শাৰী যুক্ত পথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত পথৰ দুয়ো কাষে ও মাজত ভাৰত চৰকাৰৰ NHAI ৰ আঁচনি/অনুমোদন সাপেক্ষে তিনিগুণ বেছিকৈ গছ পুলি ৰোপন কৰা হ'ব।

(গ) এই সংক্ৰান্তত পথৰ মাজত ও দুয়োকাষে গছ পুলি ৰোপন কৰাৰ বাবে যাৱতীয় পুলিবাগান (নাৰ্চাৰী) ইতিমধ্যে কাৰ্যকৰি কৰি ওচৰৰ ৰাইজক বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োকাষে থকা এই মূল্যবান গছবোৰ কাটি বিভাগীয় নিয়ম অনুযায়ী নিবিদা যোগে বিক্ৰী কৰি সৰ্বমুঠ ১,৮১,৪৪,৩১৭.০০ (এক কোটি একাশি লাখ চৈচল্লিশ হাজাৰ তিনিশ সোঁতৰ) টকা সংগ্ৰহ কৰা হৈছে। (ৰাজহৰ সংগৃহীত তথ্য যোৱা ৩০/৪/২০০৯ ইং তাৰিখ লৈকে)

বিষয় ঃ শিপিনী বিলাকৰ আঁচনি।

শ্রীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৪৫৫। মাননীয় হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কৰিমগঞ্জ জিলাত দৰিদ্র সীমা ৰেখাৰ তলত বসবাস কৰা কিমান হস্ততাঁত শিপিনীৰ নামত সূতা বিতৰণ কৰা হৈছে?

(শিপিনীসকলৰ নাম, ঠিকনা আৰু তেওঁলোকৰ BPL Certificate সদনৰ মেজত দাখিল কৰিব)

(খ) দৰিদ্র সীমাৰেখাৰ তলত নথকা শিপিনীসকলৰ নাম অন্তর্ভুক্ত কৰাৰ কাৰণে Joint Deirector Karimganj ক কিবা পৰামর্শ দিছে নেকি?

(গ) যদি নহয়, কৰিমগঞ্জ জিলাৰ হস্ততাঁত বিভাগৰ Director Mr. Deb এ নিয়ম নীতি ভংগ কৰি কি স্বার্থত দৰিদ্র সীমাৰেখাৰ তলত নথকা শিপিনী বিলাকক সূতা দিছে? (বিতং তথ্য দিব)

শ্রীপ্রণৰ গগৈ (হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সর্বমুঠ ২১,৫০০ গৰাকী শিপিনীক সূতা বিতৰণ কৰা হৈছে। হিতাধিকাৰীসকলৰ নাম, ঠিকনা আৰু তেওঁলোকৰ BPL প্রমাণ পত্র আদি সংগ্রহ কৰি থকা হৈছে।

(খ) সূতাৰ হিতাধিকাৰীৰ সন্দর্ভত যিহেতু দুখীয়া শিপিনী সকলকহে লক্ষ্য হিচাপে লোৱা হৈছে, দৰিদ্র সীমাৰেখাৰ তলত থকা অথবা

নথকাসকলক অন্তর্ভুক্ত কৰিবৰ বাবে কৰিমগঞ্জ জিলাৰ হস্ততাঁত আৰু বস্ত্র বিভাগৰ সহকাৰী সঞ্চালকক কিবা পৰামর্শ দিয়াৰ প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

Sub : Upliftment of Harizons.

Captain Robin Bordoloi asked :

456. Will the Minister of Guwahati Development be pleased to state :

(a) Is the Govt. aware of the fact that the Hazizons are now in a very pitiable state in Guwahati City?

(b) If so, whether the Govt. has taken any remedial measures to uplift their living condition particularly as regards their permanent residences, supplying of potable water, free education, sports maintenance of their hygienic condition? (Give details in the table of the House).

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :

(a) It is a fact that living conditions of most of the Harizons in Guwahati are not upto the mark.

(b) Yes, the Government has taken some short term and long term measures to uplift the living conditions of Harizons in Guwahati as follows:

1) Short term measures :-

(i) At present Guwahati Municipal Corporation is running 5 (five) schools with teaching Staffs. No tuition fees is charged from the Harizons students.

(ii) Harizons slum dwellers are provided with drinking water supply free of cost by Guwahati Municipal Corporation at Fatasil Ambari, Morasali and Solapara.

(iii) Separate transformers are also installed at Fatasil, Morasali and Solapara for which energy charges are exclusively born by Guwahati Municipal corporation.

2) Long term measures:-

(i) The State Government has taken up construction of 1234 number of double bedroom RCC housing units at Fatasil,

Morasali and Solapara for accommodation of Harizons. The flats are under construction with all civil amenities like water supply, electricity, community hall, and schools etc. Only on payment of Rs. 2500/- approximately per housing units the dwellers shall get the right over the flats.

(ii) The Government has notified 90 numbers of slums in Guwahati City vide Notification No. GDD.55/2006/185 dtd. 27/2/09 for taking schemes for upliftment of slum dwellers. The biometric survey for this is in process.

বিষয় ঃ তালাচী চকীৰ অবৈধ কার্যকলাপ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৪৫৭। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কইনাধৰা পাহাৰৰ সমীপত থকা চেক গেটসমূহৰ অবৈধ কার্যকলাপ সম্পর্কে বিভিন্ন বাতৰি কাকতত প্রকাশিত বাতৰি সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই অবৈধ কার্যকলাপ সমূহ ৰোধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পূৱ কামৰূপ বন সংমণ্ডলৰ অধীনত কইনাধৰা পাহাৰৰ সমীপত কোনো ধৰণৰ চেক গেট নাই, এটা অস্থায়ী বন শিবিৰহে আছে।

(খ) প্রযোজ্য নহয়।

বিষয় ঃ বনৰীয়া হাতীৰ আক্রমণত নিহত ব্যক্তিৰ পৰিয়ালক আর্থিক ক্ষতিপূৰণ।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

৪৫৮। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বনৰীয়া হাতীয়ে আৱাসিক অঞ্চললৈ আহি তাণ্ডৱ সৃষ্টি কৰাৰ উপৰিও মানুহৰো প্রাণ হানি ঘটোৱাৰ বিষয়ে চৰকাৰে জানেনে? যদি জানে, এইদৰে বনৰীয়া হাতীৰ আক্রমণত মৃত্যু হোৱা পৰিয়াল বর্গক আর্থিক ক্ষতিপূৰণ হিচাপে চৰকাৰে কিমান টকা প্রদান কৰে?

(খ) বনৰীয়া হাতীৰ আক্রমণত মৃত্যু হোৱা লোকজনৰ পৰিয়ালবর্গক আর্থিক ক্ষতিপূৰণ হিচাপে চুবুৰীয়া উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্য চৰকাৰসমূহে কিমান টকা প্রদান কৰে? চৰকাৰৰ হাতত তথ্য আছেনে? যদি আছে, ৰাজ্যৰ নাম উল্লেখ কৰি বিতং তথ্য দাখিল কৰিবনে?

(গ) যোৱা তিনিটা বছৰত ৰাজ্যখনত বনৰীয়া হাতীৰ আক্রমণত

কিমানজন লোকে প্ৰাণ হেৰুৱালে?

(জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(ঘ) ইয়াৰ ক্ষতিপূৰণ হিচাপে ৰাজ্য চৰকাৰে কিমান পুঁজি মোকলাই দিছে?

(জিলা ভিত্তিত তথ্য দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বনৰীয়া হাতীয়ে আবাসিক অঞ্চললৈ আহি তাণ্ডৱ সৃষ্টি কৰা আৰু মানুহৰ প্ৰাণ হানি ঘটোৱাৰ বিষয়ে চৰকাৰ অৱগত। বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হোৱা লোকৰ পৰিয়ালবৰ্গক এককালীন সাহায্য হিচাপে চৰকাৰে ৪০,০০০ (চল্লিশ হাজাৰ) টকা দিয়াৰ ব্যৱস্থা আছে।

(খ) এনে কোনো তথ্য বন বিভাগৰ হাতত নাই।

(গ) যোৱা তিনিটা বছৰত অসমত বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱা লোকৰ সংখ্যা তলত দিয়া হ'ল ঃ

২০০৬	৭৯ জন
২০০৭	৪৪ জন
২০০৮	৪৪ জন

জিলা ভিত্তিক তথ্য সংলগ্ন কৰি দিয়া হ'ল।

(See Annexure-XXIV)

(ঘ) ৰাজ্য চৰকাৰে মানুহৰ মৃত্যু, আহত আৰু খেতি পথাৰ, ঘৰ-দুৱাৰ, বনৰীয়া হাতীয়ে নষ্ট কৰাৰ এককালীন সাহায্য হিচাপে যোৱা তিনিটা বছৰত তলত দিয়া ধৰণে পুঁজি মোকলাই দিছে।

২০০৬-২০০৭ ২৫.৯৩৫ লাখ (হস্তী প্ৰকল্প)

২০০৭-২০০৮ ৪০.০০ লাখ (হস্তী প্ৰকল্প)

২০০৮-২০০৯ ১৪২.৮৬ লাখ (৪২.৮৬ লাখ হস্তী প্ৰকল্প
১০০.০০ লাখ ৰাজ্য চৰকাৰৰ অনুদান)

জিলা ভিত্তিক তথ্য সংলগ্ন কৰি দিয়া হ'ল।

(See Annexure-XXV)

বিষয় ঃ গান্ধী স্মাৰক নিধি।

শ্ৰীৰাজু চাহৰে সুধিছে ঃ

৪৫৯। **মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ১৯৭০ দশকতে চাবুৰা সমষ্টিৰ অন্তৰ্গত ভৰলুৰা গাঁৱত খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰদ্বাৰা গান্ধীস্মাৰক নিধি নামেৰে এটা প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ স্থাপন কৰাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে, এই কেন্দ্ৰটো বন্ধ হৈ থকা আৰু ইয়াৰ ঘৰ-দুৱাৰ আৰু চুমনিখনৰ অৱস্থা অতি শোচনীয় হৈ থকাটো সত্যনে?

(গ) উক্ত প্ৰতিষ্ঠানটিৰ বাবে নিয়োজিত চকীদাৰ শ্ৰীবুদ্ধেশ্বৰ নেওঁগে ডিব্ৰুগড় জিলা খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ কাৰ্যালয়ত কৰ্মৰত হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, জাতিৰ পিতা মহাত্মা গান্ধীৰ নামত স্থাপিত আৰু উৎসৰ্গিত তথা বহু নিবনুৱা যুঁৱক-যুঁৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰিবৰ থল থকা এই গান্ধীস্মাৰক নিধি নামৰ প্ৰশিক্ষণ আৰু

উৎপাদন কেন্দ্রটি পুনৰ কার্যক্ষম কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(ঙ) যদি কৰিছে, কার্যক্ষম কৰাৰ বাবে কি নতুন পৰিকল্পনা গ্ৰহণ কৰিছে?

শ্ৰীপ্ৰণৰ গগৈ (হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জানে।

(খ) সত্য।

(গ) শ্ৰীবুদ্ধেশ্বৰ নেওঁগ (সহায়ক) ডিব্ৰুগড় জিলা খাদী গ্ৰামোদ্যোগ জিলা কার্যালয়তো কর্মৰত হৈ থকা বিষয়ে চৰকাৰ অৱগত।

(ঘ) বর্তমান ব'ৰ্ডৰ আর্থিক অৱস্থা টনকিয়াল নোহোৱা বাবে কেন্দ্রটো কার্যক্ষম কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ অবৈধ কাঠ ফলা মিল।

শ্ৰীগুনীন্দ্ৰ নাথ দাসে সুধিছে ঃ

৪৬০। মাননীয় পৰিৱেশ বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বিভিন্ন স্থানত থকা অবৈধ কাঠফলা মিলবোৰৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই অবৈধ মিলবোৰ বন্ধ কৰি সংৰক্ষিত বনাঞ্চলৰ মূল্যবান গছ-গছনিবোৰ ৰক্ষা কৰিবনে?

(গ) বর্তমানলৈ চৰকাৰে কিমানটা এনে অবৈধ কাঠফলা মিল জব্দ কৰি

গোচৰ পঞ্জীয়ন কৰা হৈছে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অৱগত নহয়। বিভাগে অবৈধ বেণ্ড শ্ব' মিলৰ বিষয়ে জ্ঞাত হোৱাৰ লগে লগেই জব্দ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে।

(খ) প্ৰযোজ্য নহয়।

(গ) ইং ২০০৯ চনত (৩০ জুনলৈকে) অবৈধ ১৫ টা বেণ্ড শ্ব' মিল জব্দ কৰি বনগোচৰ জুৰু কৰা হৈছে।

বিষয় ঃ জননী সুৰক্ষা আঁচনিৰ দুৰ্নীতি।

শ্ৰীগুনেশ্বৰ দাসে সুধিছে ঃ

৪৬১। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰ্তমান অসমত জনসংখ্যা অনুপাতে Doctor আৰু Nurse ৰ সংখ্যা কিমান?

(খ) বৰ্তমান নগাঁও জিলাত কৰ্মৰত Doctor আৰু Nurse ৰ সংখ্যা কিমান? (সমষ্টি ভিত্তিক উল্লেখ কৰিব)

(গ) ৰহা সমষ্টিত Doctor নথকা কিমানখন SHC আছে?

(ঘ) জননী সুৰক্ষা আঁচনিৰ অধীনত বিগত তিনি বছৰত নগাঁও জিলাত কিমান টকা আৱণ্টন দিয়া হ'ল? উক্ত টকা কিমান গৰাকী হিতাধিকাৰীৰ মাজত আবণ্টন কৰা হ'ল?

(চিকিৎসালয়ৰ নামৰ বিপৰীতে হিতাধিকাৰীৰ বিতং তথ্য দিব)

(ঙ) জননী সুৰক্ষা আঁচনিৰ যোগেদি কিমানজন আশা কর্মীলৈ কিমান টকা আৱণ্টন কৰা হৈছিল?

(চ) জননী সুৰক্ষা আঁচনিৰ ধন স্বাস্থ্য বিভাগৰ বিষয়া কর্মচাৰীয়ে আত্মসাৎ কৰাটো সঁচানে? অলপতে Raha LAC ৰ অন্তর্গত Barapujia PHC জননী সুৰক্ষা আঁচনিৰ ধন আত্মসাৎ কৰাটো সত্যনে? এতিয়ালৈকে কিমানজন বিষয়া কর্মচাৰীৰ বিপক্ষে শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে, জনাবনে?

(ছ) এই আঁচনিখনৰ অধীনত অসমৰ সকলো জিলাতে প্রকৃত তদন্ত কৰোৱাৰ দিহা কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান স্বাস্থ্য সঞ্চালকৰ অধীনত কর্মৰত চিকিৎসকৰ সংখ্যা হ'ল ৩০৮৩ জন। এ এন এম ৯১৯১ গৰাকী আৰু জি এন এম ৩৬৫৮ গৰাকী আছে।

(খ) বর্তমান নগাঁও জিলাৰ সমষ্টি ভিত্তিক কর্মৰত ডাক্তৰ আৰু নার্চৰ সংখ্যা তলত উল্লেখ কৰা ধৰণৰ ঃ

সমষ্টি	ডাক্তৰ	জি. এন. এম	এ. এন. এম.
ধিং	১৭	১৪	৩৮
কলিয়াবৰ	৩২	১৮	৮৯

হোজাই	১০	১২	৬১
লামডিং	১৭	৪	৩৯
চামাগুৰি	২১	১৪	৫৮
ৰহমপুৰ	৩০	১৮	৭১
ৰূপহিহাট	৯	৫	৫৫
ৰহা	১৭	৯	৯৫
নগাঁও সদৰ	৫০	৬১	৬৭
যমুনামুখ	৭	৫	৩৩
বটদ্ৰৱা	১৬	৪	৪৩

(গ) বৰ্তমান ৰহা সমষ্টিত ডাক্তৰ নথকা SHC নাই।

(ঘ) বিগত তিনি বছৰত তলত উল্লেখ কৰা ধৰণে টকা আৱণ্টন দিয়া হয়—

২০০৬-২০০৭	৫৯,২২,৬৩৫.০০ টকা
২০০৭-২০০৮	৬,৯০,২২,৭০০.০০ টকা
২০০৮-২০০৯	৬,৬৩,৫০,৫০০.০০ টকা

প্ৰ-পত্ৰ 'ক' (৫ পৃষ্ঠা) দ্ৰষ্টব্য

হিতাধিকাৰীৰ তালিকা সংলগ্ন প্ৰ-পত্ৰ 'খ'ত (৬ পৃষ্ঠা) দেখুৱাই 'ক' আৰু 'খ' সদনৰ মেজত দাখিল কৰা হৈছে।

(ঙ) জননী সুৰক্ষা আঁচনিৰ যোগেদি তলত দিয়া ধৰণৰে আশা কৰ্মীলৈ টকা আৱণ্টন দিয়া হৈছিল—

২০০৭-২০০৮ চন - ২০৩৮ আশা কর্মী- ১২,২২,৮০০.০০ টকা

২০০৭-২০০৯ চন - ১৯৫৬ আশা কর্মী- ১১,৭৩,৬০০.০০ টকা

(চ) জননী সুৰক্ষা যোজনাৰ আঁচনিৰ ধন আত্মসাৎ কৰাৰ ক্ষেত্ৰত অনুসন্ধান অব্যাহত আছে। বৰ্তমান বাৰপুজিয়া প্ৰাথমিক কেন্দ্ৰৰ অধীনৰ দুজন বিষয়াক নিলম্বিত কৰা হৈছে।

(ছ) এই আঁচনিৰ ধন আত্মসাৎ কৰাৰ তথ্য পালে অসমৰ যি কোনো জিলাতে প্ৰকৃত তদন্ত কৰোৱাৰ দিহা কৰা হয়।

বিষয় ঃ আৰ্থিক অনুদান।

শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ

৪৬২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনস্থ অসম চাহ নিগমৰ চাহ বাগিচা সমূহত চৰকাৰে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) টাটা আৰু অসম কোম্পানীৰ অধীনস্থ চাহ বাগিচাসমূহত ইতিমধ্যে চৰকাৰে ১৫ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে যদিও অসম চাহ নিগমৰ অধীনস্থ বাগিচাসমূহত সেই অনুদান কিয় দিয়া হোৱা নাই?

(গ) ৰুগ্ন চাহ বাগিচাসমূহত উক্ত অনুদান দিয়াৰ পৰিকল্পনা আছেনে? যদি আছে, তথ্য সহকাৰে জনাবনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চাহ বাগিচাসমূহত জনগোষ্ঠীৰ স্বাস্থ্যৰ উন্নীতকৰণৰ বাবে

(খ) ইতিমধ্যে ১৩৯ খন চাহ বাগিচাৰ চিকিৎসালয়ত Public Private Partnership (PPP) আঁচনি লোৱা হৈছে। ইয়াৰ মূল উদ্দেশ্যসমূহ এনেধৰণৰ—

(১) চাহ জনগোষ্ঠী ৰাইজৰ মাজত স্বাস্থ্য সেৱা আগবঢ়োৱা,

(২) চাহ বাগিচাৰ চিকিৎসালয়সমূহ পূৰ্বৰ আন্তঃগাঠনি উন্নীতকৰণ,

(৩) স্বাস্থ্য সেৱা উন্নীতকৰণৰ বাবে সা-সঁজুলি ক্ৰয়,

(৪) প্ৰসৱ কক্ষ আৰু শিশুৰ স্বাস্থ্য সেৱা উন্নীতকৰণ কৰা,

(৫) প্ৰয়োজন সাপেক্ষে ডাক্তৰ, নার্চ আৰু পেৰা মেডিকেল ষ্টাফ নিয়োগ কৰা।

অসমৰ চাহ নিগমৰ অধীনস্থ চিকিৎসালয় সমূহতো এই আঁচনিখন সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। Assam Tea Corporation ৰ সহযোগত Facility Survey সম্পূৰ্ণ কৰি আৰু ৫০ খন বাগিচা লোৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ জৰিয়তে প্ৰতি বিত্তীয় বৰ্ষত ১৫.০০ লাখ টকা অনুদান হিচাপে আগবঢ়োৱা হয়।

ইয়াৰ উপৰিও জৰুৰীকালীন সেৱাত ব্যৱহাৰৰ বাবে চাহ বাগিচাৰ চিকিৎসালয়সমূহত চৰকাৰে Ambulance সেৱা আগবঢ়াইছে। উল্লেখ কৰা হয় যে মেলেৰিয়া, ডায়েৰিয়া আদি বেমাৰৰ চিকিৎসা সেৱা চিকিৎসক আৰু ঔষধ আদি যোগান

ধৰা বাগিচা অঞ্চলত বিশেষ চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। ATC ৰ অধীনস্থ বাগিচাসমূহ ইয়াৰ ব্যতিক্ৰম নহয়।

(গ) Public Private Partnership ৰ চৰ্তসমূহ পূৰণ কৰি আগবাঢ়ি আহিলে ৰুগ্ন বাগিচাসমূহেও এই আঁচনিৰ সুফল লাভ কৰিব পাৰিব।

বিষয় ঃ JFMC উৎপাদন।

শ্ৰীজ্যোতিপ্ৰসাদ দাসে সুধিছে ঃ

৪৬৩। **মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ শিংৰা আৰু বোন্দাপাৰা বনাঞ্চলত থকা শামুকা JFMC লালাপাৰা JFMC আদি কৰি সমূহ JFMCত বাঁহ আৰু চেগুণ গছৰ সংখ্যা কিমান আছে? উক্ত গছসমূহৰ বৰ্তমান উচ্চতা কিমান?

(খ) তাৰোপৰি সমূহ JFMCত Medical Plant কি কি ধৰণৰ আছে? গছসমূহৰ বৰ্তমান উচ্চতা কিমান?

(গ) JFMC সমূহে উৎপাদন কৰা আদা, হালধিৰ পৰিমাণ কিমান? প্ৰতিটো JFMC হিচাপে তালিকা অনুগ্ৰহ কৰি দিব?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত শিংৰা আৰু বোন্দাপাৰা বনাঞ্চলত থকা শামুকা নালাপাৰা আদি JFMC ৰ প্ৰকল্প এলেকাত বাঁহ আৰু চেগুন গছৰ জৰীপ কৰা হোৱা নাই।

(খ) JFMC সমূহত অর্জুন, আমলখি, ভোমোৰা, নিম আৰু শিলিখা আদি গছ আছে। সেইবোৰৰ উচ্চতা বর্তমানে জৰীপ কৰা হোৱা নাই।

(খ) JFMC সমূহে উৎপাদন কৰা আদা হালধিৰ পৰিমাণ তলত দেখুৱা হ'ল।

ক্রঃ নং	JFMC নাম	আদাৰ পৰিমাণ	হালধিৰ পৰিমাণ
১।	শামুক	৯৪৫ কিঃ গ্রাঃ	চপোৱা হোৱা নাই
২।	নালাপাৰা	৫০০ কিঃ গ্রাঃ	চপোৱা হোৱা নাই
৩।	নোৱাপাৰা	০	০
৪।	ধূপগুড়ী	৪০০ কিঃ গ্রাঃ	৮০০ কিঃ গ্রাঃ
৫।	ডেকাপাৰা	৩২০ কিঃ গ্রাঃ	৫৬০ কিঃ গ্রাঃ

বিষয়ঃ কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ সুৰক্ষা আৰু বন্যপ্রাণী সম্পর্কত।

শ্রীজীতেন গগৈয়ে সুধিছে ঃ

৪৬৪। **মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ ষষ্ঠ সংযোজন প্রক্রিয়াই সংযোজিত এলেকাত বসতি কৰি থকা খিলঞ্জীয়া লোকসকলৰ উচ্ছেদ কৰিবলৈ লোৱা কার্যই জীৱ শ্রেষ্ঠ মানৱতাৰ পৰিপন্থী হোৱা নাইনে? (তথ্য সহকাৰে জনাব)

(খ) ৰাষ্ট্রীয় উদ্যানখন সুৰক্ষাৰ বাবে বর্তমান কিমান সংখ্যক সশস্ত্র

বনকর্মী নিয়োজিত হৈ আছে? (তথ্য সহকাৰে জনাব)

(গ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা দিনৰ পৰা বর্তমানলৈকে পৃথিৱী বিখ্যাত এশিঙিয়া গড়ৰ স্বাভাৱিক মৃত্যুৰ হাৰ বর্তমানলৈকে কিমান আৰু চো�ৰাং চিকাৰীৰ হাতত কিমান গড় মৃত্যু হৈছে?

(ঘ) স্বাভাৱিকভাৱে মৃত্যু হোৱা এশিঙিয়া গড়ৰ শিং সমূহ বর্তমান চৰকাৰে কেনেধৰণে সংৰক্ষিত কৰিছে এই সম্পর্কে সম্পূর্ণ তথ্য দিবনে?

(ঙ) ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা দিনৰ পৰা বর্তমানলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত বন বিভাগে কি কি অভিলাষী আঁচনি গ্ৰহণ কৰিছে?

(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(চ) ৰাষ্ট্ৰীয় উদ্যানখনলৈ বিদেশী ৰাষ্ট্ৰৰ পৰা কিমান সংখ্যক বৈদেশিক পুঁজি আহিছে আৰু এই পুঁজিসমূহ কি কি শিতানত খৰছ কৰা হ'ল? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(ছ) ৰাজ্য চৰকাৰে ব্যাঘ্ৰ প্ৰকল্প লোৱাৰ উদ্দেশ্যসমূহ কি?

(জ) বর্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত খাল বিলবোৰ বছৰি বছৰি হৈ থকা বানপানীৰ কৱলত পৰি বাম হৈ অহাত অন্য প্ৰাণী বিলাকে খোৱাপানীৰ অভাৱত মৃত্যুক সাৱতি ল'ব লগা হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঝ) যদি অৱগত উক্ত সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰে কিবা আঁচনি

গ্রহণ কৰিছেনে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ প্রস্তাৱিত ষষ্ঠ সংযোজনৰ মুঠ আয়তন ৩৭৬ বর্গ কিঃ মিঃ আৰু এই সংযোজন পূর্বে গোলাঘাট ও শোণিতপুৰ জিলাৰ উমৈহতীয়া সীমাৰ পৰা আৰম্ভ কৰি পশ্চিমে কলিয়াভোমোৰা দলংলৈকে বিস্তৃত।

এই এলেকাত সৰু ডাঙৰ বহুতো বালিচাপৰি আছে। এই চাপৰিসমূহত বনৰীয়া জীৱ-জন্তুৰ বাসপোযোগী ঘাঁহনি আছে। সেয়েহে ইয়াৰ জীৱজন্তুৰ সুৰক্ষাৰ বাবে এই চাপৰিসমূহ আৰু উক্ত এলেকাৰ ব্রহ্মপুত্রৰ জলাশয় অতি অপৰিহার্য।

এইটো সত্য যে উক্ত প্রস্তাৱিত ষষ্ঠ সংযোজনত কিছুমান গৰু ম'হ পালন কৰা লোকৰ অস্থায়ী খুটি আছে। তেওঁলোকক এনে খুটি পাতিবৰ বাবে কোনো ধৰণৰ অধিকাৰ দিয়া হোৱা নাই। ইয়াৰ ওপৰিও এই লোকসকলক নিজৰ স্থায়ী বাসপযোগী গাঁও আছে। যি কি নহওক, উক্ত প্রস্তাৱিত ষষ্ঠ সংযোজনৰ লগত জড়িত আপত্তিকাৰীসকলৰ অভিযোগ নিষ্পত্তি কৰিবৰ বাবে চৰকাৰে ইতিমধ্যে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ প্রধানসচিবক 'Wildife Protection Act, 1972' ৰ নির্দ্ধাৰিত ধাৰা অনুসৰি দায়িত্ব দিয়া হৈছে আৰু তেখেতে এই অভিযোগসমূহৰ নিষ্পত্তি প্রক্রিয়া বর্তমানে অব্যাহত ৰাখিছে।

(খ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানখনৰ সুৰক্ষাৰ বাবে বর্তমান নিয়োজিত হৈ

থকা সশস্ত্র বনকর্মীৰ তালিকা তলত দিয়া হ'ল—

১।	উপ বনসংপালক	—	৮ জন
২।	বনপালক ১	—	৪৩ জন
৩।	বনপালক ২	—	১০ জন
৪।	বনৰক্ষী	—	৯৫ জন
৫।	বনপ্রহৰী	—	৫২ জন

ইয়াৰোপৰি সশস্ত্র গৃহৰক্ষী ১৭০ জন আৰু অসম বনসুৰক্ষা বাহিনীৰ ৪৮ জন জোৱান নিয়োজিত কৰা হৈছে।

(গ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যান ঘোষণা কৰা দিনৰ অর্থাৎ ১১-০২-১৯৭৪ৰ পৰা বর্তমানলৈকে স্বাভাৱিক কাৰণত ও চোৰাংচিকাৰীৰ হাতত মৃত গঁড় তালিকা ২৪-০৬-২০০৯ তাৰিখলৈকে তলত উল্লেখ কৰা হ'ল—

চোৰাং চিকাৰীৰ হাতত মৃত্যু	স্বাভাৱিক কাৰণত মৃত্যু		মুঠ	সর্ব মুঠ
	প্রাপ্ত বয়স্ক	পোৱালী		
৬০৭	১২৫২	৫৯৭	১৮৪৯	২৪৫৬

(ঘ) স্বাভাৱিকভাৱে মৃত্যু হোৱা গঁড়ৰ শিং সমূহ সংগ্রহ কৰি জিলা কোষাগাৰত জমা ৰখা হয়। বর্তমানলৈকে সংগ্রহ কৰা গঁড়ৰ শিঙৰ বিতং তথ্য এনেধৰণৰ—

গোলাঘাট জিলা কোষাগাৰত জমা আছে— ১০৫৮ টা।

নগাঁও জিলা কোষাগাৰত জমা আছে— ১৫৯ টা।

কঁহৰা ৰেঞ্জৰ মালখানা ও অন্যান্য ৰেঞ্জত জমা আছে— ৮১ টা।

ডেৰাডুনস্থিত ৱাইল্ড লাইফ ইনষ্টিটিউটত অৰ ইণ্ডিয়াত গৱেষনাৰ বাবে ৰখা হৈছে— ৫ টা।

মুঠ — ১৩০৩ টা।

(ঙ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা দিনৰ পৰা বর্তমানলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে বনবিভাগৰ জৰিয়তে অভিলাষী আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল—

কেন্দ্ৰীয় চৰকাৰৰ আৱণ্টিত পুঁজিৰ আঁচনি—

(i) Rhino Conservation Scheme (up to the year 2005-06)

(ii) Development of National Park and Wildife Sanctuaries.

(iii) Project Elephant (from the year 1996-)

(iv) Additional Central Assistance for development of Kaziranga National Park Scheme (Alloted during the year 2006-07 only)

(v) Project Tiger Scheme (Allotement made during the year 2008-09)

ৰাজ্যিক চৰকাৰৰ আৱণ্টিত পুঁজিৰ অভিলাষী আঁচনি—

(i) Development of National Park and Sanctuaries Scheme (Allotement made from 2008-09).

(ii) Twelfth Finence Commission Award Scheme (Allotement made from the year 2006-07).

উল্লেখিত কেন্দ্রীয় চৰকাৰৰ ও ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ দ্বাৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গৃহ নিৰ্মাণ ও মেৰামতি, উদ্যানৰ বাট-পথ নিৰ্মাণ ও মেৰামতিকে ধৰি উদ্যানৰ সংৰক্ষণৰ যাৱতীয় কামসমূহ কৰা হয়।

ইয়াৰ ওপৰিও কেন্দ্রীয় চৰকাৰৰ দ্বাৰা চালিত Rhino Conservation Scheme ত কর্মচাৰীৰ বেতন দিয়া হৈছিল।

Project Tiger Scheme ত কর্মচাৰীৰ প্রকল্প ভাত্তা দিয়া হয়।

ৰাজ্য চৰকাৰৰ দ্বাৰা চালিত Development of National Park and Sanctuaries Scheme অধীনত ৰাষ্ট্ৰীয় উদ্যান সুৰক্ষাৰ বাবে নিয়োজিত গৃহৰক্ষীৰ দিন মজুৰি দিয়া হয়।

কেন্দ্রীয় চৰকাৰৰ দ্বাৰা চালিত Project Elephant Scheme ৰ অধীনত অন্যান্য কামৰ লগতে বন্যপ্রাণীয়ে অনিষ্ট কৰা শস্য, সা-সম্পত্তি, জীৱ-জন্তু আৰু মানুহৰ প্রাণ নাশৰ বাবে পাবলগা ক্ষতিপূৰণ দিয়া হয়।

(চ) ৰাষ্ট্ৰীয় উদ্যানখনলৈ অহা বিদেশী ৰাষ্ট্ৰৰ পুঁজি ও খৰচৰ তালিকা তলত উল্লেখ কৰা হ'ল—

১। ইউনেস্ক' - ১৯৯৯ চন - মুঠ টকা ১৮,৯৪,৯৫০/-

১) ১০ টা শিবিৰ নির্মাণ।

(ক) কাজিৰঙা ৰেঞ্জ - ৪ টা।

(খ) বাগৰি ৰেঞ্জ - ৪ টা।

(গ) আগৰাতলি - ২ টা।

২) ওখ ভেটি নির্মাণ - ৫ টা।

(ক) কাজিৰঙা ৰেঞ্জ - ২ টা।

(খ) বাগৰি ৰেঞ্জ - ৩ টা।

২। ই, আই, এ, ইউ. কে. ১৯৯৯ চন মুঠ টকা ৪৭,০০০/-
অ. বি. এম আৰু এম্বুলেন্স মেৰামতিৰ বাবদ।

১৯৯৯-২০০০ মুঠ টকা ১১,০৩,৬০০/- ৫ টা শিবিৰ নির্মাণ

(ক) কাজিৰঙা ৰেঞ্জ - ২ টা।

(খ) বাগৰি ৰেঞ্জ - ২ টা।

(গ) আগৰাতলি - ১ টা।

এম্বুলেন্স আৰু ট্রেক্টৰ মেৰামতিৰ বাবদ।

২০০১-০২ মুঠ টকা ৪,২২,০০০/- যন্ত্রচালিত নাও ও সৌৰশক্তি চালিত ব'র্ড ক্রয়ৰ বাবদ।

২০০২-০৩ মুঠ টকা ৪৪,০০০/- সৌৰশক্তি চালিত বর্ড ক্রয়ৰ বাবদ।

২০০৩-০৪ মুঠ টকা ১,২৭,৫৮৪/- বিভাগীয় পোচাকৰ বাবদ।

৩। ইউ, এচ. ফিচ এণ্ড
ৰাইল্ড লাইফ চার্ভিচ ২০০০ মুঠ টকা ৮,০০,০০০ (১ম কিস্তি)

৪ টা শিবিৰ নির্মাণৰ বাবদ।

(ক) কাজিৰঙা ৰেঞ্জ - ১ টা।
(খ) বাগৰি ৰেঞ্জ - ২ টা।
(গ) আগৰাতলি - ১ টা।

২০০১-০২ মুঠ টকা ৫,০০,০০০/- -ঐ- (২য় কিস্তি)
২০০২-০৩ মুঠ টকা ১৩,০০০/- শিবিৰ নির্মাণ।
২০০৪-০৫ মুঠ টকা ২০,৬০,০০/- শিবিৰ ও দর্শন চূড়া।

(ক) কাজিৰঙা
(খ) বাগৰি
(গ) আগৰাতলি
(ঘ) বুঢ়া পাহাৰ।

২০০৬-০৭ মুঠ টকা ১,৫০,০০০/- -দুখন বিভাগীয় জিপচ্চি মেৰামতিৰ বাবদ।

৪। ইণ্টাৰনেশ্যনেল ৰাইন' ফাউণ্ডেচন, ইউ. এছ. এ. ২০০০ মুঠ টকা ২,১২,৯৬৬/- গোপন খবৰ সংগ্রহৰ বাবদ খৰচ।
২০০৮-০৯ বর্ষত বৈদেশিক ৰাষ্ট্রৰ পুঁজি পোৱা নাই।

(ছ) ৰাজ্য চৰকাৰে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানক ব্যাঘ্র প্রকল্প হিচাপে লোৱাৰ মূল উদ্দেশ্য সমূহ তলত দিয়া হ'ল—

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমানে থকা বাঘসমূহ জীয়াই ৰখা আৰু ইয়াৰ সংখ্যা বৃদ্ধি হোৱাটো নিশ্চিত কৰা।

২। শিক্ষা, গৱেষণা ও পৰ্যটনৰ ক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক এখন জৈৱিক গুৰুত্ব থকা প্ৰাকৃতিক ঐতিহ্য ক্ষেত্ৰ হিচাপে চিৰদিনৰ বাবে সংৰক্ষণ কৰা।

৩। প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষাৰ দিশত বাঘক শীৰ্ষত ৰাখি অন্য গুৰুত্বপূৰ্ণ জীৱ-জন্তু যেনে— গড়ঁ, হাতী, দ'ল হৰিনা, বনৰীয়া ম'হ, খটিয়া পহু, শৰ পহু; সুগৰি পহু, মাটি গাহৰি আদিৰ সংৰক্ষণৰ বৈজ্ঞানিক ব্যৱস্থাপনা কৰা।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমগ্ৰ আৱাসভূমিক বৈজ্ঞানিক নীতি নিয়মেৰে সুৰক্ষা প্ৰদান আৰু তত্বাৱধান কৰাটো নিশ্চিত কৰা।

৫। কাৰ্যদক্ষতা বৃদ্ধি ও ক্ষমতা প্ৰদানৰ জৰিয়তে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ নিকটৱৰ্তী লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে ক্ষেত্ৰ ভিত্তিক আৰ্থ উন্নয়ন আঁচনি (Eco-development Programme) গ্ৰহণ কৰি ব্যাঘ্ৰ সংৰক্ষিত এলেকাৰ সম্পদৰাজিৰ ওপৰত তেখেত সকলৰ নিৰ্ভৰশীলতা হ্ৰাস কৰা।

(জ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত খাল বিলসমূহ বছৰি হৈ অহা বান পানীৰ কাৰণে যদিও কিছু পৰিমাণে বাম হৈ আহিছে, তথাপি পানীৰ অভ্যাৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কোনো জন্তুৰে মৃত্যু ৰৰণ কৰিব লগা হোৱা নাই।

(ঝ) চলিত বৰ্ষত বাম হৈ যোৱা কিছুমান বিল শ্ৰমিকৰ দ্বাৰা আৰু প্ৰয়োজন

সাপেক্ষে যান্ত্রিক পদ্ধতিৰে খান্দিবৰ বাবে প্রস্তাৱ প্রেৰণ কৰা হৈছে।

বিষয় ঃ হস্পিতাল নির্মাণৰ টকা।

মোঃ মহিবুল হকে সুধিছে ঃ

***৪৬৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ধুবুৰী চিভিল হাস্পতালৰ বর্তমানে চলি থকা নির্মাণ কার্যৰ বাবে সর্বমুঠ কিমান টকা ধার্য্য কৰা হৈছে?

(খ) ইয়াৰে কিমান টকা ঠিকাদাৰক আদায় দিয়া হৈছে?

(গ) আদায় দিয়াৰ আগতে কামৰ অগ্রগতি তথা Quality সম্পর্কে পৰীক্ষা-নিৰীক্ষা কৰা হৈছেনে? যদি হৈছে, ইয়াৰ প্রতিবেদন সদনত দাখিল কৰিবনে?

(ঘ) Plan & Estimate তথা কামৰ Quality নিম্ন মানদণ্ড হোৱা বুলি উৎত্থাপিত ৰাইজৰ অভিযোগ সম্পর্কে চৰকাৰে এক তদন্ত কৰি ইয়াৰ প্রতিবেদন সদনত দাখিল কৰিবনে?

(ঙ) যিহেতু হস্পিতালখন জিলা সদৰ হস্পিতাল সেয়ে পৰিচালনা সমিতিত জিলাখনৰ আটাইবোৰ বিধায়কক অন্তর্ভুক্তি কৰাৰ ব্যৱস্থা কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী অসামৰিক চিকিৎসালয়খনৰ বর্তমানে চলি থকা নির্মাণ কার্যৰ

বাবে সর্বমুঠ ৭,১৪,৪৭,৫১৯.০০ (সাত কোটি চৈধ্য লাখ সাতচল্লিশ হাজাৰ পাঁচশ ঊনৈশ) টকা ধার্য্য কৰা হৈছে।

(খ) ইয়াৰে ২,৪৭,৫৯,৭৩৮.০০ (দুই কোটি সাতচল্লিশ লাখ ঊণষাঠি হাজাৰ সাত শ আঠত্রিশ) টকা ঠিকাদাৰক ৮ জুলাই, ২০০৯ লৈকে আদায় দিয়া হয়।

(গ) আদায় দিয়াৰ আগতে কামৰ অগ্রগতি তথা Quality সম্পর্কে পৰীক্ষা-নিৰীক্ষা কৰা হৈছে। ইয়াৰ প্রতিবেদন সদনৰ মেজত দাখিল কৰা হ'ল (Annexure-A)। (See Annexure-XXVI)

(ঘ) তদন্তৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰা হ'ল (Annexure-A)। (See Annexure-XXVII)

(ঙ) বর্তমান চিন্তা কৰা হোৱা নাই।

Sub : Jawaharlal Nehru National Urban Renewal Mission.

Dr. Alaka Sarma asked :

466. Will the Minister of Guwahati Development Department be pleased to state :

(a) Which schemes have been taken up under JNNURM? How much money has been sanctioned till 31-3-2009 for the same?

(Kindly give schemewise break-up)

(b) What is the progress of each of the schemes, taken up under JNNURM?

(c) What is the mode of implementation? Whether there is any nodal implementation agency?

Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :

(a) The following Schemes are taken up under JNNURM.

Name of the Scheme	Approved Amount	Amount released up to 31-3-2009
	Rs. in Crore.	Rs. in Crore.
1. Solid Waste Management Project	35.17 -	8.79
2. South Guwahati West Water Supply Scheme.	280.94 -	69.53
3. Basic Services for Urban poor Scheme.	108.44 -	13.23
4. Purchase of Buses.	52.55 -	Nil.
5. Community Participation Fund.	0.43 -	0.43

(b) The progress of the each scheme taken up under JNNURM are as follow :-

1) Solid Waste Management. – The Project is being executed by Guwahati Municipal Corporation under P.P.P. mode with Ramky Enviro Engineers Ltd. Present Progress - 30%.

2) South Guwahati West Water Supply – After bidding, work has been awarded to M/S Gammon India Ltd. in February/March 2009. The firm has started the execution of construction of water treatment Plant.

3) Basic Services for Urban Poor. – Basic Services for Urban Poor (Phase -I). Project has been awarded to M/S Nymi Enterprise by G.M.C. Work in Progress, 20% progress made.

4) Purchase of Buses – Purchase orders for

50 numbers of buses placed to Tata Motors on 30/6/2009. Bid invited for purchase of another 150 number of buses.

5) Community Participation – Executed by Guwahati Municipal Corporation by N.G.Os. all Schemes are in the State of execution.

c) As per guide lines of JNNURM circulated by the Ministry of Urban Development, Government of India, there is a State Level Sanctioning and Monitoring Committee (SLSC) headed by Chief Minister, Assam and State Level Nodal Agency headed by Secretary, Guwahati Development Department. Mode of Implementation of the Projects is throuth Guwahati Municipal Corporation, Guwahati Metropolitan Development Authority and other Govt. Departments throuth a transparent bidding process.

বিষয় ঃ পর্যটকৰ সংখ্যা।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৪৬৭। মাননীয় পর্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮-২০০৯ চনৰ ১মে' লৈকে দেশী আৰু বিদেশী পৰ্যটকৰ সংখ্যা কি?

(খ) ডিব্ৰুগড় জিলাত দেশী আৰু বিদেশী পৰ্যটকৰ সংখ্যা কিমান? (২০০৮-২০০৯, ১ মে' পৰ্যন্ত)

(গ) পৰ্যটকক আকৰ্ষণ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা লৈছে? (বিতং ভাৱে জনাব)

(ঘ) ২০০৮-২০০৯ চনৰ ১ মে' লৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যটন ক্ষেত্ৰত চৰকাৰে কিমান টকা আৱণ্টন পালে?

শ্ৰীৰকিবুল হুছেইন (পৰ্যটন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-২০০৯ চনৰ ১ মে' লৈকে অসমলৈ দেশী পৰ্যটক ৪১,৩৫,২৫৪ জন আৰু বিদেশী পৰ্যটক ১৬,০৩৮ জন।

(খ) ২০০৮-২০০৯ চনৰ বিত্তীয় বৰ্ষত ডিব্ৰুগড় জিলাৰ বিদেশী ৯২২ জন আৰু দেশী ২,৬১৭ জন পৰ্যটকৰ আগমন ঘটে।

(গ) পৰ্যটকৰ আকৰ্ষণৰ বাবে চৰকাৰে নানা ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ ভিতৰত তলত উল্লেখ কৰাৰ দৰে—

১। বিভিন্ন কাকত-পত্ৰত বিজ্ঞাপন দিয়া হয়।

২। উৎসৱ-মেলা আদিত বেনাৰ আঁৰি পৰ্যটকক আকৰ্ষিত কৰা হয়।

৩। গুৱাহাটী, কামাখ্যা, শিৱসাগৰ, মাজুলী আদি পৰ্যটন কেন্দ্ৰৰ বিষয়ে প্ৰচাৰ-পুস্তিকা ফটোসহ প্ৰস্তুত কৰি পৰ্যটকৰ মাজত বিতৰণ কৰা হৈছে।

৪। পর্যটক থাকিবৰ বাবে ৰাজ্যৰ ১৫ ঠাইত Lodge নির্মাণ কৰা আছে আৰু কেবা ঠাইত Lodge নির্মাণ কৰি থকা হৈছে।

৫। পর্যটক আকর্ষণ কৰিবলৈ ছুটি চিনেমা নির্মাণৰ ব্যৱস্থা কৰা হৈছে। এই চিনেমা দূৰদর্শনৰ যোগে প্রচাৰ কৰি পর্যটকক আকর্ষিত কৰা হ'ব।

(ঘ) ২০০৮-২০০৯ চনৰ ৩১ মার্চলৈকে কেন্দ্রীয় চৰকাৰৰ পৰা অসম পর্যটন বিভাগক পর্যটন ক্ষেত্রত ১৬৮৬.০৯ লাখ টকা আৱণ্টন পাইছে। ২০০৯-২০১০ চনৰ প্রথম মাহ এপ্রিলত কোনো কেন্দ্রীয় আৱণ্টন পোৱা হোৱা নাই।

বিষয় ঃ গড়ঁ হত্যা।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

৪৬৮। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৭-০৮ আৰু ২০০৮-২০০৯ চনত কাজিৰঙাত চোৰাং চিকাৰীৰ দ্বাৰা কিমানটা গঁড় হত্যা কৰা হৈছে?

(বছৰ ভিত্তিত সংখ্যা দিব)

(খ) গঁড় নিধন ৰোধ কৰাত যাৱতীয় ব্যৱস্থা লোৱাৰ বাবে পৰামর্শ দিয়াৰ অর্থে কিবা বিশেষজ্ঞ কমিতি গঠন কৰা হৈছিল নেকি?

(গ) যদি বিশেষজ্ঞ কমিটি গঠন কৰা হৈছে, তেনেহ'লে এই কমিটিৰ কিমানবাৰ বৈঠক অনুষ্ঠিত হৈছে আৰু কি কি পৰামর্শ এই বিশেষজ্ঞ

কমিটিয়ে চৰকাৰক দিছে?

(ঘ) এই পৰামৰ্শৰলী কাৰ্যকৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে নে?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৭-২০০৮ আৰু ২০০৮-০৯ চনত কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত চোৰাং চিকাৰীৰ দ্বাৰা হত্যা হোৱা গঁড়ৰ সংখ্যা তলত উল্লেখ কৰা হ'ল—

বছৰ	মৃত্যু হোৱা গঁড় সংখ্যা
২০০৭-০৮	১৬ টা
২০০৮-০৯	৩ টা

(খ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত গঁড় নিধন ৰোধ কৰাত যাবতীয় ব্যৱস্থা লোৱাৰ বাবে পৰামৰ্শ দিয়াৰ অৰ্থে জিলা ভিত্তিত 'Commitee for Prevention of Rhino Poaching and Wildife Crime Control' নামেৰে ২১/০৬/২০০৭ তাৰিখে অসম চৰকাৰে চিঠি নং FRW/18/2003/pt/12 মতে এখন ১১ জনীয়া সদস্যৰে গঠিত এখন কমিটি গঠন কৰি দিয়া হৈছে।

কমিটিখনৰ সদস্যসকল তলত দিয়া ধৰণৰ—

১। আৰক্ষী অধীক্ষক, নগাঁও } জ্যেষ্ঠ আৰক্ষী অধীক্ষক সভাপতি
২। আৰক্ষী অধীক্ষক, গোলাঘাট }

৩। বন সংমণ্ডল প্রাধীকাৰি পূঃঅঃবঃপ্রঃ সংমণ্ডল — আহ্বায়ক

৪। বনাঞ্চলিক বিষয়া কাজিৰঙা বনাঞ্চল, কহঁৰা — সদস্য

৫। বনাঞ্চলিক বিষয়া পূব বনাঞ্চল, আগৰাতলি — সদস্য

৬। বনাঞ্চলিক বিষয়া পশ্চিম বনাঞ্চল, বাগৰি — সদস্য

৭। বনাঞ্চলিক ষিষয়া বুঢ়াপাহাৰ বনাঞ্চল, ঘোৰাকাটি — সদস্য

৮। ভাৰপ্ৰাপ্ত বিষয়া, বোকাখাত আৰক্ষী থানা — সদস্য

৯। ভাৰপ্ৰাপ্ত বিষয়া, জখলাবন্ধা আৰক্ষী থানা — সদস্য

১০। ভাৰপ্ৰাপ্ত বিষয়া, কঁহৰা আৰক্ষী নিৰেশ — সদস্য

১১। ভাৰপ্ৰাপ্ত বিষয়া, বগৰী পেট্রল পোষ্ট — সদস্য

উক্ত কমিটিখনত ডি আই জি ইষ্টার্ণ ৰেঞ্জ সঞ্চালক কাজিৰঙা ৰাষ্ট্রীয় উদ্যান, বনসংৰক্ষক, পূব অসম মহকুমাধিপতি, বোকাখাত মহকুমাধিপতি, কলিয়াবৰক উপদেষ্টা হিচাপে ৰখা হৈছে।

তাৰোপৰি বন্যপ্রাণী (সুৰক্ষা) আইন ১৯৭২ চনৰ সংশোধন ঘটাই বন্যপ্রাণী (সুৰক্ষা) (সংশোধনী) আইন, ২০০৯ৰ যোগেদি চোৰাং চিকাৰীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ বাবে বিধান সভাৰ চালিত অধিৱেশনতে প্রস্তাৱ ৰখা হৈছে। ই এক যুগান্তকাৰী পদক্ষেপ হ'ব।

(গ) এই কমিটিখনৰ বৈঠক এতিয়ালৈকে দহ বাৰ অনুষ্ঠিত হৈছে। এই কমিটিখনত সাধাৰণতে গঁড়ৰ চোৰাং চিকাৰ ৰোদ কৰিবৰ বাবে বিশেষকৈ পুলিচ বিভাগ আৰু বন বিভাগে যুটিয়াভাৱে ল'বলগীয়া কার্যসূচী বিলাক নির্ণয় কৰে। ইয়াৰ ওপৰিও উক্ত দুয়োটা বিভাগৰ হাতত থকা গোপন তথ্যসমূহ বিনিময় কৰা হয়। উক্ত কমিটিখনে প্রত্যেক বৈঠকত কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ বনকর্মীসকলৰ অস্ত্র-শস্ত্রৰ যথোপযুক্ত প্রশিক্ষণৰ ওপৰত মতপোষণ কৰি আহিছে। এই কমিটিখন গঠন কৰাৰ পিছৰে স্থানীয় ভিত্তিত পুলিচ আৰু বন বিভাগৰ

চোৰাংচিকাৰীৰ বিৰুদ্ধে যুটিয়া অভিযান চলোৱাত সহায় হৈছে আৰু এনে অভিযান ফলপ্ৰসু হৈছে।

(ঘ) উক্ত কমিটিৰ দ্বাৰা নিৰ্ণয় কৰা কাৰ্যসূচীসমূহ পৰৱৰ্তী ফলপ্ৰসুভাৱে ৰূপায়ণ কৰি অহা হৈছে।

বিষয় ঃ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ।

শ্ৰীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৪৬৯। **মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰাক উপত্যকাৰ পাচগ্ৰাম কাগজ কলৰ ওচৰত বাস কৰা বাসিন্দাসকলৰ বাবে প্ৰদূষণমুক্ত পৰিৱেশ সৃষ্টি কৰাৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, কি কি পদক্ষেপ গ্ৰহণ কৰিছে? (বিতং তথ্য দিব)

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, ব্যৱস্থা গ্ৰহণ কৰিছে।

(খ) পানী আৰু বায়ু প্ৰদূষণ, নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে দিয়া নিৰ্দেশমৰ্মে হিন্দুস্তান কাগজ নিগমৰ পাঁচগ্ৰাম কাগজকলে বৰ্জিত ময়লাপানী পৰিশোধন গোট (Effuent Treatment Plant) আৰু নিৰ্গত ধোঁৱা প্ৰতিৰোধক গোট (Emission Control System) স্থাপন কৰিছে। আনকি বায়ুৰ গুণাগুণ সম্পৰ্কীয় তথ্যপাতি আহৰণৰ বাবে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে

এটা বায়ুৰ গুণাগুণ নিৰীক্ষণ কেন্দ্ৰ স্থাপন কৰিছে আৰু ইয়াৰ পৰা দেখা গৈছে যে সেই অঞ্চলৰ বায়ুৰ গুণাগুণ অনুমোদন সীমাৰ (Permissible Limit) ভিতৰত আছে।

ইয়াৰ উপৰি প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰতিমাহে বৰাক নদীৰ পাঁচগ্ৰাম অঞ্চলৰ পানীৰ নমুনা সংগ্ৰহ কৰি বিশ্লেষণ কৰে। এই বিশ্লেষণসমূহৰ পৰা দেখা গৈছে যে পাঁচগ্ৰাম কাগজকলে নিৰ্গত কৰা পানীয়ে বৰাক নদীৰ পানীত কোনো ধৰণৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা নাই।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্দেশমৰ্মে কাগজ কলটোৱে কষ্টিক চ'ডা (Caustic Soda) উৎপাদন কৰাৰ বাবে অহা ২০১১ চনৰ ভিতৰত এটা মেম্ব্ৰেন চেল (Membrane Cell) স্থাপন কৰিব যিয়ে নেকি পাৰা (Mercury) নিষ্কাষণ কৰি প্ৰদূষণৰ মাত্ৰা যথেষ্ট নিম্নগামী কৰাত সক্ষম হ'ব।

অন্যহাতে কাগজ কলটোৱে অইন নানা ধৰণৰ দূষিত আৱৰ্জনাসমূহ নিজৰ পৰিসীমাৰ ভিতৰতে নিৰাপদজনক ঠাইত দমাই থোৱাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে।

Sub : Reservation of Seat.

Captain Robin Bordoloi asked :

470. Will the Minister of Health & Family Welfare be pleased to state :

(a) Whether is it a fact that the Government of

Assam had allotted reservation of 1 (one) seat each in three Medical College and in the Regional Dental College, Guwahati for wards of Ex-Servicemen and serving soldiers of the states of Assam vide their Notification No. HLB. 11/96/42 dtd. Dispur 16th August, 1996? Is it also a fact that withdrawal of the reservation from the year 2007 has not only resentment but also demoralized the ex-servicemen and service personal of the State.

(b) If so, whether the Govt. is aware about the fact that the promise made by the Hon'ble Chief Minister in 2007 not only to reinstate the quota but also to increase the number of quota have not been implemented till date?

(c) If so, why the reservation of the same is withdrawn? (Please give in details)

(d) What steps have been taken for implementation of the promise made by the Hon'ble Chief Minister?

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare Department) replied :

(a) As per the admission Rules 1996, 3 (three) seats were reserved against sons/daughters/ dependent brothers and sisters of Ex-servicemen and serving Defence personnel from Assam only. In the new Admission Rules, 2007 (effective from 25th April, 2007) said provision has not been provided. Deptt. is not aware of any demoralisation of Ex-servicemen and serving Defence personnel on this count.

(b) Deptt. has been asked by Hon'ble C.M. to re-examine the matter.

(c) Action has already been initiated for amendament of the Admission Rules 2007 to restore the provision of reservation of two seats in the MBBS Course for the sons &

(d) daughters of the Ex-servicemen and serving Defence personnel from Assam only at Silchar Medical College, Silchar.

বিষয় ঃ ঔষধ যোগান।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

৪৭১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰী চিকিৎসা বিভাগে চাহ বাগিচাৰ প্ৰতিটো লাইন বা চুবুৰীত উপযুক্ত ঔষধ নিদিয়াৰ হেতুকে মেলেৰীয়া, ডায়েৰীয়া ইত্যাদি ৰোমাৰত আক্ৰান্ত হৈ অন্য সম্প্ৰদায়তকৈ চাহ জনগোষ্ঠী লোকৰ মৃত্যুৰ হাৰ অধিক হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে উক্ত ৰোগৰ প্ৰতিৰোধৰ ব্যৱস্থা কেতিয়া কাৰ্যকৰী হ'ব?

(বিতং ভাৱে জনাব)

(গ) গাঁও আৰু বাগিচা অঞ্চলত স্বাস্থ্য সম্পৰ্কীয় সজাগতা শিবিৰৰ ব্যৱস্থা কৰিৰনে?

(ঘ) তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত যিকোনো অপাৰেচন কৰাৰ সময়ত ৰোগীয়ে নিজে ক্ৰয় কৰি অপাৰেচন সামগ্ৰী আৰু ঔষধ-পাতি যোগান ধৰিব লাগে অন্যথাই অপাৰেচন নোহোৱা কথাটো সত্যনে?

(ঙ) উক্ত চিকিৎসালয়ৰ বাবে চৰকাৰে প্ৰায়েই ঔষধ যোগান নধৰাটো সত্যনে?

(চ) যদি ঔষধ যোগান ধৰে তেন্তে কি কি ঔষধ, কিমান পৰিমাণৰ, কিমান দিনৰ বাবে যোগান ধৰে বিতংভাৱে জনাবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী চিকিৎসা বিভাগে চাহ বাগিচাৰ ৰাইজক উপযুক্ত ঔষধৰ

যোগান স্বাস্থ্য কেন্দ্রৰ যোগে ধৰি আছে। সেয়েহে মেলেৰীয়া, ডায়েৰীয়া ইত্যাদি বেমাৰত আক্রান্ত হৈ অন্য সম্প্রদায়তকৈ চাহ গোষ্ঠী লোকৰ মৃত্যুৰ হাৰ অধিক হোৱাৰ তথ্য চৰকাৰৰ হাতত নাই।

(খ) প্রযোজ্য নহয়।

(গ) গাঁও আৰু বাগিচা অঞ্চলত স্বাস্থ্য সম্পৰ্কীয় সজাগতা শিবিৰৰ ব্যৱস্থা কৰি থকা হৈছে।

(ঘ) কথাটো সত্য নহয়। অৱশ্যে, কেতিয়াবা চৰকাৰৰ ফালৰ পৰা যোগান ধৰা ঔষধ-পাতি আৰু সামগ্রী শেষ হ'লে বিশেষ অসুবিধাবশতঃ ৰুগীৰ আত্মীয়ই ঔষধ বা সামগ্রী ক্রয় কৰিব লগীয়া হয়। অৱশ্যে চিকিৎসকে চৰকাৰী ভঁড়ালত থকা ঔষধৰ Prescription নিলিখিলে ৰোগীসকল অসুবিধাৰ সন্মুখীন হয়।

(ঙ) সত্য নহয়।

(চ) উক্ত চিকিৎসালয়ৰ বাবে প্রয়োজনীয় ঔষধ মাহে মাহে যোগান ধৰা হয়। যোৱা এপ্রিল' ০৯ৰ পৰা জুলাই' ০৯ লৈ তিনিচুকীয়া জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকলৈ পঠিওৱা দৰবৰ তালিকা প্রপত্র - 'ক'

(See Annexure-XXVIII)

(৪ পৃষ্ঠা সম্বলিত) ত আৰু ডিচেম্বৰ, ০৮ ৰ পৰা জুলাই' ০৯লৈ অস্ত্রোপ্রচাৰৰ বাবে প্রয়োজনীয় আৰু অন্যান্য প্রয়োজনীয় সামগ্রী আদি প্রপত্র - 'খ' (৯ পৃষ্ঠা সম্বলিত)ত দেখুৱাই সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure-XXIX)

Sub : JSY Beneficiary and ASHA worker.

Dr. Aditya Langthasa asked :

472. Will the Minister of Health & Family Welfare be pleased to state :

(a) What is the amount of money allocated for JSY in Nagaon district during last two years?

(Furnish in details LAC wise)

(b) Will the Government furnish the total number of beneficiaries under JSY of Nagaon district till date since the launch of the programme?

(Give the statistics LAC-wise)

(c) What is the total number of ASHA workers in Nagaon district at present?

(Give details LAC-wise)

Dr. Himanta Biswa Sarma (Minister, Health & Family Welfare Department) replied :

(a) The JSY fund has been released to District Health Society, Nagaon amounting Rs. 1259.20 lakhs (One thousand two hundred fifty nine lakhs and twenty thousand) during last two years.

Fund is not released LAC wise.

(b) Total number of JSY beneficiaries of Nagaon District till date since its inception is furnished at Annexure - "A". (See Annexure-XXX)

(c) Total nos of existing ASHA in Nagaon District is 1956 (One thousand nine hundred fifty six).

LAC wise position is as follows :-

Name of Constituency	Total nos of ASHA
Raha	165
Sadar	167
Batadrawa	164
Lumding	269
Rupahihat	130
Dhing	180
Kaliabor	180
Hojai	260
Barhampur	269
Samaguri	172
Total	**1956 nos**

Short Notice

Questions And Answers

Mr. Speaker : Now, short Notice Question No. 1, Hon'ble Member, Shri Uddhab Barman

বিষয় ঃ মাষ্টাৰ ৰোল শ্ৰমিকৰ চাকৰি নিয়মীয়া কৰণ।

শ্ৰীউদ্ধৱ বৰ্মনে সুধিছে ঃ

১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনত ১৯৯৩ চনৰ কিমান সংখ্যক মাষ্টাৰৰোল শ্ৰমিকৰ চাকৰি নিয়মীয়া কৰা হৈছে? কিমান সংখ্যক এনে মাষ্টাৰৰোল শ্ৰমিকৰ চাকৰি নিয়মীয়া হ'বলৈ বাকী আছে?

(খ) এই কথাও সঁচা নে, অসম চৰকাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ সৈতে বুজা-বুজি চুক্তি কৰিছে?

(গ) এই কথাও সঁচা নে, এই চুক্তি মতে অসম কৃষিবিশ্ববিদ্যালয়ৰ সৈতে জড়িত মাষ্টাৰৰোল শ্ৰমিকসকলৰ চাকৰি নিয়মীয়া কৰণৰ দায়িত্ব চৰকাৰৰেই?

(ঘ) যদি সঁচা, কৃষিবিশ্ববিদ্যালয়ৰ লগত মাষ্টাৰলোৰ শ্ৰমিকসকলৰ (১৯৯৩ চনৰ আগৰ) চাকৰি নিয়মীয়া নোহোৱাৰ কাৰণ কি? বিতংকৈ জনাবনে?

শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (কৃষিমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নিয়মীয়া কৰণ কৰা হৈছে ৬৭৯ জন। নিয়মীয়া কৰণ কৰিবলৈ

বাকী আছে ২০৮ জন।

(খ) বুজাবুজিৰ (MOU) চুক্তি কৰাটো সত্য।

(গ) সঁচা নহয়। চৰকাৰে ২২-০৭-২০০৫ ৰ কেবিনেট সিদ্ধান্ত মতে অসম চৰকাৰৰ অধীনত থকা বিভাগসমূহৰ ১-৪-৯৩ তাৰিখৰ আগৰ মাষ্টাৰৰোল শ্রমিকসকলৰ ক্ষেত্রতহে চাকৰি নিয়মীয়া কৰণৰ বাবে দায়বদ্ধ।

(ঘ) প্রশ্ন নুঠে।

Mr. Speaker : Now, short Notice Question No. 2, Hon'ble Member, Md. Mahibul Hussain.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

মোঃ মহিবুল হকে সুধিছে ঃ

২। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ধুবুৰী জিলাৰ গংগাধৰ (চিলাৰায়) দলঙখনৰ নির্মাণকার্য কিমান টকা ব্যয়েৰে আৰু কেতিয়া সম্পন্ন কৰা হৈছিল?

(খ) কেতিয়াৰ পৰা Toll Collection আৰম্ভ কৰা হৈছে আৰু আজিৰ (৬/৭/২০০৯) তাৰিখলৈ কিমান টকা সংগ্রহ হৈছে?

(গ) নির্মাণ ব্যয় সংগ্রহ হোৱাৰ পিছতো কি কাৰণত Toll সংগ্রহ কৰি থকা হৈছে?

(ঘ) Toll সংগ্রহৰ নিৰিখ কি?

(ঙ) নিৰিখতকৈ বেছি Toll বলপূর্বকভাৱে আদায় কৰা সংক্রান্তত বহুতো

অভিযোগ উত্থাপন হৈ থকাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে জনাবনে?

(চ) যিহেতু নিৰ্মাণ ব্যয়তকৈ বহুত বেছি ইতিমধ্যে Toll সংগ্ৰহ হৈছে, সেয়ে সংগ্ৰহ বন্ধ কৰিবলৈ চৰকাৰে পদক্ষেপ ল'বনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ গঙ্গাঁধৰ (চিলাৰায়) দলঙখনৰ নিৰ্মাণকাৰ্য মুঠ ৪.৮৪ কোটি টকা ব্যয়েৰে ইং ১৯৭৮ চনত সম্পন্ন কৰা হৈছে।

(খ) ইং ১/৪/১৯৮৩ তাৰিখৰ পৰা উক্ত দলঙত Toll Collection আৰম্ভ কৰা হৈছে আৰু ৬/৭/২০০৯ তাৰিখলৈ মুঠ ৯,৮৪,৯০,০৬২.০০ টকা সংগ্ৰহ কৰা হৈছে।

(গ) দলংখনৰ নিৰ্মাণব্যয় আৰু এই ব্যয়ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত হাৰত সূদৰ বাবদ পৰিশোধ কৰিবলগীয়া টকা বৰ্তমানলৈ উক্ত দলংখনৰ পৰা সংগৃহীত Toll ৰে কেন্দ্ৰীয় চৰকাৰক সম্পূৰ্ণকৈ পৰিশোধ কৰিব পৰা নাই। সেয়েহে বৰ্তমানলৈকে Toll সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰণালয়ৰ নিৰ্দেশনা মৰ্মে তলত উল্লেখ কৰা নিৰিখত যান-বাহনৰ পৰা Toll সংগ্ৰহ কৰি থকা হৈছে—

১। মটৰ কাৰ/টেক্সি/জীপ/পিক-আপ ভান/ষ্টেচন ৱাগন/টেমপ্পো/অটোৰিক্সা/যন্ত্ৰচালিত তিনিচকীয়া গাড়ী বা লঘু যান-বাহন কেৰিয়াৰ সৈতে বা কেৰিয়াৰ নোহোৱাকৈ.... ৫.০০

টকা।

২। বাছ, ট্রাক বা অন্যান্য গধূৰ যান-বাহন কেৰিয়াৰত বস্তুৰ সৈতে বা যাত্রীৰ সৈতে বা বস্তু বা যাত্রী নোহোৱাকৈ .....১৫.০০টকা।

৩। ওপৰত উল্লেখ নথকা যান্ত্রিক প্রপেলাৰ যুক্ত যান-বাহন যেনে ম'বাইল ক্রেন, আর্থমোভাৰ/ৰোলাৰ ইত্যাদি ওজনৰ সৈতে বা ওজন নোহোৱাকৈ .....২০.০০ টকা।

(ঙ) ðJài ÂRÁÍ ÂèÁToll বলপূর্বকভাৱে আদায় কৰা সংক্রান্তত উত্থাপন কৰা অভিযোগৰ এতিয়ালৈ কোনো সত্যতা প্রতিপন্ন হোৱা নাই। সেয়েহে এই বিষয়ত চৰকাৰে পদক্ষেপ লোৱাৰ কোনো প্রশ্নই নুঠে।

(চ) দলঙখনৰ নির্মাণ মূল্য আৰু মূল্যৰ বার্ষিক সুদৰ বাবদ পৰিশোধ কৰিবলগীয়া টকা বর্তমানলৈ উক্ত দলংখনৰ ওপৰত টোল সংগ্রহ কৰিও কেন্দ্রীয় চৰকাৰক সম্পূর্ণকৈ পৰিশোধ কৰিব পৰা নাই। এই সুদৰ হাৰ কেন্দ্রীয় চৰকাৰে ধার্য কৰি দিছে। সেয়েহে, দলং নির্মাণৰ ব্যয় সূদে-মূলে সম্পূর্ণকৈ আদায় কৰিবৰ বাবে উক্ত দলংখনত Toll সংগ্রহ কৰি থকা হৈছে।

বর্তমানলৈকে এনে পদক্ষেপৰ বিষয়ে বিবেচনা কৰা হোৱা নাই।

Mr. Speaker : Now, short Notice Question No. 3, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ৰূপহীহাট সমষ্টিত ২০০৯ চনলৈ কিমান কিঃ মিঃ ৰাস্তা কি কি আঁচনিৰ অধীনত পকীকৰণ কৰা হৈছে? ৰাস্তা বিলাকৰ নাম উল্লেখ কৰি কোন ঠিকাদাৰে কিমান কিঃ মিঃ কাম কৰিছে? উক্ত পথসমূহৰ অতি কম দিনৰ ভিতৰতে নষ্ট হৈ যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) ২০০১ চনৰ পৰা কিমান ৰাস্তা পকী কৰা হ'ল, প্ৰত্যেক ৰাস্তাত কাম কৰা ঠিকাদাৰৰ নাম আৰু Estimate ৰ Copy সদনত দাখিল কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায়ও সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ৰূপহীহাট সমষ্টিত ২০০৯ চনলৈ মুঠ ১২৭.১৮৪ কিঃ মিঃ ৰাস্তা বিভিন্ন আঁচনিৰ অধীনত পকী কৰা হৈছে। আঁচনিৰ নাম, ৰাস্তাৰ নাম, ঠিকাদাৰৰ নাম আৰু ৰাস্তাৰ দৈর্ঘ্য অনুবন্ধ 'ক' উল্লেখ কৰা হ'ল।

উক্ত পথসমূহ অতি কম দিনৰ ভিতৰত নষ্ট হৈ যোৱা পৰিলক্ষিত হোৱা নাই।

(খ) ২০০১ চনৰ পৰা উক্ত সমষ্টিত পকী কৰা ৰাস্তাৰ নাম ও ঠিকাদাৰৰ নাম অনুবন্ধ 'ক'ত ইতিমধ্যেই উল্লেখ কৰা হৈছে আৰু Estimate ৰ Copy অনুবন্ধ 'খ' দি সদনৰ মেজত দাখিল কৰা হ'ল।

Mr. Speaker : Now, short Notice Question No. 4, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৪। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ৰূপহীহাট সমষ্টিত কিমানখন গাঁও ৰাজীৰ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে আৰু কিমানখন অন্তৰ্ভুক্ত হোৱা নাই, অন্তৰ্ভুক্ত নোহোৱা গাঁওবোৰক কিমান দিনৰ ভিতৰত আঁচনিৰ অন্তৰ্ভুক্ত কৰি বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হ'ব বিস্তৃতভাৱে সদনত জনাবনে?

(খ) কি কাৰণত ঘেহুয়াছলছলী ঈদগাহ ও কবৰস্থানৰ পৰা ট্ৰেন্সফৰ্মাৰটো [Transformer) স্থানান্তৰ কৰা নহ'ল সদনত জনাবনে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সমষ্টি ভিত্তিক তালিকা উপলব্ধ নহয়। ৰূপহীহাট ৰাজহ চক্ৰৰ ৭৬ খন বৈদ্যুতিকৰণ হৈ থকা, ২৩ খন বিদ্যুৎ বিহীন হৈ থকা আৰু ৭ খন নতুন গাঁও ৰাজীৰ গান্ধী বৈদ্যুতিকৰণ আঁচনিত সামৰি লোৱা হৈছে। তালিকা সংলগ্ন কৰি দিয়া হৈছে। ৰূপহীহাট ৰাজহ চক্ৰৰ সকলো গাঁওৱেই এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। (See Annexure-XXXI)

(খ) ঘেহুৱাছলছলী ঈদগাহ ও কবৰস্থানৰ ট্ৰেন্সফৰমাৰটো স্থানান্তৰ (Shifting) কৰা Deposit Scheme ত ৪৩,৯৫৯.০০ টকা আদায়ৰ বিপৰীতে সম্পন্ন কৰা হ'ব। আৰু এই বিষয়ে ৰূপহীহাট সমষ্টিৰ বিধায়ক শ্ৰীআব্দুল আজিজ ডাঙৰীয়াক অৱগত কৰা হৈছে। টকা আদায় পোৱাৰ লগে লগেই ট্ৰেন্সফৰমাৰটো স্থানান্তৰ কৰা হ'ব।

Mr. Speaker : Now, short Notice Question No. 5, Hon'ble Member, Md. Mohibul Hussain.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

মোঃ মহিবুল হকে সুধিছে ঃ

৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাবাসীয়ে দীৰ্ঘদিন ধৰি দাবী কৰি অহা বিলাসীপাৰা পূৰ সমষ্টিৰ চাপৰ নগৰৰ সংলগ্ন চাম্পা নদীৰ ওপৰত আৰ চি চি দলং নিৰ্মাণ কৰাৰ বিষয়টো চৰকাৰে কিয় অৱহেলা কৰি আছে জনাবনে?

(খ) ধুবুৰী-গুৱাহাটীৰ যাতায়ত পথ চমু কৰাৰ স্বাৰ্থত উক্ত দলংখনক Top Priority দি নিৰ্মাণ কৰাৰ বাবে চৰকাৰে তৎপৰতা গ্ৰহণ কৰিবনে?

(গ) অহা কিমান দিনৰ ভিতৰত ৰাইজৰ এই দাবী সম্পন্ন কৰা হ'ব জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীঅজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) নিৰ্দিষ্ট শিতানত অনুমোদন নোপোৱাৰ বাবে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা হোৱা নাই।

(খ) ধুবুৰী গুৱাহাটী যাতায়ত পথ চমু কৰাৰ স্বাৰ্থত আৰু চাম্পা নদীৰ ওপৰত দলং নিৰ্মাণৰ বাবে NLCPR আঁচনিৰ অধীনত ৪১.২১ কোটি টকাৰ প্ৰকল্প ধাৰণা পত্ৰ (Project Concept Paper)

বনাই DONER বিভাগলৈ পঠিয়াবৰ বাবে অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগলৈ (P & D Deptt.) প্ৰেৰণ কৰা হৈছে।

(গ) বিভাগীয় অনুমোদন পালেই কাম আৰম্ভ আৰু সম্পন্ন কৰিব পৰা হ'ব।

Mr. Speaker : Now, short Notice Question No. 6, Hon'ble Member, Md. Mohibul Hussain.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

মোঃ মহিবুল হকে সুধিছে ঃ

৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাবাসীয়ে দীৰ্ঘদিন ধৰি দাবী কৰি অহা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত 'ধুবুৰী-ফকিৰগঞ্জ' আৰ, চি চি দলং এখন নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কিবা পদক্ষেপ লৈছেনে?

(খ) যদি লোৱা নাই, তেন্তে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত অচিৰেই ব্যৱস্থা গ্ৰহণ কৰিবনে?

(গ) অসম চৰকাৰে প্ৰেৰণ কৰা প্ৰস্তাৱমৰ্মে মাননীয় প্ৰধান মন্ত্ৰীয়ে যোৱা ২৫ আগষ্টত ১। গুৱাহাটী-উত্তৰ গুৱাহাটী ২। নুমলীগড়-গহপুৰ আৰু ধলা-শদিয়াৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণৰ ঘোষণা কৰিছিল। এই ক্ষেত্ৰত 'ধুবুৰী-ফকিৰগঞ্জ' প্ৰস্তাৱ চৰকাৰে প্ৰেৰণ নকৰাত প্ৰধানমন্ত্ৰীৰ ঘোষণাত সামৰি নোলোৱাৰ কাৰণ ৰাজ্য

চৰকাৰৰ অৱহেলা নহয়নে?

(ঘ) নামনি অসমৰ একমাত্ৰ এইখন দীঘলীয়া গধুৰ দলঙৰ বাবে চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কেতিয়া যোগাযোগ কৰিব?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত 'ধুবুৰী-ফকিৰাগঞ্জ' সংযোগী আৰ চি চি দলং নিৰ্মাণৰ বাবে বৰ্তমানলৈ চৰকাৰে পদক্ষেপ লোৱা নাই।

কিন্তু ব্ৰহ্মপুত্ৰৰ নদীৰ ওপৰত ধুবুৰী-ফুলবাৰী সংযোগী এখন দলং নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰণালয়ে প্ৰাৰম্ভিক পদক্ষেপ গ্ৰহণ কৰিছে।

(খ) উপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত, অচিৰেই ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হোৱা নাই।

(গ) যিহেতু ফকিৰগঞ্জৰ নিকটৱৰ্তী ফুলবাৰী-ধুবুৰী সংযোগী এখন দলং ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মাণৰ পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰা হৈছে, সেয়েহে অসম চৰকাৰে অৱহেলা কৰা বুলি উত্থাপিত অভিযোগ গ্ৰহণযোগ্য নহয়।

(ঘ) প্ৰযোজ্য নহয়।

Mr. Speaker : Now, short Notice Question No. 7, Hon'ble Member, Dr. Monoranjan Das.

বিষয় ঃ সাউদৰ ভিঠাৰ পূৰ্ণতীৰ্থ দেৱাশ্ৰমৰ বৈশিষ্ট সন্দৰ্ভত।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

৭। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিৰ সাউদৰ ভিঠাৰ পূণ্যতীর্থ দেৱাশ্রমৰ বিভিন্ন বৈশিষ্ট সম্পর্কে চৰকাৰ অৱগতনে?

(খ) এই আশ্রয়ৰ আশীর্বাদ লাভ কৰি অন্ধই দৃষ্টি শক্তি লাভ কৰা আৰু কাণেৰে নুশুনাজনে শ্রব্য শক্তি পোৱা আদিৰ প্রতি লক্ষ্য ৰাখি এই আশ্রমখন এখন আদর্শ আশ্রমৰূপে গঢ়ি তুলিবনে?

(গ) ইয়াৰ বাবে প্রয়োজনীয় আর্থিক সাহায্য চৰকাৰে যোগান ধৰিবনে?

(ঘ) যদি যোগান ধৰে, শীঘ্রে ব্যৱস্থা ল'বনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটাৰ উপায়ুক্তই জনোৱা মতে, সাউদৰ ভিঠাত থকা এটি শিৱ মন্দিৰক পূণ্যতীর্থ সেৱাশ্রম নামেৰে নামাকৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে।

(খ) বর্তমানলৈ এই সম্পর্কত কোনো তথ্য নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

Mr. Speaker : Now, short Notice Question No. 8, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৯ চনৰ জুন পর্য্যন্ত নগাঁও জিলাত SPT Bridge ৰ সংখ্যা কিমান?

(খ) ৮৫ নং ৰূপহীহাট সমষ্টিত বর্তমানলৈকে কিমানখন SPT Bridge আছে আৰু কিমানখন RCC Bridgeহৈছে আৰু কিমানখন RCC হোৱাৰ পথত উল্লেখ কৰিবনে?

(গ) এতিয়ালৈকে কোন কেইখন ২০০১ চনৰ পৰা একেবাৰে মেৰামতি নকৰাকৈ এনেই পৰি আছে, এই বিষয়ে বিভাগ অৱগত নে? বেয়া অৱস্থা হৈ থকা কাঠৰ দলংসমূহৰ তালিকা সদনত দাখিল কৰিবনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীঅজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ জুন পর্যন্ত নগাঁও জিলাত SPT Bridgeৰ সংখ্যা ২৭১ খন।

(খ) ৮৫ নং ৰূপহীহাট সমষ্টিত বর্তমানলৈকে ১৯ খন SPT Bridge আছে। এতিয়ালৈকে ৭ খন RCC Bridge হৈছে আৰু ৬খন হোৱাৰ পথত।

(গ) ২০০১ চনৰ পৰা একেবাৰে মেৰামতি নকৰাকৈ কোনো SPT Bridge পৰি থকা নাই। প্রয়োজন আৰু পুঁজি সাপেক্ষে বার্ষিক মেৰামতি শিতানত দলংবোৰ মেৰামতি কৰি থকা হৈছে। বর্তমান বেয়া অৱস্থা হৈ থকা কাঠৰ দলংসমূহৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া

হ'ল। (See Annexure-XXXIII)

Mr. Speaker : Now, short Notice Question No. 9, Hon'ble Member, Dr. Alaka Sarma.

Sub : Short Notice Question

Dr. Alaka Sarma Asked :

9. Will the Minister Agriculture be pleased to state :

(a) Which schemes have been taken up under technology mission II for Nalbari?

(b) Is it a fact that only two crops have been selected under horticulture section and which are they?

(c) How many hactores are covered and what was the financial allocation? (Kindly give G.P. wise figures)

(d) How many poeple have been fited kindly give the beneficiary Usl.?

Smti Pramila Rani Brahma (Minister of Agriculture) replied :

(a) Area expansion programme of potential horticultural crope with supporting components

were taken up under Horticulture Technology Mission, (Mini Mission - II) from 2001-02. Details of crops given in annexure-1.

(b) It is not true. Area expansion programme of more than two crops were taken up under the above mentioned scheme since 2001-02. The crops undertaken are-Banana. Assam lemon, orange, other fruites, papaya, vegetables. Black pipper, other spices, Cashewnut, Medicinal plants, Arecanetc. But since 2006-07 two crops i.e. Banana and Assam lemon have been selected as thrust crop for the district.

(c) A total area of 795 ha has so far been covered against a financial allocation of Rs. 182.39855 lakhs. GP wise figures are given in Annexure-A and Annexure-1 (See Annexure-XXXIV)

(d) List of beneficiary is given Annexure-B and placed on the table.

Mr. Speaker : Now, short Notice Question No. 10, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১০। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) নগাঁও জিলাৰ কঠিয়াতলী কামপুৰ পথটো মেৰামতিৰ বাবে (উন্নয়ন) ২০০১ চনৰ পৰা বৰ্তমানলৈকে P.W.D. বিভাগৰ পৰা কোন কোন শিতানৰ পৰা ধনৰ আৱণ্টন দিয়া হৈছিল? (বিত্তীয় বছৰ অনুসৰি উল্লেখ কৰিব)?

(খ) উক্ত মেৰামতিৰ কাম কৰিবৰ বাবে কাক কাক কামৰ দায়িত্ব দিয়া হৈছিল? সেই কামৰ বাবে Tender Call কৰিছিল নে? (Copy সংলগ্ন কৰিব)।

(গ) DDP ৰ (District Development Plan) টকা (জিলা পৰিষদৰ সিদ্ধান্ত অনুসৰি) স্থানীয় বিধায়কৰ মতামত নোলোৱাকৈ ক'ত ক'ত খৰচ কৰিছে আৰু বিধায়কৰ মতামত কিয় নল'লে জনাবনে? (২০০৮-২০০৯ বিত্তীয় বছৰত)

(ঘ) উক্ত ঘটনাৰ তদন্ত কৰি বিষয়াক শাস্তিপ্ৰদান কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা, সমবায়, সাংস্কৃতিক পৰিক্ৰমা আৰু ক্ৰীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ কঠিয়াতলি কামপুৰ পথটো মেৰামতিৰ বাবে (উন্নয়ন) ২০০১ চনৰ পৰা বৰ্তমানলৈকে বিভাগৰ পৰা ধনৰ

আৱণ্টনৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল—

বিত্তীয় বর্ষ	শিতান	টকাৰ পৰিমাণ
২০০১-০২	(a) বার্ষিক মেৰামতি	১০,৪৫,৩৬৭.০০ টকা
	(b) FDR (CRF)	৭০,৪৯৭.০০ টকা
২০০২-০৩, ২০০৩-০৪	নাই	নাই
২০০৪-০৫	FDR (CRF)	৪০,০০,০০০.০০ টকা
২০০৫-০৬	নাই	নাই
২০০৬-০৭	(a) 12th Finance Commission award	৫,০০,০০০.০০ টকা
	(b) বার্ষিক মেৰামতি	১০,৫১৪.০০ টকা
২০০৭-০৮	বার্ষিক মেৰামতি	২৩,৫১৪.০০ টকা
২০০৮-০৯	A.S.R.B.	৫,০০,০০০.০০ টকা
২০০৯-১০	D.D.P.	৫,০০,০০০.০০ টকা

(খ) কামৰ দায়িত্ব দিয়া ঠিকাদাৰৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল। উক্ত কামৰ বাবে বিভাগীয় নীতি-নিয়ম অনুসৰি Tender Call কৰা হৈছিল। Tender Copy অনুবদ্ধ 'খ'ত দিয়া হ'ল।

(গ) ২০০৮-০৯ বিত্তীয় বর্ষত DDP শিতানত কঠিয়াতলি কামপুৰ পথৰ (৫ কিঃ মিঃ) আংশিক মেৰামতিৰ বাবে নগাঁও জিলা পৰিষদৰ পৰা পোৱা অনুমোদন সংক্রান্তত মাননীয় বিধায়কৰ মতামত নোলোৱাৰ বিষয়ে গড়কাপ্তানী বিভাগ অৱগত নহয়।

উক্ত শিতানত অনুমোদিত কঠিয়াতলী কামপুৰ পথটোৰ কামৰ বাবদ নগাঁও জিলা পৰিষদৰ পৰা বেংকাৰ চেক যোগে পোৱা প্ৰথম কিস্তিৰ ৩.৭৫ লাখ টকা নগাঁও ৰাজ্যিক পথ সংমণ্ডলৰ কার্যালয়ৰ অধীনত জমা আছে। কামটো ইতিমধ্যে ঠিকাদাৰক আৱণ্টন দিয়া হৈছে। অৱশ্যে এতিয়ালৈকে ঠিকাদাৰক কোনো টকা আদায় দিয়া হোৱা নাই।

বিতং তথ্য অনুবদ্ধ 'গ'ত দিয়া হ'ল।

(ঘ) উক্ত আঁচনিখন যিহেতু বিভাগীয় নীতি-নিয়ম অনুসৰি কৰা হৈছে কাৰণে বিষয়াক শস্তি প্ৰদান কৰাৰ প্ৰশ্ন নুঠে।

Mr. Speaker : Now, short Notice Question No. 11, Hon'ble Member, Shri Rameswar Teli.

বিষয় ঃ গুৱাহাটী উন্নয়নৰ নামত চৰকাৰৰ নতুন আঁচনি আৰু কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা পুঁজিৰ বিতং তথ্য।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১১। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২০০৮-০৯ চনৰ ১ মে' লৈকে গুৱাহাটী উন্নয়নৰ নামত চৰকাৰে কি কি নতুন আঁচনি হাতত লৈছে জনাবনে?

(খ) ২০০৮-০৯ চনত গুৱাহাটী উন্নয়নৰ নামত চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা কিমান পুঁজি পাইছে জনাবনে? (বিতং জনাব)?

ড° হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী)য়ে দিছে ঃ

(ক) গুৱাহাটী উন্নয়নৰ নামত লোৱা আঁচনিসমূহৰ তালিকা 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XXXV)

(খ) গুৱাহাটী উন্নয়নৰ নামত কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদিত ৪৭৮.৮৩ কোটি টকাৰ ভিতৰত বর্তমানলৈ ৰাজ্য চৰকাৰে পোৱা পুঁজিৰ তথ্য এনে ধৰণৰ—

১। জাৱৰ-যোঠৰ নিষ্কাষণ আঁচনিৰ বাবে— ৭,৯১,২৫,৮৯০/-

২। ১০৭ নিযুত লিটাৰ ক্ষমতা সম্পূর্ণ দক্ষিণ গুৱাহাটী পশ্চিম অঞ্চল পানী যোগান আঁচনিৰ বাবে - ৬৩,২১,১৫,০০০/-

৩। নগৰ অঞ্চলৰ দুখীয়া শ্রেণীৰ লোকৰ বাসগৃহ নির্মাণৰ বাবে - ১২,১৩,৮৭,৫০০/-

৪। গুৱাহাটী মহানগৰৰ ২০০ খন চিটিবাছ কিনাৰ বাবে - ৭,১১,০০,০০০/-

৫। কমিউনিটি ফাণ্ডৰ জৰিয়তে বিজুলী বাতি সভাঘৰ নির্মাণৰ বাবে - ৪৩,০০,০০০/-

৬। ফেৰীৱালাৰ পথৰ খাদ্য - ১২,৯৭,০০০/-

মুঠ = ৯০,৯৩,২৫,৩৯০/-

Mr. Speaker : Now, short Notice Question No. 12, Hon'ble Member, Shri Sirajuddin Azmal.

Sub : Short Notice Question.

Shri Sirajuddin Ajmal asked :

***12. Will the Minister Public Works be pleased to state :**

(a) Whether any repairing work was done in state road from Nilbagan to Hojai Town recently?

(b) Whether the Govt. has taken any scheme to construct a two lane road on the above mentioned road?

(c) What is the present condition of the above road?

Shri Bharat Chandra Narah (Minister, Parliamentary Affairs) replied on behalf of Minister, Public works Department, Smti Ajanta Neog:

(a) Yes, repairing works has been done in stretches at 2nd, 3rd, 7th & 8th Km in state road from Nilbagan to Hojai Town for the year 2008-09.

(b) Government has already sanctioned a project for improvement of the said Road as intermediate lane from Nilbagan to Hojai Town (L=9.045 Km) for Rs. 458.15 Lakhs under A.P.

(G.A) for the year 2008-09 and work is already allotted and will be started soon.

(c) Except the repaired stretches some pot holes have developed in some stretches but the road is still motorable.

Mr. Speaker : Now, short Notice Question No. 13, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ কামপুৰৰ পৰা নগাঁৱলৈ বৰকোলা হৈ নিৰ্মাণ কৰা পথটো যাতায়তৰ অনুপযোগী হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে? কামপুৰৰ পৰা বৰকোলালৈ পথটো কোন ঠিকাদাৰে নিৰ্মাণ কৰিছিল? পথটো যাতায়তৰ বাবে উপযোগী কৰি তুলিবনে?

(খ) ২০০১ চনৰ পৰা বৰ্তমানলৈকে ৮৭ নং বৰহমপুৰ বিধানসভা সমষ্টিত কেইখন কাঠৰ দলং পকা কৰা (RCC) হ'ল আৰু কেইখন কৰিবলৈ বাকী আছে? বৰ্তমান বিত্তীয় বছৰত কেইখন কাঠৰ দলং পকা (RCC) কৰা হ'ল জনাবনে? সমষ্টিটোত মুঠতে বৰ্তমান কেইখন কাঠৰ দলং আছে জনাবনে?

(গ) পুৰণিগুদাম চাপানলা, গোমোঠা গাঁও বৰহমপুৰ-বামুনী, কঠিয়াতলী-শালনা, কঠিয়াতলী-কামপুৰ নগাঁও ৰূপহী, অঞ্জুনতলৰ পৰা বৰহমপুৰ, এই পথকেইটা মেৰামতি কৰি যাতায়তৰ সূচল নকৰাৰ কাৰণ কি? বর্তমান বিত্তীয় বছৰত উক্ত পথসমূহ মেৰামতি কৰিবনে?

(ঘ) উক্ত সমষ্টিত কিমানটা আৰু কিমান কিলোমিটাৰ PWD পথ মেৰামতি আৰু ব্লেকটপিং (Black Toping) কৰিবলৈ বাকী আছে জনাবনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে গড়কাপ্তানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) উক্ত পথটো যাতায়তৰ অনুপযোগী হৈ পৰা কথাটো সঁচা নহয়। উক্ত পথটো যাতায়তৰ বাবে অতি সূচল নহ'লেও যাতায়ত অব্যাহত আছে। অৱশ্যে কিছু মেৰামতিৰ প্রয়োজন হৈছে। কামপুৰৰ পৰা বৰকোলালৈ পথছোৱা নির্মাণ কৰা ঠিকাদাৰজনৰ নাম শ্রীঅতুল বৰা।

(খ) ২০০১ চনৰ পৰা বর্তমানলৈকে উক্ত সমষ্টিত ১১ খন কাঠৰ দলং পকী (RCC) কৰা হৈছে আৰু ২২ খন পকী কৰিবলৈ বাকী আছে। বর্তমান বিত্তীয় বর্ষৰ ভিতৰত কোনো কাঠৰ দলং পকী কৰা হোৱা নাই অৱশ্যে ২ খন দলং নির্মীয়মান অৱস্থাত আছে। বর্তমান সমষ্টিত মুঠতে ২২ খন কাঠৰ দলং আছে।

(গ) উল্লেখিত পথ কেইটাৰ মেৰামতিৰ বাবে বিভিন্ন শিতানত বর্তমান বিত্তীয় বছৰত চেষ্টা চলাই থকা হৈছে। পুঁজি সাপেক্ষে উক্ত

পথসমূহ মেৰামতিৰ ব্যৱস্থা কৰা হ'ব।

(ঘ) উক্ত সমষ্টিত ৬৫ টা আৰু ২০৩.৮৪ কিলোমিটাৰ PWD পথ মেৰামতি আৰু ব্লেকটপিং (Black Toping) কৰিবলৈ বাকী আছে।

Mr. Speaker : Now, short Notice Question No. 14, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৪। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিৰা স্বায়ত্ব পৰিষদৰ বাবে ২০০৮-২০০৯ বিত্তীয় বছৰটোত কিমান ধন মুকলি কৰি দিয়া হয়?

(খ) কোন কোন দপ্তৰৰ কাৰ্যবাহী সদস্যক কিমান কিমান ধন ধাৰ্য কৰি দিয়া হয় এই বিত্তীয় বছৰটোত?

(গ) বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য গৰাকীৰ হাতত কিমানটা বিভাগ আছে আৰু সেই বিভাগসমূহৰ বাবে মুঠতে কিমান ধন বৰাদ কৰা হৈছে?

(ঘ) মুখ্য কাৰ্যবাহী সদস্যৰ হাতত থকা বিভাগবোৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিতং তথ্যৰ লগতে উপভোক্তাৰ সম্পূৰ্ণ নাম তালিকা

দাখিল কৰিবনে?

(ঙ) স্বায়ত্ব পৰিষদৰ বিভাগবোৰলৈ পুঁজি আৱণ্টন কোনে কৰে? (সেই আৱণ্টনৰ ব্যৱস্থাৱলীৰ সম্পূৰ্ণ তথ্য সদনত দাখিল কৰিব)

(চ) ২০০৯-২০১০ বিত্তীয় বছৰৰ বাবে এই পৰিষদলৈ কিমান পুঁজি আৱণ্টন দিছে?

শ্রীমতী প্রমিলাৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তিৰা স্বায়ত্ব পৰিষদৰ বাবে ২০০৮-০৯ বিত্তীয় বছৰটোত মুঠ ১৭০৬.০০ লাখ টকা মুকলি কৰি দিয়া হয়।

(খ) তিৰা স্বায়ত্ব পৰিষদৰ বাবে ২০০৮-০৯ বিত্তীয় বছৰটোত (২০০৮-০৯) কার্য্যবাহী সদস্যসকলক কিমান ধন ধার্য্য কৰা হৈছে তলত উল্লেখ কৰা হ'ল—

ক্রমিক নং	বিভাগৰ নাম	২০০৮-০৯
১।	পশুপালন ও পশুচিকিৎসা	৫০.০০ লাখ
২।	সংৰক্ষিত বনাঞ্চল বাদ দি সাধাৰণ বন	৫৫.০০ লাখ
৩।	কৃষি	৮০.০০ লাখ
৪।	গ্রামীণ পথ দলং	৮০.০০ লাখ
৫।	ৰেচম	৬০.০০ লাখ
৬।	শিক্ষা	৮০.০০ লাখ
৭।	সাংস্কৃতিক	৪০.০০ লাখ

৮।	ভূমি সংৰক্ষণ	৭০.০০ লাখ
৯।	সমবায়	১৫.০০ লাখ
১০।	মীন	৫০.০০ লাখ
১১।	হস্ততাত ও বস্ত্র শিল্প	৫৫.০০ লাখ
১২।	জনস্বাস্থ্য কাৰিকৰী বিভাগ	৮০.০০ লাখ
১৩।	ক্ষুদ্র জলসিঞ্চন	৭০.০০ লাখ
১৪।	ক্রীড়া ও যুৱ কল্যাণ	৬৫.০০ লাখ
১৫।	পর্যটন	৩০.০০ লাখ
১৬।	জনস্বাস্থ্য ও পৰিয়াল কল্যাণ	৮০.০০ লাখ

(গ) বর্তমান মুখ্য কার্যবাহী সদস্য গৰাকীৰ হাতত মুঠ ১৩ টা বিভাগ আছে।

বিভাগসমূহৰ বাবে আৱণ্টিত মুঠ ধনৰ পৰিমাণ - ৪.৩০ কোটি (চাৰি কোটি ত্রিশ লাখ) টকা মাত্র

(ঘ) মুখ্য কার্যবাহী সদস্যৰ হাতত থকা বিভাগবোৰৰ ৰূপায়ন কৰা আঁচনিসমূহৰ তালিকা নিম্ন লিখিত ধৰণৰ আৰু বিতং তথ্য পৰিশিষ্ট 'ক'ত দিয়া হ'ল।

ক্রমিক নং	বিভাগৰ নাম	ৰূপায়নৰ খতিয়ান
১।	কুটিৰ শিল্প	(ক) ১৪৪০ জন হিতাধিকাৰী সকলৰ মাজত চিলাই মেচিন (ভৰি) বিতৰণ কৰা হয়।

(খ) ৫১৮ টা চিলাই মেচিন ২০০৯ লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিততে এতিয়াও বিতৰণ কৰিবলৈ বাকী আছে।

২। জোখ-মাখ ২০০৮-০৯ বৰ্ষৰ আৱণ্টিত ধনেৰে ১০০০ টা দগা-পাল্লা বিতৰণ কৰা হয়।

৩। সমাজ কল্যাণ পৰিষদ এলেকাৰ ১২৩০ জন শাৰীৰিকভাৱে অক্ষম ও ৰোগীয়া ব্যক্তিসকলৰ মাজত আৰ্থিক অনুদান বিতৰণ কৰা হৈছে।

৪। জনজাতি গৱেষণা (ক) ২০০৮-০৯ বৰ্ষৰ প্ৰথম কিস্তিৰ ধনেৰে ৬০ খন টেবুল আৰু ৬০ খন চকী বিশিষ্ট সাহিত্যিক, গৱেষকৰ মাজত বিতৰণ কৰা হয়।

(খ) ২০০৮-০৯ বৰ্ষৰ দ্বিতীয় কিস্তিৰ ধনেৰে ৬০ টা কিতাপ ৰখা ষ্টীল আলমাৰি বিতৰণৰ ব্যৱস্থা ৰখা হৈছে। উল্লেখ থাকে যে লোকসভা নিৰ্বাচন,

০৯ৰ বাবে এই বিতৰণ বন্ধ ৰখা হৈছিল।

৫। প্রচাৰ আৰু জনসম্পর্ক

(ক) মুঠ ৫১ টা অনুষ্ঠান-প্রতিষ্ঠান/ লিখক সকলক আলোচনী প্রকাশ ও প্রচাৰৰ বাবে আর্থিক অনুদান আগবঢ়োৱা হয়।

(খ) ২০০৮-০৯ বর্ষৰ ২য় কিস্তিৰ ধনেৰে ৮,৭০০ (আঠ হাজাৰ সাতশ) মাত্র অনুশীলন বহী প্রাথমিক/মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

৬। উন্নয়নমূলক কামৰ লগত নির্মাণ কৰা

(ক) ১০ টা গ্রাম্য পথ।

(খ) ২৫ ৰাজহুৱা ভৱন/ৰভাঘৰ/ ক্লাৱ/জিৰণিঘৰ নির্মাণ কৰা হয়।

(গ) ২০০৮-০৯ বর্ষৰ ২য় কিস্তিৰ ২৩৬৩ বান টিনপাত দৰিদ্র সীমাৰেখাৰ তলৰ হিতাধিকাৰীৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

		উল্লেখ থাকে যে এই আঁচনি লোকসভা নির্বাচন/০৯ৰ বাবে স্থগিত ৰখা হৈছিল।
৭।	পৰিবহণ	২০০৮-০৯ বর্ষত আৱণ্টিত ধনেৰে ৬৬০ টা চাইকেল বিতৰণ কৰা হয়।
৮।	হাট-বজাৰ	২০০৮-০৯ বর্ষৰ আৱণ্টিত ধনেৰে পৰিষদ এলেকাৰ ঔজাৰী ও দেউৰাবড়িত বজাৰঘৰ নির্মাণ ও মাটি পূৰণ কৰা হৈছে।
৯।	জনজাতি কল্যাণ	(ক) ৪৩ টা গ্রাম্য পথ নির্মাণ। (খ) ৩২ টা ৰাজহুৱা ভৱন ও ৰভাঘৰ নির্মাণ কৰা হয়।
১০।	পৌৰসভা	পৰিষদ এলেকাৰ আমগুৰি, কমাৰবড়ি, দেউৰাবড়ি, অভয়াপুৰী, ডমাল, চেচাঁখাল, সাগৰঘাট, চতীয়াগাঁও, কাহিবাৰী, সাপকাটি পথাৰ ও বৰঘাট পথাৰত মাটৰ ওখ ভেটি/পাৰ বান্ধ নির্মাণ কৰা হয়।
১১।	যাদুঘৰ আৰু পুৰাতত্ত্ব	জাগীৰোড আৰু মৰিগাঁও কলেজৰ সংগ্রহালয় নির্মাণ কৰা হয়।
১২।	লটাৰী, থিয়েটাৰ, নাটক, চিনেমা	২০০৮-০৯ বর্ষৰ আৱণ্টিত ধনেৰে চাবুকধৰা গাঁও, চাৰিপুৰণীয়া

হাইস্কুলত ৰঙ্গমঞ্চ নিৰ্মাণ কৰা হয়।

১৩। খাদ্য আৰু অসামৰিক যোগান

(ক) ২০০৭-০৮ বৰ্ষৰ আৱণ্টিত ধনেৰে পৰিষদ এলেকাৰ বানপীড়িত বিভিন্ন অঞ্চলত খাদ্যসামগ্ৰী বিতৰণ কৰা হয়।

(খ) ২০০৮-০৯ বৰ্ষৰ প্ৰথম কিস্তিৰ ধনেৰে পৰিষদ এলেকাৰ বানপীড়িত বিভিন্ন অঞ্চলত খাদ্যসামগ্ৰী বিতৰণ কৰা হয়।

(গ) ২০০৮-০৯ বৰ্ষৰ ২য় কিস্তিৰ ধনেৰে ঔষধ ছটিওৱা মেচিন বিতৰণ কৰা হৈছে।

(ঙ) চৰকাৰৰ পৰা আঁচনিভুক্ত ধন লাভ কৰাৰ পিছত স্বায়ত্ব শাসিত পৰিষদে বিভিন্ন বিভাগৰ মাজত ধনৰ আৱণ্টন দিয়ে আৰু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ উন্নয়ন অনুমোদন জনায়।

(চ) ২০০৯-১০ বিত্তীয় বছৰৰ বাবে তিৰা স্বায়ত্ব পৰিষদলৈ ১৮.৭৭ কোটি (ওঠৰ কোটি সাতসত্তৰ লাখ) টকা ধাৰ্য কৰা হৈছে।

Mr. Speaker : Now, short Notice Question No. 15, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ-শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সম্পৰ্কে।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৫। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ বৰ্তমানৰ উপ-সভাপতি আৰু সচিব কোন? তেওঁলোকে এই কলাক্ষেত্ৰ সমাজৰ দায়িত্ব কেতিয়াৰ পৰা গ্রহণ কৰিছে?

(খ) এই কলাক্ষেত্ৰ সমাজৰ সচিব আৰু উপ-সভাপতি গৰাকীক মাহেকীয়া পাৰিতোষিক নে দৰমহা দিয়ে?

(গ) বৰ্তমান সচিব আৰু উপ-সভাপতিয়ে লাভ কৰা পাৰিতোষিক কেতিয়া কোন কার্যবাহী পৰিষদৰ সভাৰ সিদ্ধান্তক্রমে বঢ়াই দিয়া হৈছিল? কিমান পাৰিতোষিকৰ পৰা কিমান পাৰিতোষিকলৈ বঢ়াই দিয়া হৈছিল?

(ঘ) যেতিয়া কলাক্ষেত্ৰ সমাজৰ সচিবৰ পাৰিতোষিক ২০,০০০ লৈ বঢ়াই দিয়া হৈছিল, তেতিয়া উপ-সভাপতি গৰাকীয়ে কিমান পাৰিতোষিক পাই আছিল?

(ঙ) কেতিয়া কোনখন কার্যবাহী পৰিষদৰ সভাত উপ-সভাপতি গৰাকীৰ পাৰিতোষিক বঢ়াই দিয়া হয়? কিয় পলমকৈ বঢ়াই দিয়া হয়?

(চ) কলাক্ষেত্ৰ সমাজৰ প্রাক্তন সচিব আৰু উপ-সভাপতি গৰাকীয়ে কিমান বকেয়া পাৰিতোষিক পাবলৈ বাকী আছে? সেই বকেয়া

পাৰিতোষিক চৰকাৰে আদায় দিয়াৰ কথা বিবেচনা কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ বৰ্তমানৰ উপ-সভাপতি আৰু সচিব যথাক্ৰমে শ্ৰীযুত ৰত্ন ওজা আৰু শ্ৰীযুত চবিন ৰাজখোৱা। শ্ৰীযুত ৰত্ন ওজাদেৱে ১৩-১২-২০০৮ ইং তাৰিখে আৰু শ্ৰীযুত চবিন ৰাজখোৱা দেৱে ২-৭-২০০৯ ইং তাৰিখে দায়িত্ব গ্ৰহণ কৰে।

(খ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব আৰু উপ-সভাপতি মহোদয়ক মাহেকীয়া পাৰিতোষিক দিয়া হয়। অৱশ্যে চৰকাৰী বিষয়াক পাৰিতোষিক দিয়া নহয়।

(গ) বৰ্তমানৰ কৰ্মৰত সচিব গৰাকীক উক্ত কলাক্ষেত্ৰ সমাজৰ পৰা কোনো পাৰিতোষিক দিয়া হোৱা নাই। উপ-সভাপতি গৰাকীক যোৱা ৬ নৱেম্বৰ, ২০০৭ তাৰিখৰ কাৰ্যবাহী পৰিষদৰ সিদ্ধান্ত মৰ্মে মাহেকীয়া পাৰিতোষিক বঢ়াই দিয়া হৈছিল। উপ-সভাপতিৰ পাৰিতোষিক ৮০০০/- টকাৰ পৰা ২৫.০০০/- টকালৈ বঢ়াই দিয়া হৈছিল।

(ঘ) যেতিয়া কলাক্ষেত্ৰ সমাজৰ সচিবৰ পাৰিতোষিক ২০,০০০লৈ বঢ়াই দিয়া হৈছিল, তেতিয়া উপ-সভাপতি গৰাকীয়ে তেখেতৰ মাহেকীয়া পাৰিতোষিক ৮,০০০ টকা পাই আছিল?

(ঙ) উপ-সভাপতি গৰাকীৰ পাৰিতোষিক যোৱা ২০০৭ চনৰ ৬ নৱেম্বৰ তাৰিখৰ কাৰ্যবাহী পৰিষদৰ সভাৰ অনুমোদন মৰ্মে বঢ়াই দিয়া হৈছিল কাৰ্যবাহী পৰিষদৰ সভাৰ প্ৰস্তাৱ মৰ্মেহে পাৰিতোষিক আদি বৰ্দ্ধিতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু কোনসমূহৰ পৰা বঢ়াই

দিয়া হ'ব সেইটো তেখেতসকলৰ নিজা সিদ্ধান্ত।

(চ) সংশোধিত নিৰিখত পাৰিতোষিক চৰকাৰৰ পৰা অনুমোদিত হ'লেহে পাবলগীয়া ধনৰ হিচাপ কৰিব পৰা হ'ব।

Mr. Speaker : Now, short Notice Question No. 16, Hon'ble Member, Dr. Aditya Langthasa.

Sub : Quantity of Govt Rollers at Nagaon Mechanical Division.

Dr. Aditya Langthasa asked :

16. Will the Minister Public Works Department be pleased to state :

(a) How many Government Rollers are there Nagaon Public Works Department (Mechanical) Division?

(b) What is the daily rate or rent for rollers according to the Govt. order?

(c) What is the annual collection of money received from roller rent under Nagaon Public Works Deptt. (Mechanical) Division during last three years?

Shri Bharat Chandra Narah (Minister, Parliamentary Affairs) replied on behalf of Minister, Public works

Department, Smti Ajanta Neog:

(a) Total number of Road Rollers under Public Works Department in Nagaon District is 65 out of which 53 is under Nagaon Mechanical Division and 12 is under Civil Divisions.

(b) Daily rent of Road Roller is @ Rs. 299.00/Hour

(c) Rs. 7,77,016.00 from April 2006 to March 2007

Rs. 10,31,003.00 from April 2007 to March 2008

Rs. 10,43,140.00 from April 2008 to March 2009

Grand Total Rs. 28,51,159.00

Mr. Speaker : Now, short Notice Question No. 17, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ অসম সমবায় চেনি কল।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

*১৭। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সমবায় বিভাগৰ অন্তর্গত সমগ্র অসমত কি কি উদ্যোগ প্রতিষ্ঠান আছে? (বিতং তথ্য দিব) অসম সমবায় চেনিকল, কামপুৰ ইয়াৰ অন্তর্গত হয়নে?

(খ) কামপুৰ চেনিকলৰ কাম পুনৰ আৰম্ভ কৰা হ'ব বুলি আগৰ সমবায় মন্ত্ৰীয়ে কৰা ঘোষণা আৰু চেনিকল পৰিদৰ্শন কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে? উদ্যোগটো কেতিয়াৰ পৰা পুনৰ কাৰ্যক্ষম কৰিব?

(গ) উদ্যোগটো বন্ধ হোৱাৰ ফলত তাত কাম কৰা কৰ্মচাৰীসকলে সন্মুখীন হোৱা সমস্যা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(ঘ) তেওঁলোকৰ সমস্যা সমূহ চৰকাৰে কেনেধৰণে সমাধান কৰিব বুলি ভাবিছে জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ সমবায় বিভাগৰ অন্তৰ্গত সমগ্ৰ অসমৰ মুঠ ১৮ টা উদ্যোগ প্ৰতিষ্ঠান আছে। উদ্যোগ প্ৰতিষ্ঠানসমূহ হ'ল—

১। অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেড্ (এপ'ল)

২। অসম সমবায় চুগাৰ মিল লিমিটেড, বৰুৱা বামুনগাঁও।

৩। অসম ওৱেভাৰচ্ সমবায় স্পিনিং মিল লিমিটেড, ঢেকিয়াজুলি।

৪। শ্বহীদ কুশল কোঁৰৰ সমবায় সূতাকল লিমিটেড, দাবীডুবী।

৫। নগাঁও সমবায় ছুপাৰ মিল লিমিটেড, কামপুৰ।

৬। অসম সমবায় স্পিনিং মিল লিমিটেড, বইটামাৰী।

৭। অসম সমবায় জুট মিল লিমিটেড, শিলঘাট।

৮। অসম এপেক্স হেণ্ডিক্ৰাফট মাৰকেটিং সমবায় সমিতি লিমিটেড, গুৱাহাটী।

৯। অসম ৰিহা এছ এছ লিমিটেড।

১০। ইষ্টান এগ্রোপ্রচেচিং এণ্ড টি ওৱেৰহাউচিং সমবায় সমিতি লিমিটেড, গুৱাহাটী।

১১। ডিফু কটন জিনিং মিল।

১২। অসম সমবায় কাহৰ সংঘ, সৰ্থেবাৰী।

১৩। কামপুৰ গাৰমেণ্ট প্রডাক্ট এণ্ড সমবায় উদ্যোগ।

১৪। ওৱেষ্ট অসম মিল্ক প্রডিউচাৰছ সমবায় ইউনিয়ন, গুৱাহাটী।

১৫। আসাম টি এমপ্লোয়িজ ইণ্ডাষ্টিয়েল কোঃপ অৰগেনাইজেচন লিঃ, ডিব্রুগড়।

১৬। ইষ্ট আসাম মিল্ক প্রডিউচাৰচ কোঃ প ইউনিয়ন লিমিটেড।

১৭। কাছাৰ ডিষ্ট্রিক মিল্ক প্রডিউচাৰচ সমবায় ইউনিয়ন (কামুল)

১৮। ফুলৰ তাল এগ্রিকালচাৰেল প্রডাষ্টচ্ এণ্ড মাৰকেটিং সমবায় সমিতি লিঃ।

কামপুৰত থকা নগাঁও সমবায় চেনিকলটো সমবায় খণ্ডৰ এটি উদ্যোগ।

(খ) হয় জ্ঞাত। কামপুৰ সমবায় চেনিকলটো পুনৰ কার্যক্ষম কৰা বিষয়টো সকলো দিশ বিবেচনা কৰি ইয়াক লাভজনক হিচাপে কার্যক্ষম কৰাৰ সম্ভাৱনা ক্ষীণ হোৱাত বর্তমান মিলটো বন্ধ কৰাৰ বাবে বিবেচনা কৰি থকা হৈছে।

(গ) হয় জ্ঞাত।

(ঘ) উদ্যোগটো বন্ধ কৰাৰ প্রস্তাৱ ৰূপায়ন হ'লে তাত কাম কৰা কর্মচাৰীসকলে যাতে আর্থিক দুৰৱস্থাৰ সন্মুখীন হ'ব লগা নহয় তাৰ

বাবে তেওঁলোকক স্বেচ্ছামূলক অৱসৰ আঁচনি (VRS) ৰ অধীনত আর্থিক সাহায্য দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Mr. Speaker : Now, short Notice Question No. 18, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ নর্থ ইষ্ট ট্রাইবেল কালচাৰেল চেণ্টাৰ, সোণাপুৰ।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৮। **মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) সোণাপুৰত স্থাপন হ'ব লগা নর্থ ইষ্ট ট্রাইবেল কালচাৰেল চেণ্টাৰৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

(খ) মুখ্যমন্ত্রীয়ে আধাৰ শিলা স্থাপন কৰা সময়ত ঘোষণা কৰা ২০০ কোটি টকাৰ এই প্রজেক্টৰ পুঁজি কোন শিতানৰ পৰা খৰচ কৰিব?

(গ) এই প্রজেক্টৰ বাবে ইতিমধ্যে ৰাজহ বিভাগে ২২৭ বিঘা মাটি আৱণ্টন দিয়াটো সত্যনে?

(ঘ) এই চেণ্টাৰটো স্থাপনৰ মূল উদ্দেশ্য কি? উত্তৰ-পূৱ ভাৰতৰ জনগোষ্ঠীসমূহৰ সাংস্কৃতিক সমন্বয় স্থাপন আৰু বিকাশেই এই প্রকল্পৰ মুখ্য উদ্দেশ্য নেকি?

(এই সাংস্কৃতিক প্রকল্পৰ মূল লক্ষ্য কি বিতংকৈ জনাব)।

শ্রীভৰত চন্দ্র নৰহ (সাংস্কৃতিক বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাৰম্ভিক কাম এই বিত্তীয় বর্ষত আৰম্ভ হ'ব।

(খ) এই প্রকল্প ৰাজ্যিক পৰিকল্পনা শিতান তথা অতিৰিক্ত কেন্দ্রীয় সাহায্য পুঁজি/উত্তৰ পূব পৰিষদ আদিৰ পৰা কৰিবলৈ মনস্থ কৰা হৈছে।

(গ) সত্য

(ঘ) এই প্রকল্পৰ জৰিয়তে উত্তৰ-পূব অঞ্চলৰ বর্ণাঢ্য জনজাতীয় সংস্কৃতিৰ একেখন মঞ্চতে আগবঢ়োৱাটোৱেই ইয়াৰ মূল লক্ষ্য। ইয়াৰ জৰিয়তে এই অঞ্চলৰ জনগোষ্ঠী তথা তেওঁলোকৰ কৃষ্টি সম্পর্কে আগন্তুক জনক সম্যক জ্ঞান দিব পৰা হ'ব। এই প্রকল্পৰ জৰিয়তে উত্তৰ-পূব অঞ্চলৰ ৮ ভগ্নী ৰাজ্যৰ মাজত মিলা প্রীতি তথা ঐক্য সংহতিও বঢ়াব পৰা যাব। যাৰ ফলত সমন্বয় আৰু সাংস্কৃতিক বিকাশো হ'ব।

Mr. Speaker : Now, short Notice Question No. 19, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ পুথিভঁৰাল সঞ্চালকালয়লৈ পুঁজি মুকলি কৰা সন্দর্ভত।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৯। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পুথিভঁৰাল সেৱা সঞ্চালকালয়লৈ অসম চৰকাৰে ২০০১ চনৰ পৰা বর্তমানৰ ২০০৯ চনৰ জুনলৈ কিমান পুঁজি মুকলি কৰি দিছে?

(খ) কোন কোন শিতানত কিমান পুঁজি মুকলি কৰি দিছে?

(গ) গ্ৰন্থ ক্ৰয়ৰ বাবে মুকলি কৰি দিয়া পুঁজিৰে বৰ্তমানলৈকে কিমান টকাৰ কিতাপ ক্ৰয় কৰিলে?

(ঘ) কোন কোন প্ৰকাশকে কিতাপ যোগান ধৰি কিমান ধন আদায় পালে আৰু কিমান ধন পাবলৈ বাকী আছে জনাবনে? বিল আদায় দিয়া ধনৰ পৰিমাণৰ (যদি চেক যোগে দিছে) বিতং তথ্য দিবনে?

(ঙ) অসম চৰকাৰৰ বাহিৰেও ৰাজাৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেশ্যনৰ পৰা পুথিভঁৰাল সেৱা সঞ্চালকালয়লৈ গ্ৰন্থক্ৰয়ৰ বাবে পুঁজি যোগান ধৰিছে নেকি?

(চ) যোৱা ৯ বছৰত এনে পুঁজি গ্ৰন্থ ক্ৰয় কৰিবৰ বাবে এই ফাউণ্ডেশ্যনৰ পৰা কিমান পুঁজি পাইছে? (বছৰ ভিত্তিত জনাব)

(ছ) ব্যক্তিগতভাৱে লেখক লেখিকাসকলে যোগান ধৰা গ্ৰন্থৰ বাবদ কিমান ধন আদায় দিলে জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পুথিভঁৰাল সেৱা সঞ্চালকালয়লৈ অসম চৰকাৰে ২০০১ চনৰ পৰা ২০০৯চনলৈ পৰিকল্পনা শিতানত ১৪১৩.১৬ লাখ টকা আৰু স্বাভাৱিক শিতানত ২৬০৪.৫৬ লাখ টকা মুঠ ৪০১৭.৭২ লাখ টকা মোকলাই দিছে।

(খ)

	পৰিকল্পনা	স্বাভাৱিক	লাখৰ হিচাবত মুঠ টকা
০১-দৰমহা	৪৯৫.৪০	১৬৯৪.২৩	২১৮৯.৬৩

০২-মজুৰি	০.৯০	০.২০	১.১০
০৩-ভ্ৰমণ বানচ	৪.০৬	৩.০৯	৭.১৫
০৪-কার্যালয় ব্যয়	৭৬.০১	৪২.২৮	১১৮.২৯
০৬-ভাড়া কৰ-কাটল	১৬.৫৮	৩৮.৬১	৫৫.১৯
০৭-প্ৰকাশন	০.০২	০.৪৪	০.৪৬
০৯-সাহায্য মঞ্জুৰী	৩৩.২৫	০.১৫	৩৩.৪০
১৩-ঘাই কামসমূহ	২৬.০৫	—	২৬.০৫
১৪-সৰু সুৰা কামসমূহ	—	৩.১৭	৩.১৭
১৫-যন্ত্ৰপাতি আৰু সঁজুলি	০.১০	১.৫৪	১.৬৪
১৬-মটৰ গাড়ী	৫.৪০	০.৭৯	৬.১৯
১৭-ৰক্ষণা বেক্ষণ	৪৯.৭৫	—	৪৯.৭৫
১৯-সামগ্ৰী আৰু যোগান	২.৮৯	১.৪৯	৪.৩৮

	পৰিকল্পনা	স্বাভাৱিক	লাখৰ হিচাবত মুঠ টকা
২৬-অন্যান্য ব্যয় ঃ			
১) কিতাপ ক্ৰয়	৩৮.০০	৭৫৯.৭০	৭৯৭.৭০
২) বকেয়া দৰমহা	—	৩৭.৮৭	৩৭.৮৭
৩) পোহৰ আৰু ধ্বনি	৫০.০০	২১.০০	৭১.০০
৪) ডকুমেণ্টৰী	৪.০০	—	৪.০০
৮০০-অন্যান্য ঃ			
১) একাদশ বিত্তীয় আয়োগ	৫৬০.০০	—	৫৬০.০০

২) দ্বাদশ বিত্তীয়

আয়োগ	৫০.৭৫	—	৫০.৭৫
	১৪১৩.১৬	২৬০৪.৫৬	৪০১৭.৭২

(গ) গ্রন্থ ক্রয়ৰ বাবে মুকলি কৰি দিয়া পুঁজিৰে বর্তমানলৈকে মুঠ ১,১১,৮৮,০৭৪.০০ টকা কিতাপ ক্রয় কৰা হৈছে।

(ঘ) প্রকাশকসকলে যোগান ধৰা কিতাপৰ ধন আদায় দিয়া আৰু ধন আদায় দিবলৈ বাকী থকা হিচাপৰ লগতে বিতং তথ্য দিয়া হ'ল ঃ-

প্রকাশৰ নাম	আদায় দিয়া ধনৰ পৰিমাণ	চেক নং তাৰিখ	ধন আদায় দিবলৈ বাকী থকা হিচাপ
১। চন্দ্র প্রকাশ	১২,০৯,৪৫২/- টকা	০০৩৮১০ তাং ১১-৫-০৭	
		০০৩৮১২ তাং ১১-৫-০৭	নাই
		৯১৭০৯২ তাং ৩০-৩-০৯	
		০০৩৮৯৪ তাং ২৬-৫-০৯	
২। এন এল পাব্লিকেশ্বন	৪,০০০/- টকা	৯১৭১১৪ তাং ৩০-৩-০৯	৭২,২১৬/-টকা
৩। কিৰণ প্রকাশন	২,৮৪৮/- টকা	৯১৭১১৬ তাং ৩০-৩-০৯	৫,০২,৩০১/-টকা
৪। বাণী মন্দিৰ	৮,৬৫,৫০৫/- টকা	৯১৭০৯০ তাং ৩০-৩-০৯	নাই
		০০৩৮৯২ তাং ২৬-৫-০৯	
৫। জ্যোতি প্রকাশন	৩,০৩,৭০৫/- টকা	৯১৭০৮৭ তাং ৩০-৩-০৯	৩,৩৮,৪০০/-টকা
৬। ধেমাজি বুক ষ্টল	২,০৪,৭৫০/- টকা	৯১৭০৮৮ তাং ৩০-৩-০৯	নাই

৭। অন্বেষা	২,০০,০০০/- টকা	৯১৭০৮৯ তাং ৩০-৩-০৯	৫,০৭,৬০০/-টকা
৮। এল বি এছ	৫,০৫,১২৫/- টকা	৯১৭০৯১ তাং ৩০-৩-০৯	৪,০১,৮৫০/-টকা
৯। ষ্টুডেণ্ট ষ্টোৰ্ছ	৪,০৮,০৮২/- টকা	৯১৭০৯৩ তাং ৩০-৩-০৯	৪,০২,৯০৬/-টকা
		৮১২১৬৫ তাং ৩১-৫-০৯	
১০। বনলতা	২,০৭,২৭০/- টকা	০০৩৮৯৩ তাং ২৬-৫-০৯	নাই
১১। পেপিৰাছ	২,২৫,৫০৪/- টকা	০০৩৮৯৫ তাং ৩০-৩-০৯	নাই
১২। ইষ্টার্ণ বুক হাউছ	৫৯,০০০/- টকা	৯১৭০৮৬ তাং ৩০-৩-০৯	৫,৭৮,৮৭৬/-টকা
১৩। স্পেকট্রাম পাব্লিকেশ্যন	১১,২৬৪/- টকা	৮১২১৬৮ তাং ৩১-৫-০৫	নাই
১৪। অভিযাত্রী প্রকাশন	১,২৮০/- টকা	৮১২১৬৯ তাং ৩১-৫-০৫	নাই
১৫। চিল্ড্রেন লাইব্রেৰী ট্রাষ্ট			৩,৪১,৮০১/- টকা
১৬। অসম প্রকাশন পৰিষদ			১০,০০,০০০/- টকা
১৭। বাণী প্রকাশ			৩,০৪,৫৫৮/- টকা
১৮। আনন্দৰাম বৰুৱা ইনষ্টিটিউট			১,৯৯,৮৬৭/- টকা
১৯। বুকলেণ্ড মার্কেটিং			৮২,৪৮৫/- টকা
২০। এছ এইচ এডুকেচনেল ট্রাষ্ট			৩,০২,৪৪৫/- টকা

২১। অসম সাহিত্য সভা	২,০০,৯২৫/- টকা
২২। অসম চৰকাৰৰ প্রিণ্টিং প্রেছ	১,৩০,৫০০/- টকা
২৩। কামৰূপ অনুসন্ধান সমিতি	৮১,০০০/- টকা
২৪। নিকুঞ্জলতা মহন্ত	২৫,০০০/- টকা
২৫। চিৰাৰাম মুংগেট্রাষ্ট	৫০,০০০/- টকা
২৬। জার্ণেল এম্পোৰিয়াম	১,০৮,১৫৭/- টকা
মুঠ ৪২,০৭,৮৩০/- টকা	মুঠ ৫৬,৩১,৮৮৭/- টকা

(ঙ) ৰাজা ৰামমোহন ৰায় লাইব্রেৰী ফাউণ্ডেশ্যনে সঞ্চালকালয়ক গ্রন্থ ক্রয়ৰ বাবে পুঁজিৰ যোগান নধৰে।

(চ) যোৱা ৯ বছৰত গ্রন্থক্রয়ৰ বাবদ পুঁজি পোৱা নাই।

(ছ) ব্যক্তিগতভাৱে লেখক লেখিকাসকলে যোগান ধৰা কিতাপৰ বাবদ মুঠ ১৩,৪৮,৩৫৭/- টকা আদায় দিয়া হৈছে।

Mr. Speaker : Now, Short Noticce Question No. 20, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ 'ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ বিতৰণ সম্পর্কে'।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২০। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৬-২০০৭ বিত্তীয় বর্ষৰ পৰা যোৱা তিনিটা বছৰত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ বিভাগে কিমানখন ট্রেক্টৰ আৰু কিমানটা পাৱাৰ টিলাৰ জনজাতি আৰু অন্যান্য শ্রেণীৰ উপভোক্তাক যোগান ধৰিছে?

(খ) এইবোৰ ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ কেন্দ্রীয়ভাৱে ক্রয় কৰা হৈছেনে—নে আই টি ডি পি, বা মহকুমা কল্যাণ যোগে ক্রয় কৰা হৈছে? (প্রতিটো আই টি ডি পি, মহকুমা কল্যাণ বিষয়া যোগে ক্রয় কৰা এনে ট্রেক্টৰ আৰু পাৱাৰ টিলাৰৰ তালিকা দিব)

(গ) এই ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ পোৱা উপভোক্তাসকলৰ নাম ঠিকনা আই টি ডি পি, আৰু মহকুমা কল্যাণ বিষয়াৰ কার্যালয় অনুসৰি বিতংকৈ জনাবনে?

(ঘ) এই তিনিটা বছৰত ক্রয় কৰা এনে ট্রেক্টৰ, পাৱাৰ টিলাৰত কিমান ধন ব্যয় হ'ল আৰু এই ধন কোনে কাক কাক (যোগান দাতাক) আদায় দিলে বিতংকৈ জনাবনে?

(ঙ) এই বিভাগে— সূঁতা, চিলাই মেচিন আদিও বিতৰণ কৰিছে নেকি? কিমান পুঁজি এই সূঁতা, চিলাই মেচিন আদিত ব্যয় হ'ল জনাবনে?

শ্রীমতী প্রমিলাৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-২০০৭ বিত্তীয় বর্ষৰ পৰা যোৱা তিনিটা বছৰত এই বিভাগৰ দ্বাৰা যোগান ধৰা ট্রেক্টৰ আৰু পাৱাৰ টিলাৰৰ সংখ্যা তলত দেখুৱা হ'ল—

আচনি	অনুসূচীত জনজাতি (পৰিমাণ, যন)			অনুসূচীত জাতি (পৰিমাণ)			অন্যান্য পিছপৰা শ্রেণীৰ (পৰিমাণ)			মুঠ
	২০০৬ -০৭	২০০৭ -০৮	২০০৮ -০৯	২০০৬ -০৭	২০০৭ -০৮	২০০৮ -০৯	২০০৬ -০৭	২০০৭ -০৮	২০০৮ -০৯	
ট্রেক্টৰ	৫৫৯	১৬৫	১৮০	৫০	-	-	-	-	-	৯৫৪
পাৱাৰ টিলাৰ	৩৩৭	২১৪	-	১৪৫	২৫৪	৪৯	-	-	৩৩৭	১৩৩

(খ) ক্রয় কৰা ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ সমূহৰ—

১। অনুসূচীত জনজাতিৰ বাবে ITDP, SDWO, আৰু সঞ্চালকৰ দ্বাৰা কেন্দ্রীয়ভাৱে ক্রয় কৰা হয়।

২। অনুসূচীত জাতিৰ বাবে অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগমৰ 'কেন্দ্রীয় ক্রয় সমিতি'ৰ অনুমোদন সাপেক্ষে কেন্দ্রীয়ভাৱে ক্রয় কৰা হয়।

৩। আনহাতে অন্যান্য পিছপৰা সম্প্রদায়ৰ লোকৰ বাবে সংশ্লিষ্ট সঞ্চালকৰ দ্বাৰা কেন্দ্রীয়ভাৱে ক্রয় কৰা হয়।

ITDP আৰু কেন্দ্রীয়ভাৱে ট্রেক্টৰ ক্রয় তালিকা অনুবদ্ধ— 'ক'ত দাখিল কৰা হ'ল।

(গ) ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ পোৱা উপভোক্তাসকলৰ নাম, ঠিকনা অনুবদ্ধ— 'খ', 'গ' আৰু 'ঘ'ত দিয়া হ'ল।

(ঘ) উক্ত তিনিটা বছৰত ট্রেক্টৰ আৰু পাৱাৰ টিলাৰ ক্রয়ত মুঠ ৩৮, ১৫, ৯৫, ৩২৯ টকা ব্যয় কৰা হয়।

উক্ত ধনৰাশি অনুসূচীত জনজাতি তথা অন্যান্য পিছপৰা সম্প্রদায়ৰ কল্যাণ সঞ্চালক আৰু পৰিচালন সঞ্চালক অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগমৰ জৰিয়তে ক্রমে— 'মহিন্দ্র এণ্ড মহিন্দ্র লিমিটেড' মুম্বাই তথা 'কেমট্রেড ইণ্ডিয়া লিমিটেড',

চান্দমাৰি, গুৱাহাটী আৰু 'নিকিটা মার্কেটিং চার্ভিচ প্রাইভেট লিমিটেড', জি এছ ৰোড, গুৱাহাটী-২২ তথা 'প্রিন্স এগ্রো মেচিনাৰী প্রাইভেট লিমিটেড' জি এছ ৰোডক প্রদান কৰা হয়।

(ঙ) হয়, এই বিভাগৰ দ্বাৰা ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ লোকৰ মাজত সূঁতা ও চিলাই মেচিন যোগান ধৰা হৈছে ২০০৬-০৭ বর্ষৰ পৰা উক্ত সামগ্রী ক্রয়ৰ বাবদ জনজাতীয় শিতানত মুঠ ৫,৩৩,৮১,০০০ টকা আৰু অন্যান্য পিছপৰা শ্রেণীৰ শিতানত মুঠ ১৫,৬৫,৮১,০০০ টকা ব্যয় কৰা হয়।

Mr. Speaker : Now, Short Noticce Question No. 21, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

২১। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ৮৫ নং ৰূপহীহাট বিধানসভা সমষ্টিত বি পি এল হিতাধিকাৰীক 'কুটীৰ জ্যোতি আঁচনিৰ জৰিয়তে বিদ্যুৎ সংযোগ দিয়াৰ ব্যৱস্থা কৰা পৰিয়ালৰ নাম-ঠিকনাসহ গাঁও পঞ্চায়ত ৰাইজ তালিকা এখন সদনত দাখিল কৰিবনে?

(খ) যদি কোনোবাই বি পি এলৰ ঠাইত এ পি এলৰ জৰিয়তে বিদ্যুতৰ যোগান পাইছে তাৰ বাবে কি ব্যৱস্থা গ্রহণ কৰিব সদনত জনাবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৫ নং ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তর্গত 'কুটীৰ জ্যোতি' আঁচনিৰ জৰিয়তে বিদ্যুৎ সংযোগ দিয়া গ্রাহকসকলৰ তালিকা (ক)

ঠিকনাসহ দাখিল কৰা হ'ল। (See Annexure-XXXVI)

(খ) কুটীৰ জ্যোতি আঁচনিৰ অধীনত সংযোগ লোৱা মানুহৰ তালিকাখন সংশ্লিষ্ট জিলাসমূহৰ উপায়ুক্তসকলৰ পৰা সংগ্রহ কৰা হয় আৰু সেই অনুযায়ী তালিকাভুক্ত হিতাধিকাৰীসকলক বিদ্যুৎ সংযোগ প্রদান কৰা হয়।

Mr. Speaker : Now, Short Noticce Question No. 22, Hon'ble Member, Shri Prafulla Kr. Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিলে ঃ

২২। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত ২০০১-২০০২ চনৰ পৰা পি, এম, জি, এছ, ওৱাই আঁচনিৰ অন্তর্গত কোন কোন পথ আজিলৈকে নির্মাণ হৈছে বা নির্মাণৰ ব্যৱস্থা লোৱা হৈছে?

(খ) উক্ত পথসমূহ নির্মাণৰ বাবে কোন কোন প্রতিষ্ঠানক / ব্যক্তিক ঠিকা দিয়া হৈছিল? (প্রতিষ্ঠানৰ মুৰব্বী/ ব্যক্তিৰ নাম আৰু দিয়া কামৰ বিষয়ে উল্লেখ কৰিব) তেওঁলোকে উক্ত কাম সুচাৰুৰূপে সম্পন্ন কৰিলেনে?

(গ) ২০০৮-২০০৯, ২০০৯-২০১০ চনৰ বাবে আৱণ্টিত কাম যিসকল ঠিকাদাৰক দিয়া হৈছে, তেওঁলোকে নিয়মানুযায়ী কাম নকৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত হয়, পথসমূহ সঠিকভাৱে নির্মাণ কৰিবৰ বাবে চৰকাৱে কি ব্যৱস্থা হাতত লৈছে?

(ঙ) কাৰ কাৰ চুপাৰিচ মতে উক্ত ঠিকাদাৰসকলক কামৰ আৱণ্টন দিয়া হৈছিল?

শ্রীভৰত চন্দ্র নৰহ (সমবায় ও সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রীয়ে গড়কাপ্টানী বিভাগৰ মন্ত্রী, শ্রীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিত ২০০১-২০০২ চনৰ পৰা পি, এম, জি, এছ, ওৱাই আঁচনিৰ অন্তর্গত কোন কোন পথ আজিলৈকে নির্মাণ সম্পূর্ণ কৰাও নির্মাণ চলি থকা পথসমূহৰ নাম অনুবদ্ধ 'ক'ত দিয়া হৈছে।

এই সমষ্টিত ২০০৮-২০০৯ চনৰ পি, এম, জি, এচ ওৱাই আঁচনিৰ অধীনত অনুমোদন পোৱা আৰু ইতিমধ্যে নিবিদা আহ্বান কৰি নির্মাণৰ ব্যৱস্থা লোৱা পথসমূহৰ তালিকা অনুবদ্ধ 'খ'ত দিয়া হৈছে। (See Annexure-XXXVII)

(খ) উক্ত পথ সমূহৰ নির্মাণৰ দায়িত্ব দিয়া প্রতিষ্ঠান তথা ব্যক্তিসকলৰ নাম আৰু কামসমূহৰ অগ্রগতিৰ খতিয়ান অনুবদ্ধ 'ক'ত উল্লেখ কৰা হৈছে। (See Annexure-XXXVIII)

আৱণ্টিত ১৬ টা কামৰ ভিতৰত ৯ টা কাম ১০০ শতাংশ সম্পূর্ণ হৈছে আৰু বাকী থকা ৭ টা কাম সম্পূর্ণ হোৱাৰ পথত।

(গ) ২০০৮-২০০৯ বিত্তীয় বর্ষৰ কাম সমূহ যোৱা লোকসভা নির্ব্বাচনৰ আগেয়ে অনুমোদন দিছিল, সেয়েহে বর্তমান আৱণ্টনৰ বাবে নিবিদা

প্রক্রিয়া চলি আছে আৰু ২০০৯-২০১০ বৰ্ষত কোনো আঁচনি লোৱা হোৱা নাই। গতিকে ইয়াত ঠিকাদাৰে নিমানুযায়ী কাম নকৰা কথাটো নাহে।

(ঘ) প্ৰযোজ্য নহয়।

(ঙ) পি, এম, জি, এছ, ওৱাই কাম সমূহ কেন্দ্ৰীয় গ্ৰামীণ পথ উন্নয়ন অভিকৰণ (NRRDA) ৰ দ্বাৰা অনুমোদিত নিবিদাৰ চৰ্তাৱলী তথা বিভাগীয় নীতিনিয়ম অনুসৰি আৱণ্টন দিয়া হয়। ইয়াত চুপাৰিচৰ কথা নাই।

Mr. Speaker : Now, Short Notice Question No. 23, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ঃ

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৩। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ৮৭ নং ৰহমপুৰ বিধানসভা সমষ্টিত ২০০১ চনৰ পৰা বৰ্তমানলৈ কোন কোন কেইটা PWD ৰাস্তাৰ মেৰামতি কৰা হ'ল জনাবনে? (ঠিকাদাৰসকলৰ নাম আৰু আৱণ্টিত ধনৰ পৰিমাণ জনাব)?

(খ) ২০০৮-২০০৯ চনত উক্ত সমষ্টিৰ কোন কোন PWD ৰাস্তা মেৰামতিৰ বাবে হাতত লোৱা হৈছিল যদিও বৰ্তমানলৈকে

মেৰামতি নোহোৱাৰ কাৰণ কি।

(গ) উক্ত সমষ্টিত যাতায়তৰ অসুচল হৈ পৰা দলং সমূহ নির্মাণৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঘ) জনসাধাৰণে যাতায়ত কৰিব নোৱাৰা হৈ পৰা PWD পথ সমূহ শীঘ্রে মেৰামতিৰ ব্যৱস্থা চৰকাৰে কৰিবনে।

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে য়ে গড়কাপ্টানি বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ ৮৭ বৰহমপুৰ বিধানসভা সমষ্টিত ২০০১ চনৰ পৰা বর্তমানলৈ মেৰামতি কৰা পথসমূহ, ঠিকাদাৰৰ নাম আৰু আৱণ্টিত ধনৰ পৰিমাণ অনুবদ্ধ ক'ত দিয়া হ'ল।

(খ) উক্ত সমষ্টিত ২০০৮-০৯ চনত মেৰামতিৰ বাবে হাততে লোৱা পথৰ নাম হ'ল কামপুৰ, কঠিয়াতলি ৰ'ড। কামটো সম্পূর্ণ কৰা হৈছে। পথটোৰ কামৰ বিৱৰণ অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure-XXXIX)

(গ) যাতায়তৰ বাবে অসুচল হৈ পৰা দলংসমূহ আৱণ্টিত পুঁজি সাপেক্ষে পর্যায়ক্রমে নির্মাণ কৰাৰ ব্যৱস্থা গ্রহণ কৰা হ'ব।

(ঘ) জনসাধাৰণৰ যাতায়তৰ অসুচল হৈ পৰা PWD পথসমূহ আৱণ্টিত পুঁজি সাপেক্ষে মেৰামতিৰ ব্যৱস্থা পর্যায়ক্রমে লোৱা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 24, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৪। **মাননীয় ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ স্বায়ত্তশাসিত পৰিষদ কেইখনলৈ (৬ষ্ঠ অনুসূচীৰ কেইখনত বাদে) আৰম্ভণীৰে পৰা কিমান পুঁজি যোগান ধৰা হৈছে (বিত্তীয় বছৰ অনুযায়ী পৃথকে পৃথকে দেখুৱাব)?

(খ) ২০০৭-২০০৮ আৰু ২০০৮-২০০৯ বিত্তীয় বৰ্ষত মিচিং স্বায়ত্ত পৰিষদ আৰু তিৰা স্বায়ত্ত পৰিষদলৈ কিমান পুঁজি কেতিয়া কোন কোন চিঠি মৰ্মে যোগান ধৰিছিল জনাবনে?

(গ) এই দুখন স্বায়ত্ত্বৰ পৰিষদে উক্ত দুয়োটা বিত্তীয় বছৰত কোন কোন বিভাগত কিমান কিমান পুজি আৱণ্টন কৰিছিল?

(ঘ) এই দুয়োখন স্বায়ত্ত্ব পৰিষদে পোৱা পুঁজিৰ বিতং তথ্যৰ লগতে বিভাগসমূহৰ হিতাধিকাৰী সকলৰ মাজত কাৰ্য্যকৰী কৰা আঁচনিসমূহৰ বিতং তালিকা দিবনে? (সদনৰ মেজত ৰাখিব)

(ঙ) এই দুয়োখন স্বায়ত্ত্ব পৰিষদত দুয়োটা বিত্তীয় বছৰত মুখ্য কাৰ্যবাহী সদস্য কোন কোন আছিল আৰু তেওঁলোকৰ হাতত কি কি দপ্টৰ আছিল?

(চ) সেই দপ্তৰ সমূহত কিমান কিমান পুঁজি ধাৰ্য্য কৰা হৈছিল (সেই বিভাগীয় পুঁজিৰ কাৰ্য্যকৰী কৰা আঁচনি ৰূপায়নৰ বিতং তালিকা

সদনৰ মেজত দিব)

শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী উত্তৰ দিছে ঃ

(ক) অসমৰ স্বায়ত্ত্ব শাসিত পৰিষদ কেইখনলৈ (৬ষ্ঠ অনুসূচীৰ বাদে) আৰম্ভণীৰে পৰা যিমান পুঁজি যোগান ধৰা হৈছে তাৰ তালিকা পৰিশিষ্ট ক'ত দেখুৱা হৈছে।

(খ) ২০০৭-২০০৮ আৰু ২০০৮-২০০৯ চনত মিচিং স্বায়ত্ত্ব পৰিষদ আৰু তিৰা স্বায়ত্ত্ব পৰিষদলৈ কিমান পুঁজি যোগান ধৰা হৈছিল চিঠিৰ নম্বৰ সহ তালিকা 'ঙ'ত দিয়া হ'ল।

(গ) এই দুখন স্বায়ত্ত্ব পৰিষদে উক্ত দুয়োটা বিত্তীয় বছৰত কোন কোন বিভাগত কিমান পুঁজি আৱণ্টন কৰিছিল পৰিশিষ্ট 'খ'ত দেখুৱা হ'ল।

(ঘ) এই দুয়োখন স্বায়ত্ত্ব শাসিত পৰিষদে পোৱা পুঁজিৰ বিতং তথ্যৰ লগতে হিতাধিকাৰীসকলৰ মাজত কার্য্যকৰি কৰা আঁচনিসমূহৰ বিতং তালিকা পৰিশিষ্ট 'গ'ত দিয়া হ'ল।

(ঙ) দুয়োখন পৰিষদত যোৱা দুটা বিত্তীয় বৰ্ষত কার্য্য নির্বাহ কৰা মুখ্য কার্যবাহী সদস্যৰ নাম শ্ৰীপৰমানন্দ চায়েংগীয়া আৰু শ্ৰীৰমাকান্ত দেউৰী।

পৰমানন্দ চায়েঙ্গীয়া দপ্টৰসমূহ হ'ল— গড়কাপ্টানি, প্রচাৰ জনসম্পর্ক, জনজাতি উন্নয়ন, জোখমাখ, নাটক, লটাৰী, থিয়েটাৰ আৰু খাদ্য আৰু যোগান।

শ্ৰীৰমাকান্ত দেউৰীৰ দপ্তৰসমূহৰ নাম— কুটিৰ শিল্প, জোখমাখ,

সমাজকল্যাণ, জনজাতি গৱেষণা, প্ৰচাৰ আৰু জনসম্পৰ্ক, উন্নয়নমূলক কাৰ্য্যৰ লগত জড়িত অন্যান্য বিষয়, পৰিবহন, হাট বজাৰ, জনজাতি কল্যাণ, পৌৰসভা, যাদুঘৰ আৰু পুৰাতত্ব, লটাৰী, থিয়েটাৰ, নাটক, চিনেমা, খাদ্য আৰু অসামৰিক যোগান।

(চ) ২০০৭-২০০৮ আৰু ২০০৮-২০০৯ বিত্তীয় বছৰত মুখ্য কাৰ্য্যবাহী সদস্যদ্বয়ৰ হাতত থকা দপ্তৰ সমূহৰ ধাৰ্য্য কৰা পুঁজিৰ আৰু ৰূপায়নৰ খতিয়ান পৰিশিষ্ট 'ঘ'ত দিয়া হ'ল।

Mr. Speaker : Short Notice Question No. 25., Hon'ble member Dr. Alaka Sarma.

বিষয় ঃ নতুন পেঞ্চন আঁচনি

ড° অলকা শর্মাই সুধিছে ঃ

২৫। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনৰ ১ ফেব্রুৱাৰীৰ পিছত ৰাজ্য চৰকাৰৰ অধীনত নিযুক্তিপ্রাপ্ত কর্মচাৰীসকলে প্রচলিত পেঞ্চন ব্যৱস্থাৰ আওতাত নপৰাটো নিশ্চিতনে?

(খ) যদি নিশ্চিত, তেন্তে তেওঁলোকৰ বাবে কিবা নতুন পেঞ্চন আঁচনি যুগুত কৰা হৈছে নেকি?

(গ) যদি নতুন আঁচনি যুগুত কৰা হৈছে, তেন্তে আঁচনিখনৰ বিতং তথ্য জনাব আৰু এই আঁচনিখন কেতিয়াৰ পৰা কার্যকৰি কৰা হ'ব সদনৰ মজিয়াত দাখিল কৰিব?

(ঘ) উক্ত তাৰিখৰ পিছত নিযুক্ত কর্মচাৰীসকলে জি, পি, এফ খুলিব

পাৰিবনে? সেই সকল কৰ্মচাৰী বাবে gratuity আৰু Leave encashment ৰ সুবিধা থাকিবনে?

শ্ৰীতৰুণ গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পিছত ৰাজ্য চৰকাৰৰ অধীনত নিযুক্তি প্ৰাপ্ত কৰ্মচাৰীসকলৰ বাবে প্ৰচলিত পেঞ্চন ব্যৱস্থাৰ সলনি নতুন পেঞ্চন নীতি আৰু ব্যৱস্থা যুগুতাই থকা হৈছে। মন্ত্ৰীসভাৰ অনুমোদনৰ পিছতহে এই বিষয়ে চূড়ান্ত সিদ্ধান্ত হোৱা বুলি ক'ব পৰা যাব।

(খ) -ঐ-

(গ) নতুন পেঞ্চন আঁচনিখন ৰাজ্য চৰকাৰ আৰু প্ৰতিজন কৰ্মচাৰীৰ যৌথ মাহেকীয়া বৰঙণিৰ ভিত্তিত Pension Fund Regulatory and Development Authority (PFRDA) ৰ নীতি নিৰ্দেশনামতে প্ৰস্তুত কৰি থকা হৈছে। উক্ত PFRDA য়ে SBI, UTI আৰু LIC ক পেঞ্চন পুঁজিৰ প্ৰৰন্ধক হিচাপে নিযুক্তি দিছে। পেঞ্চন প্ৰৰন্ধক সকলে তেওঁলোকৰ পুঁজি বিনিয়োগৰ নীতি আৰু আঁচনিসমূহৰ বিষয়ে Pension Reform Committee ক অৱগত কৰে। এই সমূহ পৰীক্ষা কৰি থকা হৈছে।

(ঘ) নতুন আঁচনিখনক চূড়ান্ত ৰূপ দি মন্ত্ৰীসভাৰ অনুমোদন পোৱাৰ পিছতহে এই বিষয়ে ক'ব পৰা যাব।

Mr. Speaker : Now, Short Notice Question No, 26, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ পুঁজি আৱণ্টন।

শ্রীআব্দুল আজিজে সুধিছে ঃ

২৬। মাননীয় ভৈয়াম জনজাতি উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৈয়াম জনজাতি উন্নয়ন বিভাগে ৮৫ নং ৰূপহীহাট সমষ্টিৰ জনজাতি লোকৰ উন্নয়নৰ বাবে ২০০৫ চনৰ পৰা ২০০৯ চনলৈ কিমান টকাৰ আৱণ্টন দিছে তথ্য সহকাৰে (সদনত জনাবনে)?

(খ) এই ধনৰাশিৰে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে আৰু এই আঁচনিসমূহৰ কিমান অগ্রগতি হৈছে? (তথ্যসহ দাখিল কৰিব)?

(গ) আঁচনিসমূহৰ নাম উল্লেখ কৰি তাৰ বিপৰীতে কিমান টকা আৱণ্টন দিছে? (বিতংভাবে জনাব)?

(ঘ) ২০০১ চনৰ পৰা আজিলৈকে কছাৰীগাঁও পঞ্চায়তৰ পূব প্রান্তত লেতৰী সকলৰ উত্তৰ ফালে বসবাস কৰা জনজাতি লোকসকলে এখন কাঠৰ দলং লেতৰীজানৰ ওপৰত অচলাৱস্থাত থকাৰ বাবে কি অৱস্থাত চলাচল কৰি আছে চৰকাৰ জ্ঞাতনে? এই সম্পর্কে বিভাগে কিবা ব্যৱস্থা ল'বনে?

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রীয়ে উত্তৰ দিছে ঃ

(ক) ৮৫ নং ৰূপহীহাট সমষ্টিৰ জনজাতি লোকৰ উন্নয়নৰ বাবে ২০০৫ চনৰ পৰা ২০০৯ চনলৈ আৱণ্টিত টকাৰ পৰিমাণ এনে ধৰণৰ — ২০০৭ বৰ্ষৰ পৰিয়াল ভিত্তিক আয়বদ্ধক আঁচনিৰ অধীনত ২৫

গৰাকী লোকলৈ ১০,০০০ টক হাৰত মুঠ ২,৫০,০০০ টকা আৰু ২০০৮ বৰ্ষত মুঠ ১৬ গৰাকী লোকক ১০,০০০ টকা হাৰত মুঠ ১,৬০,০০০ টকা অনুদান হিচাবে দিয় হয়।

(খ) উক্ত ধনৰাশিৰে 'পৰিয়াল ভিত্তিক আয়বৰ্দ্ধক' তথা স্ব-নিয়োজন আঁচনিৰ অধীনত নিম্নোক্ত আঁচনিসমূহ ৰূপায়ন কৰা হয়—

১) মীন পালন

২) ফল মূলৰ খেতি

৩) বয়ন ও এৰি মুগা পালন

৪) গাহৰি পালন

৫) হাঁহ, কুকুৰা পালন আদি

(গ) ৰূপায়িত আঁচনিৰ বিপৰীতে আৱণ্টিত ধন অনুবদ্ধ-কত দাখিল কৰা হ'ল (See Annexure-XL)

(ঘ) এই বিভাগৰ অৱগত নহয়।

Mr. Speaker : Now, Short Notice Question No. 27, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ 'D' ভোটাৰ।

শ্রীআব্দুল আজিজে সুধিছে ঃ

২৭। মাননীয় নির্বাচন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কি কি নথিৰ অভাৱত এজন ভাৰতীয় নাগৰিকৰ নামৰ বিপৰীতে 'ডি' শব্দ প্ৰয়োগ হয়?

(খ) কি কি নথিৰ ভিত্তিত 'ডি' শব্দটো উঠোৱা হয়?

(বিস্তৃতভাৱে সদনত জনাবনে?)

(গ) ১৯৬৬-১৯৭০ চনৰ নথিপত্ৰ দেখুৱাৰ পাছতো 'ডি' শব্দ কিছুমান ব্যক্তিৰ নামত ট্ৰিবিউনেলত কেছ চলি থকাৰ বিষয়ে বিভাগ জ্ঞাতনে?

(ঘ) ভোটাৰক ফটোযুক্ত পৰিচয় পত্ৰ দিয়াৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

(ঙ) উক্ত বিষয়ে কিমান কেছ ট্ৰিবিউনেলত চলি আছে জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভাৰপ্ৰাপ্ত মন্ত্ৰী, নিৰ্বাচন বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি ভোটাৰ তালিকাৰ বিস্তৃত সংশোধনীৰ সময়ত যিসকল ভোটদাতাৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হৈছিল তাৰ ভিতৰত ভোটাৰ পঞ্জীয়ন বিষয়াৰ তদন্তক্ৰমে যিসকল ভোটাৰৰ ক্ষেত্ৰত নাগৰিকত্ব সম্পৰ্কে সন্দেহ ওপজিছিল, তেনে ভোটাৰৰ নামৰ বিপৰীতে ইংৰাজী 'ডি' আখৰটো লিখা হৈছিল। স্থানীয় তদন্তকাৰী বিষয়াৰ জৰিয়তে এনে পৰীক্ষা কাৰ্য্য চলোৱা হৈছিল, বিস্তৃত বিৱৰণ থকা প্ৰ-পত্ৰখন তেওঁলোকে পূৰণ কৰিছিল আৰু সেই প্ৰ-পত্ৰখন বিধানসভা সমষ্টিৰ ভোটাৰ পঞ্জীয়ন বিষয়া (ই আৰ অ') জনক দিছিল। স্থানীয় তদন্তকাৰী

বিষয়াই দিয়া তথ্যৰ ভিত্তিত ভোটাৰ পঞ্জীয়ন বিষয়াই ভোটদাতাৰ দাবীসমূহ পোনে পোনে খাৰিজ কৰি দিয়াৰ পৰিৱৰ্ত্তে বিভিন্ন আইনৰ অধীনত গঠন কৰা উপযুক্ত ট্ৰাইবুনেললৈ বিচাৰৰ কাৰণে বিষয়টো সংশ্লিষ্ট কৰ্তৃপক্ষৰ (পুলিচ) জৰিয়তে পঠোৱাৰ প্ৰয়োজন আছেনে নাই ঠিৰাং কৰিছিল। ইয়াৰ পিচত ভোটাৰ পঞ্জীয়ন বিষয়াই সন্দেহযুক্ত ভোটাৰৰ বিষয়টো সংশ্লিষ্ট কৰ্তৃপক্ষৰ জৰিয়তে উপযুক্ত ট্ৰাইবুনেলত গোচৰৰ বাবে প্ৰেৰণ কৰিছিল। এইক্ষেত্ৰত ই আৰ অ'জনৰ কাম অৰ্ধন্যায়িক আছিল। 'ডি' ভোটাৰৰ স্থিতি নিৰূপণ কৰোতে কি কি নথিপত্ৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব সেইটো সম্পূৰ্ণকৈ বিষয়াভিত্তিক আছিল। গতিকে কি কি নথিৰ অভাৱত এজন ভোটদাঁতাৰ নামৰ বিপৰীতে 'ডি' আখৰ লিখা হয় সেইটো নিৰ্দিষ্টকৈ কোৱা সম্ভৱ নহয়। এই সংক্ৰান্তত ভাৰতৰ নিৰ্বাচন আয়োগে এখন নথিপত্ৰৰ তালিকা যুগুত কৰিছিল। কিন্তু অনুমোদন কৰা নথিপত্ৰৰ তালিকাখন নিৰ্দেশনামূলকহে আছিল, বিস্তাৰিত নাছিল। ভাৰতৰ নিৰ্বাচন আয়োগে দিয়া তালিকাখন তলত উল্লেখ কৰা ধৰণৰ ঃ-

(১) ১৯৬৬ চনৰ বা তাৰ আগৰ ভোটাৰ তালিকাৰ প্ৰমাণিত উলিয়াই অনা কপি।

(২) মাটিৰ পট্টা।

(৩) ৰাজহ বিভাগে দিয়া খাজনাৰ ৰচিদ।

(৪) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰমাণিত কপি।

(৫) ১৯৬৯ চনৰ জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন আইন আৰু অসম জন্ম

আৰু মৃত্যু পঞ্জীয়ন নিয়ম, ১৯৭৮ ৰ অধীনত উপযুক্ত কর্তৃপক্ষই জন্মৰ তাৰিখ আৰু স্থান প্ৰমাণ কৰি দিয়া জন্মৰ প্ৰমাণ পত্ৰ।

(৬) অসম চৰকাৰৰ উপযুক্ত কর্তৃত্বই দিয়া নাগৰিকত্বৰ প্ৰমাণ পত্ৰ।

(৭) ৰাজ্যৰ বাহিৰৰ পৰা দিয়া নাগৰিকত্বৰ প্ৰমাণ পত্ৰ (যিটো জাৰি কৰা কর্তৃত্বৰ পৰা সঁচা বুলি প্ৰমাণিত কৰিব লাগিব)।

(৮) শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণ পত্ৰ।

(৯) ভাৰত চৰকাৰৰ দ্বাৰা জাৰি কৰা পাৰপত্ৰ।

(১০) বীমা পলিচি।

(১১) যিকোনো চৰকাৰী কর্তৃত্তই জাৰি কৰা অনুজ্ঞাপত্ৰ।

(১২) চৰকাৰী/ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত সেৱা/নিযুক্তিৰ দলিল আদি প্ৰদৰ্শন।

(১৩) বিবাহৰ পিছত যিবিলাক মহিলা অন্য গাঁৱলৈ প্ৰবজন হৈছে সেইসকলে গাঁও পঞ্চায়তৰ সচিবে দিয়া প্ৰমাণ পত্ৰৰ স্থানীয় ৰাজহ বিষয়াই উপৰুৱা চহী কৰাৰ প্ৰমাণ পত্ৰ।

(খ) উপযুক্ত ট্ৰাইবুনেলে নাগৰিকত্ব বিষয়টো ভোটদাতাৰ সপক্ষে গোচৰটো নিস্পত্তি কৰিলেহে ভোটাৰ তালিকাত তেওঁলোকৰ নামৰ বিপৰীতে থকা 'ডি' আখৰটো কর্তন কৰা হয়।

(গ) জ্ঞাত নহয়।

(ঘ) ক'ব পৰা নাযায়। ৰাজনৈতিক বিভাগৰ পৰামর্শমতে বর্তমানে এই প্ৰক্ৰিয়াটো স্থগিত ৰখা হৈছে।

(ঙ) বিতং তথ্য সংশ্লিষ্ট বিভাগৰ পৰা সংগ্রহ কৰি সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XLT)

Mr. Speaker : Short Notice Question No. 28, Hon'ble Member, Dr. Rumi Nath.

Sub : Short Notice Question.

Dr. Rumi Nath asked :

28. Will the Minister of Power be pleased to State :

a) Is the Govt. aware of that the works progress of RGVS Scheme under Borkhola LAC is very slow not to satisfiaction of the Public? Please furnish the progress and position of villages that were completed and yet to be completed till date?

b) Is the Govt. aware of that were lots of complaints from the local public for the works taken up under RGVS? Is it a fact that in many places and cases the post (pillars) have been installed but electrification connection and house connection is not done by the deptt.? If so, what steps and remedies will be taken by the Govt. expedite the works to meet the target of completion? Please furnish details in this regards?

c) How many BPL house connections have sucessfull in Borkhola LAC? Please furnish upto date list of the beneficiaries?

Sri Pradyut Bordoloi (Minister of Power) replied :

a) & Work of RGGVY Scheme under Borkhola LAC is going on.

b) as per schedule. Progress is furnished in Annx. 'A' There tier quality Control System and Monitoring Mechanisim at District as well as State Level is in place to expedite the work. (See Annexure -XLII)

c) 3227 nos. of BPL Service connection are Installed. These are being charged progressively on completion of formalities. So far 270 nos. of connections have been charged. List is furnished at Annexure-'B'. (See Annexure-'B'.

(See Annexure–XLIII)

Mr. Speaker : Short Notice Question No. 29, Hon'ble Member, Sri Abdul Aziz.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

২৯। **মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

(ক) অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগমৰ পৰিচালন সঞ্চালকালয়ৰ কাৰ্যালয়ত বৰ্তমানলৈ বিষয়া পৰ্যায়ৰ কিমানটা পদ খালী হৈ আছে? খালী হৈ থকা পদসমূহ কেতিয়ালৈ পূৰণ কৰিব?

(খ) অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম পৰিচালন সঞ্চালকায়ৰ মুখ্য কাৰ্যালয় আৰু অসমৰ সকলো জিলাৰ শাখা কাৰ্যালয়ৰ নিৰ্ধাৰণ আৰু উচ্চ বৰ্গৰ সহায়কসকলৰ মূল দৰ্মহাৰ নিৰিখ একে নেকি?

(গ) নিগমৰ মুখ্য কাৰ্যালয়ৰ হিচাপ শাখাত কাম কৰা নিম্নবৰ্গ আৰু উচ্চবৰ্গৰ সহায়ক আৰু Accountant ৰ মূল দৰ্মহাৰ হাৰ অন্যান্য শাখাত কাম কৰা সমসাময়িক সহায়ক সকলতকৈ বেছি হোৱা বুলি উঠা অভিযোগ সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগমৰ মুঠ ৩২ জন বিষয়া পৰ্যায়ৰ অনুমোদিত পদৰ বিপৰীতে বৰ্তমান ৩১ জন বিষয়াই কাৰ্যনিৰ্বাহ কৰি আছে। বৰ্তমান নিগমৰ আৰ্থিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত খালী থকা পদ পূৰণৰ ব্যৱস্থা লোৱা নাই। দা-দৰমহাৰ শিতানত প্ৰয়োজনীয় ধন পালে সঞ্চালক মণ্ডলীৰ অনুমোদন সাপেক্ষে পূৰণ কৰাৰ ব্যৱস্থা লোৱা হ'ব।

(খ) অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগমৰ মুখ্য কার্যালয় আৰু শাখা কার্যালয়ৰ জ্যেষ্ঠ সহায়ক আৰু কনিষ্ঠ সহায়কক দৰমহা সমহাৰত দিয়া হৈছে।

(গ) নিগমৰ মুখ্য কার্যালয়ৰ হিচাপ শাখাত বর্তমানলৈ কোনো উচ্চবর্গৰ সহায়ক আৰু কনিষ্ঠ বর্গৰ সহায়ক পদৰ অনুমোদন হোৱা নাই। নিগমৰ হিচাপ শাখাত গাণনিক আৰু গাণনিক সহায়ক পদৰ দৰমহাৰ গাঁঠনি ১৯৯৮ চনৰ ৰাজহুৱা খণ্ডৰ সংশোধিত দৰমহা আয়োগৰ অনুমোদিত হাৰত দিয়া হৈছে। শাখা কার্যালয়ত Accountant ৰ পদ এতিয়াও সৃষ্টি হোৱা নাই আৰু নিগমত দৰমহাৰ গাঠনি ক্ষেত্রত কোনো অভিযোগ পোৱা হোৱা নাই।

Mr. Speaker : Now, Short Notice Question No. 30, Hon'ble Member, Shri Brindabon Goswami.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৩০। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাইহাটা চাৰিআলিৰ পৰা ইটানগৰলৈ (গহপুৰ হৈ) ফ'ৰলেন যুক্ত পথ নির্মাণ কামৰ অগ্রগতি কিমান হৈছে?

(খ) উল্লেখিত পথচোৱা কোন বিভাগে চোৱা-চিতা কৰিছে?

(গ) উল্লেখিত পথৰ কোনবোৰ অংশ মেৰামতিৰ প্রয়োজন হৈছে? এই সম্পর্কত কিবা ব্যৱস্থা লৈছে নে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্রী শ্রীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) বাইহাটা চাৰিআলিৰ পৰা গহপুৰহে অসম-ইটানগৰ সীমান্ত পর্য্যন্ত পথচোৱাৰ ভিতৰৰ বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ অংশৰ পথচোৱা ফ'ৰলেনযুক্ত কৰণৰ কোনো প্রস্তাৱ বর্তমানলৈ নাই।

কিন্তু তেজপুৰৰ পৰা চকিঘাট হৈ গহপুৰ লৈ ফ'ৰলেনযুক্ত পথ কৰণৰ বাবে জৰিপৰ কাম NHAI য়ে কৰি আছে আৰু গহপুৰৰ পৰা অসম-অৰুণাচল সীমান্ত পর্য্যন্ত পথচোৱাৰ ফ'ৰলেনযুক্ত পথ কৰনৰ বাবে বিস্তৃত প্রতিবেদন প্রস্তুতিৰ কাম গড়কাপ্টানি বিভাগৰ অধীনত কৰি থকা হৈছে।

(গ) এই পথচোৱাৰ ১৩ কিঃমিঃৰ পৰা ১৫ কিঃমিঃ, ২০ কিঃমিঃৰ পৰা ২৩ কিঃমিঃ ৩৫ কিঃমিঃ, ৩৬ কিঃমি, ৫৭ কিঃমিঃৰ পৰা ৬৩ কিঃমিঃ (মুঠ = ১৬ কিঃমিঃ) আৰু ২১১কিঃ মিঃৰ পৰা ২৩৩ কিঃ মিঃ (মুঠ = ২২ কিঃমিঃ) অংশ পথত ভাৰত চৰকাৰৰ পথ পৰিবহণ মন্ত্রালয়ৰ অনুমোদন অনুযায়ী মেৰামতিৰ কাম কৰি থকা হৈছে। এই পথচোৱাৰে ১১ কিঃমিঃ, ১২ কিঃমিঃ, ১৬ কিঃমিঃৰ পৰা ১৯ কিঃমিঃ, ২৪ কিঃমিঃ, ২৫ কিঃমিঃ, ৫০ কিঃমিঃৰ পৰা ৫৬ কিঃমিঃ, ১৫৭ কিঃমিঃৰ পৰা ১৬২ কিঃমিঃ, ১৭৩ কিঃমিঃৰ পৰা ১৯৮ কিঃমিঃ লৈ আৰু গহপুৰ ইটানগৰ পথচোৱাৰ ২০.৩৭ কিঃমিঃৰ পৰা ২৯.৬০ কিঃমিঃ (গহপুৰ) লৈ মেৰামতিৰ বাবে প্রাক্কলন প্রস্তুত কৰি ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্রণালয়লৈ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছে।

Mr. Speaker : Now, Short Notice Question No. 31, Hon'ble Member, Shri Brindabon Goswami

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৩১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত শ্বহীদ ভূপেন ডেকা পথটো (শিলৰ নামঘৰলৈ) জহি খহি যোৱা সত্ত্বেও মেৰামতি কৰা হোৱা নাই কিয়?

(খ) উক্ত পথটো উন্নয়নৰ বাবে চৰকাৰে সোনকালে ব্যৱস্থা ল'বনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা, সমবায়, সাংস্কৃতিক পৰিক্ৰমা আৰু ক্ৰীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত শ্বহীদ ভূপেন ডেকা পথটিৰ মুঠ দৈৰ্ঘ্য ২.৪০ কিঃমিঃ। ইতিমধ্যে ২০০৬-০৭ বৰ্ষৰ এন এল চি পি আৰ (DONER) ৰ অধীনত তেজপুৰ চহৰৰ অন্তৰ্গত গড়কাপ্টানী বিভাগৰ মুঠ ৩৩ টা পথ আৰু তেজপুৰ পৌৰসভাৰ অধীনৰ ১২৬ টা পথৰ লগতে চহৰৰ নলা-নৰ্দমা নিৰ্মাণৰ বাবে ২৫.৫২ কোটি টকাৰ প্ৰাক্কলন অনুমোদন পোৱা হয়। এই অনুমোদনৰ ভিতৰত শ্বহীদ ভূপেন ডেকা পথৰ নিৰ্মাণৰ বাবে ৩২.৯৫ লাখ টকাৰ অনুমোদন পোৱা হৈছিল। ডোনাৰৰ অনুমোদনত থকা চুক্তি মৰ্মে প্ৰথম পৰ্যায়ত নলা-নৰ্দমাসমূহৰ নিৰ্মাণৰ পাছত এটা বাৰিষাকাল পৰ্য্যবেক্ষণ কৰাৰ পিছতহে

পথসমূহৰ নির্মাণৰ কাম হাতত ল'ব পৰা যাব। নলা নর্দমাসমূহৰ কাম সম্পূর্ণ হোৱাৰ পাছত এটা বাৰিষাকাল পাৰ হোৱা নাই বাবে অনুমোদিত বাকী পথসমূহৰ লগতে শ্বহীদ ভূপেন ডেকা পথটোৰ উন্নয়নৰ কাম হাতত ল'ব পৰা নাই।

(খ) নলা-নর্দমাসমূহ নির্মাণৰ পাছত এটা বাৰিষাকাল পাৰ হৈ গলেই উক্ত পথটোৰ উন্নয়নৰ কাম কৰা হ'ব।

Mr. Speaker : Short Notice Question No. 32, Hon'ble Member, Shri Brindabon Goswami.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৩২। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তেজপুৰ চহৰৰ সকলোবোৰ গড়কাপ্টানী পথৰ শোচনীয় অৱস্থাৰ বিষয়ে মন্ত্রী ডাঙৰীয়ানী অৱগতনে?

(খ) শোচনীয় পথসমূহৰ উন্নয়নৰ বাবে সোনকালে ব্যৱস্থা ল'বনে?

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা, সমবায়, সাংস্কৃতিক পৰিক্রমা আৰু ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তেজপুৰ চহৰৰ অন্তর্গত ৰাস্তাৰ মেৰামতিৰ প্রয়োজনৰ বিষয়ে চৰকাৰ অৱগত।

(খ) লোৱা হব। ইতিমধ্যে ২০০৬-০৭ বর্ষৰ পৰা ২০০৮-০৯ বর্ষত বিভিন্ন শিতানত মুঠ ১৭ টা পথৰ (দৈর্ঘ্য-১১.৩১৪ কি.মি.)

মেৰামতিৰ কাম সম্পূৰ্ণ হৈছে আৰু ২৯০ মি. পথৰ কাম চলি আছে। ইয়াৰ উপৰি ২০০৬-০৭ বৰ্ষত NLCPR ৰ অধীনত DONER (ডন'ৰ) পৰা এই বিভাগে মুঠ ৩৩ টা পথৰ (দৈর্ঘ্য ৩৪.৪২ কি.মি.) বিপৰীতে ১১.৪২ কোটি টকাৰ আৱণ্টন পোৱা গৈছে। ইতিমধ্যে ইয়াৰ কামো আৰম্ভ হৈছে। বাকী শোচনীয় হৈ থকা পথসমূহ প্ৰয়োজনীয় পুঁজিৰ অনুমোদন ও আৱণ্টন সাপেক্ষে অগ্ৰাধিকাৰ ভিত্তিত মেৰামতি কৰা হ'ব।

Mr. Speaker : Now, Short Notice Question No. 33, Hon'ble Member, Shri Brindabon Goswami.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী।

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৩৩। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তেজপুৰ বিধানসভা সমষ্টিত বিগত বছৰসমূহত লোৱা পি, এম, জি এছ ওৱাই (বিগত ছয় বছৰত) আঁচনি সমূহৰ নাম জনাবনে?

(খ) আঁচনিসমূহৰ আধৰুৱা হৈ থকা পথসমূহৰ সম্পূৰ্ণ কৰণৰ বাবে ঠিকাদাৰক কিমান সময় বঢ়াই দিয়া হ'ল আৰু কিমান বছৰ বঢ়াই দিব। পথসমূহৰ বাবে কিমান ধন মোকলাই দিলে? এনেবোৰ অনিয়মৰ তদন্ত কৰি যথোচিত ব্যৱস্থা ল'বনে? তেজপুৰত এই আঁচনিৰ ব্যাপক অনিয়ম হোৱা হেতু ইয়াৰ তদন্তৰ ব্যৱস্থা কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (সমবায় ও সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে গড়কাপ্টানি বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগৰ হৈ উত্তৰ দিছে ঃ

(ক) পি, এম, জি, এছ, ওৰাই (বিগত ছয় বছৰত) আঁচনিসমূহৰ নাম তলত উল্লেখ কৰা হ'ল ঃ

বর্ষ	ৰাস্তাৰ নাম
২০০০-২০০১	১) কটকী চুবুৰী পথ
	২) বগাবাৰী চুবুৰী পথ
২০০১-২০০২	১) ৩৭(ক) ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা তিনিমাইল ভিতৰসুঁতি পথ
২০০৪-২০০৫	১) বুঢ়াগাঁও ডিপোটা পথ
	২) ৩৭ (ক) ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা আলিচিঙা পথ
	৩) বৰগুৰি আমোলাপাম নপাম পথ
২০০৫-২০০৬	১) বৰগুৰি আমোলাপান নপাম পথ
	২) ৩৭ (ক) নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা আলিচিঙা পথ
	৩) মিচন চাৰিআলি দেৱীসিং ঘাট পথ
	৪) ডেকাৰগাঁও তামুলীজান পথ
	৫) হলেশ্বৰ বিন্দুকুৰী পথ
২০০৬-২০০৭	১) মেণ্টেল হস্পিতালৰ পৰা গেৰেকীকছাৰী পথ
২০০৭-২০০৮	১) ৫২নং ৰাষ্ট্ৰীয় পথৰ পৰা পুঠিখাটী (উদমাৰী) পথ
	২) ৩৭(ক) নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা বেঁবেজীয়া পথ
	৩) ৩৭(ক) নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা গোটলুং ফুলতোলা পথ

(খ) আঁচনি সমূহৰ আধৰুৱা হৈ থকা পথসমূহ সম্পূৰ্ণ কৰণৰ বাবে সম্প্ৰতি নিবিদা চৰ্ত সাপেক্ষে সময়সীমা বঢ়াই দিয়া হৈছে। কামৰ পৰিস্থিতি সাপেক্ষে প্ৰয়োজন হ'লে নিবিদাৰ নিয়মানুযায়ী ঠিকাদাৰক জৰিমনা বিহা (Liquidity damage impose) হ'ব। উক্ত পথসমূহৰ বিপৰীতে ৪০৬.৩৬ লাখ টকা মোকলাই দিয়া হৈছে। তেজপুৰত পি, এম, জি, এচ ওৱাই আঁচনিৰ ৰূপায়নত কোনো ধৰণৰ অনিয়ম নাই।

Mr. Speaker : Short Notice Question No. 34, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩৪। **মাননীয় ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য পিচপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে**

(ক) ২০০১ চনৰ পৰা ২০০৯ চনলৈ ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ দপ্তৰ যোগে কিমানটা বেচৰকাৰী প্ৰতিষ্ঠানক (এন জি অ') কিমান কিমান পুঁজি/সাহায্য আগবঢ়াইছে বিতংকৈ জনাবনে? (বছৰ ভিত্তিক তালিকা দিব)

(খ) এই পুঁজি কোন শিতানৰ পৰা যোগান ধৰা হয়?

(গ) এই বেচৰকাৰী প্ৰতিষ্ঠানবোৰৰ (এন জি অ') তদাৰকী বিষয়া কৰ্মীৰ নামৰ তালিকা দিবনে?

(ঘ) সংবিধানৰ ২৭৫(ক) বিধিৰ আধাৰত এই নটা বছৰত ৰাজ্যখনৰ

বিভিন্ন আভ্যন্তৰীণ উন্নয়নমূলক কামৰ বাবে কিমান ধন মুকলি কৰি দিছে? বছৰ ভিত্তিত জনাবনে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ৰ পৰা ২০০৯ চনলৈ ভৈয়াম জনজাতি কল্যাণ দপ্তৰযোগে অনুসূচীত জাতি সঞ্চালয়ৰ জৰিয়তে ১৬ লাখ টকা ৪৩ টা বেচৰকাৰী প্ৰতিষ্ঠান (N.G.O.) ৰ মাজত বিতৰণ কৰা হৈছে। তালিকা লগত গাঠি দিয়া হ'ল — ক, খ, গ। (See Annexure-XLIV)

(খ) এই পুঁজি অসম চৰকাৰৰ পৰিকল্পনা শিতানৰ পৰা যোগান ধৰা হয়।

(গ) বেচৰকাৰী প্ৰতিষ্ঠানসমূহক ধনৰ অনুমোদন সভাপতি/সম্পাদকৰ পদবীৰ বিপৰীতে অনুমোদন দিয়া হয়। সেয়ে তদাৰকী বিষয়া কৰ্মীৰ নামৰ তালিকা বিচাৰি বেচৰকাৰী প্ৰতিষ্ঠানসমূহক যোগাযোগ কৰা হৈছে। তালিকা পালে সদনৰ মেজত দাখিল কৰা হ'ব।

(ঘ) অসম চৰকাৰে সংবিধানৰ ২৭৫ (ক) বিধিৰ আধাৰত যোৱা ৯ টা বছৰত ৰাজ্যখনৰ ভৈয়াম জনজাতি এলেকাত বিভিন্ন আভ্যন্তৰীণ উন্নয়নৰ কামৰ বাবে মুকলি কৰি দিয়া ধন বছৰ ভিত্তিত তলত উল্লেখ কৰা হ'ল।

চন/বছৰ	ধনৰ পৰিমাণ
১। ২০০০-২০০১	৩,৪৭,০০,০০০/-
২। ২০০১-২০০২	৬,৮২,৬৫,০০০/-

১। ২০০২-২০০৩	৮,৯০,০০, ০০০/-
১। ২০০৩-২০০৪	৬, ৬৮,৮৭,০০০/-
১। ২০০৪-২০০৫	৯,৭১,৪৮, ০০০/-
১। ২০০৫-২০০৬	১২,০৪,৪০,০০০/-
১। ২০০৬-২০০৭	১২,৮৪,৩১,০০০/-
১। ২০০৭-২০০৮	৯,৪১,৯৪,০০০/-
১। ২০০৮-২০০৯	৮, ১৯,৩৮,০০০/-

Mr. Speaker : Now, Short Notice Question No. 35, Hon'ble Member, Dr. Rumi Nath.

Sub : Pay Commission :

35. Will the Minister of Finance be pleased to state :

(a) Is the Govt. aware of that there is lots of resentment by the Assam State Govt. Employees on the demand to adopt the 6th State Central Pay Commission Report with other facilities for the State Govt. Employee of Assam? If so, what steps have so far been taken by the Govt.? Please furnish details in this regards?

Shri Tarun Gogoi (Chief Minister) replied :

The State Government is aware about the

demand of the State Government Employees to adopt the Pay Scale recommended by the 6th Central Pay Commission with other benefits for them. The State Government however, took a Resolution to constitute the Assam Pay Commission, 2008 under the Chairmanship of Shri Bhaskar Barua, IAS, (Retd) vide Resolution No, FPC, 16/2007/16, Dated 30-5-2008 (copy enclosed). The Commission was requested to submit its report as soon as practicable but preferably within a year from the date of its constitution. The Government has extended the term of the Assam Pay Commission, 2008 for another 3 months w.e.f. 30-05-2009 vide Notification No. FPC.6/2007/ Pt/12. Dated 5-6-2009 (Copy enclosed). Meanwhile, the Chairman of the Commission has requested Hon'ble Chief Minister, Assam to allow time till the end of this year to submit its report. No decision has been taken on that request. It is expected that the Pay Commission will submit its report within the extended period. (See Annexure-XLV)

In this connection, it may be mentioned that the Assam, Pay Commission, 2008 has started its work and at present it is meeting various Service Associations to hear their grievances and suggestions. The hearing is being completed shortly.

Meanwhile, Hon'ble Chief Minister of Assam in his Budget speech for 2009-10 delivered in the Legislative Assembly on 29th June, 2009, made the following announcement-

"Pay Revision : - Following recommendations of the 6th Central Pay Commission, Government of India has revised the pay structure of their employees. A few State Governments have also announced pay revisions of their employees. We also constituted a State Pay Commission, whose term has been extended up to 31st August, 2009. The Assam Government employees have been asking for pay parity with their Centre Government counterparts. I have decided to adopt Central Government Pay Scales for our State Government employees

also. This will put to rest, once for all, a long pending grievance of the State Government employees. Pending finalization of the other details, which will be finalized after receipt of the State Pay Commission report, I have provided for an amount of Rs. 3382 crore in 2009-10 budget to meet current year's liability on account of pay and pension revisions."

Mr. Speaker : Short Notice Question No. 36, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ সূতা আৰু কম্বল।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩৬। মাননীয় হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনৰ পৰা Handloom & Textile বিভাগৰ পৰা বৰ্তমানলৈকে বঢ়মপুৰ বিধানসভা সমষ্টিত কিমান গৰাকী হিতাধিকাৰীক সূতা আৰু কম্বল বিলোৱা হ'ল? (নাম আৰু ঠিকনাৰ লগতে সূতা কম্বল বিলোৱাৰ তাৰিখ উল্লেখ কৰিব)

(খ) উক্ত সূতা আৰু কম্বল সমূহৰ সৰ্বমুঠ দাম কিমান? কোন ঠিকাদাৰে উক্ত সামগ্ৰীসমূহ যোগান ধৰিছিল?

(গ) হিতাধিকাৰীসকলক নিৰ্বাচন কোনে কৰিছিল? (বিতং তথ্য দিব)।

স্থানীয় বিধায়কৰ এইক্ষেত্ৰত মতামত লৈছিল নে?

(ঘ) চৰকাৰে এনে আঁচনি পুনৰ হাতত ল'বনে?

শ্ৰীপ্ৰণৱ গগৈ (হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) হস্ততাঁত বস্ত্ৰশিল্প বিভাগে বৰ্তমানলৈকে বঢ়মপুৰ বিধানসভা সমষ্টিৰ সূতা আৰু কম্বল বিতৰণ কৰা হিতাধিকাৰীসকলৰ সংখ্যা চন ভিত্তিত তলত উল্লেখ কৰা হ'ল ঃ

১) ২০০৬ চনত সূতা = ৩০০০ গৰাকী হিতাধিকাৰী।

কম্বল = নাই।

২) ২০০৭ চনত সূতা = ২৯৬০ গৰাকী হিতাধিকাৰী।

কম্বল = ৩২০০ ঐ

৩) ২০০৮ চনত সূতা = ১৩৫০ গৰাকী হিতাধিকাৰী।

কম্বল = ৩২০০ গৰাকী হিতাধিকাৰী।

(ক) ২০০৬ চনৰ ৯-১১-২০০৬ তাৰিখ আৰু ৩-৭-২০০৮ তাৰিখত সূতা আৰু কম্বল বিতৰণ কৰা হৈছিল। হিতাধিকাৰীসকলৰ তালিকা বৃহৎ হোৱাৰ পৰিপ্ৰেক্ষিতত সদনৰ মজিয়াত তালিকা দাখিল কৰিব পৰা নগ'ল।

(খ) বিতৰণ কৰা সূতা আৰু কম্বলৰ সৰ্বমুঠ দাম ৩৪,৫০,০০০ টকা সূতা আৰু কম্বলসমূহ উৎপাদন কৰা প্ৰতিষ্ঠান সমূহৰ পৰা পোনপটীয়াকৈ সংগ্ৰহ কৰা হৈছে আৰু ইয়াত কোনো ঠিকাদাৰ নিযুক্তি দিয়া হোৱা নাই।

(গ) ২০০৬ চনৰ সূতাৰ হিতাধিকাৰীসকলৰ তালিকা প্ৰতিখন জিলা আৰু মহকুমাৰ বিভাগীয় বিষয়া তথা ৰাইজৰ প্ৰতিনিধিৰ দ্বাৰা বাছনি কৰাৰ পাছত জিলাৰ উপায়ুক্তৰ দ্বাৰা অনুমোদন সাপেক্ষে তালিকা প্ৰস্তুত কৰা হৈছিল।

২০০৮ চনৰ সূতাৰ হিতাধিকাৰীৰ তালিকা বিভাগীয় সহকাৰী সঞ্চালক আৰু মহকুমাৰ অধীক্ষকৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল। এই তালিকা জিলাৰ উপায়ুক্তৰ অনুমোদনৰ পাছত জিলাৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ৰ অনুমোদন সাপেক্ষে চূড়ান্ত কৰা হৈছিল।

কম্বলৰ ক্ষেত্ৰত হিতাধিকাৰীৰ তালিকা জিলাৰ উপায়ুক্তই তেওঁৰ অধীনত থকা খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখাৰ অধীনৰ তালিকাৰ পৰা প্ৰস্তুত কৰি জিলাৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ৰ পৰা অনুমোদন লৈ চূড়ান্ত কৰিছিল।

(ঘ) চৰকাৰে ইতিমধ্যে মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত এনেধৰণৰ আঁচনি পুনৰ হাতত লৈছে।

Mr. Speaker : Now, Short Notice Question No. 37, Hon'ble Member, Shri Prafulla Kumar Mahanta.

বিষয় ঃ গ্ৰাম্য পুথিভঁৰাল সন্দৰ্ভত।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা গ্রাম্য পুথিভঁৰাল আছে? আৰু এই পুথিভঁৰাল বিলাকৰ কাম কি কি জনাবনে? কোন কোন জিলাত কিমানটাকৈ গ্রাম্য পুথিভঁৰাল আছে বিতং তথ্য জনাবনে?

(খ) নগাঁও জিলাৰ কোন কোন সমষ্টিত কেইটাকৈ, ক'ত ক'ত এনে পুথিভঁৰাল আছে আৰু কোনে পৰিচালনা কৰে জনাবনে? (পুঁথিভঁৰাল থকা গাঁওৰ নাম সহ জনাব) এই পুথিভঁৰাল সমূহে চৰকাৰৰ পৰা অনুদান আদি লাভ কৰিছেনে?

(গ) ৮৭ নং বঢ়মপুৰ বিধানসভা সমষ্টিত থকা গ্রাম্য পুথিভঁৰালসমূহত কর্মচাৰী আৰু ছাত্র-ছাত্রী কিমান আছে জনাবনে?

(ঘ) নতুনকৈ উক্ত সমষ্টিত ক'ত ক'ত তেনে পুথিভঁৰাল স্থাপনৰ প্রস্তাৱ আছে জনাবনে?

শ্রীভৰত চন্দ্র নৰহ (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত পুথিভঁৰাল সঞ্চালকালয়ৰ অধীনত বর্তমান ২০৪ টা গ্রাম্য পুথিভঁৰালৰ ভিতৰত ১৯৯ টা চলি আছে। গাঁও অঞ্চলত বাস কৰা সকলো জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ কৰাৰ উদ্দেশ্যে এই গ্রাম্য পুথিভঁৰাল সমূহ স্থাপন কৰা হৈছে।

অসমৰ প্রত্যেকখন জিলাত থকা গ্রাম্য পুথিভঁৰালৰ হিচাপ তলত দিয়া হ'ল ঃ

জিলা		গ্রাম্য পুথিভঁৰালৰ সংখ্যা
১। কামৰূপ	—	১৫ টা

২। বৰপেটা	—	১৭ টা
৩। নলবাৰী	—	১৭ টা
৪। শোণিতপুৰ	—	১৬ টা
৫। লক্ষীমপুৰ	—	১০ টা
৬। ধেমাজি	—	২ টা
৭। তিনিচুকীয়া	—	৩ টা
৮। ডিব্রুগড়	—	৬ টা
৯। শিৱসাগৰ	—	১৬ টা
১০। যোৰহাট	—	১০ টা
১১। গোলাঘাট	—	৭ টা
১২। নগাঁও	—	৯ টা
১৩। মৰিগাঁও	—	৭ টা
১৪। কাছাৰ	—	৫ টা
১৫। কৰিমগঞ্জ	—	৬ টা
১৬। দৰং	—	১৭ টা
১৭। ধুবুৰী	—	১২ টা
১৮। গোৱালপাৰা	—	৫ টা
১৯। বঙাইগাঁও	—	৩ টা

২০। কোকৰাঝাৰ — ৯ টা

২১। হাইলাকান্দি — ৩ টা

২২। কার্বি আংলং — ২ টা

২৩। উত্তৰ কাছাৰ — ২ টা

মুঠ - ১৯৯ টা

(খ) নগাঁও জিলাৰ সমষ্টিসমূহত থকা পুথিভঁৰাল সমূহৰ নাম আৰু ঠিকনা উল্লেখ কৰা হ'ল—

	সমষ্টি	গ্রাম্য পুথিভঁৰালৰ নাম	প্রতি সমষ্টিত থকা পুথিভঁৰালৰ হিচাপ
১)	হোজাই	কোমোৰাকাটা জনকলাণ ক্লাব আৰু পুথিভঁৰাল, ডাক কোমোৰাকাটা গাঁও-কোমাৰাকাটা	-১
২)	ধিং	দগাঁও ৰূপজ্যোতি প্রগতিশীল পুথিভঁৰাল আৰু যুৱক সংঘ, গাঁও ও ডাকঘৰ-দগাঁও	-১
৩)	নগাঁও সদৰ	মহাপুৰুষ শ্রীমন্ত শংকৰ গুৰু পুথিভঁৰাল গাঁও ও ডাকঘৰ-বটদ্রৱা	-৩
৪)	নগাঁও সদৰ	গুৰুনানক পুথিভঁৰাল গাঁও ও ডাকঘৰ-বৰকোলা	-৩
৫)	নগাঁও সদৰ	তৰুণ আদর্শ পুথিভঁৰাল, ডাক-বেবেজীয়া গাঁও - গেৰীকুৰী বেবেজীয়া	-৩

৬) ৰহা বৰসত্ৰ লাইব্ৰেৰী, ডাক- ঘাহী ভষ্টিকুৰী
গাঁও-ঘাহী -১

৭) কলিয়াবৰ নগাঁও পুথিভঁৰাল, ডাক-জখলাবন্ধা -২
গাঁও-বৰভকটীয়া সত্ৰ

৮) কলিয়াবৰ কুৱৰীটোল তৰুণ সংঘ পুঁথিভঁৰাল -২
ডাক- আমবাগান গাঁও-কুৱৰীটোল

৯) বঢ়মপুৰ মাজ্‌পাথৰী সুৰভি পুথিভঁৰাল, -১
ডাক-পাথৰী, গাঁও-মাজপাথৰী

এই পুথিভঁৰাল সমূহ পুথিভঁৰাল পৰিচালনা সমিতিয়ে পৰিচালনা কৰে। এই পুথিভঁৰালসমূহত চৰকাৰৰ পৰা কিতাপ, আচবাব, খোৱাপানী, চকী, খেলা-ধূলা সামগ্ৰী সময়ে সময়ে দিয়া হৈছে। কোনো বিত্তীয় অনুদান দিয়া নহয়।

(গ) বঢ়মপুৰ বিধানসভা সমষ্টিত থকা গ্ৰাম্য পুথিভঁৰালত কোনো কৰ্মচাৰী নাই। কিন্তু কমিটীয়ে অনুমোদন জনোৱা পুথিভঁৰাল সহায়কজনক মাননী দিয়া হয়। পঢ়ুৱৈ ছাত্ৰ-ছাত্ৰী পৰিসংখ্যা আছে, তাক ৰখা নহয়।

(ঘ) সদ্যহতে প্ৰস্তাৱ নাই।

Mr. Speaker : Short Notice Question No. 38, Hon'ble Member, Shri Ananta Deka.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৩৮। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত বিভিন্ন চৰকাৰী বিভাগত ১৯৯৩ চনৰ ১ এপ্ৰিলৰ পিচত কিমানজন মাষ্টাৰৰ'ল ৰাৰ্কচাৰ্জ আৰু কেজুৱেল কৰ্মচাৰীৰ নিযুক্তি হৈছে? (বিভাগ অনুযায়ী বিতংকৈ দেখুৱাব)

(খ) উক্ত মাষ্টাৰৰ'ল, ৰাৰ্কচাৰ্জ আৰু কেজুৱেল, কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়া কৰাৰ কাৰণে চৰকাৰে পদক্ষেপ ল'বনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৭ চনত আহৰণ কৰা তথ্য অনুযায়ী বিভিন্ন বিভাগত ১ লা এপ্ৰিল, ১৯৯৩ চনৰ পিচত নিযুক্তি পোৱা তেনে ধৰণৰ কৰ্মচাৰীৰ সংখ্যা হ'ল—

(১) ৰাৰ্কচাৰ্জ- ২৬৫ জন

(২) মাষ্টাৰৰ'ল ১৫০৬ জন।

(৩) কেজুৱেল ৭৫৭ জন।

বিতং তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(See Annexure-XLVI)

(খ) বিত্ত বিভাগে ১/৪/৯৩ তাৰিখৰ পৰা চৰকাৰৰ বিভিন্ন বিভাগত ৰাৰ্কচাৰ্জ, মাষ্টাৰৰ'ল ইত্যাদি কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত পূৰ্বতেই বাধা আৰোপ কৰি নিৰ্দেশ জাৰি কৰি থৈছে। সেয়েহে, ১/৪/৯৩ অথবা তাৰ পিচৰ নিযুক্তি পোৱা মাষ্টাৰৰ'ল ইত্যাদি কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই।

POINT OF ORDER

* শ্রীনুৰুল হুচেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ তাৰিখে গুৱাহাটীৰ হাতী গাঁৱত যিটো ঘটনাত দুইজনকৈ লোক যি পৰিস্থিতিত নিহত হ'ল সেইটো এটা অতি দুর্ভাগ্যজনক কথা হৈছে। ৰাতিপুৱা ১০ বজাৰ পৰা ৰাতি ৭ বজালৈ ইয়াক উদ্ধাৰ কৰিব নোৱাৰাতো চৰকাৰৰ বাবে ডাঙৰ কথা। ডাঙৰ প্ৰাকৃতিক দুর্যোক ভূমিকম্প আদি হ'লে কি অৱস্থা হ'ব। চৰকাৰৰ দিজাচটাৰ মেনেজমেণ্টৰ কি কাম মন্ত্ৰী মহোদয়ে জনাব। দিজাচটাৰ মেনেজমেণ্টৰ নামত বহুত টকা খৰচ কৰিছে। মানুহৰ মাজত এৱাৰনেচ অনাৰ বাবে কি কৰিছে? আমাৰ গুৱাহাটীত ৰিজার্ভ বেংক এল আই চি আদি ডাঙৰ ডাঙৰ বিল্ডিং আছে। সেইবোৰ ভাঙিলে প্ৰাকৃতিক দুর্যোগত কি অৱস্থা হ'ব তাৰ প্ৰতিকাৰৰ ব্যৱস্থা দুর্যোগ ব্যৱস্থাপনাত কিবা আছে নেকি? চৰকাৰে এনডি আৰৰ লগত আলোচনা কৰি অসমৰ দুর্যোগ ব্যৱস্থাপনাৰ বিষয়ে কিবা ব্যৱস্থা লৈছেনে? দুর্যোগত সাহায্য দিয়াৰ পর্যাপ্ত ব্যৱস্থা থাকিব লাগে।

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভুইকঁপ আদি প্ৰাকৃতিক দুর্যোগৰ বিষয়ে এই সদনত বহুত বাৰ আলোচনা বিলোচনা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এন দি এমৰ লগত যোগাযোগ কৰি থকা হৈছে।

মাননীয় অধ্যক্ষ ঃ হ'ব বহক।

* মত্তলানা আতাউৰ

রহমান মাঝারভূইয়া ঃ — মাননীয় অধ্যক্ষ মহোদয়, পৌৰসভা নির্বাচন ৩১

জুলাই হৰে বলে জানতে পেৰেছি। সেইদিন শুক্ৰবাৰেৰ নামাজ হওয়ার জন্য আমাদের অনেক অসুবিধা হবে। সেইজন্য এই তাৰিখটাঘাটত যাতে পিছিয়ে দেওয়া হয় তার জন্য আমি মন্ত্রী মহোদকে অনুরোধ করছি।

* **শ্রী হাফিজ বচিৰ আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়ে,মই এটা অতি গুৰুতৰ পূৰ্ণ কথা সদনত আলোচনা কৰিব বিচাৰিছো। অসমৰ কোকৰাজাৰ জিলাৰ শৰণার্থীসকলে দিছপুৰ লাষ্টগেটত আমৰণ অনশন কৰি আছে। তাৰ ২৪ জন শৰৰ্ণার্থীৰ অৱস্থা অতি বেয়া হোৱাত তেওঁলোকক মেডিকেলত ভর্তি কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমি শুনিছো যো তেওলোকে আতমজাহ দিব বুলি কৈছে, তেওঁলোকৰ সমস্যা সমাধান নহ'লে। আৰু এইটো কৰিলে ই এটা ডাঙৰ মানৰ অধিকাৰ উলংঘনৰ বিষয় হ'ব। গতিকে চৰকাৰে এইক্ষেত্রত কি ব্যৱস্থা লৈছে।

***শ্রীআনোৱারুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, বরাক উপত্যকায় ব্রহ্মপুত্র উপত্যকার তুলনায় অধিক চিট্‌ফান্ড আছে। এর সংখ্যা হয়েছে ৩৭ টা। এই চিট্‌ফান্ডগুলো মানুষকে ঠকিয়ে অনেক টাকা নিয়ে যায়। তাই আমি মন্ত্রীমহোদয়কে অনুৰোধ করছি যাতে এর ব্যৱস্থা নেওয়া হয়।

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটোৰ ওপৰত সদনত বহুত বাৰ আলোচনা বিলোচনা হৈছিল। এই সমস্যাটোৰ সমাধানৰ বাবে চৰকাৰে চেষ্টা কৰি আছে। আমি চেষ্টা কৰিছিলো তেওঁলোকক মাটি দি তাত সংস্থাপন দিবলৈ। কিন্তু আমি চাকচেফুল

নহ'লো। এতিয়া আমি তেওঁলোকক ৫০ হেজাৰকৈ টকা দিবলৈ বিবেচনা কৰিছো।

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যসকলৰ পৰা সর্বমুঠ ১৩ খন শুন্য কালীন জাননী প্রাপ্তি হৈছে।

১। শ্রীপ্রফুল্ল কুমাৰ মহন্ত

২। শ্রীপদ্ম হাজৰিকা

৩। শ্রীপ্রফুল্ল কুমাৰ মহন্ত

৪। শ্রীৰমেন্দ্র নাৰায়ণ কলিতা

৫। ড° মনোৰঞ্জন দাস

৬। শ্রীকৰেন্দ্র বসুমতাৰী

৭। শ্রীকমল সিং নার্জাৰী

৮। শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা

৯। শ্রীঅনন্ত ডেকা

১০। মোঃ মহিবুল হক

১১। মোঃ মহিবুল হক

১২। শ্রী নুৰুল হুছেইন

১৩। ডাঃ আদিত্য লাংথাছা

১৪। শ্রী বিনন্দ কুমাৰ শইকীয়া

উক্ত জাননীসমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শুন্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলোঁ।

১। এতিয়া মই, মাননীয় সদস্য শ্রীঅনন্ত ডেকাক ইং ১৫-০৭-২০০৯ তাৰিখৰ 'অগ্রদূত' বাতৰি কাকতত প্রকাশিত—

"মন্ত্রী-আৰক্ষীৰ পৃষ্ঠপোষকতাত গঢ়ি উঠিছে চক্র" ঃ ৰাইজক ঠগি চৰকাৰৰ মিথ্যা প্রতিশ্রুতি ভূ-মাফিয়াৰ স্বার্থত পট্টা নিদিয়ে ভূমিহীনক"। শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্রীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালি ১৫/৭/০৯ৰ অগ্রদূত কাকতৰ প্রকাশিত মন্ত্রী আৰক্ষীৰ পৃষ্ঠপোষকতাত গঢ়ি উঠিছে চক্র ৰাইজক ঠগি চৰকাৰৰ মিথ্যা প্রতিশ্রুতি। ভূমাফিয়াৰ স্বার্থত পঢ়া নিদিয়ে ভূমিহীনক' সেই বাতৰি সম্পর্কে মই সদনৰ দৃষ্টি আকর্ষণ কৰিবলৈ ওলাইছো। লগতে খবৰ কাকতত ওলোৱা ভূমি বেদখল চক্রৰ লগত, চৰকাৰী আই এ এছ এছ বিষয়াও জৰিত বাতৰি সম্পর্কেও চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰো। ভুমি মাফিয়াৰ দৈৰাত্বত গুৱাহাটীত এটা বেয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। গুৱাহাটীত ৮০ হেজাৰ মানুহে মাটিৰ পট্টা পোৱা নাই এয়া মাটি মাফিয়াৰ দখলত থৈছে বুলি ৰাইজে ভাবিছে। মানুহে নিজেই ভোগ কৰি থকা মাটি ভূমি মাফিয়াৰ বেদখল সৃষ্টিৰ ফলত মানুহে ত্রাহি মধুসুধন দেখিছে। পট্টাহীন মানুহৰ ভূমিয়েই যে অকল মাফিয়াই বেদখল কৰিছে সেয়া নহয় পট্টা থকা মানুহৰ মাটিও মাফিয়াই বেদখল কৰিছে। চৰকাৰে এই ৮০ হেজাৰ পট্টা নোহোৱা মানুহক পট্টা

দিয়াৰ ব্যৱস্থা কৰিব লাগে। বাতৰি কাকততে ওলাইছে এই চক্ৰটোৰ এই চক্ৰটোৰ লগত ৰাজ্য চৰকাৰৰ মন্ত্ৰী একাংশ আহিছে। বিধায়ক পুলিচ অফিচাৰ, প্ৰশাসনিক বিষয়া আদি সকলো জৰিত আছে। এওঁলোকৰ পৃষ্ঠপোষকতাতে গুৱাহাটীত ১০ হেজাৰ বিঘা মাটি বেদখলৰ কবলত পৰিছে। আৰু এই মাফিয়া দলটোৰ ৪০ জন মানুহে গোটেই গুৱাহাটীতে টিঘিলঘিলাই আছে। এই মাফিয়া চক্ৰটোৱে সকলোখিনি যোগাৰ কৰি লয়। মাটি দখল কৰি তাৰ নথিপত্ৰ খাজনাৰ ৰচিদ সকলো উলিয়াই লয়। এই চক্ৰটোৰ শিপা বহু দূৰলৈকে ভূ-মাফিয়া সকলে ৰাতি ৰাতি মাটি দখল কৰি কাগজ-পত্ৰ উলিয়াই ম্যাদি কৰি লয়। এইদৰে মাফিয়া বিলাকে গুৱাহাটীত পুঁজিপতিক ১০ বিঘা মান মাটি বিক্ৰী কৰিছে। এনেকৈ এনজিঅ' স্কুল আদিয়েও মাফিয়াৰ জৰিয়তে মাটি দখল কৰিছে। এনেকৈ এনজিঅ' স্কুল আদিয়েও মাফিয়াৰ জৰিয়তে মাটি দখল কৰিছে। মাননীয় অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে, ট্ৰাস্ক ফৰ্চ গঠনৰ কথা কৈছিল সেয়া কি হ'ল। অন্ধ্ৰপ্ৰদেশত এখন আইন প্ৰণয়ন আনি তাৰ জৰিয়তে মাটি মাফিয়াৰ দৈৰাত্ব বন্ধ কৰাৰ চেষ্টা কৰিছে। আমাৰ চৰকাৰেও এনেকুৱা এখন কঠোৰ আইন আনি মাটি ঘাটি মাফিয়াৰ টিঘিলঘিলনি ৰোধ কৰাৰ ব্যৱস্থা কৰিব পাৰে নেকি? চৰকাৰে চালে ভাল হয়। বাতৰি মতে বেদখলকাৰী হৈছে। আই এ এছ অফিচাৰৰ বিৰুদ্ধে মানুহ আদালতৰ গোচৰাধীন হৈছে। এই সম্পৰ্কে চৰকাৰে সত্যাসত্য নিৰূপন কৰি ব্যৱস্থা ল'ব লাগে।ৰাজহমন্ত্ৰী মহোদয় ৮০ হেজাৰ পট্টাহীনক পট্টা দিয়াৰ

ব্যৱস্থা কৰিব লাগে। আৰু মাটি মাফিয়াৰ কাম-কাজ ৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ ল'ব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ইত্যাদি মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনিৰ ওপৰত আমিও গুৰুত্ব দিছো। এইটো কথা সঁচা যে গুৱাহাটীত এনেকুৱা কিছুমান ভূ-মাফিয়াই মাটি বেদখল কৰিছে, সেইটো সঁচা। চৰকাৰী মাটি বেদখল কৰাৰ উপৰিও সেইসকলৰ কিছুমানে ঠায়ে ঠায়ে হ'লেও পট্টাৰ মাটিও দখল কৰিছে। সেই কাৰণে ইয়াৰ প্রতিৰোধৰ বাবে আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰি পট্টাৰ মাটি যাতে কোনেও বেদখল কৰিব নোৱাৰে তাৰ কাৰণে এখন আইন কৰিব বিচাৰিছে। পট্টাৰ মাটি বেদখল কৰাৰ ক্ষেত্রত এই আইনখনে এই বেদখলকাৰীসকলক বাধা দিব। ইয়াত এটা অনুষ্ঠানৰ বাবে মাটি বেদখল কৰাৰ কথা কোৱা হৈছে। সেইটো আমি চাম। আমাক অনুষ্ঠান লাগে হয়, কিন্তু আমি কাৰো অন্যায় নকৰো। এন জি অ'সকলৰ ক্ষেত্রত যিটো কথা কোৱা হৈছে সেই কথাটোত মই একমত। অৱশ্যে আমাৰ দিনত এই এন জি অ'সকলক মাটি দিয়া হোৱা নাই। ২০০১ চনৰ আগতে বহুতো এন জি অ'ক মাটি দিয়া হৈছিল। আপোনালোকে জানে যিখিনি এনজিঅ' যে মাটি দখল কৰি আছে সেই এনজিঅ' বিলাক ঠিক নহয়। সেইবিলাক ভুৱা এনজিঅ'। আমি এইটো অনুসন্ধান কৰি আছো। আৰু মাননীয় মুখ্যমন্ত্রীৰ জৰিয়তে কেবিনেটলৈ লৈ যোৱা হ'ব। প্রয়োজন অনুসৰি আমি কেঞ্চেল কৰাৰো ব্যৱস্থা ল'ম। এই

*** Speech not corrected**

আইনখনে কৰোতে আমি আপোনালোকৰ পৰা সম্পূৰ্ণ সহায়-সহযোগিতা পাম বুলি আশা কৰিছো। মাটি বেদখলৰ ক্ষেত্ৰত গৃহ বিভাগৰ বা পুলিচ বিষয়া জড়িত থকা কথাটো অসত্য বুলি মই ভাবো। যদি এইক্ষেত্ৰত কিবা আছে আৰু আপোনালোকে কিবা গম পায়, তেতিয়া হ'লে আমাক জনালে আমি ব্যৱস্থা ল'ম।

Mr. Speaker : Shri Karendra Basumatary. MLA and Shri Kamal Sing Narzery. MLA, both are allowed to raise the question on the News Item published in Assamese Daily. ' Edin' dated 14th July/09 under the caption' অপহৰণকাৰী এন ডি এফ বি।"

*** Shri Karendra Basumatary :** Sir, Thank you for giving me the opportunity to raise my 'Zero' Hour notice. I have brought a serious question, According to news item published in a popular News Paper. 'Edin' NDFB is the kidnapper of Shri Uddhab ch. Deka, Agriculture officer on 12th July, 2009. Now 6 days are over. Mr. Deka remained untraced. We donot know his whereabouts. I am glad to see that today Bon'ble Chief Minister is also present here. Mr. Deka is a reputed and renowned person. He is my colleague as singer Artist. He is an Agriculture Extension officer. He was

* Speech not corrected

-হাইক পৈনিক ঢাকা একাত্মাদাপ্তাহ দিনাহ ত্যাহ্যক ক্যাপক্রীহ
ক্রাঁ তহক্ষে চাকাপক্ষে দীনি। ছ্রিকিক দাশাহ ফিচ্ছ ঢাকা তাপিদ্যাহ্রক
ক্রাঁহ ফিচ্ছ তোকাহ ব্যিাংক ঢাকা তত্রীহ ঢাহ্রকী বগীচ্ছ ঢা চাপাহকী
ঢাকা ঢাকী ক্যাহ্যাদাপ্তাহ কাহ ছ্রাহ ঢাকী তহক্ষেক্রীহ দীচ্ছ। ঢিক্যাহ
। ঢ'কি ছ্রিকাহ দিনাহ ক্যাদাহ কাদাহ ক্যু'ছ্র ঢাহ্রতী তে, ঢাহ

Mr. Speaker : Shri Karendra Basumatary, MLA and Shri Kamal Sing Narzery, MLA, both are allowed to raise the question on the News Item published in Assamese Daily, 'Edin' dated 14th July/09 under the caption, 'চি কক্ষ তী দক্ষ চিকক্ষক্রাহক ঢাহ।"

*** Shri Karendra Basumatary :** Sir, Thank you for giving me the opportunity to raise my 'Zero' Hour notice. I have brought a serious question, According to news item published in a popular News Paper, 'Edin' NDFB is the kidnapper of Shri Uddhab ch. Deka, Agriculture officer on 12th July, 2009. Now 6 days are over. Mr. Deka remained untraced. We donot know his whereabouts. I am glad to see that today Bon'ble Chief Minister is also present here. Mr. Deka is a reputed and renowned person. He is my colleague as singer Artist. He is an Agriculture Extension officer. He was

* Speech not corrected

চেক্সক চাপে কর্ণ ক্যাইর্ট ঢ়ন্ত চাবকী তবীজি চ্যাচ চাত্তুর্ট ক্তাপ্যতে
। ছ্রিচীবাবি তাচাবাঢ়ৈর্ট

দাগিকাদেশ্ব চাদনাব ছীাত্ত ,ঢ়নাছ্যাব কাচাত্ত ঢ়াদিনাব ঃ (ছ্লিাব) দক্টর্ট্যক্ত দক্টকীচাক্সি *
কাবেকাক্সি কাত্ত চিতাবেকে প্রচ্যকাক্সি ,ঢ়দেনাব ঢ়াদিনাব তাচাছ্যাঢ়াবাবে
'দনীত্ত' চাচকীত ৫০০৫-০৫-৪৫ ছিাচিংর্ট্ট কাঢ়াবিশ্বাত্ত চিতিত্তাব ঃদী
কটাক্সি 'চী নচ্ত ভী দচ্ত চিকাপ্যচক্সচাকাত্ত' তশীকাক্ট তত্তকাক চীতাব
।ছ্রাচর্ট্ট চবাপ্ত ঈীন্ন চচাকচব তীঙ্ক চচিতাব

চর্যাব দাপ্টন্ন তাচ্ছচ দাব ০৫.৮ ঢ়াচকীব ঢ়্যচীাত্ত ৫০-০৮-৫৫ ছিাচ্ত
চপ্তচ ঢ়ি'ক দাপ্ত কাত্ত চপ্তচাপ্তচ ,ঢ়ত্তাচ্যচ্রী দাপ্ত ,তাকচ্যর্ট্রীব
ঢ়াচকী ঢ়্যাচাঙ্ক্সন্ট ক্যাচট্ট দাক্সচীব তাকচ্যর্ট্রীব চর্যাব ছিাবাঢ়ৈর্ট
ছিাব চাদাঢ় ঢ়াচত্ত চচ চাকত্যাক্সি। ছ্রাত্তে দ্যচিচ চাকত্য ক্সুব চচর্ট্রীক্সি
ক্যাচট্ট দাক্সচীব। ত'দ্বিচক দীবচী' চচন্ন দাবচাবীবীাত্যকী কপ্ত ছ্রাব
তালক চকাচ্যঁত্য ক্সীাঢ়ী চাদ্যাক কঁত্য ঈীাত্ত দ্যচিচ চাকত্যাক্সি
চাকত্যাক্সি দ্যাচ দ্যাচ চাঢ়াত্ত ঈীাচ্ত। ঢ়চক ঢ়ীচ্ট দ্যাত্ত চাব ঢ়াদ্ত
কপ্ত দ্যাত্তর্ট্রীক্যকচট্ট তাঢ়াদন্ত চচাব। ঢ়াাব দ্য ঈীর্ট্রেজ তাকচ্যর্ট্রীবকবীব
।ঢ়াাব ঢ়াবীচ্ব ণ/ক্তিত্ত ণ্তজীাব

দ্যচিচ চাকত্য ঈীাব চচাব ক্যাকপিাত্ত কিচাত্ত দ্যাচকী চাদ্দীাব ঈীত্ত
ঁত্য। চ্যচক ছুচাত্ত কিচাদত্ত চত্তদত্ত দ্য ক্তচ্ট চাদ্দীাব ঈীাত্ত ত্তাদনী
চীক ণ্যচিচ্য চাদ্যর্ট্রীর্ট্ট ঢ়িক ঢ়ক্সাত্ত কাত্ত ঢ়াদিনি চবাঢ়াক্সিাত্ত-ঢ়াদিনত
।চ্যচক ছুচাত্ত দাচ্তজীাত্ত বিাদাত্ত

ঈীাচ্ত চাদিচ্য চাদ্যর্ট্রীর্ট্ট ঢ়িক ঢ়ক্সাত্ত কাত্ত ঢ়াদিনি চবাঢ়াক্সিাত্ত-ঢ়াদিনত
ঁত্য। চ্যচক ছুচাত্ত কিচাদত্ত চত্তদত্ত দ্য ক্তচ্ট চাদ্দীাব ঈীাত্ত ত্তাদনী
দ্যচিচ চাকত্য ঈীাব চচাব ক্যাকপিাত্ত কিচাত্ত দ্যাচকী চাদ্দীাব ঈীত্ত
।ঢ়াাব ঢ়াবীচ্ব ণ/ক্তিত্ত ণ্তজীাব

কপ্ত দ্যাত্তর্ট্রীক্যকচট্ট তাঢ়াদন্ত চচাব। ঢ়াাব দ্য ঈীর্ট্রেজ তাকচ্যর্ট্রীবকবীব
চাকত্যাক্সি দ্যাচ দ্যাচ চাঢ়াত্ত ঈীাচ্ত। ঢ়চক ঢ়ীচ্ট দ্যাত্ত চাব ঢ়াদ্ত
তালক চকাচ্যঁত্য ক্সীাঢ়ী চাদ্যাক কঁত্য ঈীাত্ত দ্যচিচ চাকত্যাক্সি
ক্যাচট্ট দাক্সচীব। ত'দ্বিচক দীবচী' চচন্ন দাবচাবীবীাত্যকী কপ্ত ছ্রাব
চাদাঢ় ঢ়াচত্ত চচ চাকত্যাক্সি। ছ্রাত্তে দ্যচিচ চাকত্য ক্সুব চচর্ট্রীক্সি
ঢ়াচকী ঢ়্যাচাঙ্ক্সন্ট ক্যাচট্ট দাক্সচীব তাকচ্যর্ট্রীব চর্যাব ছিাবাঢ়ৈর্ট
চপ্তচ ঢ়ি'ক দাপ্ত কাত্ত চপ্তচাপ্তচ ,ঢ়ত্তাচ্যচ্রী দাপ্ত ,তাকচ্যর্ট্রীব
চর্যাব দাপ্টন্ন তাচ্ছচ দাব ০৫.৮ ঢ়াচকীব ঢ়্যচীাত্ত ৫০-০৮-৫৫ ছিাচ্ত
।ছ্রাচর্ট্ট চবাপ্ত ঈীন্ন চচাকচব তীঙ্ক চচিতাব

কটাক্সি 'চী নচ্ত ভী দচ্ত চিকাপ্যচক্সচাকাত্ত' তশীকাক্ট তত্তকাক চীতাব
'দনীত্ত' চাচকীত ৫০০৫-০৫-৪৫ ছিাচিংর্ট্ট কাঢ়াবিশ্বাত্ত চিতিত্তাব ঃদী
কাবেকাক্সি কাত্ত চিতাবেকে প্রচ্যকাক্সি ,ঢ়দেনাব ঢ়াদিনাব তাচাছ্যাঢ়াবাবে
দাগিকাদেশ্ব চাদনাব ছীাত্ত ,ঢ়নাছ্যাব কাচাত্ত ঢ়াদিনাব ঃ (ছ্লিাব) দক্টর্ট্যক্ত দক্টকীচাক্সি *
ছ্রাচীবাবি তাচাবাঢ়ৈর্ট

চেক্সক চাপে কর্ণ ক্যাইর্ট ঢ়ন্ত চাবকী তবীজি চ্যাচ চাত্তুর্ট ক্তাপ্যতে

তেখেতৰ মৃত্যুৰ বাবে উচিত বিচাৰ হয় ইয়াকে কৈ মোৰ বক্তব্য ইমানতে সামৰিছো।

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ শূন্যকালীন সময়ছোৱাত মাননীয় সদস্য, শ্রীকৰেন্দ্র বসুমতাৰী আৰু শ্রীকমল সিং নার্জাৰী ডাঙৰীয়াক ইংৰাজী ১৪-০৭-২০০৯ তাৰিখৰ 'এদিন' বাতৰি কাকতত প্রকাশিত 'অপহৰণকাৰী এন ডি এফ বি' শীর্ষক বাতৰিৰ প্রতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

যোৱা ১২-৭০-০৯ তাৰিখে সন্ধিয়া ৭.১০ মান বজাত দুখন মটৰ চাইকেলত, এখন হিৰোহণ্ডা, ৰঙাৰঙৰ আৰু এখন ক'লা ৰঙৰ ইয়ামাহা মটৰ চাইকেলত চাৰিজন যুৱকে সম্প্রসাৰণ বিষয়া শ্রীউদ্ধৱ চন্দ্র ডেকাৰ ঘৰলৈ আহে। শ্রীডেকাৰ ঘৰ ওৰাং থানাৰ পৰা পায় এক কিলোমিটাৰমান দূৰৰ 'টিচার্চ কলনী'ত। চাৰিজন যুৱকে শ্রীডেকাৰ ঘৰলৈ আহি তেওঁক কাপোৰ পিন্ধি তেওঁলোকৰ লগত ওলায় যাব লাগে বুলি কয়। ওলাই অহাৰ লগে লগে শ্রীডেকাৰ মটৰচাইকেলত উঠাই লৈ যায়। যাবৰ সময়ত যুৱককেইজনে এক ৰাউণ্ড গুলীও ফুটায় যায়।

এই ঘটনাৰ বিষয়ে আৰক্ষী অধীক্ষকে খবৰ পাই ডেকাৰ ঘৰলৈ নিজে আহি ঘটনাৰ বুজ লৈ তদন্তৰ তদাৰকী আৰম্ভ কৰে। তেওঁ অসম-অৰুণাচল সীমা আৰু সন্দেহ কৰা ঠাইবোৰ ঘেৰাও কৰি তালাচী অভিযান আৰম্ভ কৰে।

এই সংক্রান্তত ওৰাং থানাত ৩৩/০৯ নং গোচৰ ৰুজু কৰা হয়। এই সন্দর্ভত সন্দেহ কৰা ৩ যুৱক আটক কৰি বর্তমান সোধপোছ

*** Speech not corrected**

কৰিছে। আৰু কিছু কিছু সুত্ৰও পাইছে। আগতে কোৱা হিৰ'হুণ্ডা মটৰচাইকেলখন চিনাক্তকৰণ কৰিব পৰা হৈছে।

এই ঘটনাৰ আঁৰত কোন সংগঠন জড়িত এই বিষয়ে বৰ্তমানলৈকে নিশ্চিত হ'ব পৰা নাই। অপহৰণ কৰা ব্যক্তিজনক উদ্ধাৰ কৰিবলৈ যতপৰোনাস্তি চেষ্টা অব্যাহত ৰখা হৈছে। মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়া আৰু কমল সিং নাৰ্জাৰী ডাঙৰীয়াৰ কথাবোৰ আমি গুৰুত্ব সহকাৰে লৈছো আৰু নিৰ্দেশ দিয়া হৈছে যাতে ঠিকমতে ব্যৱস্থা লয়। মাননীয় সদস্য কমল সিং নাৰ্জাৰী দেৱে উল্লেখ কৰা ৩ খন জিলাত যি ঘটনা ঘটিছে তাৰ কাৰণেও ব্যৱস্থা লোৱা হ'ব।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই, মাননীয় সদস্য, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাক ইং ১৬-৭-২০০৯ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত—

'নিৰাপত্তা প্ৰদানৰ অজুহাততে গুৱাহাটীত পাৰ্কিং কৰৰ বেহা'। শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোদ কৰিলো।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬-৭-২০০৯ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'নিৰাপত্তা প্ৰদানৰ অজুহাততে গুৱাহাটীত পাৰ্কিং কৰৰ বেহা' শীৰ্ষক বিষয়টো মই আজি শূন্যকালীন ঘণ্টা সময়ত উত্থাপন কৰিব বিচাৰিছো। আৰু মই আশা ৰাখিছো ইয়াৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় মন্ত্ৰী মহোদয়ে যাতে সদনত অন্য কথা আলোচনা নকৰি এই সমস্যাটো সমাধানৰ বাবে বিশেষ ভাৱে ব্যৱস্থা গ্ৰহণ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী যান-জটৰ সমস্যাটো বহৎ সমস্যা হিচাপে দেখা দিছে, এই যান-জটৰ মূল উদ্দেশ্য হৈছে যে

*** Speech not corrected**

গুৱাহাটী মহানগৰীৰ বহুত অঞ্চলত ৰাস্তাৰ কাষত প্ৰায় ৬০ টা মান পার্কিং প্লেচ কৰা হৈছে। ২০০৮ চনত অসম বিধান সভাৰ মজিয়াত মাননীয় মহানগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে গুৱাহাটীত পার্কিংৰ পৰা লোৱা মাচুল নাইকিয়া কৰা হ'ব বুলি ঘোষণা কৰিছিল সেইমতে মাচুল লোৱা বন্ধ কৰিছিল। সেই সময়ত এই ব্যৱস্থাটো উঠাই লোৱা হৈছিল। পুনৰ ২০০৯ চনৰ ১ এপ্ৰিলৰ পৰা গুৱাহাটী বিভিন্ন অঞ্চলৰ ৰাজপথত এতিয়া ৬০ টা মান পার্কিংপ্লেচ বহুৱাইছে। সেইমতে এই ৬০ টা পার্কিং মাচুল লোৱা ব্যৱস্থা কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি এই প্ৰক্ৰিয়া চলি থকাৰ ফলত গুৱাহাটীৰ ৬০ টা অঞ্চলত যি কাৰ পার্কিঙৰ ব্যৱস্থা কৰা হৈছে এই কাৰ পার্কিঙৰ ফলত ৰাস্তাৰ এচোৰা বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে আৰু এটা সাংঘাটিক অৱস্থা হৈছে। যেতিয়া কাৰ পার্কিং নাছিল তেতিয়া গুৱাহাটীত ৰাস্তা সুচল হৈ আছিল। কিন্তু কাৰ পার্কিং কৰাৰ ফলত গণেশগুৰিৰ পৰা উলুবাৰীলৈ গলে আধা ঘণ্টা সময় লাগে। ঠিক তেনেদৰে গণেশগুৰিৰ পৰা জালুকবাৰীলৈ গলে এতিয়া প্ৰায় ২/৩ ঘণ্টা সময় লাগে। আমি নেচনেল হাইৱে হৈ গলে ২ ঘণ্টাত মঙলদৈ পাব পাৰো। গতিকে আজি যিটো অৱস্থা হৈছে ইয়াৰ মূল কাৰণ হৈছে কাৰ পার্কিংৰ মাছুল সংগ্ৰহ কৰাৰ ব্যৱস্থাৰ কাৰণে আৰু এই ব্যৱস্থাৰ ফলত গুৱাহাটীত যান যটৰ সমস্যা হৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো অলপমান ৰেভিনিউৰ কাৰণে এই কাৰ পার্কিংৰ যি

ব্যৱস্থা লোৱা হৈছে সেইটো প্রত্যাহাৰ কৰিব লাগে। আৰু গুৱাহাটীৰ গোটেই অঞ্চলতে গাড়ী ৰখাৰ কাৰণে সুব্যৱস্থা কৰি দিব লাগে, তেতিয়াহে আজি গুৱাহাটীত যিটো অৱস্থা হৈছে তাৰ পৰা ৰাইজে পৰিত্রাণ পাব। অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে কাৰ পার্কিংসমূহত সতর্কতামূলক ব্যৱস্থা লোৱাৰ বাবে চৰকাৰৰ ফালৰ পৰা নির্দেশ দিয়া হৈছে। কিন্তু কাৰ পার্কিং সমূহত তেনে সতর্কতামূলক ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। সেই কাৰণে যিটো কাৰণে চৰকাৰে সতর্কতামূলক ব্যৱস্থা লোৱাৰ বাবে নির্দেশ দিছিল এই কাৰ পার্কিং ব্যৱস্থাৰ ফলত বেছিহে কুটাঘাতমূলক কার্য্য চলোৱাৰ সুবিধা দিয়া হৈছে বুলি আমি অনুভৱ কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটীত ৪/৫ খন ফ্লাই ওভাৰ আছে। এই ফ্লাই ওভাৰৰ তলত আগতে কাৰ পার্কিংৰ ব্যৱস্থা আছিল, কিন্তু এতিয়া উঠাই দিয়া হৈছে। এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে দিল্লীৰ সৰোজিনী মার্কেটত যেতিয়া ব'ম ফুটিছিল। তেতিয়া তাত এদিনৰ বাবে কাৰ পার্কিং বন্ধ কৰি দিছিল। পিছত আকৌ কাৰ পার্কিংৰ ব্যৱস্থা কৰিছিল। ঠিক তেনেদৰে আমাৰ গুৱাহাটী মহানগৰীত যি কেইখন ফলাই ওভাৰ আছে তাত যদি অলপ সতর্কতামূলক ব্যৱস্থা লোৱা হয় যেনে চি চি টি কেমেৰা, এটি পইণ্টত মেটেল ডিটেক্টৰ বহুৱাৰ ব্যৱস্থা কৰিব পাৰিলে ফ্লাই ওভাৰৰ তলত গাড়ী পার্কিং কৰিব পাৰিম। তেনে ধৰণৰ ব্যৱস্থা নলৈ গুৱাহাটীৰ গোটেই অঞ্চল বিলাকতে ৰাস্তাৰ কাষত কাৰ পার্কিং দিয়াৰ ফলত যান-যটৰ সৃষ্টি হৈছে। গতিকে এইটো

প্রত্যাহাৰ কৰিবলৈ মই মন্ত্রী মহোদয়ক অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, শিলঙৰ পুলিচ পইণ্টত আগতে যান-যটৰ ব্যৱস্থা আছিল। কিন্তু তাত স্থায়ীভাৱে মাল্টিষ্টৰিড কাৰ পার্কিং কৰি দিয়াৰ ফলত এটা সুন্দৰ ব্যৱস্থা হৈছে। কিন্তু আমাৰ ইয়াত মাল্টি ষ্টৰিড কাৰ পার্কিং নকৰাৰ ফলত আজি গোটেই অঞ্চলতে ৰাস্তাৰ ওপৰতে কাৰ পার্কিং ব্যৱস্থা কৰাৰ ফলত ভীষণ এটা সমস্যাৰ সৃষ্টি হৈছে। মাজতে আমি এটা কথা গম পাইছিলো আৰু সেইটো বাতৰি কাকতত পঢ়িছিলো যে গুৱাহাটীৰ গণেশগুৰিত কোনোবা মানুহে কাৰ পার্কিঙৰ বাবে মাটি দান কৰিছে। মাটি যদি দিছে তেতিয়াহলে অতি শীঘ্রে তাত মাল্টি ষ্টৰিড বিল্ডিং বনাই কাৰ পার্কিঙৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেদৰে বেলতলাত প্রশাসনীয় পৰিষদে মাটি লোৱা বুলি শুনিছিলো। যদি লৈছে, তাতো মাল্টি ষ্টৰিড বিল্ডিং বনাই কাৰ পার্কিঙৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি মাছখোৱাৰ জিলা কাৰাগাৰ যিখন আছিল সেইখন লখৰাৰ ফালে উঠাই নিয়াৰ ব্যৱস্থা লোৱা হৈছে। জিলা কাৰাগাৰখন সোনকালে সম্পূর্ণ কৰি তাৰ পৰা উঠাই নিয়াৰ ব্যৱস্থা কৰিলে কাৰাগাৰৰৰ যিখিনি মাটি আছে তাতো কাৰ পার্কিংৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ উপৰিও যদি কাৰ পার্কিঙৰ বাবে মাটি অধিগ্রহণ কৰিব লাগে সেইখিনি চৰকাৰে কৰাৰ ব্যৱস্থা কৰিব লাগে। যদি চৰকাৰে এইখিনি ব্যৱস্থা নলয় তেতিয়াহ'লে অহা ৫ বছৰৰ ভিতৰত গুৱাহাটী মহানগৰীত গাড়ীৰ অহা-যোৱা কৰাটো অসম্ভৱ হ'ব। তেতিয়া মানুহে চাইকেল লৈ যাব লাগিব। নহ'লে খোজকাঢ়ি গলেই আগতে পাব।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আকৌ নেনো গাড়ী অহাৰ কথা আছে। গুৱাহাটীত বৰ্তমান ইমান গাড়ী হৈছে যে গাড়ী ৰেষ্ট্রিকচন কৰিবলগীয়া হৈছে। তদুপৰি কথা হৈছে যে ইমান গাড়ী গুৱাহাটীৰ ৰাস্তাৰ বাবে প্ৰযোজ্য হয় নে নহয়? যদি এই ব্যৱস্থাটো উন্নত কৰিব বিচাৰিছে তেন্তে হ'লে যান-যটৰ সমস্যা লাঘৱ কৰাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উচিত ব্যৱস্থা লওঁক। কাৰ পাৰ্কিং চিনাক্তকৰণৰ বাবে মন্ত্ৰী মহোদয়ে আগৰ বিধানসভাতে এখন কমিটি কৰি দিছিল। কমিটি গঠন কৰা হ'ল কিন্তু কমিটীৰ মিটিং আজিলৈকে অনুষ্ঠিত নহ'ল। যদি এনে ধৰণৰ হয়। তেতিয়াহলে গুৱাহাটীৰ আজি যিটো সমস্যা হৈছে ভৱিষ্যতলৈ ই আকৌ বেছিহে আহুকালৰ সৃষ্টি কৰিব। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে মাল্টি ষ্টৰিড কাৰ পাৰ্কিংৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু পাৰ্কিং মাচুল যিটো আছে সেইটো উঠাই লোৱাৰ ব্যৱস্থা কৰক। কাৰ পাৰ্কিংঙৰ মাচুল সংগ্ৰহৰ গইনা লৈ আজি গুণ্ডাকৰ সংগ্ৰহ কৰা হৈছে। আজি জালুকবাৰীত যিটো ট্ৰেকাৰ ষ্টেণ্ড আছে তাত গুণ্ডাকৰ সংগ্ৰহ কৰি আছে। গতিকে এইটো অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব লাগে।শেষত মাননীয় অধ্যক্ষ মহোদয়ে আজি মোক এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো আৰু কাৰ পাৰ্কিং মাচুল প্ৰত্যাহাৰৰ আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য,

---

*** Speech not corrected**

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই কৈছে যে এইটো ক্ষেত্রত মই সংসদৰ কথা ক'ব নালাগে। এইটো ক্ষেত্রত এতিয়াও সংসদে মোৰ ওপৰত কোনো নির্দেশ দিয়া নাই। যদি সংসদৰ পৰা নির্দেশ আহে মই নিশ্চয় কম। মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো হৈছে যে আমাৰ বিধান সভাৰ মাননীয় সদস্য শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই গুৱাহাটী মহানগৰীৰ পার্কিং প্লেচৰ টেক্স ল'ব নালাগে বুলি কৈছে। যোৱাবাৰ এই বিষয়টো যেতিয়া উত্থাপন কৰা হৈছিল তেতিয়া মইও লগে লগে প্রতিশ্রুতি দিছিলো যে ৰেভিনিউটো গুৰুত্বপূর্ণ নহয়, আমি এইটো প্রত্যাহাৰ কৰিম। তাৰ পিছতে প্রত্যাহাৰো কৰা হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, এই প্রক্রিয়াটো চলি থকাৰ সময়তে গণেশগুৰি আৰু কামৰূপৰ উপায়ুক্তৰ কার্যালয়ৰ সন্মুখত বোমা বিস্ফোৰণ সংঘটিত হ'ল। তাৰ পিছত গুৱাহাটীৰ বহুত মানুহৰ মনত শংকাৰ সৃষ্টি হ'ল যে কোনেও নিজৰ কার্যালয়ৰ সন্মুখত কাৰ পার্কিং কৰিবলৈ নিদিয়া হ'ল। এনেকুৱা এটা মানসিকতা হল যে কোনেও নিজৰ কেম্পাচত গাড়ী ৰাখিব নোখোজে। আনকি জিলা উপায়ুক্ত কার্যালয়ৰ কর্মচাৰীসকলে আংশংকা কৰি তেওঁলোকে জর্জ ফিল্ডত পার্কিং কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা মানসিকতাৰ সৃষ্টি হ'ল আজি কোনেও নিজৰ নিজৰ কার্যালয় কেম্পাচত গাড়ী ৰাখিব নোখোজে। কাৰণ তেওঁলোকৰ নিৰাপত্তাৰ কথা আহি পৰে। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া গুৱাহাটীত বোমা বিস্ফোৰণ হ'ল তাৰ পিচত আমাৰ পুলিচৰ শীর্ষ বিষয়া আৰু মাননীয় মুখ্যসচিব

মহোদয়ৰ মাজত এখন সভা অনুষ্ঠিত হ'ল। এই সভাত তেওঁলোকে এটা সিদ্ধান্ত ল'লে যে ফ্লাই অভাৰৰ তলত গাড়ী পার্কিং কৰিবলৈ দিয়া নহ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি এক্সপার্ট বা পুলিচ বিষয়া আছে, তেওঁলোকে কলে যে ফ্লাই অভাৰৰ তলত গাড়ী ৰাখিব নালাগে। অহা কালি কিবা এটা সংঘটিত হলে তেওঁলোকে ক'ব আমাৰ কথা অস্বীকাৰ কৰি তাত গাড়ী পার্কিং কৰণৰ কাৰণে এইটো হ'ল। সেই কাৰণে আমি ফ্লাই অভাৰৰ তলত ভৰলুৰ তলত কাৰ পার্কিং বন্ধ কৰিছো। এই কথাটো ঠিক যে গুৱাহাটীত যান-বাহনৰ সংখ্যা বাঢ়িছে লগতে মানুহৰ নিৰাপত্তাৰ কথাটোও আহি পৰিছে। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই চি চি টি ভি লগোৱাৰ কথা কৈছে। মেটেল ডিটেক্টৰৰ ব্যৱস্থাৰ কথা কৈছে। এইক্ষেত্ৰত মাননীয় মুখ্য সচিব মহোদয় আৰু পুলিচৰ বিষয়াসকলৰ লগত আলোচনা কৰি কিবা ব্যৱস্থা ল'ব পাৰো নেকি। দ্বিতীয়তে, পার্কিংপ্লেচ ৰাস্তাৰ সন্মুখত অনিশ্চাসত্ত্বেও কৰিবলগীয়া হৈছে। তাত আমি কর্মচাৰী নিয়োগ কৰিছো এখন বহি দিছো গাড়ীৰ নাম্বাৰ ৰেজিষ্টাৰ কৰিবলৈ। এইক্ষেত্ৰত আমি কাৰোবাক দ্বায়িত্ব দিব লাগিব। তাৰ পৰা তেওঁলোকে ৰাজহ পায়। আমাৰ একেবাৰে অনিশ্চাসত্ত্বেও অনুমতি দিবলগীয়া হৈছে। এই গোটেই কামখিনি কৰিবলৈ হ'লে, যি কেইজন মানুহে এই কামখিনি কৰে তেওঁলোকে তাৰ পৰা যদি ৰেভিনিউ নাপায়, তেতিয়াহ'লে তেওঁলোকে এই কামখিনি নকৰে। আমি যদি ৯৯ টা পার্কিং প্লেচত ১৪০ জন শিক্ষিত ল'ৰা ৰাখি তেওঁলোকক যদি পৌৰ নিগমৰ

জৰিয়তে ফিক্স চেলাৰী দিয়াৰ ব্যৱস্থা কৰো। তেতিয়া হলে এই ব্যৱস্থাটো কিমান ফলপ্রসু হ'ব এই কথাটো আমি অধ্যয়ন কৰি আছো। তেতিয়া হ'লে আমি পইচা লোৱা ব্যৱস্থাটো তৎকালীনভাৱে উঠাই লম। কাৰণ, কেতিয়াবা মানুহৰ হাতত খুচুৰা পইচা নাথাকে। দুই-তিনি টকা খুচুৰা দিবলৈ কেতিয়াবা দিগদাৰ হয়। মাননীয় অধ্যক্ষ মহোদয়, আমি কি বিকল্প ব্যৱস্থা কৰিব পাৰো সেইটো আমি চিন্তা কৰি আছো। এই সিদ্ধান্তটো আপুনি বা মই ল'ব নোৱাৰো। এই সিদ্ধান্তটো পুলিচৰ ফালৰ পৰা আহিছো। মাননীয় অধ্যক্ষ মহোদয়, ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াৰ সমষ্টিটো বোম্ব ব্লাষ্ট হৈছে। কনটিনুৱাচলি পার্কিং প্লেচত হৈছে। তথাপি আমি বিচাৰিছো এই সমাধান নিশ্চয় কৰিম। ৩ নং -ত ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে, পার্কিং প্লেচৰ ব্যৱস্থা কৰিব লাগে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি চানমাৰীত এখন পাকিং প্লেচ বনাইছো। তাত ৫০খন গাড়ী ৰখাৰ ব্যৱস্থা আছে। তাত আমি ফাউনটেইনো বনালো। কিন্তু এতিয়া তাত কোনেও গাড়ী নাৰাখে। সকলোৱে ৰাস্তাত গাড়ী ৰাখে। ইমান ডাঙৰ পার্কিং প্লেচ। তাত এতিয়া কমার্চ কলেজৰ ল'ৰা-ছোৱালী বহি থাকে। মাননীয় অধ্যক্ষ মহোদয়, ঠিক তেনেকৈ গণেগুৰিত আমি ১ বিঘা মাটি ডনেট পাইছো। আজি গণেশগুৰিৰ পেট্র'ল ডিপোৰ ওচৰত পার্কিং প্লেচ কৰা হ'ল তাত ১৫০ খন গাড়ী ৰাখিব পাৰি। কিন্তু আজি ২-৩ খন গাড়ীৰ বাহিৰে ৬০-৭০ খন গাড়ী ৰাস্তাত পার্কিং কৰে। আমি জর্জ ফিল্ডত ৪০০ গাড়ী একেলগে ৰাখিব পৰাকৈ মাল্টি স্তৰিজ কাৰ

পার্কিংৰ কাম আৰম্ভ কৰিছো। ইতিমধ্যে নির্মাণৰ কাম আৰম্ভ হৈছে।

* শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত কাম কৰিব লাগিলে কিছু দৃঢ় হ'ব লাগিব। আমি বিৰোধী দলৰ বিধায়ক সকলেও সমর্থন জনাইছো। গুৱাহাটীক ভাল কৰিবলৈ গুৱাহাটীৰ যান-যঁটৰ সমস্যা দূৰ কৰাটো প্রয়োজন। সেইখিনি কৰিবলৈ যাওঁতে চৰকাৰখনে দৃঢ় ব্যৱস্থা ল'ব লাগিব। মানুহৰ কথা মতে চলিবলৈ হ'লে একো কাম নহ'ব। আপোনাক আমি সহায় কৰিম। দ্বিতীয়তে, কাৰ পার্কিঙৰ ক্ষেত্রত পুলিচৰ যদি কিবা অসুবিধা আছে, আমাক মাতক। আমি কিছু কথা বতৰা পাতি পৰামর্শ দিব পাৰো। যাতে গুৱাহাটীৰ যান-বাহনৰ সমস্যা কিছু লাঘৱ হ'ব পাৰে। আজি এইটো অৱস্থা হৈছে কালিলৈ বা কি হয়? কাৰ পার্কিঙৰ মাছুলটো উঠাই ল'ব লাগে।

* ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত এচ, এচ ৰোড বুলি এটা ৰাস্তা আছে। ৰাস্তাটো দোকান পাতি লৈছে। মই নিজে গৈ দোকানী বিলাকক ৰিকুৱেষ্ট কৰি ৰাস্তাৰ পৰা ফুটপাথলৈ নিলো। পিচদিনা বাতৰি কাকতত ওলাল, গুৱাহাটীত থলুৱা ব্যৱসায়ীৰ ওপৰত হিমন্ত বিশ্বৰ অত্যাচাৰ। থলুৱাৰ ওপৰত মাধমাৰ। সেইখিনি মানুহক উঠাই জালুকবাৰীৰ মানুহ বহুৱাব খুজিছে। ছাৰ, আমি ৰাজনীতি কৰা মানুহ। দৃঢ়তাৰো লিমিট এটা থাকিব লাগিব। কটন কলেজৰ সন্মুখত কিছুমান ডাৱৰ ব্যৱসায়ী বহে। তেওঁলোকক উঠাবলৈ গলে তেওঁলোকে আমাৰ চন্দ্রমোহন পাটোৱাৰীক গোচৰ দিয়ে, আৰু তেখেতে মোলৈ ফোন কৰি কয়, সেই মানুহখিনিক কেলে উঠাইছ?

* Speech not corrected

তেওঁলোক মোৰ ধৰ্মপুৰ সমষ্টিৰ মানুহ। মাছখোৱাত মই নিজে গৈ অনুৰোধ কৰিছিলো ফুটপাথৰ পৰা আঁতৰি বহিবলৈ। তেতিয়া মোক সদস্যসকলৰ কোনোবা কোনোবাই কয় ঃ দুখীয়া মানুহে ইয়াত ব্যৱসায় কৰিছে, কিয় উঠাইছে। গুৱাহাটীত ড্রেইন ক্লিয়াৰ নকৰে কিয়? ৰিজিওনেল পাচপৰ্ট অফিচৰ ওচৰত ড্রেইনৰ ব্যৱস্থা নাই। অধ্যক্ষ মহোদয়, এইটো অসহনীয়। গুৱাহাটীখন এখন গ্রয়িং চিটি। ওছৰ পাজৰৰ বিভিন্ন ঠাইৰ পৰা ১ লাখ মানুহ আহে ব্যৱসায় কৰিবলৈ। গধূলি ঘূৰি যায়। এইসকলৰ ওপৰত ষ্ট্রীক্ট হোৱাটো কিমান দিগদাৰ। আমাৰ বিভিন্ন দলৰ কাউন্সিলৰ সকলে মিটিং কৰি টেক্স বঢ়াইছে। মই পেপাৰত ওলাইছে চৰকাৰে টেক্স বঢ়াইছে। মই ভূটানীক সুধিছিলো। কিয় বঢ়াইছে বুলি। তেওঁ ক'লে বঢ়াবৰ কাৰণে চৰকাৰৰ অনুমতি নালাগে, কমাবৰ কাৰণেহে লাগে। আমি ১৩০০ শ কোটি টকা পানী যোগানৰ ক্ষেত্রত আনিছো। আমি চেষ্টা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ দায়িত্ব পালন কৰিম।

CALL ATTENTION NOTICE.

মাননীয় অধ্যক্ষঃ এতিয়া কার্যসূচী নং-২। মাননীয় সদস্য শ্রী চিৰাজুদ্দিন আজমলে অসম বিধানসভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০৯ চনৰ ২৫ জুন তাৰিখৰ 'দৈনিক অগ্রদুত' কাকত প্রকাশিত' "স্বাস্থ্য বিভাগৰ কেলেংকাৰি নগাঁৱত গ্রেপ্তাৰ হ'ব আৰু দুই বিষয়া।" শীর্ষক বাতৰিটোৰ প্রতি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব। এতিয়া শ্রীচিৰাজুদ্দিন আজমল।

* **Md. Sirajuddin Ajmal :** Hon'ble speaker Sir, thank you for allowing me to call the attention of the Minister, Health & Family welfare. Hon'ble Minister of course must be aware that there are lots of corruptions in the purchase of various products and distribution which is going on for long time in Nagaon district under NRHM Hon'ble Minister is also aware that there is a delay in construction with sub standard materials in various sub-centres. I am sure Hon'ble Minister will look into the matter and perform a commendable job in bringing out the culprits into books.

I also appreciate the dynamism of the Hon'ble Health Minister and would like to say that he has otherwise done a commendable job.

Mr. Speaker : Minister, Heath, F.W. Dr. Himanta Biswa Sarma.

Dr Himanta Biswa Sarma (Minister) : I do confess that there are certain irregularities in the administration of JSY scheme. Because it is a decentralised scheme, the incumbents at the field level has the power and authority to

* **Speech not corrected**

sanction and also give the Cheques. They can convert home delivery into institutional delivery and still give money. This is one area o problem with decentralisation. But every year we are trying to improve upon it. In the beging, Bearer Cheques were given to facilitate in cashing but now only Account payee Cheques are given to plug the loop holes of corruption. I however, feel that still there are problems. I do not claim that it is 100% corruption free or problem free scheme. Baropujia PHC is also one such example. In Nagaon we got certain complaints and immediately the Deputy Commissioner was asked to conduct audit of the Hospitals. Hon'ble Forest Minister was also informed and we engaged Chartered Accountants in all the Hospitals. The Borpujiari PHC authority refused to co-operate. We then became suspicious. We, therefore forced the Baropujia PHC authorities.

(Mr. Speaker vacated the Chair and Madam Dy Speaker occuped the chair).

Then came to light that Rs. 17 lakhs were

withdrawn from Govt. account and deposited in personal account. Like fools they had withdrawn from Govt. account and deposited in personal account. They do not know how to do corruption aiso. The D.C. and S.P. of Nagaon played a very proactive role ad Rs. 6.57 lakh was recovered. They shifted some money in LIC Policies also which has also been recovered. The involved officials have already been removed from NRHM and sent to police custody. I am 100% confimed that there are corruption in JSY but this is mainly because of decentralisation. After introductionof A/C payee cheques. I am sure the scale of corruption will come down. With this in mind we have introduced this system of A/C payese cheques only. We are also going to introduce taking photograph during distribution of cheques through digital cameras. I admit that there are corruption and problem under JSY but strong actions are being taken to eliminate these. There are some districts where there is absoluteky no corruption in JSY. Corruption

has also taken place mainly in interior areas because of inaccessibility.

Shri sirajuddin Ajmal : Hon'ble Minister, this is only the tip of the iceberg. There should be joint sittings with MLAS. Minister also promised hospitals for every LACS.

Dr. Himanta Biswa Sharma (Minister) : By tomorrow this will be issued.

MATTER UNDER RULE -301.

Madam. Deputy Speaker : Now, item No.3 : Shri P.K. Mahanta.

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয়া উপাধ্যক্ষা ডাঙৰিয়ানী, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১নং নিয়মৰ অধীনত 'অসম চাহ আৰু ৰবৰৰ খেতিৰ দৰে অগৰ গছৰ খেতি (প্লেনটেশ্বন) কৰিবৰ বাবে চৰকাৰে অসমৰ নিবনুৱা যুঁৱকসকলক উৎসাহিত কৰা উচিত" এই বিষয়টো মাননীয় ৰাজহ মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। ১৯৯০ চনত চৰকাৰৰ পলিচি আছিল নিবনুৱা যুৱকসকলক মাটি দিয়া হ'ব। তেওঁলোকে চাহ খেতি আৰু ৰবৰ খেতি কৰিব পাৰিব। ইয়াৰ লগত বহুত সৰু সৰু চাহ খেতিয়ক জৰিত হৈ আছে। নগাঁওত অগৰ গছৰ খেতি কৰি ব্যৱসায় কৰি আছে। কিছুমান চৰকাৰী মাটি বেদখল কৰি আছে, আনকি সীমান্ত অঞ্চলতো মাটি বেদখল কৰি আছে। বেদখল

* Speech not corrected

দিনক দিনে বাঢ়ি আহিছে। চাহ উদ্যোগ, ৰবৰ খেতি, চন্দন গছ, সাঁচি গছ এইবিলাক নতুনকৈ কৰিব লাগে। যুৱক সকলক সহায় কৰিবৰ কাৰণে সাচি আৰু চন্দন গছৰ খেতি কৰিবৰ কাৰণে চৰকাৰে পলিচি লোৱা উচিত। অগৰ গছ, চন্দন গছৰ খেতি কৰিবৰ কাৰণে যুঁৱকসকলক সহায় কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সাচি গছ আৰু চন্দন খেতিৰ কাৰণে আমাৰ উঠি অহা যুঁৱক যুঁৱতীসকল উৎসাহিত কৰিব লাগে দৰকাৰ হলে বোৰ্ড আদি গঠন কৰি দিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ মাননীয় সদস্য, প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই অগৰ খেতি সম্পর্কে যিখিনি কথা কলে এই কথাখিনি নিশ্চয় বৰ গুৰুত্বপূর্ণ কথা। এই বিষয়ে আমি সদনৰ মজিয়াত সবিশেষ তথ্য ৰাখিছে। তেখেতে নিশ্চয় গম পাইছে। ইতিমধ্যে আমাৰ চৰকাৰে বহুতো ব্যৱস্থা গ্রহণ কৰা হৈছে। চাহ আৰু ৰবৰ গছ নগাঁও আৰু হোজাই অঞ্চলত বহুতো হয়। মই নিজে গৈ গাড়ীৰে চাই আহিছো। গোলাঘাট অঞ্চলত খুব বেছি। আমাৰ নামনি অসমতো নোহোৱা নহয়। নামনি অসমতো আছে। বেজী দিলো কিন্তু ফল পোৱা নাই। মাটিৰ কাৰণে হ'ব পাৰে। কোনবিলাক মাটি ভাল হ'ব তাক পৰীক্ষা কৰি খেতি কৰিব লাগিব। ব্যক্তিগতভাৱেও খেতি কৰাৰ কাৰণে উৎসাহিত কৰিব লাগে। আমাৰ মাননীয় মহন্ত ডাঙৰীয়াই কৈছে যে চাহ আৰু ৰবৰ খেতিৰ দৰে অগৰ খেতিৰ কাৰণে আমাৰ নিবনুৱা যুঁৱক যুঁৱতিসকলক উৎসাহ দিব লাগে। এইক্ষেত্রত আমাৰ উদ্যোগ বিভাগৰ লগত

* Speech not corrected

আলোচনা কৰি আৰু আমি ৰাজহ বিভাগেও তেওঁলোকে কি পৰামৰ্শ দিয়ে সেইটো গুৰুত্বৰ সহকাৰে লৈ কাম কাজত লব লাগিব।

* **শ্রীপ্রদ্যুৎ ৰৰদলৈ (মন্ত্রী)** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই দুআষাৰমান ক'ব বিচাৰিছো।

মাননীয় উপাধ্যক্ষা ঃ আপুনি ক'ব পাৰে।

* **শ্রীপ্রদ্যুৎ ৰৰদলৈ** ঃ (মন্ত্রী) মাননীয়া উপাধ্যক্ষা মহোদয়া, মই পৰিপূৰক হিচাপে ক'ব খুজিছো অগৰ গছৰ কাৰণে অসমৰ মাটি উপযোগী। আগতে সুসংগঠিত বনাঞ্চলত এই খেতি আছিল। যি কাৰণতে নহওঁক, এতিয়া এই ফৰেষ্ট ৰিজাৰ্ভত এই গছবিলাক নাই। ৰিজাৰ্ভ ফৰেষ্ট সমূহত আৰু সংৰক্ষিত বনাঞ্চল সমূহত অগৰ গছৰ ৰুৱলৈ আৰম্ভ কৰা হৈছে। এইখেতি অৰ্থনৈতিক সম্ভৱনা থকা এটি খেতি। মাননীয় উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে, গোলাঘাট, তিনিচুকীয়া, শিৱসাগৰ আদি ঠাইত চার্ভে চলোৱা হৈছিল। তেতিয়া মই বন বিভাগৰ দায়িত্বত আছিলো। আমাৰ কেন্দ্রীয় চৰকাৰৰ লগতে বাহিৰৰ দেশৰ লগতো এইক্ষেত্রত বিশ্লেষণ কৰি থকা হৈছে। এইক্ষেত্রত বিশেষ ৰুল কৰি ফৰেষ্ট বিভাগৰ লগত আলোচনা কৰি অগৰ খেতিৰ সম্ভাৱনীয়তা অৰ্থনৈতিকভাৱে কেনেকৈ আগবঢ়াই নিবলৈ পৰা যায় তাৰ প্রচেষ্টা হাতত লোৱা হৈছে। এই অগৰ খেতিৰ এটা ডাঙৰ সম্ভাৱনীয়তা আছে।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমি নিবনুৱা যুঁৱক-

---

*** Speech not corrected**

যুঁৱতীসকলৰ সংস্থাপনৰ কাৰণে বিভিন্ন ধৰণৰ খেতি কৰিব পাৰো। আজি অসমৰ চাহ খেতি বিশ্বৰ ভিতৰতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। দাৰ্জিলিঙৰ চাহ দ্বিতীয়তহে আছে। আজি কালি মানুহৰ মাজত গছ ৰোৱাৰ উৎসাহ বাঢ়িছে। ল'ৰা-ছোৱালী জন্ম হ'লেও তেওঁলোকৰ নামত শাল, চেগুন আদি গছ ৰোৱে। উঠি অহা যুঁৱক-যুঁৱতীসকলক উৎসাহিত কৰিবলৈ চাহ, ৰবৰ আদিৰ লগতে অগৰ গছৰ খেতি কৰিবলৈও উৎসাহিত কৰিবলৈ চাহ, ৰবৰ আদিৰ লগতে অগৰ গছৰ খেতি কৰিবলৈও উৎসাহিত কৰিব লাগে। গতিকে অগৰ গছ আদি ৰোৱাৰ কাৰণে চৰকাৰে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ বোৰ্ডাৰ এৰিয়াৰ মাটিত এই খেতি কৰিলে ভাল হয়। ইয়াৰ উপৰিও ইয়াত বেজি দিয়াৰ কথাটোও আছে। ঠিক তেনেকৈ চাহ, ৰবৰ, অগৰ আদি খেতি কৰিবৰ কাৰণে আমাৰ উঠি অহা যুঁৱক যুঁৱতীসকলক এন্‌কাৰেজ কৰিব লাগে। এই খেতি কৰিবৰ কাৰণে মাটি লাগিব। আমাৰ যুৱক-যুৱতীসকলক এই খেতি কৰাৰ কাৰণে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৰুণাচল, মিজোৰাম, মেঘালয়, নগালেণ্ড আদি চৰকাৰে বোৰ্ডাৰ অঞ্চলত তেনেকুৱা কিছুমান কাম কৰিছে। যি বিলাক মাটি বেদখল হৈ আছে আৰু আমাৰ যি বিলাক বোৰ্ডাৰ অঞ্চলত মাটি আছে সেই মাটি বিলাক আমাৰ নিৰনুৱা যুঁৱক যুঁৱতীসকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰত উদ্যোগ বিভাগ, ৰাজহ বিভাগ, আৰু বন বিভাগে পলিচি ঠিক কৰি অগৰ খেতি কৰাৰ ব্যৱস্থা কৰিব পাৰে। যিহেতু টি বোৰ্ড, ৰবৰবোৰ্ড আদিৰ দৰে অগৰ বোৰ্ড গঠন কৰাৰ ব্যৱস্থা কৰিব

লাগে। এইটো কৰিব পাৰিলে অসমৰ যুৱকসকল লাভৱান হ'ব আৰু তেওঁলোকে নিজকে আত্মনিয়োগ কৰিব পাৰিব।

* **শ্রীৰকিবুল হুছেইন** (বনমন্ত্রী)ঃ মাননীয়া উপাধ্যক্ষা মহোদয়, মাননীয় সদস্য প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যিটো কথা কৈছে সেইটোত মইও একমত। অগৰ খেতিৰ জৰিয়তে আমাৰ সকলোৱে উপকৃত হ'ব পাৰে আৰু আত্মসংস্থাপনৰ পথ উলিয়াব পাৰে। আমাৰ চৰকাৰে ৰিজার্ভ ফৰেষ্টৰ প্রায় কেইবা হেক্টৰো মাটিত অগৰ খেতি কৰিছে। আগতে আমি কিছুমান ঠাইত মহল দিছিলো। যদি কোনো ঠাইত যি কোনো গছ নহয়। নগাঁৱৰ পৰা আপাৰ আচামৰ যোৰহাটলৈকে হোলোং গছ হয়। ঠিক তেনেদৰে আমাৰ মাননীয় সদস্য কমলা কলিতা ডাঙৰীয়াৰ সমষ্টিৰ কিছুমান ঠাইত চন্দন গছ আছিল। এতিয়া আমি আকৌ তাত চন্দন গছ ৰোৱাৰ ব্যৱস্থা কৰিছো। আমি প্রায় এককোটি মান গছ ৰোপণ কৰিছো। আমি ইতিমধ্যে কেইবাখনো নার্চাৰি বন বিভাগৰ ফালৰ পৰা কৰিছো আৰু তাৰ ফালৰ পৰা গছ পুলি বিতৰণ কৰাৰ ব্যৱস্থা কৰিছো। ওৱর্ল্ড বেংকৰ পৰা মানুহ আহি আমাৰ এই নার্চাৰী বিলাক চাইছে আৰু তেওঁলোকে ভাল পাইছে। আমি ব্যাপক আকাৰ যাতে এইবিলাক কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিছো। আমাৰ নিবনুৱা যুঁৱকসকলে গছ ৰুই বিক্রী কৰাতকৈ প্রচেচিং ইউনিটৰ লগত জড়িত হ'লে বেচি লাভৱান হ'ব। আমি অকল খেতি কৰিলেই নহ'ব। আমাৰ উঠি অহা যুৱকসকলক অগৰ খেতি কৰাৰ কথা কৈছে। আমাৰ বন বিভাগে প্লেণ্টেশ্যন কৰিছে। প্রচেচিং ইউনিটৰ

*** Speech not corrected**

জৰিয়তে আমাৰ নিবনুৱা যুৱকসকল আগবাঢ়ি যাব পাৰিব। কিন্তু তাৰ কাৰণে মার্কেট পাব লাগিব। ইয়াত বিক্রী কৰিব পাৰিব নেকি সেইটো লক্ষ্য ৰাখিব লাগিব। আমি বেছিকৈ মূল্য পাব পাৰো নেকি সেইটো লক্ষ্য ৰাখিব লাগিব। বেজি দিয়াৰ যিটো কথা কৈছে সেই কথাটো আমি জানিব লাগিব। এইখিনি কৰিলে আমাৰ অসমৰ উন্নতি হ'ব।

* **ডাঃ ভূমিধৰ বর্মন (ৰাজহ ইত্যাদি মন্ত্রী)** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় উদ্যোগ মন্ত্রী আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে ইতিমধ্যে এই বিষয়ে কৈ গৈছে। বন বিভাগৰ ফালৰ পৰা অসমৰ বহুত শিক্ষা অনুষ্ঠানৰ লগতে অন্যান্য অনুষ্ঠান-প্রতিষ্ঠান বা ব্যক্তিগত মানুহৰ মাজতো গছপুলি ৰোপণ কৰাৰ কাৰণে বিতৰণ কৰা হৈছে। আগতে আমাৰ ৰাষ্টাৰ দুয়োফালে যেনেকৈ গছ ৰোৱাৰ ব্যৱস্থা কৰিছিল, ঠিক তেনেকৈ আমাৰ স্কুল কলেজ বা যিবিলাক অনুষ্ঠান-প্রতিষ্ঠান আছে সেই বিলাকত বেছিকৈ গছ ৰোপণ কৰিলে আমি উপকৃত হ'ম। ইয়াৰ উপৰিও আমাৰ বহুতৰে ২০/৩০বিঘা পর্যন্ত নিজা মাটি আছে। এই মাটিৰ দুয়োফালে যদি অগৰ গছবোৰে তেতিয়া হ'লে তাৰপৰা বহুত উপকৃত হ'ব পাৰিব। আমাৰ মাননীয় সদস্য, প্রাক্তন মুখ্যমন্ত্রী মহন্ত ডাঙৰীয়াই এইক্ষেত্রত মাটি দিয়াৰ কথা কৈছে। কিন্তু এইক্ষেত্রত আমি মাটি দিব নোৱাৰো। আমাৰ মাটি কমি গৈ আছে। বেকী, ধনশিৰি, ৰঙানদী, দিখৌ, ব্রহ্মপুত্র আৰু বৰাক আদি নদীৰ পৰা খহনীয়াত মাটি বহুত কমি গৈছে। মানুহ বাঢ়ি গৈছেদিও মাটি কমি গৈছে। সেই কাৰণে আমি মাটি দিয়াৰ কথাটো ভবা নাই। অৰশ্যে তেখেতে নগালেণ্ড, অৰুণাচল প্রদেশ, মিজোৰাম আদিৰ

*** Speech not corrected**

বোর্ডাৰ এৰিয়া মাটিৰ যি কথা কৈছে, সেইক্ষেত্ৰত উদ্যোগ বিভাগে পৰীক্ষা কৰি আমাক যদি কিবা কৰিবলৈ পৰামৰ্শ দিয়ে তেতিয়া হ'লে আমি সেইটো কৰিম। অৱশ্যে চাহ বা ৰবৰ খেতি কৰিলে ৰবৰ আৰু চাহ বোর্ডৰ পৰা আমি দিহা পৰামৰ্শ পাম। অগৰ বোর্ড কৰিব লাগে বুলি কোৱা হৈছে। এইটো আমাৰ উদ্যোগ বিভাগে বিবেচনা কৰিব। অন্য ঠাইত মাটি দিয়াৰ কথাটো নাহে। আমি বোর্ডাৰ এৰিয়াৰ মাটিৰ কথাটো চিন্তা কৰিম। আমাৰ ওচৰলৈ মাটি বিচাৰি বহুতো অনুষ্ঠান আছে। কিন্তু আমি সেই বিলাককে মাটি দিব পৰা নাই। উদ্যোগ বিভাগে যদি আমাক কিবা পৰামৰ্শ দিয়ে তেতিয়াহ'লে আমি সেইটো চাম।

MATTER UNDER RULE -49

Madam Dy. Speaker : Now, Dr. Kamala Kalita to raise a matter under Rule 49 of the Rules of Procedure and Conduct of Busines in Assam Legislative Assembly.

* ডাঃ কমলা কান্ত কলিতা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই প্ৰথমে চৰকাৰৰে ঘোষণা কৰা শিক্ষাৰ ওপৰত ধাৰাবাহিকভাৱে It is known that Government has constituted a committee under the chairmanship of shri Prithibi Majhi, Minister, সেই সম্পৰ্কে আমি নিশ্চয় প্ৰকাশ কৰিব লাগিব। আমাৰ এগৰাকী শিক্ষা মন্ত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত দিগন্ত ৰচনা কৰিব খুজিছিল। বৰ্তমান শিক্ষা মন্ত্ৰী মাননীয় গৌতম বৰাদেৱৰ নিজে

* Speech not corrected

পিচত ভাল কৰিবলৈ চেষ্টা কৰিব। চৰকাৰে ইতিমধ্যে মাননীয় পৃথিৱী মাঝি ডাঙৰীয়াৰ অধীনত এখন কমিটী কৰি দিয়াৰ কথা ঘোষণা কৰিছে। এইটো অনির্দিষ্ট কাললৈ থাকিব লাগে। আমাৰ হাতত তথ্য কিছুমান আছে, মই এখন চিঠি লিখিছিলো ডি চি লৈ। মোৰ সমষ্টিত ৫ বছৰ পাৰ হৈ গ'ল। যদিও ১৫ জনতকৈ ছাত্ৰ সংখ্যা বঢ়া নাই। মই সেইটো ভেৰিফাই কৰিব লাগিব। ৪১ খন স্কুলৰ ভিতৰত ১১ খনহে আছে, ৩০ খন Regarding one Primary School where enrollments are more thank the actual Population of that Area. এই স্কুল বিলাকত ফাইলেনচিয়েল হেল্প দি কি লাভ হ'ব, সি টকাৰ অপচয়। আজি স্কুল বিলাকত মধ্যাহ্ন ভোজন দিয়া হৈছে। মধ্যাহ্ন ভোজন ৰান্ধিবৰ কাৰণে কিচেছন বনাবলৈ ৬০ হাজাৰ টকা দিয়া হৈছে। এবাৰ এটা ল'ৰা ৰ মৃত্যু হৈছিল, কি ৰিপোৰ্ট দিলে মই চিঠি এখন লিখিছিলো। I am in doubt regarding the no. of schools in my constituency to which financial assistance are given. I have written a letter to DC to verify. After verification it is found that out of 41 schools in practice only II nos. of schools are in existence. Provincialisation/ financial assistance should be allowed only to actual schools but not to the schools which are in bags. ..... Regarding substandard construction of kitchen sheds in schools I have

written to Department Ditector, Elementary Education replied that the above kitchen shed, are not constructed as per approved norms. After that I want to know what action has been taken against the contractors? Percentage of school drop out children are also increasing.... কিমানজনৰ ওপৰত একচন ল'লে গম নাপালো। তাৰ পিচত সেই কিচছেন ঘৰ নাই। উপাধ্যক্ষা মহোদয়া, এইবিলাকৰ লগত এছ্ আই, ডি আই জড়িত হৈ আছে। এডুকেশ্যন ডিপার্টমেণ্টৰ পবিত্রতা ৰক্ষা কিমান কৰিছে আমি নাজানো। যোৱা বছৰৰ যদি এল'কেশ্যন চাওঁ ইয়াত সম্পূর্ণ টকা খৰছ কৰিব পৰা নাই। ২০০৫/০৭ চনত এল'কেশ্যন বহু বেছি আছিল। ২০০৮ চনত ৮০ শতাংশ ৯০ শতাংশ খৰচ কৰিছে।

এটা সুখবৰ যে ২০০৭ চনৰ তুলনাত ২০০৮ চনত স্কুলৰ পৰা ছাত্র-ছাত্রী ওলাই যোৱাটো শতকৰা ১ ভাগ কমিছে। ২০০৭ চনত চৰকাৰী খণ্ডৰ স্কুলৰ তুলনাত ২০০৮ চনত এনৰোল শতকৰা ২ ভাগ কমিছে। ২০০৮ চনত শতকৰা ২ ভাগ কমিছেহে, আমাৰ শিক্ষাৰ ক্ষেত্রত ইমান টকা পইচা খৰচ কৰা হৈছে, ইমান স্কীম আদি লোৱা হৈছে তথাপি কিয় এন্‌ৰোলমেণ্ট কমিছে।

উপাধ্যক্ষা মহোদয়া ঃ আপুনি স্কুল চৰকাৰীকৰণৰ ওপৰত কওক, সময় বেছি নাই।

*** ডাঃ কমলাকান্ত কলিতা ঃ** মই কৈ আছোঁ, এই কথাখিনি প্রশ্নটোৰ লগত সংলগ্ন থকা কথা। প্রশ্নটোত এই কথাবোৰ আছিল যেনে স্কুলৰ খালী

*** Speech not corrected**

পোষ্ট, শিক্ষক নিযুক্তি আদি কথা স্কুল চৰকাৰীকৰণ প্ৰশ্নটোৰ লগত আছিল। সেয়ে মই এই গোটেই কথাবোৰ মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ। উপাধ্যক্ষা মহাদয়া, এই পইণ্টত কৈছোঁ কাৰণ এই ষ্টেটাচ্ ৰিপৰ্টত কৈছে যে আজি অষ্টম শ্ৰেণীৰ ছাত্ৰ এজনে হৰণ অংক কৰিব নাজানে। প্ৰায় শতকৰা ৫০ জন ছাত্ৰই এই অংক কৰিব নোৱাৰে বুলি কৈছে। আকৌ ৰিডীং স্কুলৰ ক্ষেত্ৰত কৈছে সপ্তম মানৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ বিষয় পাঠ কৰিব নোৱাৰে। গতিকে চাওক শিক্ষাৰ মানদণ্ড কলৈ গৈছে? তললৈ গৈছে নে ওপৰলৈ গৈছে। আজি যদি এই কথা বিলাক আমি বিধানসভাত আলোচনা নকৰো কেনেকৈ হব? এইটো এটা উদ্বেগৰ কাৰণ হৈ পৰিছে। এতিয়া নিয়োগৰ ক্ষেত্ৰত চাওক, শিক্ষাৰ ক্ষেত্ৰত নিযুক্তি হোৱা নাই। আজি আপোনালোকে ৰেশ্যনেলাইজেশ্যন কিয় কৰিব। আজি আমি দেখিছো উত্তৰ গুৱাহাটীত এখন স্কুলত ১জন ছাত্ৰৰ বিপৰীতে ১৯জন শিক্ষক আছে। কিন্তু আমাৰ গাঁৱৰ স্কুল বিলাকত যদি চায় ১০০ জন ছাত্ৰৰ বিপৰীতে হয়তো এজন বা দুজন শিক্ষক আছে। গতিকে এইটো আমি কিয় ৰেশ্যনেলাইজেশ্যন কৰিব নোৱাৰো? নিযুক্তি হ'ব হ'ব বুলি আজি বহু বছৰ কৈয়েই আহিছে। পোষ্ট যথেষ্ট খালী হৈ আছে। আপোনালোকৰ হিচাপ মতেই ১৬ হাজাৰ এই বিলাকত নিযুক্তি দিয়ক। ৰহু হেজাৰ ৫শ ৬০ টা পদ খালী হৈ আছে। এই বিলাকত নিযুক্তি দিয়ক। কিন্তু নিযুক্তি দিওঁতে এইটো চাব যাতে চিলেকশ্যন লিষ্টত মেৰীট ওৱাইজ যিদৰে আছে সেইদৰে নিযুক্তি হয়। ১নং, ২নং, বা ৩নং বাদ দি ৪নং জনক তলৰ পৰা

আনি নিযুক্তি দিয়াৰ যি ব্যৱস্থা সেইটো বন্ধ কৰক। মই নিজেই জানো আপোনাক আজি কওঁ ছয়গাঁও এম ভি স্কুলত নিযুক্তি দিছিল যিগৰাকীয়ে পাব লাগিছিল ধনদা মালাকৰ বুলি এগৰাকীয়ে। কাৰণ তেওঁ লিষ্টৰ ৩নংত নামটো আছিল। কিন্তু তেওঁক বঞ্চিত কৰি স্নিগ্ধা বৰুৱা বুলি এগৰাকীক নিযুক্তি দিয়া হ'ল তেওঁৰ নামটো কিন্তু চিলেকশ্যন লিষ্টৰ ৪ নংতহে আছিল। গতিকে এতিয়া দিয়া দেখা গ'ল নিযুক্তিৰ সময়ত চিলেকশ্যন লিষ্টখনো মানি চলা নহয়।

সৰ্বশিক্ষাৰ ক্ষেত্রতো মোৰ বহু ক'বলগীয়া আছিল কিন্তু সময় বৰ কম। এটা কথা মাত্র কওঁ মোৰ সমষ্টিতে ইজিয়াৰ চেণ্টাৰ ভেন্সাৰ স্কুল এখনৰ চোতালতে কৰা হৈছে। এখন চোতালতে এখন স্কুল, বেচৰকাৰী স্কুল, এখন চৰকাৰী স্কুল আৰু ইজিয়াৰচ চেণ্টাৰ একেলগে আছে। কিন্তু আচলতে এই ইজিআৰচ্ চেণ্টাৰ বিলাক স্কুলৰ পৰা ডেৰ কিলোমিটাৰমান দূৰতহে হ'ব লাগে। খলিহামাৰীত এখন চৰকাৰী স্কুল আছে তাৰ লগতে এটা ইজিআৰচ্ চেণ্টাৰো আছে। এই খেলিমেলি বিলাক দূৰ কৰিবলৈ মন্ত্রী মহোদয়ৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কলো আৰু কথাখিনি ক'বলৈ সুযোগ দিয়াৰ বাবে মই উপাধ্যক্ষা মহোদয়াৰ লগতে মন্ত্রী মহোদয়কো ধন্যবাদ জনালো।

শ্রীগৌতম বৰা (শিক্ষা মন্ত্রী) ঃ মাননীয়া উপাধ্যক্ষা, মহোদয়া, মাননীয় বিধায়ক কমলা কলিতা দেৱে আজি বিধানসভাৰ নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত তেখেতে যোৱা ২ জুলাই তাৰিখৰ মাননীয় সদস্য লিয়াকৎ আলী খানৰ ৬৭ নং প্রশ্নৰ আধাৰত আধা ঘণ্টা সময় আলোচনাৰ

বাবে লৈ কথাটো উত্থাপন কৰাৰ বাবে ভাল পাইছোঁ। এইক্ষেত্রত মই দুটা কথা ক'ব বিচাৰিছোঁ যে সেইদিনা এই প্রশ্নটোৰ উত্তৰ দিওঁতে মই সঠিকভাৱে যিখিনি ডাটাৰ প্রয়োজন সেইখিনিহে দিছিলো। কিন্তু বিধানসভাৰ সময়ৰ অসুবিধাৰ বাবে প্রশ্ন কর্তাই পাছত ভালদৰে প্রশ্ন কৰিব নোৱাৰিলে আৰু বিধায়ক কমলা কলিতা ডাঙৰীয়াইে এই কথাটো আলোচনাৰ বাবে অনাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। তেখেতে তেখেতৰ সমষ্টিৰ শিক্ষাৰ ক্ষেত্রত যথেষ্ট সচেষ্ট হৈ থাকে। এটা কথা যে তেখেতে যিটো প্রভিন্সিয়েলাইজৰ কথা কৈছে সেইটোত কওঁ স্কুল বিলাক প্রভিন্সিয়ে লাইজড কৰাৰ আগতে আচলতে সেই স্কুল বিলাকৰ অস্তিত্ব আছে নে নাই সেই কথা বিলাক ভালদৰে চাবলগীয়া হৈছে। এই কথা বিলাক ভালদৰে নিৰূপণ কৰিব নোৱাৰিলে আকৌ গোটেই বস্তুটো খেলিমেলি হৈয়ে থাকিব। ২০০৭ চনত এটা প্রশ্ন আনিছিল বিধানসভাত তেতিয়া প্রশ্নৰ উত্তৰত সেই সময়ৰ মন্ত্রী মহোদয়ে ৪১খন স্কুল আছে বুলি কৈছিল। বিভাগীয় তথ্যপাতিত সেই কথা আছে। তেখেতে পিচত যেতিয়া অনুসন্ধান কৰিবলৈ দিলে উপায়ুক্তৰ জৰিয়তে তেতিয়া উপায়ুক্তই ৰিপৰ্ট দিলে যে ২৩ খন স্কুলৰ অস্তিত্ব আছে বাকী স্কুল বিলাকৰ নাই। সেই কাৰণে আমি এই গোটেই কথা বিলাক ভালদৰে চালিজাৰি চাই কাম বিলাক কৰিবলগীয়া হৈছে বৰ সাৱধানেৰে। হয়তো এনে হ'বও পাৰে সেই সময়ত স্কুল বিলাক খুলিছিল কিন্তু বহু বছৰ ধৰি প্রভিন্সিয়েলাইড নোহোৱাৰ কাৰণে তেওঁলোকে আৰু নহ'বই বুলি

ভাবি স্কুল বন্ধ কৰি দিলে। শিক্ষকসকল হয়তো বেলেগ কৰবালৈ গ'ল, ক'ৰবাত সোমাল এনেকুৱাও হ'ব পাৰে। যি কি নহওক উপায়ুক্তই অনুসন্ধান কৰোঁতে ২২ খন স্কুল নাপালে, ৫ খন স্কুল সেইদিনা বন্ধ আছিল। আমি আমাৰ মাননীয় বিধায়কসকলে স্কুল বিলাকৰ আর্থিক সাহায্যৰ বিষয়ে কৈছে। যে সাহায্য আদি পোৱা নাই। আমি স্কুল বিলাকক সাহায্য দিবলৈ সুবিধা হ'বৰ কাৰণেই সবিশেষ তথ্য জানিবৰ বাবে উপায়ুক্ত ইতিমধ্যে নির্দেশ দিছোঁ। যে যিবোৰ লিষ্ট ইতিমধ্যে বিষয়া সকলৰ হাতত আছে, সেইবোৰ লৈ আকৌ অনুসন্ধান কৰক যদি প্রয়োজন হয়। তাৰ পিচত আমাক ৰিপর্ট দিয়ক। তাৰ পিচতহে আমি আর্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। চৰকাৰীকৰণ কৰাৰ সময়ত এই কথাবোৰলৈ লক্ষ্য ৰাখিবলৈ মাননীয় সদস্যসকলে আমাক কৈছে, আমিও এই গোটেই কথা বিলাক চালিজাৰি চাই হে আর্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব খুজিছো।

(Madam Dr. Speaker Vacated the Chair and Mr. Speaker occupied the Chair.)

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবর্ষৰ অন্য ৰাজ্যত স্কুল খোলে চৰকাৰে। অন্য ৰাজ্যত ভেনচাৰ স্কুলৰ চিষ্টেম নাই। কিন্তু আমাৰ অসমত ৰাইজে আগতে স্কুল খোলে আৰু চৰকাৰে প্রাদেশিকীকৰণ কৰে। আৰু লগে লগে স্কুল ঘৰো চৰকাৰে বনাই দিয়ে। সেই কাৰণে দিনক দিনে ভেনচাৰ স্কুলৰ সংখ্যা বাঢ়ি গৈছে আৰু ই এটা চৰকাৰৰ কাৰণে সমস্যা হৈ পৰিছে। ইয়াৰ কাৰণে আন্দোলনো

কৰিছে। এই সংক্ৰান্ত মই যোৱা কালিও উত্তৰ দিছো। এই চিষ্টেমটো সলনি কৰিবলৈ হলে আইনৰ প্ৰয়োজন হ'ব। যদি মাননীয় বিধায়কসকলে আইন প্ৰণয়নৰ কাৰণে সন্মতি দিয়ে তেতিয়া হ'লে আমি কৰিম।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে শিক্ষা সংক্ৰান্তত এখন আইন আছে। এতিয়া ভেনচাৰ স্কুল বন্ধ কৰাৰ কাৰণে যদি আপোনালোকে আইন আনে তেতিয়াহলে আমি আপোনালোকৰ লগত ১০০ শতাংশই থাকিম।

শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাইজে স্কুল কৰি চৰকাৰৰ ওপৰত জাপি দিছে। এইটো বন্ধ কৰিবৰ কাৰণে আইন লাগে। যিখিনি স্বীকৃতিপ্ৰাপ্ত সেইখিনি কি কৰিব লাগিব। (ভইচ ঃ সেইখিনি ৰাখিব লাগিব)। গতিকে বাকী বিলাকৰ কাৰণে আইনৰ প্ৰয়োজন হ'ব। পাৰ্মিচন আৰু ৰিকোগনাইজেচন এল, পি স্কুলৰ ক্ষেত্ৰত দিয়া নহয়। প্ৰাইভেট স্কুল আমি বন্ধ কৰাত অসুবিধা আছে (গণ্ডগোল)

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ অধ্যক্ষ মহোদয়, মই প্ৰাইভেট কলেজৰ লগত ১৪ বছৰ ধৰি জড়িত হৈ আছো। মই কৈছো যিখিনি ভেনচাৰ স্কুল আছে সেইটো বন্ধ কৰিব লাগে।

শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ দলপতি শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াইও এইক্ষেত্ৰত বন্ধ কৰিব লাগে বুলি কৈছিল। প্ৰাইভেট স্কুল এই কাৰণে আমাক লাগে যে এটা কমপিটিচন থকাটো দৰকাৰ। আমাৰ স্কুল বিলাকৰ স্তৰ

*** Speech not corrected**

অলপ অৱনমিত হৈছে। এখন বিদ্যালয়ৰ পৰা ষ্টেণ্ড কৰাটোৱেই বিদ্যালয়খনৰ কোৱালিটি হ'ব নোৱাৰে। আনহাতে কোনোৱে গাঁও অঞ্চলৰ বিদ্যালয়ৰ পৰা ষ্টেণ্ড নকৰিব পাৰে কিন্তু তাৰ পৰা ষ্টাৰ ভিচটিংচন পাইছে আৰু পয়সত্তৰ শতাংশই ভাল। সেইখন বিদ্যালয়কো আমি ভাল বুলি ক'ব লাগিব। অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা সমীক্ষা দিব বিচাৰিছো আমাৰ যে শিক্ষাৰ ক্ষেত্ৰ অৱনতি হোৱা নাই। আমাৰ ৰাজ্যখনৰ ৩ বছৰৰ ফলাফল এনেধৰণৰ ঃ উচ্চ মাধ্যমিক ঃ ২০০৬-০৭, ৫৩.৫৪, ২০০৭- ০৮ চনত ৫৪.৮৯ শতাংশ আৰু ২০০৮-০৯ত ৫৮.৬৮ শতাংশ। হাই মাদ্রাছাত ঃ ২০০৬-০৭ত ৫৭.৫৯ শতাংশ, ২০০৭-০৮ত ৬১.১২ শতাংশ ২০০৮-০৯ ত ৭২.৩৪ শতাংশ। উচ্চতৰ মাধ্যমিক (কলা)ত ২০০৬-০৭ত ৬৭.১১ শতাংশ ২০০৭-০৮ ত৬১.৫০ শতাংশ, ২০০৮-০৯ ত ৬৫.৩৩ শতাংশ উচ্চতৰ মাধ্যমিক (বিজ্ঞান) ২০০৬-০৭ত ৭২.৫২ শতাংশ ২০০৭-০৮ ত ৬৮.৪৪ শতাংশ ২০০৮-০৯ ত ৮০.৭৩ শতাংশ আৰু বাণিজ্যতঃ ২০০৬-০৭ত ৬২.৬৫ শতাংশ, ২০০৭-০৮ ত ৬৭.১৪ শতাংশ, ২০০৮-০৯ ত ৬৯.৯৬ শতাংশ। গতিকে শিক্ষাৰ ক্ষেত্ৰত আমাৰ অৱনতি হোৱা নাই। মাননীয় সদস্য ডাঃ কলিতাই আলোচনা কৰিছিল ৰেচনে লাইজেচন কৰাৰ ক্ষেত্ৰত। এইক্ষেত্ৰত আমি জিলাই জিলাই কমিটি কৰি দিছো। বলক লেভেলটো কৰা হ'ব। জিলাৰ উপায়ুক্ত সভাপতি হিচাবে থাকিব। বলকত কিবা কামৰ অসুবিধা হ'লে জিলাই চাব। নিযুক্তিৰ ক্ষেত্ৰত বন্ধ হৈ আছে বুলি কৈছে। আইনগত অসুবিধা

হোৱাৰ কাৰণে নিযুক্তিৰ প্ৰক্ৰিয়া বন্ধ ৰাখিবলগীয়া হৈছিল। এতিয়া নিযুক্তিৰ সুবিধা পাইছে। ইতিমধ্যে আমি নিযুক্তি আৰম্ভ কৰিছো। কিটচেন চেট আৰু ঘৰৰ কথা কৈছে। এইক্ষেত্ৰত আমি হাউচফেড আৰু হাউচিঙক দায়িত্ব দিছো। বেয়া ঘৰৰ আমি সম্পূৰ্ণ টকা দিয়া নাই। মাননীয় সদস্যসকলে যদি লিখিত অভিযোগ দিয়ে তেতিয়া তদন্ত কৰি আমি বিহিত ব্যৱস্থা ল'ম। আনহাতে, এনলোৰমেণ্ট কম হৈছে বুলি কৈছে। এনলোৰমেণ্ট কম হোৱা নাই। আগতে যিবিলাকক ল'ৰা-ছোৱালীক ঘৰৰ পৰা স্কুললৈ যোৱাটো বন্ধ কৰিছিল সেই বিলাকক কমিউনিটি ভলেনটাৰী জৰিয়তে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। সৰ্ব্ব শিক্ষাইও সামৰি লৈছে। গতিকে এনৰোলমেণ্ট কমা নাই। এজন শিক্ষক থকা বিদ্যালয়ত মিড দে লিৰ কাৰণে অসুবিধা হৈছে। কালি এজনে মোক কৈছে যে ১২৫ টা ছাত্ৰ-ছাত্ৰী আছে, কিন্তু শিক্ষক এজন আছে। আমি এই বিলাকত সৰ্ব্বশিক্ষা আৰু কমিউনিটি ভলেনটাৰী শিক্ষক দিছো। তেওঁলোকে কাম কৰি আছে।

মাননীয় অধ্যক্ষ ঃ আপুনি শেষ কৰক।

শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়েও শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে বুলি প্ৰকাশ কৰিছে। আগতে শিক্ষাৰ ক্ষেত্ৰত যিটো ইনফাষ্ট্ৰাকচাৰ আছে এতিয়া সেইটো উন্নতি হৈছে। অধ্যক্ষ মহোদয়, এইখিনি কৈয়ে সামৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্ৰাইভেট মেম্বাৰৰ বিজনেচ আছে। গতিকে আমি ৫। মিনিট সময় বঢ়াই ল'লো।

PRIVATE MEMBERS MOTION

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৫ এতিয়া ১নং প্রস্তাৱটো মাননীয় সদস্য, শ্রীঅনন্ত ডেকা ডাঙৰীয়াৰ নামত আছে। মই এতিয়া মাননীয় সদস্য শ্রীঅনন্ত ডেকা ডাঙৰীয়াক প্রস্তাৱটো উপস্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

শ্রীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্রত ইতিমধ্যে মাননীয় শিক্ষা মন্ত্রীয়ে কিছু কথা কৈছে। ৰাজ্য চৰকাৰে শিক্ষাৰ মান উন্নত কৰাৰ কাৰণে বিশেষভাৱে পদক্ষেপ লোৱা দেখা নাই। Education is a not a priviledge But a right শিক্ষা হৈছে আমাৰ জন্মগত অধিকাৰ। প্রাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় পর্যায়লৈ শিক্ষাৰ সমস্ত দায়-দায়িত্ব ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰে বহন কৰা উচিত। ইতিমধ্যে মাননীয় শিক্ষা মন্ত্রীয়ে মাননীয় সদস্য ডাঃ কমলা কান্ত কলিতা ডাঙৰীয়াৰ প্রশ্নৰ উত্তৰত স্বাভাৱিকভাৱে বিষয়বিলাক উত্থাপন কৰিব বিচাৰিছে। আমি ভাবো যে শিক্ষাৰ লগত অন্য বিষয়ে জড়িত হৈ আছে। আজি শিক্ষাৰ ক্ষেত্রত চৰকাৰৰ ব্যয় সম্পর্কে নানান প্রশ্ন উত্থাপিত হৈছে। যদি চৰকাৰে শিক্ষা খণ্ডটোৰ দায়িত্ব বহন কৰি ব্যক্তিগত খণ্ডক এৰি দিয়ে, তেতিয়া হ'লে চহৰ বা গ্রামাঞ্চলৰ ল'ৰা-ছোৱালীবিলাকৰ পঢ়া-শুনাৰ অধিকাৰ নাইকীয়া হ'ব। আমি লক্ষ্য কৰিছো যে অন্যান্য খণ্ডৰ লগত তুলনামূলকভাৱে শিক্ষাৰ গুৰুত্ব কমিছে। এতিয়া শিক্ষাটো

এটা ব্যৱসায়ত পৰিণত হৈছে। এইক্ষেত্ৰত সমগ্ৰ বিশ্বই চিন্তা কৰিবলগীয়া হৈছে। আজি বিশ্বায়নৰ যুগত শিক্ষা আৰু স্বাস্থ্য খণ্ডটো দেশী বা বিদেশী পুঁজিৰ শিক্ষাৰ অনুপ্ৰবেশ ঘটিছে। শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল যদি আমি লক্ষ্য কৰো দেখিবলৈ পাম যে চৰকাৰীখণ্ডৰ বিদ্যালয়সমূহৰ তুলনাত কিছুমান বে-চৰকাৰী বিদ্যালয়ৰ ফলাফল ভাল হৈছে। বে-চৰকাৰী খণ্ডৰ স্কুলৰ শিক্ষকো কম আৰু তেওঁলোকৰ দৰমহাও কম। আনবাকে ল'ৰা-ছোৱালীবিলাকে উচ্চ হাৰত মাচুলো দিব লাগে। তেনেস্থলত চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ ফলাফলৰ তুলনাত কিছুমান চৰকাৰী বিদ্যালয়ৰ ফলাফল বেয়া হোৱাৰ কাৰণ কি?

Mr. Speaker : The House stands adjoured till 9 A.M. on 20/07/09.

ADJOURNMENT

The House then stood adjourned at 11.35 A.M. till 9. A.M. on 20th July, 2009.

Dispur
The 17the July, 2009

G.P. Das.
Secretary,
Assam Legislative Assembly

DISTRICT/DIVISION WISE RECORD OF KILLING BEING BY WILD ELEPHANT IN ASSAM

ABSTRACT

Name of the District	Name of the Divin	2001	2002	2003	2004	2005	2006	2007	2008	2009 (up to 24-5-09)
Sonitpur	Sonitpur West	8	9	9	8	7	9	0	2	2
	Sonitpur East	17	18	17	7	11	14	3	6	6
Sibsagar	Sibsagar	2	4	0	1	0	3	3	1	1
Golaghat	Golaghat	5	0	0	9	10	10	5	4	
Nagaon	Nagaon South		0	6	0	4	0	1	8	
	Nagaon		5	3	0	7	6	12	0	
Jorhat	Jorhat Divn		0	0	0	1	2	1	4	
Lakhimpur	N. Lakhimpur Divn		2	0	3	4	0	0	3	1
Bongaalgon	Are Vakkey		0	0	0	0	0	0		
N.C. Hiills	N.C hills Divn		0	0	0	0	0	3		
Karimganj	Karimganj Divn		1	1	0	0	0	0	1	
Dibrgarh	Dibrgarh Divn		0	0	0	0	3	2	2	
Tinsukia	Doorndama	3	0	0	03	1	0			
	Digboi		1	0	3	0	1	0		
	Tinsukia WL Divn	3	0	1	1	1	0	0		
Kamrup	North Kamrup Divn		0	0	0	0	2	0		
	Kamrup West Divn		1	0	0	1	0	0		
	Kamrup East								1	
Kokrajhar	Haitugaon		1	0	0	0	0	0	1	
Dhemaji	Dhemaji		0	0	0	1	1	0		
Karbi Anglong		K.A.	East	5	2	7	7	10	8	
Goalpara	Goalpara Divn	6	2	8	8	5	5	9	6	1
Darrang	Mangaldoi Divn		0	0	0	0	0	0	3	
Udalguri	Udalguri						1	1	4	3
Baksa	Chirang							1	1	2
	Baksa								8	
Dhubri	Dhubri									5
	Total	49	46	44	54	61	79	44	52	23

Grand Total 452

2009

ANNEXURE-I

309

(Annexure-II)

Statement showing payment of ex-gratia yearwise with effect from 2001 against killing of human beingby elephant depredation (Rate/Total Rs.lakhs)

Sl.No	Dist./Division	2001			2002			2003			2004			2005		
		Non of deaths	Rate	Total	of deaths	Rate	Total	Non of deaths	Rate	Total	Non of deaths	Rate	Total	Non of deaths	Rate	Total
1	Doom Dooma	3	0.20	0.60	13	0.2	2.60	1	0	0	4	0.4	1.6	1	0.4	0.4
	Dejhoo	Nil			1	0.05	0.05	Nil			2	0.4	0.8	Nil		
	Dibrugarh	Nil			Nil			Nil			Nil			Nil		
	Jorhat							4	0.2	0.8				3	0.4	1.2
	Golaghat	4	0.05	0.20	4	.05,(1) .20(3)	0.65	2	.05(1), .20(1)	0.25	8	.20(7), .40(1)	3.2	9	0.4	3.6
	Sibsagar	2	0.20	0.40	1	0.2	0.20	2	0.2	0.4	Nil			Nil		
	Nagaon South	Nil			Nil			6	0.2	1.2	Nil			3	0.4	1.2
8	Nagaon	2	0.20	0.40	7	0.2	1.40	Nil			4	0.4	1.6	2	0.4	0.8
9	S.West	Nil			Nil			9	0.2	1.8	9	0.2	1.8	8	0.4	3.2
10	S.East	Nil			Nil			26	0.2	5.2	22	0.2	4.4	7	0.4	2.8
11	Lakhimpur	Nil			3	0.2	0.60	1	0.2	0.2	1	0.4	0.4	Nil		
12	Udalguri	Nil			Nil			Nil			Nil			Nil		
13	Chirang															
14	Bakia															
15	Goalpara	6	0.2	1.2	2	0.2	0.4	4	0.2	0.8	7	1X.20 6X.40	2.60	4	2X .025, 1X.20, 1X.4	0.65
16	Kamrup West	4	0.20	0.80										1		
17	Kamrup East	1	0.20	0.20	2	.20(1), .40(1)	0.60				1			1		
18	North Kamrup							1	0.4	0.4						
19	Kaziranga	1	0.20	0.20	2	0.2	0.40	1	0.2	0.2	1	0.4	0.4	2	0.4	0.8
20	K.A.East													11	.05(1) .40(10)	4.5
21	K.A.West										5	0.2	1			
22	Hamren															
23	Dhemaji															
		23		4.00	35		6.90	57		11.25	64		17.8	52		19.15

Paid-405 Nos Amount=119.45 lal

ANNEXURE

17th July

(Annexure-II)

	2006		2007			2008			2009		
van of	Rate	Total	Non of deaths	Rate	Total	Non of deaths	Rate	Total	Non of deaths	Rate	Total
1	0.4	0.4	1	0.4	0.4		Nil				
1	0.4	0.4	1	0.4	0.4	1	0.4	0.4			
	Nil			Nil		1	0.4	0.4			
						3	0.4	1.2			
8	0.4	3.2	5	0.4	2	5	0.4	2.00			
8	40(7)	2.8	3	0.4	1.2						
	Nil		2	0.4	0.8	6	0.4	2.4			
8	0.4	3.2	8	0.4	3.2						
11	.05 (2) .40(9)	3.7	8	.20(2), .40(6)	2.8	Nil			Nil		
4	0.4	1.6	17	0.4	6.8						
4	0.4	1.6	Nil			3	0.4	1.2			
2											
1	0.4	0.4	4	0.4	1.6	4	0.4	1.60			
			3			8					
			4	0.4	0.4						
			1	0.4	0.4	1	0.4	0.4			
2	0.4	0.8		Nil		2	0.4	0.8	Nil		
			16		6.05	8	0.4	3.2			
						1	0.4	0.4			
1	0.4	0.4	7		1.8						
51		18.5	80		27.85	43		14			

(Annexure-III)

Stetement showing the persona killed by elephant under Koliabar Constituency and amount of ex-gratia paid thereof

Year		Name of the person killed	Amount paid(in Rs.)	Remarks
2001	1	Jadav Gowala	20000	EAWL
	2	Samina Khatun	20000	Nagaon (T)
	3	Munindra Saikia	20000	Nagaon (T)
2002	1	Sachid Hussain	20000	EAWL
	2	Manglu Bhomij	20000	EAWL
	3	Brajabanshi Mandal	20000	Nagaon (T)
	4	Rabar Saikia	20000	Nagaon (T)
	5	Suresh Gurugi	20000	Nagaon (T)
2003	1	Jalaluddin	20000	EAWL
2004	1	Jalah Mura	40000	EAWL
	2	Jay Bandhan Orang	40000	Nagaon (T)
2005	1	Jaynaluddin	40000	EAWL
	2	Rahul Amiu	40000	EAWL
	3	Matilala sarkar	40000	Nagaon (T)
2006	1	Hariprasad Giri	40000	EAWL
	2	Mawllabi Sahab	40000	EAWL
	3	Ashiya	40000	Nagaon (T)
	4	Atul Hazari	40000	Nagaon (T)
	5	Gokul Sahu	40000	Nagaon (T)
	6	Sanjay Deori	40000	Nagaon (T)
2007	1	Bishnu Gour	40000	Nagaon (T)
	2	Maina Kamkar	40000	Nagaon (T)
	3	Sobha Santi Phukan	0	Under Process of payment

(Annexure-III)

2008	1	Fakaruddin Ali Ahmed	40000	EAWL
	2	Bipul Nayak	0	Nagaon (T), Under process of payment
	3	Abhiram Badra	0	Nagaon (T), Under process of payment
	4	Pusmati Bouri	0	Nagaon (T), Under process of payment
	5	Raghu Gour	0	Nagaon (T), Under process of payment
	6	Bala Munda	0	Nagaon (T), Under process of payment
	7	Guria Orang	0	Nagaon (T), Under process of payment
	8	Bhadra Maria	0	Nagaon (T), Under process of payment
	9	Madan Gowala	0	Nagaon (T), Under process of payment
	10	Janru Gour	0	Nagaon (T), Under process of payment
	11	Gaya Shouhan	0	Nagaon (T), Under process of payment
2009		NIL up to 10-7-09		

(Annexure-III)

Statement showing the persons injured by elephant under Kollabor Constituency and amount of ex-gratia payment made thereof.

Year		Name of the person killed	Amount paid(in Rs.)	Remarks	
2004					
	1	Wife and daughter of Md. Ismai Ali	5000	Elephant	EAWL
	2	Bhupen killing	5000	Elephant	EAWL
	3	Pradip Mura	8000	Elephant	EAWL
	4	Md. Nabi Hussain	5000	Rhino	EAWL
2005					
	1	Kuddus Ali	8000	Buffalo	EAWL
	2	Md. Hussain Ali	8000	Rhino	EAWL
	3	Saiduma Saha	6500	Elephant	EAWL
	4	Dilip Bora	Not shown	Tiger	EAWL
	5	Mainul Haque	20000	Elephant	EAWL
2006					
	1	Sri Prasanta Pathak	20000	Elephant	Nagaon (T)
	2	Sri Kailash Bora	20000	Elephant	Nagaon (T)
	3	Smti Kajal Mala Biswas	20000	Elephant	Nagaon (T)
	4	Sri Gyan Mandal	20000	Elephant	Nagaon (T)
	5	Sri Puspa Mandal	20000	Elephant	Nagaon (T)
	6	Sri Sarab Misan	20000	Elephant	Nagaon (T)
2007					
	1	Md. Abdul Chattar	20000	Elephant	Nagaon (T)
	2	Akbar Ali	20000	Elephant	Nagaon (T)
	3	Fatema Khatun	20000	Elephant	Nagaon (T)
2008					
	1	Dulal Gogoi	20000	Elephant	Nagaon (T)
	2	Pranjan Gogoi	20000	Elephant	Nagaon (T)
	3	Bharat Gohain	20000	Elephant	Nagaon (T)
	4	Pintu Hazarika	0	Under process of payment	Nagaon (T)
	5	Md. Jalaluddin	0	Under process of payment	Nagaon (T)

(Annexure-IV)

Payment of ex-gratia for damage of House & Crops of persons under Nagaon (Territorial) Division.

Year	Name	Damage of House,Crops & Property	Amount paid
2006	Sri Budheswar Bora	House	2000
	Sri Ranjit Bora	Crops	1000
	Sri Sarna Deka	Crops	1000
	Sri Sonmani Bhuyan	Crops	1000
	Sri Deben Hazarika	House	2000
	Sri Gopal Hazarika	House & Crops	2000
	Sri Tiken Ch. Nath	House	2000
	Sri Kameng Terang	House	3000
	Sri Maheswar Tati	House	3000
	Smti Juri Munda	Crops	1000
	Sri Ananta Narayan Hazarika	House & Property	2500
	Sri Nirmal Das	House & Property	2500
	Sri Nisu Panju	House	2000
	Sri Sandip Goswami	Property	2500
	Sri Mahendra Kakati	Property	2500
	Sri Sahara Urang	House	2000
	Sri Kaliram Das	House & Furniture	2500
	Sri Hemanta Nath	Property	2000
	Sri Dharani Das	Furniture	2500
	Sri Ram Khelowar Satnami	Property	2000
	Sri Hennab Das	Property	2500
	Sri Rameswar Thakur	Property	1000
	Sri Jeet Bhal	House	2500
	Sri Netra Bhati	House	4000
	Sri Tipa Kalindi	House	3000
	Sri Ishaq Munda	House	5000
2007	Sri Bhabani Rai Munda	House	2000
	Sri Sukura Bhuyan	House	2000
	Sri Abdul Aziz	House	5000
	Sri Pradip Madrasi	House	2000
	Sri Dipson Madrasi	House	2000
	Sri Babul Dolmari	House & Property	5000

(Annexure-IV)

2008	Smti Kabeng Terang	House	under process
	Smti Bhali Thakri	House	under process
	Sri Biren Karmakar	House	under process
	Smti Yasoda Devi	Wall	under process
	Md. Abdul Rahman	House	under process
	Smti Bhabani Saikia	House	under process
	Sri Sanatan Bordoloi	House	under process
	Sri Naba Hazarika	House	under process
	Sri Dimo Bhuyan	House	under process
	Smti Muna Das	House	under process
	Sri Dulal Das	House	under process
	Sri Santosh Das	House	under process
	Sri Hariprasad Das	House	under process
	Sri Biren Kalita	House	under process
	Smti Jasuda Rabidas Guwala	House	under process
	Sri Rajen Satnami	House	under process
	Sri Rajendra Daosad	House	under process
	Sri Dilip Satnami	House	under process
	Sri Grihalad Tusa	House & Crops	under process
	Sri Manoj Mishra	House	under process
	Sri Bijoy Tunah Tati	House	under process
	Sri Lalit Hazarika	Crops	under process
	Sri Uttam Saikia	Crops	under process
	Smti Pinky Mura	Crops	under process
	Sri Upen Barman	Crops	under process
	Sri Prafulla Bora	Crops	under process
	Sri Indra Kumar Newar	House	under process
	Sri Mohan Ch. Bordoloi	House	under process
	Sri Adsu Mura	House	under process
	Sri Tilak Hazarika	House	under process
	Sri Brahmadev Bhakat	Crops	under process

(Annexure-III)

STATEMENT SHOWING THE PERSON INJURED BY WILD ELEPHANT AND EX-GRATIA ALREADY BEEN PAID

Sl. No.	Name of injured person	Address	Date of incident	Cause of injury	Compensation paid
1	Md Ishaque S/o Md Ismail Ali	Vill.Harmoti P.S.Jakhalabandha dist. Nagaon	17-6-2004	by elephant	5000/-
2	Sri Bhupen Killing	Killing gaon,P.S. Jakhalabandha, dist. Nagaon	2/9/2004	by elephant	5,000/-
3	Sri Pradip Mura	Vill. Harmoti P.S. Jakhalabandha Dist. Nagaon	12/10/2004	by elephant	8,000/
4	Sri Kuddus Ali	Vill. Deopani P.S. Jakhalabandha Dist. Nagaon	25-11-2005	wild buffalo	8,000/-
5	Md Hussain Ali	Vill. Deopani P.S. Jakhalabandha Dist. Nagaon	25-11-2005	Rhino	8,000/-
6	Sri Saiduma Saha	Vill. Baguri, P.S. Jakhalabandha Dist. Nagaon	19-01-2005	by elephant	5,500/-
7	Sri Md. Nabi Hussain	Bandordubi gaon, P.S.Jakhalabandha.	12/12/2004	Rhino	5,000/
8	Sri Dilip Bora	Vill. Bordolong P.S. Jakhalabandha, Dist. Nagaon	21-05-2005	byTiger	
9	MdMainul Haque	Vill. Harmoti P.S. Jakhalabandha Dist. Nagaon	9/11/2005	by elephant	20,000/-

(Annexure-Iv)

Sl No	RANGE/BEAT	ADDRESS	ADDRESS	DATE OF INCIDENT	NATURE OF DAMAGE			EX-GRATIA SANCTIONED	AMOUNT ENTILED AS PER GOVT CISCULAR	D.C.S. sanctroned Order No.	REMARKS
					Crop	House	Other properly				
	2	3	4	5	6	7	8	9	10	11	12
1	Burapaha Range	Smti Kamala Rangpipi	Vill-Amgun PS Jakhalabandha	20/3/2004		2	Cow-1	4000		NRR 109/05/69 dt.17/11/05	
2	Burapahar Ranga	Sri Guna Kumi	Vill-Amguri Rangajan, PS. Jakhalabandha	28/4/2004		1		2000		NRR.109/05/69 dt.17/11/06	
3	Burapahar Ranga	Sr. Jagabahaour Chetry	Vill-Phulaguri, Ps. Jakhalabandha	9/8/2004		2		4000		NRR.109/05/69 dt.17/11/07	
4	Burapahar Ranga	Sri Samsung Timung	Vill-Phulagur., Ps. Jakhalabandha	9/8/2004				2000		NRR.109/05/69 dt.17/11/08	Paid
5	Burapahar Ranga	Sri Padum Gogoi	Vill-Phulagur., Ps. Jakhalabandha	16/9/2004	10 Biha			2500		NRR.109/05/69 dt.17/11/11	
6	Western Range	Sri Bkheswar Gogoi	Leprocy colony kuthori P.S. Jakhaladendha	9/6/2004		1		2000		NRR.109/05/69 dt.17/11/12	
7	Western Range	Abdul Latif	Vill- Banaodadun PS. Ps. Jakhalabandha	15/7/2004		Panit'y dan'age-1		1000		NRR 109/05/69 dt.17/11/13	
8	Western Range	Isrme Ali	Vill- Banaodadun PS. Ps. Jakhalabandha	17/7/2004		1		2000		NRR 109/05/69 dt.17/11/13	
9	Western Range	Isrme Ali	Vil-Harmati Kuthori PS. JKB.	17/6/04		1		2000		NRR 109/05/69 dt.17/11/13	

(Annexure-Iv)

S I No	RANGE/BEAT	ADDRESS	ADDRESS	DATE OF INCIDENT				EX-GRATIA SANCTIONED	AMOUNT ENTILED AS PER GOVT CISCULAR	D.C.S. sanctioned Order No	REMARKS
10	Western Range	Krishna Charbarti	Basti PS JKB	15/8/2004		1		8500		NRR 109/05/69	12
11	Western Range	Adad Ali	Vill-Najan. Kuthori, PS JKB	26/8/2004		1	Household property	4000		dt.17/11/15	
12	Western Range	Saru Das	Leprocy colony Kuthori, PS. Jakhaladandha	26/8/2004		1		2000		NRR.109/05/69 dt.17/11/16	
13	Western Range	Sri Guna Tanti	Vill-BaguriPS. JKB	6/9/2004		1		2000		NRR.109/05/69 dt.17/11/18	
14	Western Range	Deba Tanti	Vill-BaguriPS JKB	8/9/2004		1	Household property	2000		NRR.109/05/69 dt.17/11/08	Paid
15	Western Range	Tarun Prasad	Vill-BaguriPS JKB	8/9/2004	8 Bigha	1		2000		NRR.109/05/69 dt 17/11/120	
16	Western Range	Biki Barman	Vill-BaguriPS. JKB	8/9/2004		1		2000		NRR.109/05/69 dt.17/11/26	
17	Western Range	Bhaya Kheria	Vill-BaguriPS. JKB	30/9/2004		1		3000		NRR 109/05/69 dt.17/11/13	
18	Western Range	Abdul Malek	Vill-Harmoti Kuthori, P.S. JKB	1/10/2004		1	Betel nut tree 25 Nos.	2500		NRR.109/05/69 dt.17/11/28	
19	Western Range	Babar Ali	Vill-Bandardrdubi PS, Jakhalabandna	19/10/04		3		2000		NRR.109/05/69 dt.17/11/13	
20	Western Range	Ananta Chouutal	Memonal Modal Goan PS.JKB	23/10/2004				6000		NRR . 109/05/59/69 dt 17/11/31 NRR 109/05/59	
21	Western Range	Jaysing Doloi	—	—				4000		dt 17/11/32	

(Annexure-Iv)

24	Western Range	Putu Gorah	Vill-Nabasti Kuthori PS.JKB	1/11/2004		1		2000	AMOUNT ENTILED AS PER GOVT CISCULAR	NRR.109/05/69 dt.17/11/34	REMARKS
25	Western Range	Madhat Saikia	Vill-Hatidandi, Banguri, PS JKB	13/11/2004		1		2000		NRR.109/05/69 dt.17/11/35	12
26	Western Range	Binda Tasa	Vill-Baguri, PS,JKB	24/11/2004		1		2000		NRR.109/05/69 dt.17/11/36	
27	Western Range	Namati Mura	Vill-Baguri, PS,JKB	29/11/2004		1		2000		NRR.109/05/69 dt.17/11/37	
28	Western Range	Sukur Choutal	Vill-Baguri, PS,JKB	3/12/2004		1		2000		NRR.109/05/69 dt.17/11/38	
29	Western Range	Biswanath Mazi	Vill-Kuthori. PS,JKB	18/12/2004		1		2000		NRR.109/05/69 dt.17/11/39	Paid
30	Western Range	Mintu Mora	Vill-Hatidandi, PS.JKB.	5/1/2205		1		2000		NRR.109/05/69 dt.17/11/40	
31	Western Range	Jangli Lakra	Vill Nabast. PS. JKB	21/1/2005		1		2000		NRR.109/05/69 dt.17/11/41	
32	Western Range	Debe Tanti	Vill-Baguri, PS,JKB	6/2/2005		1		2000		NRR.109/05/69 dt.17/11/42	
33	Western Range	Barun Tanti	Vill-Baguri, PS. JKB	8/2/2005		1		2000		NRR . 109/05/59/89 dt 17/11/43	
34	Western Range	Ranjit Kamaskar	Vill-Baguri, PS. JKB	12/3/2005				2000		NRR 109/05/59 dt 17/11/44	
35	Western Range		Vill-Baguri, pS JKB					2000		NRR 109/05/59 dt 17/11/46	
